# অনুলেখা

অনুদিত গল্প সংকলন

সদৌ অসম লেখিকা সমাৰোহ সমিতি
গুৱাহাটী শাখা।

**Anulekha :** *A Collection of Translated Stories edited by Suniti Sonowal and Published by Guwahati Lekhika Somaroh Samity, Guwahati.*

**Price** :-*Rs - 60.00 (Rupees Sixty only )*

**অনুলেখা :**

* অনূদিত গল্প সংকলন।
* গুৱাহাটী লেখিকা সমাৰোহ সমিতিৰ দ্বাৰা প্ৰকাশিত।
* সমিতিৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত।
* প্ৰথম প্ৰকাশ :- ২৬ মে, ১৯৯৬ চন।

**ছপাশাল :** লৰ্ড প্ৰিণ্টাৰ্চ, গনেশগুৰি, গুৱাহাটী -৬

**মূল্য :** ৬০.০০ (ষাঠি টকা) মাত্ৰ

অনুলেখা

# অসমৰ লেখিকা সকলৰ হাতত

সম্পাদিকা

# বাট' চৰা

সাহিত্য মানৱ জীৱনৰ দাপোণ স্বৰূপ। অসমৰ বৰেণ্য লেখক লেখিকাৰ অনুপম সাহিত্য কীৰ্ত্তিৰে অসমীয়া সাহিত্য ভঁৰাল চহকী। অনুবাদ সাহিত্যৰ সীমাবদ্ধতালৈ লক্ষ্য কৰি অনুবাদ সাহিত্যৰ সোৱাদ ৰসজ্ঞ পাঠকক দিয়াৰ সামান্যতম প্ৰয়াসেৰে ""অনুলেখা"" আপোনালোকৰ হাতত তুলি দিবলৈ ক্ষীণ প্ৰচেষ্টা মাথোন। দেশ বিদেশৰ বৰেণ্য লেখক লেখিকাৰ বচা বচা গল্পৰ অনুবাদ, আমাৰ সদস্যা সকলে অতি কম সময়ৰ ভিতৰতে অনুবাদ কৰি এই অনুপম গল্পৰ সঁফুৰাটি সজাই আপোনালোকৰ হাতত তুলি দিবলৈ সক্ষম হোৱা বাবে তেখেত সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

অনুবাদ সাহিত্যৰ কৰ্মশালালৈ আহি পৰম শ্ৰদ্ধেয় সাহিত্যিক শ্ৰীযুত ফণী তালুকদাৰ দেৱে লেখিকা সকলক অনুবাদ সাহিত্য সম্পৰ্কে যি দিহা পৰামৰ্শ দিছিল তাৰ বাবে তেখেতলৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও ধন্যবাদ জ্ঞাপন কৰিলো। আমাৰ অতি মৰমৰ শ্ৰদ্ধেয়া শ্ৰীযুতা কনু বৰুৱা বাইদেৱে অনুবাদ গল্প সংকলন প্ৰকাশৰ ক্ষেত্ৰত যি সহায় সহযোগিতা আগবঢ়ালে সেইবাবে তেখেতলৈ মোৰ প্ৰীতিভৰা ধন্যবাদ জনালো। আমাৰ মৰমৰ সম্পাদিকা শ্ৰীমতী সুনীতি লোনেৱালৰ আপ্ৰাণ চেষ্টাত ""অনুলেখা"" আজি পোহৰৰ যাত্ৰা পথত অগ্ৰসৰ হ'বলৈ সক্ষম হৈছে। সেয়ে তেখেত সঁচাকৈয়ে ধন্যবাদৰ পাত্ৰী।

পাঠক সকলে ""অনুলেখাক"" আদৰি ললে আমাৰ এই সামান্যতম প্ৰচেষ্টা ফলৱতী হোৱা বুলি ধৰিব পাৰিম। লেখিকা সকলৰ লিখনিৰ জয়যাত্ৰা অব্যাহত থাকক এই কামনাৰে বাট চ'ৰাৰ সামৰণি মাৰিলো।

*জ্যোৎস্না দেৱী*
সভানেত্ৰী, গুৱাহাটী লেখিকা সমাৰোহ সমিতি।
গুৱাহাটী।

৩/৫/৯৬

## সম্পাদনাৰ মজিয়াৰ পৰা ঃ-

সদৌ অসম লেখিকা সমাৰোহ সমিতি, গুৱাহাটী শাখাৰ দ্বাৰা প্ৰকাশিত দ্বিতীয় গ্ৰন্থ-অনুবাদ গল্প সংকলন 'অনুলেখাৰ' পাতনিতে সমূহ সাহিত্য প্ৰেমী ৰাইজলৈ সাদৰ সম্ভাষণ জনাবলৈ পাই নিজেই ধন্য মানিছো।

এই সংকলনখনি গুৱাহাটী লেখিকা সমাৰোহ সমিতিৰ দ্বিতীয় প্ৰকাশ। প্ৰথম প্ৰকাশ গল্প সংকলন ''শ্ৰীলেখাই'' পঢ়ুৱৈ সমাজত যথেষ্ট সমাদৰ লাভ কৰিছে বুলি জানিব পাৰিছো; আৰু সেই ভালপোৱাকেই মূল সম্বল হিচাপে লৈ আমি আগবাঢ়িছো আমাৰ এই সংকলনৰ প্ৰকাশৰ প্ৰচেষ্টাত। কাৰণ শিল্পীৰ কোনো এক সৃষ্টিৰ সমাদৰে অন্য এক প্ৰকাশৰ বাবে উদগনি দিয়ে।

ইয়াৰ মাজতে আমি এখনি শিশু উপযোগী গ্ৰন্থও প্ৰকাশৰ বাবে যুগুতাইছিলো। কিন্তু প্ৰকাশৰ বাবে আৱশ্যকীয় খৰচ বহন কৰিব নোৱাৰা বাবেই আমাৰ প্ৰচেষ্টা ফলৱতী নহল।

আমি শুনি আহিছো আৰু লগতে অনুভৱো কৰিছো অসমীয়া সাহিত্যত অনুবাদৰ জৰিয়তে বিদেশী সাহিত্যৰ আমদানী আৱশ্যকতকৈ কম। কিন্তু সেই বুলিয়েই আমি অসমীয়া অনুবাদ সাহিত্যৰ ভঁড়াল টনকিয়াল কৰিবলৈহে এনে প্ৰচেষ্টা হাতত লৈছো বুলি কলেও ভুল কোৱা হব। আচল উদ্দেশ্য - আমি ন-পুৰণি লেখিকাৰে গঠিত আমাৰ গুৱাহাটী লেখিকা সমাৰোহে যাতে দেশী-বিদেশী গল্প সাহিত্যৰ অধ্যয়নেৰে - যিবোৰ পঢ়ি আমাৰ লেখিকা সকলে নতুন লেখন পদ্ধতি, দেশ বিদেশৰ সাহিত্যৰ লগতে -সেইসকল সমাজৰ কিছু জ্ঞান আহৰণ কৰিব পাৰে, পুষ্টতা লাভ কৰে। সেয়ে অনুবাদ গল্প সংকলনৰ প্ৰথম প্ৰচেষ্টা স্বৰূপে আমি এখনি কৰ্মশালাৰ আয়োজন কৰিছিলো। তাত প্ৰথিতযশা সাহিত্যিক, সাংবাদিক, অনুবাদ সাহিত্যত সিদ্ধহস্ত শ্ৰীযুত ফণী তালুকদাৰ দেৱক আমন্ত্ৰণ জনাইছিলো। তেখেতে আমাৰ সভ্যা সকলক অনুবাদ সম্পৰ্কে সকলো কথা বঁহিয়াই বুজাই দিছিল; লগতে অনুবাদ কৰা গল্প সমূহৰো কিছু চাই দিছিল। একো একোটি গল্প আৱশ্যক হলে পুনৰ্লিখনৰ বাবে দিয়া হৈছিল সেয়ে তেখেতৰ ওচৰত আমি চিৰ কৃতজ্ঞ। এইকাৰ্য্যত সমাৰোহৰ অন্যতম উপদেষ্টা শ্ৰীযুতা কনু বৰুৱা বাইদেৱেও যথেষ্ট কষ্ট স্বীকাৰ কৰি সহায় আগবঢ়াইছিল; কাৰণ তেওঁ আমাৰ সকলোৰে 'কনু বাইদেউ'। 'কনুবাইদেউ' অবিহনে আমাৰ এনেধৰণৰ সমস্যা সমাধান কৰা টানেই হৈ পৰে।

আমাৰ এই সংকলনটিত বিশিষ্ট সাহিত্যিক ড: লক্ষীৰা দাস বাইদেৱে আৰু লগতে 'কনু' বাইদেৱেও তেখেত সকলৰ অনুবাদ গল্প সন্নিবিষ্ট কৰিবলৈ দি আমাৰ 'অনুলেখাৰ' সৌন্দৰ্য্য বৃদ্ধি কৰিছে। তেখেত সকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

আমাৰ পৰম শ্ৰদ্ধাভাজন ৺ ক্ষীৰদা নেওগ আমাৰ অনুষ্ঠানৰ উপদেষ্টা আছিল। অনুবাদ গল্প সংকলন প্ৰকাশত তেখেতে যথেষ্ট উৎসাহ যোগাইছিল। কিন্তু নিয়তিৰ নিষ্ঠুৰ হাতে তেখেতক আমাৰ মাজৰ পৰা কাঢ়ি লৈ গল। তেখেতে অনুবাদ কৰি থৈ যোৱা গল্প এটা পৰিয়ালৰ পৰা লৈ আমাৰ সংকলনত সন্নিবিষ্ট কৰা হল। ইতিমধ্যে তেখেতৰ পৰিয়ালে আমাৰ সমাবেশৰ পৰা প্ৰতিবছৰে আয়োজন কৰা সাহিত্য প্ৰতিযোগিতাত গল্পৰ শাখাৰ বাবে তেখেতৰ সোঁৱৰণত পুৰস্কাৰ দিবলৈ টকা ১০,০০০.০০(দহ হাজাৰ) দান হিচাবে আগবঢ়াইছে। তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি আমাৰ সমাবেশৰ ঐকান্তিক কামনা।

'অনুলেখা' নামটো দিছে আমাৰ সমাবেশৰ অইন এগৰাকী উপদেষ্টা শ্ৰীযুতা বীনা শৰ্ম্মা ( জুবোভ) বাইদেৱে। তেখেতৰ শলাগ ললো।

সমাবেশৰ সভানেত্ৰী শ্ৰীমতী জ্যোৎস্না দেৱীয়ে সম্পাদনাৰ কাৰ্য্যত যথেষ্ট সহায় আগবঢ়াইছে। তেওঁৰ নেতৃত্বত সমাবেশে নিশ্চয় আৰু প্ৰকাশৰ পথ পাব।

লৰ্ড প্ৰিন্টাৰ্চে ছপাৰ কামৰ গধুৰ দায়িত্ব গ্ৰহণ নকৰা হলে 'অনুলেখা' প্ৰকাশৰ পোহৰ নাপালেহেতেন। ছপাৰ কামত আমাৰ দিবলগীয়া ঋনৰ গধুৰ বোজা তেখেতৰ হাঁহিৰে পাতলাই দিছে। তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিবলৈও ভাষাৰ অভাব অনুভব কৰিছো। মাথো অন্তৰৰ অন্ত:স্থলৰ পৰা তেখেতৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

সম্পাদনাৰ কামত সমাবেশৰ সভ্যাসকলে আগবঢ়োৱা সকলো ধৰণৰ সহায় মোৰ জীৱনত সকলো কামৰে সাৰথি হব। তেওঁলোকলৈ মোৰ অন্তৰৰ মৰম চেনেহ বঁটাৰ বাহিৰে দিবলৈ মোৰ একোৱেই নাই।

আপ্ৰাণ চেষ্টা স্বত্বেও বৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনাৰে আমাৰ নতুন সৃষ্টি 'অনুলেখা'ক পঢ়ুৱৈ সমাজে আদৰি লব বুলি আমাৰ অনুৰোধ জনালো।

ধন্যবাদেৰে

সুনীতি সোনাৱাল
সম্পাদিকা

২/৫/৯৬ সদৌ অসম লেখিকা সমাবেশ সমিতি, গুৱাহাটী শাখা।

# সূচী পত্ৰ


| অনূদিত গল্প | অনুবাদ | পৃষ্ঠা |
|---|---|---|
| ১। প্ৰেমৰ বাবে | ড° লক্ষহীৰা দাস | ১ |
| ২। মানুহৰ চতুৰতা | ৺ কীৰদা নেওঁগ | ৯ |
| ৩। সাধুপুৰুষ | কণু বৰুৱা | ১৩ |
| ৪। সম্পাদক | মনোৰমা ভট্টাচাৰ্য্য | ২৪ |
| ৫। পুহমাহৰ ৰাতি | নিৰুপমা কটকী | ৩০ |
| ৬। ভগৱানে সকলো দেখে, কিন্তু সময় লয়, অপেক্ষা কৰে | গীতাঞ্জলি বৰঠাকুৰ | ৩৮ |
| ৭। খোলা খিৰিকিখন | ৰূপলেখা শইকীয়া | ৪৯ |
| ৮। ডাংকো | জ্যোৎস্না দেৱী | ৫৪ |
| ৯। আবাস গৃহতে | বিজুলী শৰ্মা | ৫৯ |
| ১০। শোক | সবিতা দেৱী | ৬৬ |
| ১১। হীৰাৰ নেকলেচ | হেমলতা শইকীয়া | ৭৪ |
| ১২। বাৰ্তা বাহক | বেবী বেজবৰুৱা | ৮২ |
| ১৩। পলক আৰু পৰহ মানুহজন | জেচমিনা ইছলাম | ৮৭ |
| ১৪। কৰ্তব্যপৰায়ণা মিচ ব্ৰেকপাৰ্ডলে | বীণা বৰা | ৯৬ |
| ১৫। লেডীজীয়া মাখিচৌ | ইলা শৰ্মা | ১০৯ |
| ১৬। সহবাস | ৰতি গগৈ | ১২০ |
| ১৭। শেষ পাত খিলা | নিৰ্মালি কটকী | ১৩৮ |
| ১৮। আজ্ঞাবাহক | সুস্মিত ব্ৰত চৌধুৰী | ১৪৬ |
| ১৯। লক্ষিত ধনৰ টোপোলা | জীৱন মাধুৰী নেওগ বৰা | ১৫২ |
| ২০। মিষ্টাৰ এনড্ৰিউজ | উষা বৰুৱা | ১৬৩ |
| ২১। অনাহূত অতিথি | সুনীতি সোণোৱাল | ১৭০ |

# "প্ৰেমৰ বাবে"

মূল ৰচনা ঃ
ও, হেনৰি

ভাষান্তৰ ঃ
ড: লক্ষহীৰা দাস

ও হেনৰি - নামেৰে যি গৰাকী লিখক সমগ্ৰ বিশ্বতে সুপৰিচিত আৰু যাৰ গল্প সমূহৰ ব্যাপক অনুবাদ দক্ষিণ আমেৰিকা, ইউৰোপ, আফ্ৰিকা, আৰু এচিয়াৰ বিভিন্ন ভাষালৈ -অনুদতি হৈছে তেওঁৰ আচল নাম হল -উইলিয়াম চিডনি পোৰ্টাৰ ;তেওঁৰ জন্ম ১৮৬২ খৃষ্টাব্দৰ ১১ চেপ্তেম্বৰ। তেওঁৰ গল্প বাজিৰ অনবদ্য আবেদনৰ বাবে সমালোচক সকলে তেওঁক আমেৰিকাৰ "শ্বেকভ" আৰু "ইয়াঙ্কি মোপাচা"বুলি অভিহিত কৰে। ব্যঙ্গ, বিদ্ৰূপ, শ্লেষ, ৰূপক, আৰু অনুপ্ৰাসৰ খুৰধাৰ ব্যবহাৰৰ বাবে তেওঁৰ গল্প বাজি বিশ্ব সাহিত্যত এক অমূল্য সম্পদ।

শিল্পক ভাল পালে কোনো কামেই কঠিন বুলি মনে নকয়। আমাৰ সকলোৰে এয়ে ধাৰণা। এই ধাৰণাৰ বাবেই এই কাহিনীয়ে এটা পৰিনতি লাভ কৰিব আৰু সেই পৰিনতিৰ পৰাই জনা যাব যে ধাৰনাটো প্ৰকৃততে শুদ্ধ নহয়।

চিত্ৰশিল্পত এক বিৰল প্ৰতিভা লৈ মিড্‌ল ৱেৰটুৰ এক জীৰ্ণ ফ্লে টত জো লাৰাবীয়ে জন্ম গ্ৰহণ কৰিছিল। ছয় বছৰ বয়সতে তেওঁ এজন ...ান্ত নাগৰিকৰ ছবি এখন আঁকিছিল। খেতি পথাৰৰ ওচৰত থকা ঔষধৰ দোকানৰ খিৰিকিত খেলিমেলি কৈ ৰখা অন্যান্য ছবিৰ লগত সেইখনো আৰি থোৱা হৈছিল। কুৰিবছৰ পিছত তেওঁ একান্ত সঙ্গোপনে নিউয়ৰ্কত উপস্থিত হৈছিল গৈ।

ইপিনে দক্ষিণ অঞ্চলৰ পাইন গছেৰে ভৰা এখন গাৱঁত ডেলিয়া কৰাথাৰ্চে ইমান প্ৰতিশ্ৰুতিময় গান গাইছিল যে তাইৰ আত্মীয় স্বজনে

সদায় আশীৰ্ব্বাদ বৰ্ষন কৰিছিল যাতে তাইৰ সঙ্গীত শিক্ষা সুকলমে আৰু সোনকালে শেষ হয়। শেষ হোৱাতো অৱশ্যে তেওঁলোকে দেখা নাপালে । এই কাহিনীত কিন্তু সেইটো লিপিবদ্ধ হৈছে।

এখন শিল্পালয়ত জো আৰু ভেলিয়াৰ দেখা হৈছিল। শিল্প আৰু সঙ্গীতৰ বহু ছাত্ৰ ছাত্ৰী তালৈ আহিছিল। চিত্ৰত আন্নাৰ পোহৰ ,সঙ্গীত, ৰেমব্ৰাণ্টৰ ছবি ,প্ৰাচীৰপত্ৰ ইত্যাদি নানা বিষয়ে তেওঁলোকে আলোচনা কৰিছিল।

জো আৰু ভেলিয়াই ইজনে সিজনক দেখি মুগ্ধ হল। কিছু দিনৰপিছত সিহঁতৰ বিয়াও হৈ গল। কাৰণ শিল্পক ভালপালে কোনো কামেই কঠিন নহয়। গতিকে শ্ৰী আৰু শ্ৰীমতী লাৰাৰীয়ে এটা সৰু ফ্লেটত সংসাৰ আৰম্ভ কৰিলে। ফ্লেটটো বেচ নিৰিবিলি থিক যেন পিয়ানোৰ একেবাৰে বাওফালে থকা শেষ চাবিটোহে। সিহঁত বৰ সুখী কাৰণ ইজনে সিজনক বিচাৰিছিল আৰু পাইছেও। তদুপৰি সিহঁতৰ সম্বল হিচাবে আছে শিল্প। ধনী তৰুণ সকলৰ প্ৰতি মোৰ উপদেশ হ'ল - তোমালোকে তোমালোকৰ যিখিনি সম্বল আছে সকলো বিক্ৰী কৰি দুখীয়াৰ মাজত বিলাই দিয়া আৰু তোমাৰ প্ৰেয়সী আৰু শিল্পক লৈ এটা ফ্লেটত সংসাৰ আৰম্ভ কৰা।

ফ্লেটৰ বাসিন্দা সকলে মোৰ সতে এক মত হৈ কব সিহঁতে প্ৰকৃতাৰ্থত সুখী। সংসাৰ সুখৰ হলে ঘৰটো কেতিয়াও সৰু যেন নেলাগে। সজাই থোৱা টেবুল এখন লুটিয়াই দিলেই বিলিয়াৰ্ড খেলাৰ টেবুল এখন পোৱা যায়। ড্ৰেচিং টেবুল আৰু চুলাৰ ওপৰখণ্ড লিখাপঢ়া কৰা টেবুলখন এটা শোৱনী কোঠা। মুখধোৱা বেচিনটো যেন থিয় কৰি থোৱা পিয়ানোহে। ঘৰৰ বেৰবোৰ ওচৰা ওচৰিকৈ থাকক না তুমি আৰু ভেলিয়াতো তাৰ ভিতৰতে আছা। কিন্তু ঘৰটো যদি অন্য ধৰণৰ হয় -দীঘল বহল, তেতিয়া হলে তুমি গোল্ডেন গেটেৰে সোমাই কোট আৰু টুপী থৈ লাব্ৰাডৰ পিনে যাবাগৈ।

বিখ্যাত ব্যক্তি মেজিষ্টাৰৰ ওচৰত জোই আঁকিবলৈ শিকে। নিজস্ব বৈশিষ্ট্যৰ বাবে তেওঁৰ খ্যাতি বৈ বৈ যোৱা। তেওঁৰ দক্ষিণা বেছি কিন্তু শিকায় কম। ৰোহেনষ্টকৰ ওচৰত ভেলিয়াই সঙ্গীতৰ তালিম লয়। পিয়ানোৰ চাবিবোৰত নানা ভাৱে আঙুলি বুলাই ধুমুহাৰ সৃষ্টি কৰিব পাৰে বুলি তেওঁৰ খ্যাতি কেউপিনে বিয়পি পৰিছিল।

যিমান দিনলৈ পইছা হাতত আছিল সিমান দিনলৈ সিহঁতৰ সুখ শান্তিও অটুট আছিল। সকলোবে ক্ষেত্ৰত সেয়াই হয়। সিহঁতৰ জীবনৰ লক্ষ্যও আছিল অত্যন্ত স্পষ্ট আৰু সুনিৰ্দ্দিষ্ট। জো ৰ ধাৰণা আছিল যে অতি সোন কালে তেওঁ এনে ছবি আকিব পাৰিব যে সেইবোৰ কিনিবৰ বাবে পাতল জুলফি আৰু শকত পকেটবুক ৰখা বৃদ্ধ ভদ্ৰ লোক সকলে আহি তেওঁৰ ষ্টুডিওত ভিৰ কৰিব। ডেলিয়াই আকৌ ভাবিছিল তাই গানবাজনাত ইমানেই নাম কৰিব যে বাদক সকলৰ আসন ভৰ্ত্তি নহলে আৰু বক্সৰ টিকট বিক্ৰি নহলে তাইৰ ভিঙিৰ বিষ হব আৰু মঞ্চলৈ যোৱাৰ পৰিবৰ্ত্তে পাক ঘৰত সোমাই ভজা মাছ চোবাই থাকিব।

কিন্তু আমাৰ নিচিনা সৰু ফ্লেটৰ গাৰ্হস্থ্য জীবনেই সবাতোকৈ শ্ৰেষ্ঠ। সমগ্ৰ দিনটো শিক্ষা গ্ৰহণৰ পালা শেষ কৰি দুয়োজনৰ আকুল উচ্ছল আলাপ আলোচনাৰ শেষত ৰাতি সাধাৰাণ আহাৰ গ্ৰহণ .... ৰাতিপুৱা সতেজ লঘু চাহ জলপান , আশা - আকাঙ্খাৰ ভাব বিনিময় ..., নিজৰ লগত আনৰো আশা মিলি একাকাৰ হোৱা বা নোহোৱা , পাৰম্পৰিক সহায় সহযোগ আৰু অনুপ্ৰেৰণা ,... আৰু ৰাতি এঘাৰটাত জলফাই আৰু পনিৰৰ চেণ্ডুইচ।

কিন্তু কিছুদিনৰ পিছতে শিল্প অলপ আতৰি গল। মাজে মাজে এনে হয়েই , প্ৰত্যক্ষ ভাবে একো নকৰিলেও এনে হোৱা দেখা যায়। ৰুচি সম্পন্ন মানুহৰ ভাষাত কবলৈ হলে ঘৰৰ পৰা সকলো বস্তু বাহিৰলৈ গৈ আছে ,ভিতৰলৈ একোৱে নহা হ'ল। মিঃ মেজিষ্টাৰ আৰু ৰোজেনষ্টকৰ মাহিলি দিবলগীয়া খিনি বাকি পৰিছে। কিন্তু শিল্পক যি ভালপায় তেওঁ কোনো কামেই কঠিন বুলি নাভাবে। সেইকাৰণেই ডেলিয়াই কলে - সংসাৰখন নিয়াৰিকৈ চলাবৰ বাবে তাই গান শিকাবলৈ লব। দুই তিনিদিন ধৰি ছাত্ৰ বিচাৰি চলাথ কৰাৰ পিছত অতি উৎফুল্লিত হৈ এদিন সন্ধিয়া তাই ঘৰলৈ উভতি আহিল।

জানা জো মই এজনী ছাত্ৰী বিচাৰি পাইছো। সিহঁত বৰ ভাল মানুহ। জেনেৰেল এ. বি.পিঙ্কনিৰ ছোৱালী তাই। থাকে চেভেনটি ফাৰ্ষ্ট ষ্ট্ৰীটত। ঘৰটোনো কি চাবা সদৰ দৰজা কি যে বিশাল। ..আৰু ভিতৰ খন ইমান যে সুন্দৰ। তেনেঘৰ মই আগতে কতো দেখা নাই। সেই জেনেৰেলৰ

ছোৱালী ক্লিমেণ্টিনা মোৰ ছাত্ৰী। মই ইতিমধ্যে ছোৱালীজনীক বৰ ভাল পাই পেলাইছো। বৰ কোমল মনৰ ছোৱালীজনী সদায় বগা কাপোৰেই পিন্ধি থাকে। সহজ সৰল আৰু সাধাৰণ। সপ্তাহত তিনিদিন শিকাম তাইক। প্ৰতিদিনৰ বাবদ মই পাম পাচ ডলাৰকৈ। ছোৱালীজনীৰ বয়স মাত্ৰ ওঠৰ বছৰ। এনে কাম কৰিবলৈ মোৰ অকণো আপত্তি নাই। আৰু দুই তিনিজনী ছাত্ৰী যোগাৰ কৰিব পাৰিলেই মই আকৌ বোজেনষ্টকৰ ওচৰত গান শিকিবলৈ আৰম্ভ কৰিম। এতিয়া তোমাৰ কোচখোৱা চেলাউৰি জোৰ পোন কৰাচোন সোণ। এইবাৰ অহা আমি আৰামত খাই লওঁ।

"তোমাৰ কপালৰ পৰা তুমি থিকেই কৰিছা"। কাটা আৰু ছুৰিৰে থালৰ আহাৰ কাটি কাটি জোই কলে। "কিন্তু মোৰ কথা এবাৰ ভাবি চোৱাহোন। তুমি ভাবিছা নেকি যে তোমাক পৰিশ্ৰম কৰি উপাৰ্জ্জনৰ কৰিবলৈ পঠিয়াই মই উচ্চতৰ শিল্পৰ সাধনাত ডুব গৈ থাকিম ? সেইটো কেতিয়াও হব নোৱাৰে। অন্য একো নহলেও খবৰৰ কাগজ বিক্ৰি কৰি ঘৰলৈ অন্ততঃ এক ডলাৰটো আনিব পাৰিম।"

ডেলিয়াই জোৰ কাষলৈ আহি জোৰেৰে ভিণ্ডিত সাবটি ধৰি কলে " জো, তুমি শিকাৰ কাম চলাই যাবই লাগিব। মই গানবাজনা বাদ দি অন্য কাম কৰাৰ প্ৰশ্নতো উঠা নাই। শিকাওতে শিকাওতে মোৰো শিকা হব। সকলো সময়তে মইতো সঙ্গীতৰ মাজত ডুব গৈ থাকিম। সপ্তাহত পোন্ধৰ ডলাৰ উপাৰ্জ্জন কৰি আমি লাখপতিৰ দৰে সুখে সন্তোষে জীৱন কটাব পাৰিম। মিঃ মেজিষ্টাৰক এৰি অহাৰ কথা তুমি কেতিয়াও নাভাবিবা।" "থিক আছে বাৰু" গোলগোলকৈ কটা নীলা ৰঙৰ তৰকাৰীৰ থাল খনৰ ফালে জো ই হাতবঢ়াই কলে। "কিন্তু তুমি গান শিকাবলৈ যোৱা কথাটো মোৰ অকণো ভাল লগা নাই। সেইটো শিল্প নহয়।

ডেলিয়াই কলে - " শিল্পক ভাল পালে কোনো কামকে কঠিন যেন নেলাগে।"

"পাৰ্কত মই যিখন ছবি আঁকিছিলো সেইখনত আকাশৰ দৃশ্যটো দেখি মেজিষ্টাৰে খুব প্ৰসংসা কৰিছে।" জোই কৈ গল। " আৰু টিংকলে তাৰ দোকানৰ আয়নাত দুখনমান ছবি আৰি থবলৈ অনুমতি দিছে। তেনে কোনো এখন ছবিত যদি কোনো চহকী মানুহৰ চকু

পৰে তেন্তে তাৰেই মাজৰ কোনো এখন ছবি মই বিক্ৰিও কৰিব পাৰিম।"

"নিশ্চয়, নিশ্চয় বিক্ৰি কৰিব পাৰিবা। আহা, এইবাৰ আমি জেনেৰেল পিঙ্কনি আৰু মাংসৰ ৰোষ্ট খিনিৰ প্ৰতি কৃতজ্ঞ হও।"

ইয়াৰ পিছৰ সপ্তাহত সিহঁতে বেচ সোনকালে ৰাতিপুৱা উঠি পুৱাৰ আহাৰ খোৱা আৰম্ভ কৰিলে। চেণ্ট্ৰেল পাৰ্কলৈ গৈ ৰাতিপুৱা ৰাতিপুৱা ছবি অঁকাত ভীষণ উৎসাহ এতিয়া জোৰ। ডেলিয়াই তাক খুৱাই বুৱাই মৰম আদৰ কৰি,সাতবজাত এটা চুমাৰে বিদায় জনায়। শিল্পৰ আকৰ্ষন বৰ তীব্ৰ। সেইকাৰণেই জোই ঘৰ পাওতে সন্ধিয়া সাত বাজি যায়।

সপ্তাহটোৰ শেষত ডেলিয়াই সিহঁতৰ ৮×১০ (ফুট) ড্ৰইংৰুমৰ চেণ্টাৰ টেবুলত মধুৰ গৌৰব আৰু বিজয়ৰ আনন্দত তিনিখন পাচ ডলাৰৰ নোট দলিয়াই দিলে। "মাজে মাজে ক্লিমেণ্টিনাই মোক বৰ খটুৱায়" সামান্য অৱসন্ন ভাবে ডেলিয়াই কলে।" বোধ কৰো তাই ভালকৈ ৰেৱাজ নকৰে। বাৰে বাৰে একেটা বস্তুকে তাইক দেখুৱাব লাগে। তদুপৰি অনবৰত তাই বগা পোছাক পিন্ধি থকাত বৰ আমনি লাগে চাই চাই। কিন্তু জেনেৰেল পিঙ্কনি বৰ ভাল মানুহ। তোমাৰ লগত দেখা হলেই গম পাবা সেইটো। ক্লিমেণ্টিনাক পিয়ানো শিকাই থাকোতে তেওঁ প্ৰায় কোঠালীলৈ আহি চাই যায়।তুমিতো জানাই যে তেওঁৰ স্ত্ৰীৰ মৃত্যু হৈছে কিছুদিনৰ আগতে। তেওঁ বগা দাড়িখিনি হাতেৰে মোহাৰি মোহাৰি মোক প্ৰায়েই সোধে "কি গলাৰ সাধনা কিমান আগবাঢ়িছে?" তেওঁলোকৰ ড্ৰইংৰুমৰ বেৰত থকা কাঠৰ কাৰুকাৰ্য দেখিলে অবাক হবা। অন্যান্য সজোৱা বস্তুবো যে কি বাহাৰ। ক্লিমেণ্টিনাৰ সৰু সৰু খেলনা বোৰ বৰ মজাৰ। তাইক দেখি যেনেকুৱা যেন লাগে তাতকৈ তাই নিশ্চয় বেছি শক্তিমতী।মই কিন্তু তাইক সচাকৈয়ে ভাল পাই পেলাইছো। ছোৱালী জনী ইমান যে ভদ্ৰ! কিমান উচ্চ বংশৰ ছোৱালী তাই। পিঙ্কনিৰ ভায়েকজন এসময়ত বলিভিয়াৰ মন্ত্ৰী আছিল।"

জো ই অতি প্ৰসন্ন চিত্তে পকেটৰ পৰা এখন দহ,এখন পাচ এখন দুই আৰু এখন এক ডলাৰৰ নোট উলিয়াই ডেলিয়াৰ নোট বোৰৰ লগতে থলে। " পানীবণ্ডেৰে অঁকা মোৰ সেই আকাশৰ পিনে ক্ৰমাত সৰু হৈ যোৱা ছবিখন পিয়োৰিয়াৰ এজন ভদ্ৰলোকক বিক্ৰি কৰি দিলো"। জোই উচ্ছল আনন্দত ডেলিয়াক কলে। "মোৰ লগত ধেমালি নকৰিবা জো।

তেওঁ পিয়োৰিয়াৰ মানুহ নহয়। ” ভেলিয়াই জোক কলে। “সচাঁকৈয়ে তেওঁ পিয়োৰিয়াৰ মানুহ। বৰ শকত আবত মানুহ জন। ডিঙিত তেওঁৰ এখন পশমী মাফলাৰ আৰু হাতত এভাল চৰাইৰ পাখি সদায় থাকে। ভেল ! তুমি যদি তেওঁক দেখিলা হেতেন। টিংকোলৰ দোকানত ছবিখন প্ৰথমে দেখি তেওঁ সেই খন বায়ুঘৰৰ ছবি বুলি ভাবিছিল। সি যিকি নহওক ছবিখন তেওঁ কিনি ললে লগতে আৰু এখন ছবিৰ অৰ্ডাৰ দিলে। লাকওৱানৰ গুডামঘৰৰ ছবি তেলৰঙেৰে আকিব লাগিব। সেইখন তেওঁ লগতে লৈ যাব। আৰু এই গান শিকোৱা বিষয়টো - এৰা তাৰ মাজতো শিল্প আছে বুলি মই বিশ্বাস কৰো।

“তুমিটো শিল্প চৰ্চ্চা অব্যাহত ৰাখিছা তাৰবাবে মই অত্যন্ত সুখী।” ভেলিয়াই কলে “তুমি জয়ী হবাই। বাপৰে তেত্ৰিশ ডলাৰ ! ইয়াৰ আগতে আমি খৰচ কৰিবৰ বাবে ইমান পইছা কেতিয়াও পোৱা নাছিলো। আজি ৰাতি আমি শামুক খাম দেই। আৰু ফিলি মিনিয়ৰৰ লগত চেম্পেইন ”-জোই কলে।

ইয়াৰ পিছৰ শনিবাৰে সন্ধিয়া পৰত জো প্ৰথমে কামৰ পৰা ঘৰলৈ উভতি আহিল। ড্ৰইংৰুমৰ টেবুলত ওঠৰ ডলাৰ থৈ তেওঁ হাতৰ কলা ৰং বোৰ ধুই পখালি চাফা কৰি ললে। ইয়াৰ আধাঘণ্টামান পিছতে ভেলিয়া আহি ওলাল। তাইৰ হাতত এটা বেণ্ডেজ। “এয়া কেনেকৈ হ’ল ?” সচাৰচৰ কৰাৰ দৰে তাইক প্ৰীতি সম্ভাষন জনাই জো ই সুধিলে।

উত্তৰত ভেলিয়াই এক বিষন্ন হাঁহি মাৰিলে “গানবাজনা শিকাৰ পিছত ক্লিমেন্টিনাই মোক আহাৰ খাবলৈ বৰ জোৰ কৰিছিল। আবেলি পাচ বজাতনো কেনেকৈ পেট ভৰাই খাও বাৰু। ঘৰত জেনেৰেলও উপস্থিত আছিল। তেওঁৰ ব্যস্ততা কি চাবা ! বজাৰৰ পৰা চাটু আনিবলৈ তেওঁ ইমান উধাতু খাই ওপৰৰ পৰা নামি আহিল যেন ঘৰত চাকৰ বাকৰ কোনোৱে নাই ! মই গম পাইছিলো ক্লিমণ্টিনাৰ গা টোও সিমান ভাল নহয়। তদুপৰি বৰ নাৰ্ভাচ হোৱাৰীজনী। আহাৰ পৰিবেশন কৰিবলৈ গৈ তাই উতলা আলুৰ জোল মোৰ হাতত পেলাই দিলে। উস্ কিযে ভয়ানক যন্ত্ৰনা। বেচেৰী ক্লিমেণ্টিন বৰ দুখ পালে। আৰু জেনেৰেল পিঙ্কনী তেওঁ একেবাৰে পগলা হোৱাৰ দৰে হল। দৌৰমাৰি চিৰিৰে তললৈ নামি গৈ মোৰ কাৰণে একপ্ৰকাৰ তেল আৰু বেণ্ডেজ আনিবলৈ কাবোবাক দৰবৰ দোকানলৈ পঠিয়াই দিলে। এতিয়া আৰু সিমান বিষ নাই।”

"এইবোৰ কি ? " আলফ্ৰেডে ডেলিয়াৰ হাতখন নিজৰ হাতত তুলি লৈ বেগুেজৰ্ তলৰ কেইটামান ফুলা দেখুৱাই জোই সুধিলে "কিবা এটা বৰ কোমল বস্তুত তেলটো সানি হাতত লগাই দিয়া হৈছিল। বাৰু জো তুমি আৰু এখন ছবি বিক্ৰি কৰিলা নেকি ? " টেবুলত থোৱা পইছাখিনি চাই ডেলিয়াই প্ৰশ্ন কৰিলে। "ছবিখন বিক্ৰি কৰিলোনে নাই তুমি সেই পিয়োৰিয়াৰ ভদ্ৰ লোক জনকে সোধা গৈ। আজি তেওঁ সেই গুদাম ঘৰৰ ছবিখন কিনি লৈ গৈছে। এতিয়াও থিক হোৱা নাই যদিও তেওঁ বোধকৰো এখন পাৰ্কৰ ছবি আৰু এখন হাডচন নদীৰ দৃশ্যও কিনিব। কিন্তু আজি আবেলি কিমান সময়ত তোমাৰ হাতখন পুৰিল বাৰু ?" চিন্তিত ভাবে ডেলিয়াই কলে "পাচমান বজাত। ইস্ত্ৰিটো ..... মানে আঙ্গাখিনি তেতিয়াই চৌকাৰ পৰা নমাইছিল মাত্ৰ। তুমি সেইসময়ত যদি জেনেৰেল পিঙ্কনীক দেখিলাহেতেন ! যেতিয়া মোৰ .........।" "বহা , ইয়াত অকনমান বহাহোন ডেল।" চোফাখনত জোৰ কৰি ডেলিয়াক বহুৱাই জো তেওঁৰ ওচৰতে বহিল গৈ। এখন হাতেৰে তাইক কান্ধত ধৰি সি সুধিলে - "যোৱা দুসপ্তাহ ধৰি তুমি কি কাম কৰিছা ডেল ? দুচকুত প্ৰেম আৰু দৃঢ়তা লৈ মুহূৰ্ত্ততে ডেলিয়া স্তব্ধ হৈ গল। তাৰ পিছত জেনেৰেল পিঙ্কনী সম্পৰ্কে অস্ফুট ভাবে কিবা কিবি কলে। কিন্তু অৱশেষত ভাঙি পৰিল তাই। কান্দি কান্দি তাই সচাকথাটো কৈ পেলালে। "মই বিচাৰি বিচাৰি এজনীও ছাত্ৰী নাপালো জো। তুমি ছবি অকা এৰি দিবা এই কথাটো মই সহ্য কৰিব পৰা নাছিলো। ইয়াৰ পিছত টুৱেণ্টি ফোৰ্থ ষ্টীটত সেই বিৰাট লণ্ড্ৰিটোত কাপোৰ ইস্ত্ৰি কৰাৰ চাকৰিটো পালো। জেনেৰেল পিঙ্কনী আৰু ক্লিমেণ্টিনাৰ গল্পটো মই সাজি উলিয়াব লগীয়া হৈছিল। আজি আবেলি লণ্ড্ৰিখনৰ ছোৱালী এজনীয়ে এটা গৰম ইষ্টি মোৰ হাতত থৈ দিলে। ঘৰলৈ উভতি আহোতে গোটেই গল্প টো মই সাজি সাজি আহিলো। তুমি খং নকৰিবা জো। মই যদি এই কামটো নললোহেতেন তেন্তে তুমিও সেই পিয়োৰিয়াৰ ভদ্ৰ লোক জনক তোমাৰ ছবি বিক্ৰি কৰিব নোৱাৰিলা হেতেন।"

"তেওঁ পিয়োৰিয়াৰ মানুহ নহয়।" জোই লাহেকৈ কলে। "তেওঁ যৰেই মানুহ নহওক লাগিলে তাতে নো কি হ'ল ? তুমি কিন্তু বৰ চালাক জো। আহাচোন মোক চুমা এটা দিয়া। বাৰু ক্লিমেণ্টিনাক যে মই গান নিশিকাও সেইটো তুমি কেনেকৈ জানিলা বাৰু ?"ডেলিয়াই অক প্ৰশ্ন কৰিলে।

" আজি ৰাতিলৈকে মই অকণো সন্দেহ কৰা নাছিলো।"

জোই কৈ গল - "কিন্তু ওপৰ তলাৰ কোনোবা এজনী ছোৱালীৰ হাত ইন্ত্ৰিয়ে পুৰিছে বুলি খবৰ পাই ময়েই তুলা আৰু দৰৱ পঠিয়াই দিছিলো। যোৱা দুসপ্তাহ ধৰি ময়েই সেই লণ্ড্ৰীখনৰ ইঞ্জিনটো চলোৱাৰ কাম কৰিছো।"

"তেতিয়া হলে তুমি ছবি ...............।"

"মোৰ পিয়াৰোৰ ভদ্ৰলোক আৰু তোমাৰ জেনেৰেল পিঙ্কনী একেই শিল্পৰ সৃষ্টি। কিন্তু সঙ্গীত অথবা চিত্ৰ নহয়।"

সিহত দুয়ো হাঁহিত বাগৰি পৰিল। তাৰ পিছত জোই কলে - "কথাটো প্ৰকৃততে কি জানানে ? শিল্পক ভাল পালে কোনো কামেই কঠিন নহয়।"

জোৰ ওঠত আঙুলি থৈ ডেলিয়াই লগে লগে কলে - "নহয় নহয় ,কেৱল প্ৰেম থাকিলে পৃথিৱীত কোনো কামেই কঠিন নহয়।"

* * * * * *

* * * * * *

# মানুহৰ চতুৰতা

মূল ৰচনা ঃ এণ্টন চেখভ্
অনুবাদ ঃ ৺ ক্ষীৰদা নেওঁগ

*এণ্টন চেখভ -(১৮৬০ - ১৯০৪ ) ঃ ১৮৬০ খৃষ্টাব্দত জন্ম গ্ৰহণ কৰা এই ৰবাকী লিখকৰ ১৯৮৫ চনত ৰাছিয়াত ১২৫ তম জন্ম বাৰ্ষিক উদ্‌যাপন কৰা হয়। তেওঁৰ সাহিত্যিক সন্মান ৰুচ দেশৰ লিও টলষ্টয়, ফিওডৰ ডষ্টয়েভস্কিৰ সমপৰ্য্যায়ৰ। এণ্টন চেখভে সাহিত্যত নিখুঁত আৰু অসত্য বৰ্ণনা ঘৃণা কৰিছিল। সেয়ে তেওঁৰ লিখনি বাস্তৱ সত্য অন্বেষণ, মানৱ মৰ্য্যদা, নৈতিক সৌন্দৰ্য্য আৰু প্ৰকৃত মানৱ দৰ্শন প্ৰতি কল্পিত হৈছিল।*

মাৰ্ফা পেট্ৰোভনা পেচোনকিনা - এজন সেনাধ্যক্ষৰ বিধৱা পত্নী। তেওঁ দহবছৰ মানৰ পৰা হোমিওপ্যাথী চিকিৎসা আৰম্ভ কৰিছে। এদিন মঙ্গলবাৰে তেওঁ ৰোগী সকলৰ চিকিৎসা Consulting room ত আৰম্ভ কৰিছে। মেজৰ ওপৰত তেওঁৰ এটা হোমিওপ্যাথী ঔষধৰ বাকচ ,এখন চিকিৎসাৰ কিতাপ আৰু ঔষধ জোখা তুলাচনী যন্ত্ৰ। দেৱালত সোণালী ফ্ৰেমত বন্ধোৱা চেণ্ট পিটাৰ্চবাগৰ এজন বিখ্যাত হোমিওপ্যাথিক চিকিৎসকৰ ছবি ,পিতৃ স্বৰূপ এৰিষ্টাৰ্থৰ এখন ফটো যাৰ প্ৰেৰণাত মেদামে এলোপেথিক চিকিৎসাৰ মোহৰ হাত সাৰি সত্যৰ সন্ধান পাইছে।

ৰোগী সকলৰ সৰহ সংখ্যক পুৰুষ , বাহিৰৰ কোঠাত বহি অপেক্ষা কৰি আছিল। দুজন মানৰ বাহিৰে সকলোৰে শুদা ভৰি। কাৰণ মেডামপেচোন কিনাৰ লেতেৰা জোতাৰে সোমোৱা মানা আছিল।

মাৰ্ফা পেট্ৰোভনাই দহজন ৰোগী চোৱাৰ পিচত ১১ নম্বৰ ৰোগী মাতিলে ,"গ্ৰেভিলা গাজেভ"

দুৱাৰ খুলি সোমাই আহিল গ্ৰেভিলা গাজেভ নহয় "জামু

খ্রিশ্চিনহে। তেওঁ পেট্রোভনাৰ ওচৰ চুবুৰীয়া এজন দুখীয়া জমিদাৰ, নিস্প্ৰভ চকুযোৰেৰে এজন বয়স্থ লোক। কাষলতিৰ তলত টুপি। তেওঁ সোমাই আহিয়েই চুকত লাঠিডাল থলে আৰু আগবাঢ়ি আহি পেট্রোভনাৰ ওচৰলৈ গৈ আঠু কাঢ়িলে।

মেডাম পেট্রোভনা চক্ খাই উঠিল "হে প্ৰভূ! এইখন আকৌ কি কৰিছা? হেৰা এয়া কি কৰিছা?"

জামুখ্রিশ্চিন কিছু নুঠিল। পেট্রোভনাৰ হাতত চুমা খাই কৈ উঠিল, "মই নুঠো,- সকলোৱে দেখক! হে মোৰ জীবন ৰক্ষাকর্ত্রী দেৱদূতী। মানৱজাতিৰ প্ৰাণকৰ্ত্ৰী! সকলোৱে দেখক মোক কোন দেৱদূতীয়ে উদ্ধাৰ কৰিলে। আঠু কঢ়াহে নেলাগে মই তেওঁৰ কাৰণে জুইতো জাপ দিম! হে দেৱদূতী, হে ৰক্ষাকৰ্ত্ৰী মোৰ অসুখ ভাল হ'ল। মই নিৰোগী হ'লো। হে মাতৃ মই তোমাৰ কাৰণে প্ৰাণ পালোঁ।"

মেডাম পেচোনকিনে লাজতে ৰঙা পৰি আৰু মনতে ৰং পাই কলে, "মই বৰ সুখী হৈছো। বহা, যোৱা মঙ্গলবাৰে দেখোন তুমি ইমান অসুস্থ আছিলা।"

জামুখ্রিশ্চিন বহিল আৰু কবলৈ ধৰিলে, "ভাবিলেই ভয় লাগে - যোৱা আঠবছৰে মই বাত বিষত কিমান যে যন্ত্ৰণা ভূগিলো - দিনে ৰাতিয়ে মোৰ শান্তি নাছিল। কিমান যে ডাক্তৰক দেখুৱালোঁ! বিখ্যাত নাম থকা ডাক্তৰ সকলক দেখুৱালোঁ, প্ৰাকৃতিক চিকিৎসাও ললোঁ, কিমান যে ধন খৰচ কৰিলো! মুঠতে সেই চিকিৎসা আৰু বেজে জৰাৰ পৰা মোৰ একো উপকাৰ নহল। সিহঁতে মোৰ বেমাৰ বেচি কৰিহে তুলিলে, সিহঁতে মোৰ অনিষ্ট কৰিলে। সিহঁতৰ বিজ্ঞানে বেমাৰ দূৰ কৰক চাৰি বেচিহে কৰে। এই চিকিৎসক বোৰ ধনৰহে লুভীয়া। মানুহৰ ভালৰ কাৰণে মুহূর্ত্তৰ বাবেও নেভাবে - জানে মাথোন ধন। সিহঁতে এটুকুৰা কাগজত কিবা খাবলৈ লিখি দিব - আৰু সেয়া খাই ভাল হোৱাতকৈ মৰণহে ওচৰ চাপে। আই মাতৃ আপুনিয়ে মোক ৰক্ষা কৰিলে। আপুনি নোহোৱা হেতেন ইমানদিনে মই মাটিৰ তলতহে শুই থাকিলোহেতেন। মই আপোনাৰ ওচৰলৈ যোৱা মঙ্গলবাৰেহে আহিছিলো। আপুনি দিয়া অকণমানি বৰি কিটা চাই মই ভাবিলো কি হব? এই অকণমানি বৰি কিটাই মোৰ আঠবছৰৰ বেমাৰ

ভাল কৰিব পাৰিবনে ? বৰি কিটা দেখি মোৰ হাঁহি উঠিছিল। পাচে এটা বৰি খোৱাৰ লগে লগেই আঁয়ে মোৰ প্ৰভূ - খন্তেকতে দেখোন মোৰ ,একো ৰোগ অসুখ নোহোৱা হ'ল। মোৰ পত্নীয়ে মোৰ ফালে চাই ভেবা লাগিল কলে, ''হেৰা তুমিয়েইনে কলিয়া''.. ''ওঁ মযেইতো আমি দুয়ো গোঁসাই মূৰ্ত্তিত আমাৰ দেৱদূতীৰ কাৰণে প্ৰাৰ্থনা জনাই কৈছিলো ,হে প্ৰভূ ! আমাৰ মনৰ কথা তেওঁক জানিবলৈ দিয়া।''

জামুখ্ৰিশ্চিনে চোলাটোৰ হাতেৰে চকু মচিলে আৰু আকৌ আঠু লবলৈ ধৰোঁতেই মেডাম পেচনকিনে তেওঁক ধৰি বহুৱাই দিলে।

মেডামে পেচনকিনে লাজকুৰীয়া ভাবে কলে ,''মোক তুমি ধন্যবাদ দিব নালাগে।'' এই বুলি তেওঁ ভক্তিভাবে ফাদাৰ এৰিষ্টাৰ্থৰ ছবিৰ ফালে চালে। আঠবছৰে আৰোগ্য নোহোৱা ৰোগ এপালি ঔষধতেই ভাল হ'ল। ই এটা যাদু বুলিব পাৰি।

''আপুনি মোক ৩ টা বড়ি দিছিল। ৰাতি শোৱাৰ সময়ত এটা খালো - তৎক্ষণাৎ গুণ দিলেই। তাৰ পিচত আৰু এটা ৰাতিপূৱা আৰু এটা গধূলি খালো । তাৰ পিছতে সম্পূৰ্ণ সুস্থ। বেজী এটাৰ সমানো খোচা বিন্ধা নাই। মৰিম বুলি ভাবিছিলো ,মই মস্কোত থকা মোৰ ল'ৰালৈ চিঠি লিখি দিছিলো আহিবলৈ। উ: আপুনি যে কিমান জ্ঞানী। প্ৰথম দিনা আপোনাৰ তালৈ অহাৰ দিনা লেঙেৰাই আছিলোঁ আৰু আজি চাওক এয়া সৰগত থকা যেনহে লাগিছে। কেৱল এটা কথা - আমাৰ বৰ অভাব , মোৰ এতিয়া গা ভাল হ'ল। পাচে কি হব। ৰোগৰ কষ্টতকৈ এই অভাব অনাটন বোৰেহে আমাক কষ্ট দিয়ে। খৰক এতিয়া খেতিৰ দিন,পাচে কি হব। পথাৰত গুটি সিঁচিবলৈ বীজ কিনিবলৈ ধন লাগে। ধন কত ?''

মেডাম পেচনকিনে ভতাতেৱাকৈ কলে ,''ৰবা ৰবা,তুমি বহাচোঁন মই তোমাক শস্যৰ বীজ দিম। তুমি মোক ইমান আনন্দ দিছাহে মইহে তোমাক ধন্যবাদ দিব লাগে।''

বুঢ়াজনেকৈ যাব ধৰিলে ,''আপুনিয়েই আমাৰ জীৱন ! প্ৰভুৱে যে আপোনাৰ নিচিনা এজন সৃষ্টি কৰিছে , পাছে আমিনো আৰু কি! নৰকৰ কীট, নামতহে মানুহ।অৱস্থা তেনেই বেয়া। ঘৰৰ ছালে পানী উকৰে। ছালত গোজা এটা মাৰিবলৈও সামৰ্থ নাই।

মেডামে তেওঁক ঘৰৰ ছাল চোৱাৰ দাম দিম বুলি কলে।

এই সুযোগতে জামুগ্রিস্চিনে তেওঁৰ পৰা বহুত কিবাকিবি আদায় কৰি ললে। এজনী গাই গৰু -ছোৱালীজনীক উচ্চ শিক্ষাত ভৰ্ত্তি কৰাবলৈ এখন চাৰ্টিফিকেট ইত্যাদি। মেদামৰ দয়াত অভিভূত হৈ বুঢ়াই চকু পানী মচিবলৈ বুলি ৰুমাল এখন টানি উলিয়ালে। ৰুমাল উলিয়াওঁতে এটা সৰু কাগজৰ পেকেট লগতে সৰি পৰিল কোনেও মন নকৰিলে।বুঢ়াই কবলৈ ধৰিলে, ‘‘মই জীবনত আপোনাৰ দয়া নেপাহৰো। মই মোৰ ল’ৰা ছোৱালীক আনকি নাতি নাতিনীকো কৈ যাম আপোনাৰ কথা, পুৰুষে পুৰুষে সিহঁতে সুঁৱৰিব আপোনাৰ নাম। মোৰ জীৱনৰ ৰক্ষাকৰ্ত্রী আপুনি।

ৰোগীজনক বাহিৰলৈ পঠিয়াই মেদামে সভক্তিৰে ফাদাৰ এৰিষ্টাৰ্থৰ ছবিখনিৰ ফালে চালে। তেওঁৰ চকুত পানী বিৰিঙি উঠিল।

তেওঁ অতি মৰমেৰে ঔষধৰ বাকচটো আৰু ঔষধ জোখা তুলাচনী খনলৈ চালে। চকু পৰিল ৰোগীজনে খালি কৰি থৈ যোৱা চকী খনলৈ। এনেতে তেওঁৰ চকু পৰিল চোলাটোৰ জেপৰ পৰা পৰি যোৱা সৰু পেকেট টোলৈ ;তেওঁ পেকেটটো তুলি ললে ; উৱা এয়া দেখোন তেওঁ ৰোগীক দিয়া সেই তিনিটা বড়ি। একেদৰে বন্ধা আছে। খোলাও নাই। আগৰবাৰ আহোতে তেওঁক সেই বড়ি দিছিল। তেন্তে ! ৰোগীয়েনো কি খাই আৰোগ্য হল। আচৰিত ! মানুহজনে এনেকৈ ফাঁকি দিলেনে।

দহ বছৰে ঔষধৰ চিকিৎসা কৰা মেদাম পেচনকিনৰ মনত এটা প্ৰথমবাৰৰ বাবে সন্দেহ উপজিল ,তেওঁ বাকী সকলক নেচালে। আৰু আগেয়ে মন নকৰা এটা কথা পোন প্ৰথম বাৰৰ কাৰণে লক্ষ্য কৰিলে। প্ৰত্যেকজন ৰোগীয়ে প্ৰথমে তেওঁৰ গুণ কীৰ্ত্তন কৰে। ঔষধৰ সুখ্যাতি কৰে এলোপেথি চিকিৎসক সকলৰ নিন্দা কৰে। যেতিয়া মেডাম পেচোনকিন বিগলিত হৈ উঠে তেতিয়া সিহঁতে নিজৰ স্বাৰ্থ পূৰণ কৰে। কোনোবাই নিজৰ দৰিদ্ৰতাৰ কাৰণে এডোখৰ মাটি বিচাৰে -কোনোজনে তেওঁৰ বননি খনৰ পৰা কাঠ আদি বিচাৰে, কাৰোবাক লাগে তেওঁৰ মাটিত চিকাৰ কৰাৰ অনুমতি।

মেডামে পেচনকিনে ফাদাৰ এৰিষ্টাৰ্থৰ প্ৰশান্ত মূৰ্ত্তিৰ ছবিৰ ফালে চাই যি সত্য এদিন লাভ কৰিছিল -যেন তাতকৈ এটা নতুন সত্য উপলব্ধি কৰিলে ,সেই সত্য অসুন্দৰ আৰু কষ্ট দায়ক।

‘ মানুহ অতি চতুৰ প্ৰাণী ’

* * * * *

# সাধুপুৰুষ

মূল ৰচনা ঃ ফ্ৰেঙ্ক হেৰিছ (১৮৫৬-১৯৩১)
অনুবাদ ঃ কণ্ঠ বৰুৱা

*ইংৰাজ লিখক ফ্ৰেঙ্ক হেৰিচৰ জন্ম হয় - ১৮৫৬ চনত; তেওঁৰ প্ৰকৃত নাম আছিল জেমছ্ থমাছ্। তেওঁ এজন সাংবাদিক আছিল যদিও তেওঁ ভাল কেইখন নাটক, চুটি গল্প সংকলন আৰু উপন্যাস ৰচি থৈ গৈছে। তেওঁ বিখ্যাত লিখক অস্কাৰ ওৱাইল্ডৰ বন্ধু আছিল আৰু জৰ্জ বাৰ্নাৰ্ডৰ সমসাময়িক লোক আছিল।*

*জেমছ্ থমাছ্ তেওঁৰ সময়ৰ ভিক্টোৰিয়ান সমাজখনৰ বহুতো কথা ভাল পাইছিল। তেওঁৰ লিখনিত ইয়াৰ প্ৰতিবাদ সুন্দৰ ভাবে ফুটি উঠিছিল। তেওঁৰ মৃত্যু হয় - ১৯৩১ চনত।*

কাউণ্ট ট্ৰগ্ৰেণ অফৰ ভাণ্ডৰ ল'বা প'ল যেতিয়া বিছপ হয় তেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ ৩২ বছৰ। তেওঁ আছিল গ্ৰীক চাৰ্চ্চৰ কনিষ্ঠতম পদবীধাৰী, কিন্তু তেওঁৰ কৰ্ম্মক্ষেত্ৰ আছিল ব্যাপক ধৰণৰ। তেওঁৰ কৰ্ম্মক্ষেত্ৰৰ এলেকা কেপচিয়ান সাগৰৰ পাৰৰ পৰা বিস্তৃত মাইল জুৰি ব্যাপি আছিল।

ডেকা পলে তেওঁৰ স্বভাবসুলভ সৰলতা, ভদ্ৰ, নম্ৰ ব্যৱহাৰৰ দ্বাৰা মানুহক বিস্মিত আৰু আপ্লুত কৰি তুলিছিল। মানুহে তেওঁক অকুণ্ঠ ভাবে সন্মান যাচিছিল আৰু ফলত তেওঁৰ স্বভাবৰ পৰিসৰ দিনে দিনে বাঢ়িছিল।

তেওঁ, কামত সোমোৱাৰ পাছতেই তেওঁৰ এলেকাটো এবাৰ পৰিদৰ্শন কৰাৰ ইচ্ছা কৰিলে। তেওঁৰ এই যাত্ৰাত লগত দুজন বয়সস্থ পুৰোহিত ললে এই আশা কৰি যে তেওঁলোকৰ পুষ্ট অভিজ্ঞতাই তেওঁৰ কামত বিশেষ সহায়ক হ'ব। কিন্তু এই ক্ষেত্ৰত তেওঁ নিৰাশহে হ'ল কাৰণ তেওঁ বুজিলে যে এই মানুহ দুজনৰ ওচৰত তেওঁৰ কৰ্ম্মোদ্যমৰ কোনো মূল্যই নাই, তেওঁ লোক তেওঁৰ চেক্ৰেটাৰী হিচাপেহে বেছি উপযোগী।

তৰুণ বিচপ প'লৰ সন্মুখত আছিল যীচুখৃষ্টৰ আদৰ্শময় জীৱন,এই আদৰ্শ মানি চলিবলৈ তেওঁ নিজৰ সুখ বিসৰ্জ্জন দিবলৈ সাজু আছিল ,কিন্তু তেওঁৰ অধীনষ্ঠ পুৰোহিত দুজনে তেওঁ নিজৰ মৰ্য্যদা আৰু পদবীলৈ আওকাণ কৰি যথে মথে কাম কৰা ভালচকুৰে নাচাইছিল। তেওঁলোকে মনেমনে ইচ্ছা কৰিছিল পলে এটা সহজ সুখৰ জীৱন যাপন কৰক।

যেতিয়া তেওঁ ভ্ৰমণ কৰি আহি তেওঁৰ এলেকাৰ দক্ষিণ সীমা পালেহি, তেওঁ জাহাজাত উঠি উত্তৰ ফালে গোটেইবোৰ মাছমৰীয়া গাওঁ পৰিদৰ্শন কৰিবলৈ মন কৰিলে।

এদিন দুপৰীয়া পূৱাৰ কঠোৰ পৰিশ্ৰমৰ পাছত তেওঁ ডেকত বহি জিৰণি লৈছিল , সৰু জাহাজখন সাগৰতীৰৰ পৰা বেছ আঁতৰতেই আছিল , কাৰণ সেই ঠাইৰ পানী তৰাং আছিল আৰু দিনৰ তপ্ত উত্তাপৰ বাবে বতাহৰ গতি শিথিল হৈ পৰিছিল। ঠাইখিনিৰ ওপৰত ক'লা ডাৱৰ ভাহি আছিল । কিন্তু হঠাৎ বেলিটো ডাৱৰৰ মাজৰ পৰা ওলাই প্ৰচণ্ড ভাবে বদ দিবলৈ ধৰিলে আৰু বিচপে সেই বদৰ পোহৰত দেখিলে দূৰত কিছুমান গুৱালীয়া ধৰণৰ ঘৰৰ মুধছ।

তেওঁ কেপ্তেটেইনক সুধিলে ঃ "সৌ ঠাইখনৰ নাম কি ?"

"এই খনৰ নাম কৰ্ণভক্সস বুলিয়ে মই জানো ," কেপ্তেটেইনে অলপ ইতস্তত: কৰি উত্তৰ দিলে।

'সাগৰ আৰু পৰ্ব্বতৰ মাজৰ এটুকুৰা সৰু ঠাই ,খুৰবেছি এশজন মান মানুহৰ ইয়াত বসতি।"

"এশজন ?"বিচপে দোহাৰিলে ; পৃথিবীৰ পৰা নিৰ্ব্বাসনত আছে তেন্তে ,মই কৰ্ণভক্সক লৈ যাম।"

অনিচ্ছাত পুৰোহিত দুজনে গা লৰালে ,মুখেৰে কিন্তু একো নকলে কাৰণ তেওঁলোকে জানিছিল তেওঁলোকৰ আপত্তি বা প্ৰতিবাদৰ কোনো মূল্য নাই। কিন্তু এইবাৰ কেপ্তেইনেই তেওঁলোকৰ হৈ উত্তৰ দিলে , "ঠাই খন ইয়াৰ পৰা ভালেখিনি দূৰত ,আমাৰ নাৱিক সকলো বেছ ক্লান্ত হৈ পৰিছে , অৱশ্যে আপুনি যাব পাৰিব ,কিন্তু তাৰ পৰা ঘূৰি অহাটো হ'ব সাগৰৰ বতাহৰ বিপৰীতে ,আপুনি কষ্টপাব যেন অনুমান হয়।"

"কাইলৈ দেওবাৰ", বিচপে মাত লগালে, "নাবিক সকলে কাইলৈ

জিবণি লব পাবিব ,কেপ্তেইন ' অনুগ্রহ কৰি তেওঁলোকক কওকচোন নাওঁ উলিয়াবলৈ ,'' তাব পাছত তেওঁ মকৈকে কলে - ''মই অকলে মোৰ বাবেই কোৱা নাই'' । কেপ্তেইনে বুজিলে, বিচপ যাবই ,তেওঁ সকলো বন্দোবস্ত কৰি দিলে । নাওঁ খন উলিওৱা হ'ল আৰু সৰুপাল তৰি আওৱাই গ'ল আৰু কেইঘণ্টামানৰ মূৰত গৈ গন্তব্য স্থান পালেগৈ ।

লাবসনটাফ নামৰ জ্যেষ্ঠ গুবিয়াল জনে তৎক্ষণাত তবাং পানীত নামিল আৰু বিচপ যাতে পানীত তিতিব লগা নহয় সেই উদ্দেশ্যে তেওঁক পিঠিত তুলি সিটো পাৰে নমাই দিলেগৈ।বাকী দুজন পুৰোহিত নিজৰ চেষ্টাতে পাৰ পালেগৈ ।

তেওঁলোকে গাৱঁৰ প্ৰথম কুটীৰটোৰ সন্মুখত থিয় দিলেগৈ ,তাত এজন বৃদ্ধই খৰি ফালি আছিল , বিচপে তেওঁৰ পৰা জানিবলৈ বিচাৰিলে ,সেই ঠাইৰ গীৰ্জা ঘৰটো ক'ত আছে ! বৃদ্ধই কলে যে তাত কোনো গীৰ্জা ঘৰ নাই ।

''আপোনালোকৰ পোপ নাই নেকি ? নাইবা কোনো পুৰোহিত ?'' বিচপে জানিব খুজিলে ।

''সেইয়া নো কি ?''

বিচপে উত্তৰ দিলে -''নিশ্চয়কৈ থাকিব, আপোনালোকৰ ইয়াত মুমূৰ্ষ জনৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ কোনো নাই নে ? বয়সীয়া তিবোতা আৰু শিশু সকলৰ বাবে প্ৰাৰ্থনা কৰিবলৈ কোনোবা এজন তো থাকিব ।''

''এৰা আছে ,'' বুঢ়াজনে এইবাৰ পোন হৈ ,চিএঞৰিয়েই ক'লে আমাৰ ইয়াত এজন সাধু পুৰুষ আছে ।''

''সাধুপুৰুষ ,''বিচপে দোহাৰিলে , তেওঁ আকৌ কোন -? ''হয় এজন সজপ্ৰকৃতিৰ সাধু মানুহে যেতিয়াই যাৰে যি প্ৰয়োজন হয় তেওঁ তাৰ কাৰণে কৰিব লগীয়া সকলো খিনি কৰে ।''

''তেওঁ এজন খৃষ্টিয়ান হয় নে -?''

'' ওহোঁ , নহয় মই তেনেকৈ নাভাবো , কাৰণ আপুনি কোৱা শব্দটো কেতিয়াও শুনাই নাই ।''

''তেওঁ কৰা সেৱাৰ কাৰণে আপোনালোকে তেওঁক ধন যাচে নে ?''

''নাই ,আমি তেওঁক একোকে নিদিওঁ ,তেওঁ কাৰো পৰা একো নলয় ।''

"তেন্তে তেওঁনো কেনেকৈ জীৱন নিৰ্ব্বাহ কৰে -?"

" আমি সকলোৱে যেনেকৈ চলো , তেওঁও তেনেকৈয়ে চলে -আমাৰ সকলোৰে দৰে তেওঁ নিজৰ বাগিছা খনত কাম কৰি জীবিকা নিৰ্ব্বাহ কৰে।"

"তেওঁ কত থাকে নো , মোক দেখুৱাই দিয়াচোন , দিবানে ? শান্ত ভাবে বিচপে সুধিলে।

বুঢ়াজনে তৎক্ষণাত কুঠাৰখন মাটিত নমাই , বিচপক সিঁৰবতি হৈ থকা পজাঁ ঘৰ বোৰৰ মাজেদি লৈ গল। কিছু সময়ৰ পাছত এডবা কবিৰ মাজত থকা সৰু কুটীৰ এটাৰ সম্মুখত তেওঁলোক বলগৈ। এই পজাঁ ঘৰটোও তেওঁলোকৰ আন পজাঁ বোৰৰ দৰেই , বদৰতাহে কোবাই যোৱা শতছিন্ন দাৰিদ্ৰ্য পীড়িত ঘৰ , দেখিলেই অনুমান কৰিব পাৰি।

বুঢ়াজনে কুটীৰৰ দুৱাৰ খন খুলিলেগৈ।

' ইভানুচকা , তোমাক লগ পাৱলৈ মানুহ আহিছে' , বুঢ়া জন . বিচপ আৰু পুৰোহিত দুজন যাৱলৈ বাট উলিয়াই একাষৰীয়া হৈ বল। বিচপে দেখিলে , তেওঁৰ আগত থিয় হৈ আছে , এজন প্ৰায় ষাঠী বছৰীয়া মানুহ। তেওঁৰ পোছাক যোৰ আধা কৃষক আৰু আধা মাছমৰীয়া বোৰৰ দৰে তেওঁৰ গাত ভেৰাছালৰ পোছাক আৰু ভৰিত মাছমৰীয়া বোৰৰ দৰেই বুট জোতা। তেওঁৰ দৰ্শনত এটা উল্লেখনীয় কথা হল যে তেওঁৰ ৰূপোৱালী বৰ্ণৰ চুলি আৰু দাড়ি খিনিয়ে তেওঁৰ বদে পোৰা গাৰ বৰ্ণৰ লগত সামঞ্জস্য ৰাখিব পৰা নাই। তেওঁৰ চক্ষুযুৰি ক টকটীয়া নীলা বৰ্ণৰ , তাত দৃঢ়তা আছে।"ভাঙৰীয়া সকল বহক ভিতৰলৈ সোমাই আহক" তেওঁ কলে , 'সোমাই আহক চোন ! " তেওঁ খৰখেদাকৈ টুল এখনৰ ধূলি জোকাৰি সামান্য অভিবাদনেৰে বিচপক বহিৱলৈ দিলে।

"ধন্যবাদ ! আমি কিছু ক্লান্ত হৈ আহিছো , বিচপে আসন গ্ৰহণ কৰি কলে, "আপুনিও বহক , মানুহজন তেতিয়ালৈকে তেওঁক সম্মান জনাই অভিবাদনৰ ভঙ্গীত থিয় দি আছিল। এতিয়া তেওঁ এটাও শব্দ উচ্চাৰণ নকৰাকৈ টুল এখন আনি তাতে বহিলে। বিচপে কবলৈ আৰম্ভ কৰিলে ; "মই বৰ আচৰিত হৈছো যে আপোনালোকৰ ইয়াত কোনো গীৰ্জ্জাঘৰ নাই , নাইবা পুৰোহিতো নাই , আমাক বাটদেখুৱাই অনা কৃষক জনে আনকি "খৃষ্টিয়ান " মানে কি তাকো নাজানে।"

সাধুপুৰুষ জনে ধৈৰ্য্য সহকাৰে বিচপলৈ চালে যদিও একো কথা নকলে, সেই কাৰণে বিচপে আকৌ আৰম্ভ কৰিলে :

"আপুনি নিশ্চয় এজন খৃষ্টিয়ান নহয় জানো" -? সাধুজনে ক'লে, "মই সেই নামটো কেতিয়াও শুনা নাই।" বিচপে পৰম বিস্ময়েৰে তেওঁলৈ চাই সুধিলে।

"তেন্তে আপুনি দৰিদ্ৰ আৰু পীড়িত সকলক দৰকাৰ সময়ত কেনেকৈ চোৱাচিতা কৰে -?"

সাধুজনে কন্তেকলৈ বিচপলৈ চালে, তাৰ পাছত লাহে লাহে ক'লে :

"মই যেতিয়া সক আছিলো, প্ৰয়োজনত মইও সহায় পাইছিলো।"

"কিন্তু আপোনাৰ ধৰ্ম কি ?"

"ধৰ্ম", বুঢ়াজনে দোহাৰিলে, আচৰিত হৈ সুধিলে,

"ধৰ্ম নো কি ?"

"আমি নিজকে খৃষ্টান ধৰ্মৰ বুলি কওঁ," বিচপে ক'লে, "কাৰণ যীচুক আমাৰ এই বিশ্বাসৰ প্ৰতিষ্ঠাপক খৃষ্ট বুলি কয়, তেওঁ আমাৰ ঈশ্বৰৰ পুত্ৰ, তেওঁ সজ কথাৰ বতৰা লৈ সৰগৰ পৰা নামি আহিছিল মানুহৰ মাজলৈ, তেওঁ মানুহক শিকাইছিল, সকলো মানুহেই ঈশ্বৰৰ সন্তান আৰু ঈশ্বৰেই হৈছে প্ৰেম।"

বুঢ়া জনৰ মুখখন উজলি উঠিল, তেওঁ বিচপৰ কথা শুনিবলৈ ব্যগ্ৰ হৈ বল।

"অনুগ্ৰহ কৈ তেওঁৰ কথা আৰু কওঁক চোন !"

বিচপে তেতিয়া যীচুৰ গোটেই কাহিনীটো তেওঁক ক'লে। কথা খিনি কোৱা শেষ হোৱাৰ পাছত বুঢ়াজনে চিঞৰি ক'লে :

"কেনে ধুনীয়া আখ্যান, মই কেতিয়াও শুনা নাই বা কল্পনাও কৰা নাছিলো এনে এটি আখ্যান শুনিবলৈ পাম বুলি।"

বিচপে ক'লে, "মই ইচ্ছা কৰিছো, মই ঘৰলৈ উভতি গৈ এজন পুৰোহিত আপোনালোকৰ মাজলৈ পঠাই দিম আৰু তেওঁ আহি ইয়াত এটা গীৰ্জা ঘৰ স্থাপন কৰিব য'ত আপোনালোকে ভগবানৰ চিন্তা কৰিব পাৰিব। তেওঁ আপোনালোকক স্বৰ্গীয় প্ৰভুৱে পৃথিবীত পোৱা গোটেই খিনি কষ্টৰ কথা বিবৰি ক'ব আৰু কৰ কেনেকৈ তেওঁ মৃত্যুক বৰণ কৰি লৈছিল।"

"আমি তেওঁক অভ্যৰ্থনা কৰিবলৈ পালে পৰম সুখী হ'ম।" বুঢ়া জনৰ এই অকপট সৰলতাত বিচপ অতিকৈ মুগ্ধ হ'ল।

তেওঁ কলে -"মই ইয়াৰ পৰা যোৱাৰ আগতে ,ইয়াৰ পৰা সোনকালেই মই যাব লাগিব কাৰণ আমাৰ জাহাজখন পাওঁতে যথেষ্ট সময় লাগিব , মই আপোনালোকক ,যীচুৱে তেওঁৰ শিষ্য সকলক শিকাই থৈ যোৱা প্ৰাৰ্থনাৰ কথাখিনি ক'ম।"

বুঢ়াজনে শান্ত ভাবেৰে কলে - "এইখিনি শুনিবলৈ পালে মই বৰ ভাল পাম।"

"তেতিয়া হলে আহক , আমি সকলোৱে ইয়াত আঠু লওঁ" বিচপে কলে ,"ভক্তিৰ চিন স্বৰূপে সকলোৱে মই কোৱাৰ পাছত কথাখিনি ক'ব কাৰণ আমি প্ৰভুৰ প্ৰেমৰ ছত্ৰছায়াত ইয়াত সকলোবোৰেই ভাই ককাই স্বৰূপ।" এইদৰে কৈ তেওঁ আঠু ললে, আৰু বুঢ়াজনেও তাকেই কৰিলে। বিচপে হাতযোৰ কৰাৰ দৰে তেওঁও কৰিলে আৰু বিচপৰ লগে লগে প্ৰাৰ্থনা সমূহ গাই যাবলৈ ধৰিলে। তেওঁ বিচপে গোৱা প্ৰাৰ্থনা সমূহ একান্ত মনেৰে শুনে আৰু লগে লগে তাৰ পুনৰাবৃত্তি কৰে।

এবাৰ বিচপে গালে - "প্ৰভু আমাক আজিৰ আহাৰ দিয়ক আৰু আমাৰ ঋণ খিনি ক্ষমা কৰক,আমি আমাৰ ঋণী সকলক যেনেকৈ ক্ষমা কৰো।

"দিয়ক আৰু ক্ষমা কৰক" বুঢ়াজনে কৈ উঠিল। মানুহ জনৰ স্মৃতি শক্তি ক্ষীন যেন অনুমান কৰি বিচপে পুনৰ প্ৰাৰ্থনা খিনি উচ্চাৰণ কৰিলে আৰু বাৰে বাৰে তেওঁক প্ৰাৰ্থনা খিনি গাবলৈ সহায় কৰিলে। শেষত বিচপে , "এমেন" বুলি কৈ প্ৰাৰ্থনা সামৰিলে।

বুঢ়া মানুহ জনৰ সবল মাতটো আবেগত কঁপি উঠিল।

বিচপ এইবাৰ থিয় হ'ল ,বাকী বোৰেও তাকেই কৰিলে। তেওঁৰ প্ৰসাৰিত হাত দুখন আবেগেৰে সাবটি লৈ বুঢ়া জনে ক'লে : "খৃষ্টৰ ধুনীয়া আখ্যান ভাগ শুনোৱাৰ বাবে মই যে কেনেকৈ আপোনাক ধন্যবাদ দিওঁ , প্ৰাৰ্থনা সমূহ শিকোৱাৰ বাবেও আৰু কেনেকৈ আপোনাৰ শলাগ লওঁ, ভাবি পোৱা নাই।"

আবেগিক উল্লাসত তেওঁ শব্দবোৰ ৰোৱাবিলে ,"আপোনাৰ ৰাজ্য নামি আহিছে ,স্বৰ্গত হোৱাৰ দৰে এই পৃথিবীতো আপোনাৰ ইচ্ছা পূৰণ হ'ব।"

তেওঁৰ শ্ৰদ্ধা মিহলি আন্তৰিকতা পূৰ্ণ আবেগক শ্ৰদ্ধা জনাই বিচপে তেওঁক অতি মৰম সনা ব্যৱহাৰ কৰিলে। তেওঁৰ কান্ধত হাত থৈ বিচপে

মৰমেৰে কলে :

"মই যিমান সোনকালে পাৰো ঘূৰি পৈ এজন পুৰোহিত ইয়ালৈ পঠাই দিম , আজি মোৰ সময়ৰ নাটনি ,পুৰোহিত জনে আপুনি জানিবলৈ বিচৰা সকলো খিনি কথা ফহিয়াই বুজাই দিব পাৰিব ; আপুনি আমাৰ ধৰ্মৰ বিষয়ে ,প্ৰেমৰ বিষয়ে,যি প্ৰেমেৰে আমি জীয়াই আছো আৰু যি আশা লৈ আমি মৰিম, সকলো খিনিয়েই খবচি মাৰি বুজাই ক'ব ।"

তেওঁৰ কথা শেষ হোৱাৰ লগে লগে বুঢ়াজনে মূৰ দোঁৱাই বিচপৰ হাতত চুমা খালে, আৰু দুচকুত পানীৰ টোপাল লৈ তেওঁক শ্ৰদ্ধা যাচিলে।

পানীৰ ধুঁৱলীলৈকে তেওঁ বিচপক আগবঢ়াই থলে ,আৰু যেতিয়া দেখিলে বিচপে তেওঁক নাৱঁলৈ নিবলৈ গুবিয়াল জনলৈ বাট চাইছে, সাধু মানুহ জনে তৎক্ষণাত হাউলি বিচপক কান্ধত তুলি লৈ দীঘলীয়া খোজ পেলাই পানী ভাঙি আহি আলফুলকৈ গাদীযুক্ত নাৱঁৰ আসনৰ ওপৰত বিচপক বহুৱাই দিলে,যেন এটি সৰু শিশুক হে বহুৱাইছে এনে ভাবত ।

বিচপে আৰু গুবিয়াল লাবমনটভে বিস্ময়েৰে তেওঁলৈ চালে - লাবমনটভে নিজকে কোৱাৰ দৰে ক'লে : "মানুহটো দেখিছো এটা ভেকা মানুহৰ দৰেই বলবান ।"

নাওঁখন পাৰৰ পৰা যোৱাৰ বহুসময়লৈকে পাৰত থিয় হৈ সাধুজনে বিচপ আৰু তেওঁৰ সঙ্গী সকললৈ হাত জোকাৰি বিদায় সম্ভাষন জনাই থাকিল । কিছু কিছু দূৰ যোৱাৰ পাছত নাওঁখনে দ্বিতীয়বাৰ গতি সলাওঁতেই , বুঢ়াজন ঘূৰিল আৰু ঘৰৰ ফালে আগুৱাই গ'ল আৰু দৃশ্যৰ বাহিৰলৈ গুচি গল ।

অলপ পাছতে বিচপে তেওঁৰ পুৰোহিত সকললৈ চাই কলে : "কেনে এক আকৰ্ষণীয় অভিজ্ঞতা লভিলে ,কোনে চমৎকাৰ বুঢ়া মানুহ জন ! আপোনালোকে লক্ষ্য কৰিছিল নে কিমান ব্যগ্ৰভাৱে তেওঁ প্ৰাৰ্থনা খিনি কৰিছিল - ?

উদাসীন ভাৱত কনিষ্ঠ পুৰোহিত জনে কলে :"হয় ,মই কিছু ভাবিছো তেওঁৰ ব্যৱহাৰত কিছু অতিশায্য আছে ।"

"নহয় মই তেনেকৈ নাভাবো ,তেওঁৰ সৰলতা আৰু সাধু স্বভাৱত অকণো ভাঁজ নাই ,আপোনালোকে মন কৰিছিল নে তেওঁ যে কৈছিল :

'দিয়া আৰু ক্ষমা কৰা , মাজৰ শব্দকেইটা বাদ দি কৈছিল , আমি কওঁ ; আজি আমাৰ আহাৰ খিনি দিয়া আৰু আমাৰ ঋণী সকলক ক্ষমা কৰা,যেনেকৈ আমি আমাৰ ধৰুৱাবোৰক ক্ষমা কৰো ,এই কথাখিনি যেন অলপ চুক্তিৰ দৰে হয় ,সেয়ে তেওঁ 'দিয়া' আৰু ক্ষমা কৰা বুলি কলে। যীচুক প্ৰাৰ্থনা কৰাৰ সময়ত তেওঁৰ এই শব্দ দুটা বাৰু বেছি মনোগ্ৰাহী নহল নে -? ''

কনিষ্ঠ সহযোগীজনে উদাসীন ভাবে কান্ধ জোকাৰিলে ,যেন এই প্ৰশ্নৰ প্ৰতি তেওঁৰ অকণো আগ্ৰহ নাই।

''বোধকৰো বৃদ্ধ জনে মই কোৱাৰ দৰেই ভাবিছিল নহয় নে ?'' তেওঁৰ এই প্ৰশ্নৰ উত্তৰ এজন সহযোগীয়েও নিদিয়াত তেওঁ নিজকে কোৱাৰ দৰে ক'লে , ''একেবাৰে শেষত তেওঁ গৌৰবৰ ঠাইত সৌন্দৰ্য্য বুলি কলে, এইটো জানো তেওঁ নভবাকৈ কৈছে -? মই নিশ্চিত যে তেওঁ এজন আচৰিত ধৰণৰ সজ মানুহ। মই এইটো জানো যে দয়ালু আৰু মধুৰ স্বভাৱৰ বাবে বাছিয়াৰ বহু মানুহ সজ প্ৰকৃতিৰ, সেইকাৰণেই হবলা আমাৰ মৌজিক (Moujiks) সকলে ৰাছিয়াক ''পবিত্ৰ ৰাছিয়া'' বুলি কয়। সেইকাৰণে মই ভাবো ইয়াত এনেকুৱা ধৰণৰ মানুহ লগ পোৱাটো একো আচৰিত কথা নহয়।''

''সিহঁত বোকাত লেটি লৈ থকা গাহৰীৰ দৰেই অজ্ঞ''পুৰোহিত দুজনে চিঞৰি খঙেৰে কলে ,'' গোটেই গাওঁ খনতে এনে এটা মানুহ নাই যি লিখিব আৰু পঢ়িব পাৰে , সিহঁতে অধাৰ্মিক আৰু অসভ্যও ,সিহঁতে খৃষ্টৰ নামেই শুনা নাই,ধৰ্মনো কি সিহঁতে তাকো নাজানে।''

বিচপে মাথোন মানুহ দুজনলৈ চালে , উত্তৰ নিদিলে ,তেওঁ নিজৰ চিন্তাত মগ্ন হৈ বল।

তেওঁলোকে যেতিয়া জাহাজ পালেহি ,তেতিয়া গাঢ় অন্ধকাৰ পৃথিৱীলৈ নামি আহিছে ,তৎক্ষণাত প্ৰত্যেকেই নিজৰ নিজৰ কেবিনত শুবলৈ গ'ল, কাৰণ দিনটোত তেওঁলোকৰ যথেষ্ট পৰিশ্ৰম হৈছিল।

কেইঘণ্টামান টোপনি যোৱাৰ পাছতেই কিজানি বিচপে সাৰ পালে , কাৰণ কনিষ্ঠ পুৰোহিত জনে তেওঁক জগাই ক'লে :

''ভাণ্ডৰীয়া ,আপুনি তৎক্ষণাত ডেকলৈ বলকচোন ,এটা অসাধাৰণ ঘটনা ঘটিছে , সাগৰৰ ওপৰত এটা পোহৰ দেখা পৈছে ,কোনেও ক'ব পৰা নাই ,এইটোনো কি বস্তু।''

"পোহৰ -? সাগৰৰ ওপৰত -?" পুৰোহিত জনৰ কথাখিনিকে পুনৰাবৃত্তি কৰি বিচপে তেওঁৰ পিন্ধা কাপোৰ খিনি ঠিক কৰি ললে।

"হয় ,পানীৰ ওপৰত এটা পোহৰ দেখা গৈছে ," পুৰোহিত জনে পুনৰ কলে , "কিন্তু সোনকালে আহক ,কেপ্তেইনে মোক পঠাই দিছে, আপোনাক কথাটো কবলৈ ,"

বিচপে আহি যেতিয়া ডেক পালেহি, কেপ্তেইনে তেতিয়া তেওঁৰ বাতি পিন্ধা চশমাযোৰ পিন্ধি দূৰলৈ চাই আছে ,যত এটা পোহৰ সাগৰৰ ওপৰত যেন ভাহি আছে ,পোহৰটো এশগজ বা তাতোকৈ দূৰত থকা যেন অনুমান হয়।

"এইটোনো কি বস্তু -?" বিচপে চিঞৰিয়েই সুধিলে , লগতে তেওঁ আচৰিত হৈ দেখিলে যে জাহজৰ গোটেই নাবিক খিনিয়েই সেই পোহৰটোৰ ফালে চাই আছে।

"এইটো কি বস্তু -? " কেপ্তেইনে অলপ হটা মাতেৰে পুনৰাবৃত্তি কৰিলে , কাৰণ তেওঁ যথেষ্ট বিচলিত হৈ পৰিছিল ,তেওঁ কলে : পকা দাড়িৰে এজন বুঢ়া মানুহ , তেওঁৰ সোঁ হাতত এটা লণ্ঠন, আৰু দেখা গৈছে তেওঁ পানীৰ ওপৰেদি খোজ কাঢ়ি আহিছে।"

"কিন্তু মানুহেটো পানীৰ ওপৰেদি খোজ কাঢ়িব নোৱাৰে" , বিচপে শান্ত ভাবেৰে কলে যদিও তেওঁৰ কণ্ঠত সামান্য প্ৰতিবাদৰ সুৰ ফুটি উঠিল। এইটো এটা আশ্চৰ্য্য জনক কথা :

"আচৰিত কথা হওকেই বা নহওক" , কেপ্তেইনে চশমা যোৰ চকুৰ পৰা খুলি থলে , "মই বি দেখিছো তাকে কৈছো ,মানুহজন কিন্তু আমাৰ ফালেই আহি আছে ,সোনকালেই এইখিনি পাবহি। চাওক ,আপুনিও চাওক,"বুলি কৈ কেপ্তেইনে তেওঁৰ চশমা যোৰ এজন নাবিকক দিলে।

"পোহৰটো আগুৱাই আহি আছে ,এজন মানুহৰ হাতত এই পোহৰটো আছে ," নাবিকজনে চকুত চশমা যোৰ লগায়েই কলে : তেওঁ আকৌ চিঞৰি কলে : "এইজন দেখোন সেই সাধুপুৰুষ জন বিচপ ডাঙৰীয়া, আপোনাক যে নাৱঁত দাঙি বহুৱাই দিছিল সেই মানুহজনেই ,তেওঁ এতিয়া আহি এইখিনি পাবহি ,তেওঁ বেছ খৰকৈ আহিছে , নাবিক জনে কলে আৰু সঁচাকৈয়ে মুহূৰ্তৰ ভিতৰতে বুঢ়া মানুহজন পানীৰ পৰা নামি চাপৰ বুকুত

ভৰি দি ভেৰ্কলৈ উঠি আহিল।

তৎক্ষণাত পুৰোহিত দুজনে আঠু ললে, অলৌকিক ঘটনা ঘটা বুলি ভাবি নাবিক সকলে, লগতে কেপ্তেইনেও আঠু ললে আৰু ভীতিবিহ্বল হৈ সংশয়ৰ দোমোজাত তেওঁলোকৰ মাজত থিয় দি থাকিল বিচপ প'ল।

সাধুপুৰুষ জন আগবাঢ়ি আহিল আৰু হাত দুখন প্ৰসাৰিত কৰি কলে " ভাণ্ডাৰীয়া মোৰ বেয়া লাগিছে এই ভাবি যে মই অসময়ত আহি আপোনালোকৰ বিৰক্ত কৰিলো, কিন্তু ভাণ্ডাৰীয়া এটা কথা হ'ল, আপুনি শিকাই থৈ যোৱা মনোগ্ৰাহী প্ৰাৰ্থনা খিনিৰ ভালেখিনি অংশ মই পাহৰি গলো, আপুনি গুছি যাবৰ পিছত আৰু ভাবিব যে মই কিমান অসাৱধান, আপুনি শিকাই থৈ যোৱা কথা খিনি মই পাহৰি গলো, সেই কাৰণে মোৰ স্মৃতি শক্তি পুনৰুজ্জীবিত কৰিবলৈ আপোনাৰ ওচৰলৈ আহিলো।

প্ৰাৰ্থনাৰ প্ৰথম অংশটো মোৰ মনত আছে, শেষৰ অংশটোও, এনে প্ৰাৰ্থনা মই জীৱনত প্ৰথমবাৰৰ বাবে শুনিলো, কিন্তু মাজৰ অংশটো কোনোমতেই মোৰ মনত নাথাকিল।

মোৰ মনত আছে, " সৰগত থকা আমাৰ পিতৃ ! আপোনাৰ নামত আমি পবিত্ৰ হওঁ, আপোনাৰ ৰাজ্য নামি আহক, সৰগৰ দৰে মৰততো আপোনাৰ ইচ্ছাই কাম কৰক " -তাৰ পাছত, মোৰ মনত আছে, 'দিয়ক আৰু ক্ষমা কৰক, - আৰু শেষত, আমাক প্ৰলোভনৰ ফালেলৈ নাযাব আৰু বেয়াৰ পৰা আমাক উদ্ধাৰ কৰক, কাৰণ আপোনাৰ ৰাজ্য, ক্ষমতা আৰু সৌন্দৰ্য্যৰে ভৰপূৰ, চিৰকালৰ বাবেই তথাস্তু !"

'কিন্তু মাজৰ অংশ মই পাহৰি গলো, মাজৰ খিনি আপুনি মোক কৈ নিদিব জানো -?

"কিন্তু আপুনি আমাৰ ওচৰলৈ আহিলে কেনেকৈ -?" এক বিস্ময়ৰ দোমোজাৰ মাজত বিচপে সুধিলে।

"আপুনি পানীৰ ওপৰেদি খোজ কাঢ়িলে কেনেকৈ -?

"অ, সেয়া একেবাৰে সহজ", বৃদ্ধজনে উত্তৰ দিলে, "সেইটো সকলোৱেই পাৰিব, এই পৃথিৱীত আপুনি যাক ভাল পায় আৰু বিশ্বাস কৰে, প্ৰতিদানত তেওঁলোকেও আপোনাক ভাল পাব আৰু বিশ্বাস কৰিব। আমি পানী ভাল পাওঁ, পানীয়ে আমাৰ প্ৰত্যেককে পৰিষ্কাৰ আৰু সুন্দৰ

কৰি তোলে - এই পৰিস্কাৰ কাৰ্য্য পানীয়ে অনবৰত কৰিয়েই থাকে - ক্লান্তি নাই , ভাগৰ নাই। প্ৰতিদানত পানীয়ে আমাক ভাল পায় , যি কোনো মানুহেই পানীৰ ওপৰেদি খোজ কাঢ়িব পাৰে - কিন্তু মোক জানো আপুনি সেই প্ৰাৰ্থনাৰ অংশটো পুনৰ নিশিকায় যি প্ৰাৰ্থনা যীচুৱে তেওঁৰ শিষ্য সকলক শিকাইছিল -? ” বিচপে মূৰ জোকাৰিলে , আৰু খুব লাহে লাহে নিজকে কোন্নাৰ দৰে কলে :

‘মই নাভাবো মই আপোনাক যীচু আৰু খৃষ্টৰ বিষয়ে কিবা শিকাব পাৰিম , আপুনি ইতিমধ্যে বহুতো জানিছেই , মই কেৱল ইচ্ছা কৰো -

● ● ● ●

# *সম্পাদক*

মূল ৰচনা ঃ ৺ ৰবীন্দ্ৰ নাথ ঠাকুৰ
অনুবাদ ঃ মনোৰমা ভট্টাচাৰ্য্য

*ৰবীন্দ্ৰ নাথ ঠাকুৰ (১৮৬১ - ১৯৪১) যি গৰাকী ব্যক্তি একাধাৰে বিশ্ববিখ্যাত মহান কবি, গল্পকাৰ, নাট্যকাৰ, ঔপন্যাসিক, দাৰ্শনিক চিন্তাবিদ, শিক্ষাবিদ, মানবপ্ৰকৃতিবেত্তা, "বিশ্বভাৰতীৰ" প্ৰতিস্থাপক আৰু যি গৰাকী কবিয়ে ১৯১৩ চনত "গীতাঞ্জলি "কাব্য গ্ৰন্থৰ বাবে "নবেল পুৰস্কাৰ "লাভ কৰি প্ৰথম ভাৰতীয় হিচাবে দেশৰ কাৰণে গৌৰব কঢ়িয়াই আনিছিল - তেওঁৰ পৰিচয় দাঙি ধৰাৰ প্ৰয়োজন নিশ্চয় নাই। এই চিৰনমস্য কবি গৰাকীলৈ শত সহস্ৰ প্ৰনাম।*

মোৰ ভাৰ্য্যাৰ- বৰ্ত্তমানত প্ৰভাৰ সম্বন্ধে মোৰ কোনো চিন্তা নাছিল। তেতিয়া প্ৰভাতকৈও প্ৰভাৰ মাকক লৈহে অলপ বেচি ব্যস্ত আছিলোঁ।

তেতিয়া কেৱল প্ৰভাৰ খেলা -ধূলা, হাঁহি কণ আৰু আধাফুটা মাত খিনি শুনিয়েই তৃপ্ত আছিলোঁ। যিমান খিনি সময়লৈকে ভাল লাগে তাইক কোলাত লৈ মৰম আদৰ কৰোঁ, কন্দাকটা আৰম্ভ কৰিলেই মাকৰ কোলাত সমৰ্পণ কৰি লৰালৰিকৈ অব্যাহতি লওঁ। তাইক যে বহু চিন্তা আৰু চেষ্টাৰে মানুহ কৰি তুলিব লাগিব, এই ভাব তেতিয়া মোৰ মনলৈ অহাই নাছিল।

অৱশেষত অকালত অকস্মাতে মোৰ ভাৰ্য্যাৰ মৃত্যু হোৱাত মাকৰ কোলাৰ পৰা খহি পৰা ছোৱালীটি মোৰ কাষ পালেহি। মই তাইক বুকুৰ মাজত সুমুৱাই ললোঁ।

কিন্তু মাতৃহীনা দুহিতাক দুগুণ মৰমেৰে পালন কৰা মোৰ কৰ্ত্তব্য, এই কথা মই বেচি চিন্তা কৰিছিলো, নে পত্নীহীন পিতাক পৰম যত্নে ৰক্ষা কৰা

তাইৰ কৰ্ত্তব্য, এই কথা তাই বেচিকৈ অনুভৱ কৰিছিল, সেই কথা মই ঠিক বুজিব নোৱাৰো। কিন্তু ছ বছৰ বয়স হোৱাৰ পৰাই তাই গৃহিনী পনা কৰিবলৈ আৰম্ভ কৰিলে। দেখা গ'ল, এই অকণমানি ছোৱালীজনীয়ে তাইৰ দেউতাকৰ একমাত্ৰ অভিভাৱক হোৱাৰ চেষ্টা চলাইছে।

মই মনে মনে হাঁহি তাইৰ হাতত্তেই আত্মসমৰ্পণ কৰিলোঁ। দেখিলোঁ, যিমানেই মই অকৰ্মণ্য অসহায় হওঁ, সিমানেই তাইৰ বেচি ভাল লাগে। দেখিলোঁ, মই নিজে যদি মোৰ কাপোৰ খন বা ছাতিটো আনি হাতত লও, তাইৰ মুখত এনেকুৱা ভাৱ ফুটি ওলায়, যেন তাইৰ অধিকাৰত হস্তক্ষেপ কৰা হৈছে। দেউতাকৰ নিচিনা এনেকুৱা ডাঙৰ পুতলা এটা ইতিপূৰ্ব্বে তাই পোৱা নাছিল, সেই কাৰণে দেউতাকক খুৱাই পিন্ধাই বিছনাত শুৱাই দিনটো তাই বৰ আনন্দত্তেই থাকে। কেৱল খাৰাপাত আৰু প্ৰথম তাগ খন পঢ়োৱাৰ সময়ত মোৰ পিতৃত্বক অলপ সচেতন কৰি তুলিব লগীয়া হয়।

মাজে মাজে মোৰ চিন্তা হয়, এই ছোৱালীটিক বহুত অৰ্থৰ আৱশ্যক হ'ব, কিন্তু মোৰ হাতত তো টকা বিশেষ নাই। সাধ্য অনুসৰি তাইক লিখাপঢ়া শিকাইছো, কিন্তু অশিক্ষিত মূৰ্খ এটাৰ হাতত পৰিলে তাইৰ কি দশা হ'ব!

অৰ্থ উপাৰ্জ্জনত মন দিলোঁ। গৱৰ্ণমেণ্টৰ অফিচত চাকৰী কৰাৰ বয়স নাই, অন্য অফিচত প্ৰৱেশ কৰাৰো ক্ষমতা নাই। বহুত ভাবি চিন্তি কিতাপ লিখিবলৈ আৰম্ভ কৰিলোঁ।

বাঁহৰ চুঙা ফুটা কৰিলে তাত তেল থবও নোৱাৰি, পানী থবও নোৱাৰি; ধাৰণ শক্তি তাৰ একেবাৰেই নাই। কিন্তু সেই চুঙাটোকেই ফুঁ মাৰি বিনা খৰচতে বাঁহী কৰি সুন্দৰকৈ বজাব পাৰি। মই জানিছিলোঁ, যি হতভাগ্যৰ সংসাৰৰ কেনো কামতেই কোনো পাৰদৰ্শিতা নাই, সি নিশ্চয় কিতাপ লিখিব পাৰিব। সেই সাহসতে এখন প্ৰহসন লিখিলোঁ। মানুহে ভাল হোৱা বুলি কলে আৰু ৰঙ্গমঞ্চতো অভিনয় হৈ গল।

হঠাতে যশস্যাৰ আস্বাদ পাই এনেকুৱা বিপদ হ'ল, প্ৰহসন আৰু এৰিবই নোৱাৰা হলোঁ। গোটেই দিনটো ব্যাকুল চিন্তান্বিত মুখে প্ৰহসন লিখাতেই ব্যস্ত হৈ থাকোঁ।

প্ৰভাই আহি মোক আদৰ কৰি সস্নেহ হাঁহিৰে সুধিলে - "দেউতা, গা ধুবলৈ নোযোৱা?"

মই হুঙ্কাৰ দি উঠিলো - "এতিয়া যা, এতিয়া যা, এতিয়া মোক বিৰক্ত নকৰিবি।"

মু মাৰি চাকিগছ নুমাই দিলে নিমিষতে যেনেকৈ এন্ধাৰ হৈ যায়, মোৰ ছোৱালীটিৰ মুখ খনো বোধকৰো তেনেকুৱাই হৈ গৈছিল। কেতিয়া যে তাই ঘৰৰ পৰা ওলাই গ'ল, মই গমেই নাপালোঁ।

কাম কৰা মানুহ জনী কিবা সুধিবলৈ আহিলে গালি পাৰি খেদি দিওঁ, চাকৰ আহিলে মাৰিবলৈ যাওঁ, ভিখাৰীয়ে আহি ভিক্ষা মাগিলে, লাঠিৰে খেদি পঠিয়াওঁ। মোৰ ঘৰ আলিবাটৰ দাঁতিত কাৰণে কেতিয়াবা কোনোবা নিৰীহ পথিকে পথৰ নিৰ্দ্দেশ বিচাৰিলে জহান্নম নামৰ স্থান খনলৈ যাবলৈ অনুৰোধ কৰো। হাঁয়, মই যে অতিশয় উপভোগ্য প্ৰহসন এখন লিখিবলৈ ধৰিছো, এই কথা কোনেও বুজি নাপায়।

কিন্তু যিমান যশ আৰু আমোদ হৈছিল, টকা সেই হিচাবত একেবাৰে হোৱা নাছিল। টকাৰ কথা ভবাও নাছিলো তেতিয়া। ইফালে প্ৰভাৱ যোগ্য পাত্ৰ বিলাক অন্য ভদ্ৰলোক সকলৰ কন্যাদায় মোচনৰ উপযুক্ত হৈ উঠিবলৈ ধৰিছে, সেই কথা মোৰ মনতেই পৰা নাছিল।

সহজে মোৰ চৈতন্য নহ'ল হেতেন, কিন্তু এই সময়তে সুযোগ এটা পাই -গলোঁ। জাহিৰ গ্ৰামৰ জমিদাৰে কাগজ এখন উলিয়াব, সেই কাগজৰ সম্পাদক হিচাবে মোক বিচাৰিছে, উপযুক্ত দৰ্মহাও দিব। কামটো কৰিবলৈ মই সম্মত হলোঁ।

কিছুদিন ইমান প্ৰতাপেৰে লিখিলোঁ যে বাটেৰে গ'লেও মানুহে মোক দেখুৱাই মোৰ বিষয়ে কোৱাকুই কৰে। মই নিজকে দুপৰীয়াৰ সূৰ্য্যৰ নিচিনা তেজস্বী যেন অনুভৱ কৰিবলৈ ধৰিলোঁ।

জাহিৰ গ্ৰামৰ কাষৰ গাওঁখনৰ নাম আহিৰ গ্ৰাম। দুয়োখন গাওঁৰ জমিদাৰৰ মাজত বৰ দলাদলি। আগতে লাঠিয়ালৰ জৰীয়তে মাৰপিটো হৈছিল। এতিয়া দুয়ো পক্ষই ম্যাজিষ্ট্ৰেটৰ ওচৰত মুচুলিকা লিখি দি লাঠি বন্ধ কৰিছে আৰু লাঠিয়ালৰ স্থানত জাহিৰ গ্ৰামে মোক কাগজৰ সম্পাদক ৰূপে নিযুক্ত কৰিছে। সকলোৱে কয় মোৰ পদমৰ্য্যদা মই ৰক্ষা কৰিব পাৰিছো।

মোৰ লিখনীৰ প্ৰতাপত আহিৰ গ্ৰামে মূৰ তাঙিব নোৱাৰা হ'ল। তেওঁলোকৰ জাতি কুল পূৰ্ব্বপুৰুষৰ ইতিহাস সকলোৰে ওপৰত আদ্যোপান্ত

চিয়াঁহী ঢালি দিছো।

এই সময়খিনি আনন্দতেই আছিলোঁ। স্বাস্থ্যও ভাল হৈছিল। প্ৰসন্ন হাঁহিৰে মুখ উজ্জ্বল হৈ আছিল। আহিৰ গ্ৰামৰ পিতৃপুৰুষ সকলক লক্ষ্য কৰি এনে একোপাত মৰ্মান্তিক বাক্য শেল নিক্ষেপ কৰিছিলোঁ যে সমস্ত আহিৰ গ্ৰাম হাঁহি হাঁহি ভাগৰি ,বাগৰি পৰিছিল। বৰ ভাল লাগিছিল।

অৱশেষত আহিৰগ্ৰামেও কাগজ এখন উলিয়ালে। তেওঁলোকে ৰাখিঢাকি কোনো কথা নকয়। এনেকুৱা উৎসাহেৰে নিৰ্ভাজ প্ৰচলিত ভাষাৰে গালি পাৰে যে, ছপ্ৰাক্ আখৰ বোৰে পৰ্য্যন্ত চকুৰ সন্মুখত চিঁৰি চিঁৰি গালি পৰা যেন লাগে। এই কাৰণেই দুয়োখন গাওঁৰ মানুহে তেওঁলোকৰ বক্তব্য স্পষ্ট ভাবে বুজিব পাৰিছিল।

কিন্তু মই মোৰ চিৰকালৰ অভ্যাস অনুযায়ী এনেকুৱা সূক্ষ্ম কৌতুকেৰে কূট- কৌশল সহকাৰে আক্ৰমণ কৰিছিলোঁ যে শত্ৰু মিত্ৰ কোনো পক্ষই মোৰ কথাৰ অন্তনিহিত মৰ্ম্ম উদ্ধাৰ কৰিব নোৱাৰিছিল।

ইয়াৰ ফল হ'ল এনেকুৱা - জয় হলেও সকলোৱে মোৰ পৰাজয় হোৱা বুলিহে ভাবে। উপায় নাপাই সুৰুচি সম্বন্ধে উপদেশ এটা লিখিলোঁ। দেখিলোঁ, মই ভুলহে কৰিছো। কাৰণ ,যিমান প্ৰকৃত ভাল বস্তুক বিদ্ৰূপ কৰিবলৈ যিমান সুবিধা ,উপহাস্য বিষয়ক লৈ সিমান সুবিধা নাই। হনুবংশীয় সকলে মনুবংশীয় সকলক যিমান সহজে বিদ্ৰূপ কৰিব পাৰে ,মনুবংশীয়ই হনুবংশীয়ক বিদ্ৰূপ কৰি সিমান কৃতকাৰ্য্য হব নেৱাৰে। সেই কাৰণে মোৰ সুৰুচিক মত বিকাশ কৰিয়ে তেওঁলোকে খেদি পঠিয়ালে।

মোৰ মালিকে মোক আৰু আগৰ নিচিনা সমাদৰ নকৰে। সভাস্থলতো মোৰ কোনো সন্মান নাই। বাটেৰে গৈ থাকিলেও কোনেও মোৰ লগত আলাপ কৰিবলৈ উপযাচি আগবাঢ়ি নাহে। আনকি মোক দেখিলে কোনো কোনো লোকে হাঁহিবলৈও আৰম্ভ কৰিলে।

ইতিমধ্যে মোৰ প্ৰহসন বোৰৰ কথাও মানুহে সম্পূৰ্ণ ৰূপে পাহৰি গৈছে। হঠাৎ ভাব হ'ল মই যেন এটা দিয়াচলাইৰ কাঠি ; অলপ সময় জ্বলি একেবাৰে পুৰি নুমাই শেষ হৈ গৈছো।

মন এনেকুৱা নিৰুৎসাহ হৈ গৈছে যে অশেষ চেষ্টা কৰিও এশাৰী লিখিব নোৱাৰো। জীয়াই থাকি একো সুখ নাই যেন লাগিল।

প্ৰভাই এতিয়া মোক ভয় কৰে। বিনা আহ্বানত মোৰ কাষলৈ আহিবলৈ

সাহস নকৰে। তাই বুজি পাইছে মজাৰ কথা লিখা দেউতাকতকৈ মাটিৰ পুতলা বেচি ভাল সঙ্গী।

এদিন দেখিলো 'আহিৰ গ্ৰাম প্ৰকাশে' জমিদাৰক এৰি মোক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰিছে। কেইটামান বৰ অশোভন কথা লিখিছে। মোৰ পৰিচিত বন্ধু বান্ধৱ সকলোৱে এক্কে এক্কে সেই কাগজ খন লৈ আহি হাঁহি হাঁহি মোক পঢ়ি শুনাই গ'ল। কেইজন মানে কলে 'বিষয়টো যেনেকুৱাই নহওক, ভাষাৰ বাহাদুৰী আছে'। অৰ্থৎ গালি যে পাৰিছে, সেই কথা পৰিষ্কাৰ বুজি পোৱা যায়। গোটেই দিনটো ধৰি অন্তত: কুৰি জনৰ মুখত এই একেটা কথাকেই শুনিবলৈ পালোঁ।

মোৰ ঘৰৰ সম্মুখত ফুলনিৰ নিচিনা ঠাই অকণমান আছিল। ভাৰাক্ৰান্ত মনেৰে সন্ধিয়া সময়ত তাতেই অলপ ঘূৰা ঘূৰি কৰি আছিলোঁ। দিনৰ শেষত পখীবোৰ যেতিয়া নীড়লৈ ঘূৰি আহি সকলো কলৰৱ বন্ধ কৰি সন্ধিয়াৰ শান্তিৰ মাজত স্বচ্ছন্দে আত্ম সমৰ্পণ কৰিলে, তেতিয়া ভালকৈয়ে বুজি পালোঁ যে এই চৰাই বোৰৰ মাজত ৰসিক লিখকৰ দল নাই আৰু সুৰুচি লৈও ইহঁতৰ মাজত তৰ্কবিতৰ্ক নহয়।

মনে মনে ভাবি আছো, কি উত্তৰ দিব পাৰি। ভদ্ৰতাৰ ভাষা সকলোৱে বুজি নাপায়। ভদ্ৰতাৰ ভাষা কিছু পৰিমানে পৰিচিত, সেই কাৰণে ভাবিলোঁ তেনেকুৱা ভাষাৰেই উপযুক্ত উত্তৰ এটা দি দিওঁ। কোনো মতেই পৰাজয় স্বীকাৰ নকৰো।

এনেকুৱা সময়তে, সেই সন্ধিয়াৰ এন্ধাৰত মোৰ পৰিচিত ক্ষুদ্ৰ কণ্ঠস্বৰ এটি যেন শুনিবলৈ পালোঁ। মোৰ হাতৰ তলুৱাত কাৰোবাৰ কোমল উষ্ণ পৰশ এটি অনুভৱ কৰিলোঁ। তেতিয়া ইমান উত্তেজিত আৰু অন্যমনস্ক আছিলোঁ সেই মাত আৰু সেই স্পৰ্শ জানিও যেন জানিব নোৱাৰিলোঁ।

এটা মাত্ৰ মুহূৰ্ত। তাৰ পাছতেই সেই কোমল ক্ষুদ্ৰ কণ্ঠস্বৰ মোৰ কাণত বাজিবলৈ ধৰিলে, সেই সুধাময় পৰশ মোৰ কৰতলত সঞ্জীৱিত হৈ উঠিল। প্ৰভাই লাহে লাহে মোৰকাষলৈ আহি মৃদু মাতেৰে এবাৰ মোক 'দেউতা' বুলি মাতিছিল। কোনো উত্তৰ নাপাই মোৰ সোঁ হাত খন তুলি লৈ তাইৰ কোমল গালত এবাৰ লগাই আকৌ লাহে লাহে ঘৰলৈ ঘূৰি গ'ল।

বহু দিন প্ৰভাই এনেকৈ মোক মতা নাই। এনেকৈ নিজে আহি মোক

নৰম কৰিও যোৱা নাই। আজি সেই স্নেহ স্পৰ্শত মোৰ হৃদয় অকস্মাতে অতিশয় ব্যাকুল হৈ উঠিল। অলপ সময় পাচত ঘৰলৈ গৈ দেখিলোঁ, ক্লান্ত ভাৱে প্ৰভা বিছনাত পৰি আছে, যেন দিনৰ শেষৰ সৰি পৰা এটি ফুল। মূৰত হাত দি চালোঁ, অতিশয় গৰম। নিশ্বাসো তপত।

বুজি পালোঁ ৰোগৰ তাপত তাপিত এই ছোৱালী জনী, পিতৃৰ স্নেহ, পিতৃৰ আদৰ অকণমান বিচাৰি পিপাসিত অন্তৰ এখনি লৈ মোৰ ওচৰলৈ গৈছিল। তাইৰ পিতৃ তেতিয়া 'আহিৰ প্ৰকাশৰ'ৰ কাৰণে খুব কঠোৰ উত্তৰ এটা লিখাৰ কল্পনাত ব্যস্ত আছিল।

তাইৰ কাষত গৈ বহিলোঁ। মুখেৰে একো নকৈ প্ৰভাই মোৰ হাত খন তাইৰ তপত দুখনি হাতৰ মাজত সুমুৱাই লৈ তাৰ ওপৰতেই তাইৰ গাল খন থৈ নীৰৱে শুই থাকিল।

আহিৰ গ্ৰাম আৰু আহিৰগ্ৰাম বিষয়ক যিমান কাগজ আছিল সকলোবোৰ উলিয়াই আনি পুৰি পেলালোঁ। কোনো উত্তৰ লিখা নহ'ল। হাৰ মানি ইমান সুখ কেতিয়াও পোৱা নাছিলোঁ।

প্ৰভাৰ যেতিয়া মাকৰ মৃত্যু হৈছিল তেতিয়া তাইক কোলাত তুলি লৈছিলোঁ। আজি তাইৰ মাহী মাকৰ অন্ত্যেষ্টি ক্ৰিয়া সমাপন কৰি পুনৰ তাইক বুকুৰ মাজত লৈ ঘৰৰ ভিতৰ সোমালোঁগৈ।

# পুহমাহৰ ৰাতি

মূল ৰচনা - মুন্সী প্ৰেমচান্দ
অনুবাদ - নিৰুপমা কটকী

*বিখ্যাত হিন্দি গল্পকাৰ প্ৰেমচান্দ উত্তৰ প্ৰদেশৰ বাৰাণসী জিলাৰ লমহী নামৰ গাওঁ তেওঁৰ জন্মস্থান। তেওঁৰ জীৱন সংঘাট পূৰ্ণ আছিল যদিও তেওঁ আদৰ্শ আৰু মহানুভৱতাৰে অতিক্ৰম কৰিবলৈ সমৰ্থ হৈছিল। শিক্ষকতাৰে আৰম্ভ কৰা প্ৰেমচান্দৰ জীৱনৰ বেছিভাগ সময় শিক্ষা জগতত আবদ্ধ আছিল।*

*প্ৰেমচান্দৰ বিখ্যাত গল্প সংকলন সমূহৰ ভিতৰত 'সপ্তসৰোজ', 'মানস সৰোবৰ', 'সময় দৰ্পন' আদিয়ে বিশেষ প্ৰসিদ্ধি লাভ কৰিছে। লেখকৰ ভাষাত প্ৰাঞ্জলতা, সৰলতা বিশেষ উল্লেখনীয়। লেখকৰ লিখনিত দলিত জনৰ মুক্তিৰ চিন্তা আৰু জাতীয় সংস্কৃতিৰ ছবি ফুটি উঠিছিল।*

হল্কুৱে আহি পত্নীক কলে "চাহ্না আহিছে, আনা, যি কেইটা টকা থৈছা তেওঁক দি দিওঁ, কোনো ৰকমে ধাৰটো মাৰো। তেতিয়া তেওঁৰ পত্নী মুন্নীয়ে চোতাল সাৰি আছিল, পিচলৈ চাই কলে, "টকা আছে মাত্ৰ তিনিটা, দি দিয়া যদি কম্বল নো কৰ পৰা আহিব ? পুহ, মাঘৰ হাড় কপোৱা জাৰৰ ৰাতি কেনেকৈ কাটিব। তেওঁক কৈ দিয়া, খেতি চপোৱাৰ পাছত দি দিম ; এতিয়া নহয়।"

হল্কুৱে কি কৰো, নকৰো অৱস্থাত অলপ সময় ঠিয়হৈ ৰল। পুহৰ ৰাতি ওচৰ চাপি আহি আছে। কম্বল নহলে জাৰৰ ঠেতুৱাই ধৰা ৰাতি, সি কোনো পধ্যেই শুব নোৱাৰে। কিন্তু 'চাহ্না'ই কেতিয়াও নেমানে, কঠোৰভাৱে ধম্‌কি দিব গালি শপনি পাৰি জীৱন অতিষ্ঠ কৰি দিব। লাগিলে জাৰতে মৰক বা ৰসাতললৈ কে যাওক। এইটো ভাবি সি গধুৰ মনৰে পত্নীৰ

ওচৰলৈ আহি খাতিৰ কৰি কলে "হৰ দিয়া, দি দিয়া ,যাৰৰ ঘোজাটোৰ পৰাটো পৰিত্ৰাণ পাম। কম্বলৰ কাৰণে কিবা অন্য উপায় চিন্তা কৰিম।"

মুন্সী তাৰ ওচৰৰ পৰা উচাৎ মাৰি দূৰলৈ আঁতৰি গল , আৰু চকু ঘোপা কৰি খং মুৱা হৈ কলে " কৰিছেটো এনে বেলেগ উপায় ! অলপ শুনো চোন , কিনো বেলেগ উপায় কৰিবা ? নে কোনো বাই কৰ্জ দান কৰিব ? কিমান যে বাকী আছে আৰু সেই বিলাক নাজানো কেনেকৈ শোধ যাব। মই কৈছো নহয় তুমি খেতি কিয় এৰি নিদিয়া ? মৰো জীওঁকৈ কাম কৰা ,খেতি চপালা টো,তাৰ পিছত বাকী দিওঁ তেই সকলো শেষ হৈ যায়। যেন খাৰ মাৰিবৰ কাৰণেই আমাৰ জন্ম। পেট প্ৰবৰ্ত্তাৰৰ কাৰণে দিন হাজিৰা কৰা ,এনেকুৱা খেতিৰ ওপৰত ব্ৰজপাত পৰক। মই টকা নিদিওঁ বুলিছো নিদিওঁ।"

হকুৱে হতাশ হৈ কলে - "তেনেহলে গাদি খাওঁ "? মুন্সীয়ে উত্তেজিত হৈ কলে," কিয় গাদি দিব,তাৰ ৰাজ্য পাইছেনেকি ?" কিন্তু এইখিনি কোৱাৰ লগে লগে তাইৰ খঙত জ্বলিপকি উঠা মুখ অলপ সেতাই পৰিল। হকুৰ এই কথাটোত যি কঠোৰ সত্য লুকাই আছিল , সি এটা ভয়ংকৰ অসুৰ দৰে যেন সিহঁতৰ কাষে চকুপকাই চাই আছিল।

তাই গৈ সাঁচতিয়া ধন থোৱা ঠাইৰ পৰা টকা উলিয়ালে আৰু হকুৰ হাতত দিলে। পুনৰ কলে "তুমি এতিয়াৰে পৰা খেতি বাতি এৰি দিয়া। দিন হাজিৰা কৰি এখন কটা তো খাবলৈ পাবা। কাৰো অৱষাত বয় নেলাগে। খেতি বাক ভালেই ,মজুৰি কৰি যিখিনি আনা সেইখিনিও খেতিতে সুমুওৱা, তাৰ উপৰিও গালিশপনি খোৱা "।

হকুৱে টকা কেইটা লৈ ওলাই গল ,সি যেন ,নিজৰ বুকৰ আপমঙহ ডোখৰহে উলিয়াই দিবলৈ লৈ গল। সি দিনহাজিৰাৰ পৰা এপয়চা ,এপয়চা ৰচাই ,তিনিটকা কম্বলৰ কাৰণে সাচিছিল ,তাকো আজি নিঃশেষ হবলৈ ওলাইছে।

এক এক মূহুৰ্ত্তত তাৰ শিৰ দাৰিদ্ৰতাৰ হেচাত দোঁৰাই পৰিছে।

২

পুহ মাহৰ আন্ধাৰ ৰাতি। অনুভৱ হয় আকাশৰ তৰাইও যেন জাৰত কঁপিছিল। হকুৱে নিজৰ খেতিপথাৰৰ কাষত খেৰ পাতৰে সজা এখন

চালিৰ তলত ,বাহঁৰ চাঙত উঠি নিজৰ পুৰণা উৰলি যোৱা চাদৰখন লৈ জাৰত কঁপি আছিল। চাং খনৰ তলত তাৰ সঙ্গী কুকুৰ জব্‌ৰাই নোমাল পেটটোত মুখ খন গুজি জাৰত কুঁকুঁৱাই আছিল। দুয়োটাৰ ভিতৰত এটাৰো টোপনি অহা নাছিল। হক্কুৱে গালে মুখে হাতখন হেচি লৈ থৈ ,কলে - "কি জবৰা জাৰ লাগিছেনে কি ? মইতো তোক কৈছিলোৱেই ,ঘৰত ধানখেৰৰ ওপৰত উমলৈ শুই থাক , ইয়াত ঠাণ্ডাত ,মই কি কৰিম। সি ভাবিছিল মই ইয়াত মাছে মঙহে ভোজ খাবলৈ আহিছো,একেবাৰে দৌৰি,দৌৰি আগে আগে আহিছে। এতিয়া কান্দি থাক বুঢ়ী মাৰৰ মৰম সুঁৱৰি।

জব্‌ৰাই পৰি থকা অৱস্থাতে নেজদাল জোকাৰিলে আৰু নিজৰ কুঁকুঁৱনীটো এবাৰ দীঘলীয়া কৰি জমাই লৈ মনে মনে থাকিল। তাৰ জড় বুদ্ধিৰে বোধকৰো ভাবি ললে যে মোৰ কুঁকুৱনীত মোৰ মালিকৰ টোপনি অহা নাই।

হক্কুৱে হাত মেলি জব্‌ৰাৰ ঠাণ্ডা পিঠিখনত হাত বুলাই বুলাই কলে, কালিৰ পৰা মোৰ লগত নাহিবি ,নহলে ঠাণ্ডাত মৰি যাবি। এই ঠাণ্ডা পছোৱা বতাহ জাকে কৰ নোৱাৰো, কৰ পৰা বৰফ কঢ়িয়াই লৈ হাৰ কপোৱা ঠাণ্ডা লৈ আহিছে। উঠো, আকৌ এচিলিম খাই লওঁ। কোনো ৰকম ৰাতিটো কাটক। এতিয়ালৈকে আঠ চিলিম হলেই এইটো এটা খেতি কৰা আৰু খেতি ৰাখিবলৈ অহাৰ মজা। আৰু এনেকুৱা একোজন ভাগ্যবান আছে যে ,তেওঁলোকৰ ওচৰলৈ জাৰ চাপিলে পলাই ফাং। মোটা মোটা তুলি,লেপ, কম্বল জাৰৰ দিন কেইটা কোন ফালে আহে আৰু যায় ,কবই নোৱাৰে। ভাগ্যৰ কি লীলা খেলা। মজুৰী মই কৰো আৰু মুনাফা অন্যে লুটে।"

হক্কু উঠিল আৰু জুহালৰ পৰা অকন মান জুই লৈ চিলিমটো জ্বলালে। লগে লগে জবৰাও উঠি বহিল।

হক্কুৱে চিলিমত হোঁপা মাৰি কলে - "হুপি - বিনে ,কি চিলিম , জাৰ কিবা যাবনেকি , অ 'অৱশ্যে মনটো অলপ জাৰৰ পৰা আতৰি যায়।" জবৰাই তাৰ মুখৰ পিনে মৰম সনা চকু যুৰিৰে চালে।

হক্কুয়ে কলে - " আজি আৰু অলপ জাৰ খাই ল। কালিৰ পৰা মই তোক ইয়াত শুবৰ কাৰণে ধানখেৰ পাৰি দিম। তাতে সোমাই বহিবি তেতিয়া ঠাণ্ডা নালাগিব।"

জাবৰাই বহিঁলে আগঠেং কেইটাত ভৰ দি তাৰ মুখৰ ওচৰঁলৈ নিজৰ মুখখন লৈ গল। তাৰ গৰম নিশ্বাস হৰুৰ গাত লাগিল।

চিলিম হপি হৰুৱে বিছনাত বাগৰ দিলে আৰু নিশ্চিন্ত হৈ ভাবিলে যিয়েই নহওক এতিয়া মই শুই থাকো। কিন্তু জাৰে তাক পলকতে কঁপাই তুলিলে। সি এবাৰ ই কাটি এবাৰ সিকাটি কৰি বাগৰ সলালে। কিন্তু জাৰে তাক কিবা পিশাচৰ দৰেঁ বুকুত হেঁচামাৰি ধৰিলে।

যেতিয়া সি জাৰত কোনো পধ্যেই শুই বহি থাকিব নোৱাৰিলে, তেতিয়া সি জাৱৰাক লাহেকৈ উঠাই, তাৰ মূৰত লাহে লাহে থপৰিয়াই নিজৰ কোলাত শুৱাই ললে। কুকুৰটোৰ গাৰ পৰা নাজানো, কিযে দুৰ্গন্ধ আহিছিল। তথাপিও সি নিজৰ কোলাত তাকে সাবটি ধৰি এনেকুৱা সুখ অনুভৱ কৰিছিল, যিটো সি বহুদিন ধৰি পোৱা নাছিল।

জৱৰাই বোধকৰো ভাবিছিল স্বৰ্গ বোলা ঠাই এখন কৰবাত আছে; আৰু হৰুৰ পবিত্ৰ আত্মাততো কুকুৰটোৰ প্ৰতি ঘিন্‌ৰ গোন্ধতাপ ও একো নাছিল। নিজৰ কোনোবা অভিন্নবন্ধু বা ভাই ককাইকো, সি ইমান আত্মীয়তাৰে সাবটি ললে হেতেন। সি নিজৰ এই অসহনীয় দীনতাত আঘাট পোৱা নাছিল, যি জনে নেকি আজি তাক এই দশাত পেলালে নহয়, এই অনাবিল বন্ধুত্বই, যেনেকৈ তাৰ আত্মাৰ সকলো দুৱাৰ খুলি দিছিল আৰু তাৰ এটা এটা অনুৰ প্ৰকাশত সি চমকি উঠিছিল।

হঠাতে জাৱৰাই কোনো জন্তু অহাৰ উমান পালে। এই বিশেষ আত্মীয়তাত সি এটা নতুন স্ফূৰ্ত্তি উপভোগ কৰিছিল। যিটোৱে নেকি, ঠাণ্ডা বতাহ জাককো তুচ্ছ জ্ঞান কৰাইছিল। সি জাপমাৰি উঠিল আৰু জুপুৰীৰ পৰা বাহিৰঁলৈ আহি ভুকিবঁলৈ ধৰিলে। হৰুৱে তাক কেবাবাৰো "মনে মনে থাক, মনে মনে থাক" বুলি মাতিলে, পিছে সি তাৰ ওচৰঁলৈ নাহিল বৰং সি চাৰিওফালে দৌৰি দৌৰি ভুকিবঁলৈহে লাগিল। অকণমান সময়ৰ কাৰণে আহে যদিও, পুনৰ তৎক্ষনাত দৌৰ মাৰে। কৰ্ত্তব্যই তাৰ মনৰ ইচ্ছাশক্তিক আকৰ্ষিত কৰি তুলিছিল।

৩

আৰু এৰণ্টা মান পাৰঁহে গল। বাতি শীতৰ বতাহ জাকে কঁপাই তুলিলে। হৰু উঠি বহিল। আৰু কুচি মুচি হৈ আঠুদুটা একেলগ কৰি মূৰটো গুজি

ললে। তথাপিও জাবৰ পৰা অকণমানো বেহাই নেপালে। এনেহে লাগিল যেন ঠাণ্ডাত গোটেই শৰীৰৰ তেজ গোট মাৰি বৰফ হৈ গল। শৰীৰৰ শিৰা উপশিৰাৰ মাজেৰে যেন তেজৰ সলনি বৰফৰ হে সোঁত বৈছে সি কুজা হৈ আকাশৰ ফালে চালে এতিয়া ৰাক কিমান ৰাতি আৰু বাকী ! সপ্তৰ্ষি মণ্ডল এতিয়াও আকাশত আধাখিনি ও উঠা নাই। আৰু ওপৰৰ্লৈ আহিলেহে তেতিয়া ৰাতিপুৱাৰৰ সময় হৰ। এতিয়াও এটা প্ৰহৰত কৈয়ো বেছি আছে।

হৰুৰ খেতিৰ অলপ আঁতৰত এখন আমৰ বাৰী আছিল। তেতিয়া সেই বাৰীত শুকান পাত সৰিবলৈ আৰম্ভ হৈছিল। আম বাৰী খনৰ তলত আমপাত বিলাক দ'ম খাই আছিল। হৰুৱে ভাবিলে ,উঠি পেলাই আম পাত বিলাক বুটলি ,জুই লগাই জুই পুৱাই গাটো গৰম কৰি লও। সি আকৌ ভাবিলে মোক পাত বুটলি থকা দেখিলে কোনোবাই ভূত বুলি নেভাবিলেহে হয়। কোনে জানে ,কি জন্তু বা ইয়াত লুকাই আছে। কিন্তু এনেকৈতো আৰু ইয়াত ঠাণ্ডাত বহি থাকিব নোৱাৰি।

কাষৰ বহৰমাহৰ বাৰীখনৰ পৰা কেইদালমান বহৰৰ শুকান পুলি উঠাই লৈ ,এটা 'সোতা ' কৰি লৈ ,হাতত থকা, অলপ জ্বলি থকা জুমুঠি টো লৈ , বাৰীখনৰ ফালে গল। জাবৰাই তাক অহা দেখি ,তাৰ ওচৰলৈ গল আৰু নেজ জোকাবিবলৈ লাগিল।

হৰুৱে কলে " এতিয়া টো জাৰত বৰ নোৱাৰো এইটো ঠিক ! বল বাৰীখনত শুকান পাত বুটলি জুই পুৱাও। জুইৰ তাপলৈ গাটো গৰম কৰিলে আকৌ শুই থাকিম। এতিয়াও ৰাতি বহুত বাকী।

আমবাৰী খন এতিয়া ঘোপমৰা আন্ধাৰত-ডুবপে আছে আৰু অন্ধকাৰৰ সুযোগ লৈ নিঠুৰ পৰনে পাত বিলাক চেদেলি ভেদেলী কৰি থৈ গল। গছৰ পৰা নিয়ৰৰ টোপাল বোৰ টপ্‌টপ্ কৈ তললৈ পৰি আছে।

হঠাতে এটা সময়ত মেহেদি ফুলৰ সুগন্ধই মলমলাই উঠিল।

হৰুৱে কলে - "কেনে সুন্দৰ সুগন্ধ আহিছে জবৰ ,তই এই সুগন্ধ পাইছনে ?" এনেতে জবৰাই মাটিত পৰি থকা মঙহৰ হাৰ এডোখৰ পালে , আৰু সি হাৰ দাল চেলেকিবলৈ লাগিল।

হৰুৱে জুমুঠি টো মাটিত থৈ তলসৰা পাত বিলাক গোটাবলৈ লাগি গল । কিছুদেৰীৰ পিছত পাত বিলাক গোটাই দ'ম কৰিলে। তাৰ সুদা ভৰি

হাত আবত ঠেকেজা লাগিল। গোটেইবা পাত পাহাব সদৃশ হল এইখিনি জলাই এতিয়া সি আবক পুবি ভস্ম কবি দিব পাবিব'।

কিছু দেৰীত এই গোটোৱা বস্তুখিনি জলি উঠিল। তাব লেলিহান অগ্নি শিখাই গছব পাত বিলাক চুই যাবলৈ ধবিলে। আক সিহঁতে হাসি জাসি ইফাল সিফাল কবিবলৈ ধবিলে। এই চঞ্চল প্রকাশত বাঘিছাখনব ,বিশাল গছ বিলাকক দেখি ,এনেকুৱা অনুভৱ হৈছিল যেন এই সীমাহীন খোপমবা অন্ধকাবক গছবিলাকে নিজৰ মূৰ পাতি লৈ আছে।

অন্ধকাব ৰূপি এই অনন্ত সাগবত এই প্রকাশ ,এখন যাঁৱব লিচিনাকৈ যেন হেলি -দুলি থকাব নিচিনা লাগিল।

হকুৱে জুহালব গুৰিত বহি জুই পুৱাবলৈ লাগিল। অকণমান পবতে গবম লগাত গাব কাপোৰ খন গুচাই লৈ কাষত থলে। আক তবি দুখন পোন কৈ মেলি দিলে। মানে ঠাণ্ডাক প্রত্যাহ্বান জনালে।"এতিয়া ঠাণ্ডাব অসীম শক্তিব কষ্টক পৰাজয় কবি ,সি বিজয়ব গর্বক হৃদয়ত লুকাই বাখিব নোৱাবিলে। সি জাৱবাক কলে - 'কি অ 'জাৱবা এতিয়াতো ঠাণ্ডা লগা নাই ?"

জব্‌বাই কুঁ কুঁ কবি বোধকবো, কলে -"এতিয়া কিহব ঠাণ্ডাটো লাগিব ? প্রথমে যদি এই উপাই টো ভাবিলোহেতেন, তেনেহলে ইমান জাব নেপালোহেতেন" জব্‌বাই নেজ জোকাবিবলৈ ধবিলে। "বাক আহ, এই জুহালখন ,আমি জাপ মাবি পাব হওঁ। দ এতিয়া কোন পলাই। বলি পোৱেও, মই কিন্তু ,দবব -চবব নিদিওঁ"। জব্‌বাই সেই জুইকুবাব কালে কাতৰ ভাবে চালে। "মুখীক তই আ'ক কাইলৈকৈ নিদিবি। নহলে তাই কাজিয়া কবিব"

এই খিনি কৈ সি একেজাপেই উঠিল আক জুই কুৰা জাপ মাবি পাব হল। তবি দুখন অলপ লাগিছিল। কিন্তু সেইটো তাব মনত একো কথা নাছিল। জাব্‌বাই জুহাল খন ঘূবি তাব ওচবত আহি হাজিব হল।

হকুৱে কলে - "ব'ল ব'ল এইটো ঠিক নহয়। দৌবি জুহালখন ঘূবি আহ"। সি আকৌ দৌবি জুহালব এই পাবে আহি ঠিয় হলহি। হকুৱে জাবক জুইবে জয় কবাব আনন্দত মতলীয়া হৈ উঠিছিল।

পাতবিলাক পুবি শেষ হৈ গল। বাঘিছাখন আকৌ আন্ধাৰত ডুব গল। চাই বিলাকব তলত উমি উমি কিছু জুই জলি আছিল। মতাহতে ,মাজে মাজে ছাইব তলব জুই জলি উঠিছিল। পিছে একমিনিতে নুমাই গৈছিল।

হক্কুৱে ছাদৰ খন গাত মেৰিয়াই লৈ গৰম ছাই বিলাকৰ ওচৰতে বহিলে ,এটা গীত গুণগুণাবলৈ ধৰিলে।

তাৰ শৰীৰলৈ তাপ আহিল। জাৰটো মৰিল। কিন্তু ৰাতি যিমানেই শীত বেচি হবলৈ ধৰিলে , তাক এলাহে হেচা মাৰি ধৰিলে।

জব্‌বাই খুব জোৰেৰে ভুকি ভুকি খেতিৰ ফালে দৌৰ মাৰিলে। হক্কুৱে ভাবিলে কোনোবা জন্তুৰ জাক তাৰ খেতিলৈ আহিছে। বোধকৰো শৰপহুৰ জাক টোৱে হব। সিহঁতৰ দৌৰা দৌৰিৰ শব্দ পৰিস্কাৰ তাৰ কাণত পৰিছে। সি গম পাইছে যে সিহঁতৰ জাক টোৱে খেতি ভৰাত সোমাইছেহি। আৰু শষ্য চোবোৱাৰ শব্দও সি ধৰিব পাৰিছে। আকৌ সি মনক প্ৰবোধ দিলে , জব্‌বা থাকিলে খেতিলৈ কেতিয়াও কোনো আহিব নোৱাৰে। সিহঁতক খেদিলে। মোৰ বৰ টোপনী ধৰিছে। শুই থাকো ক'তা এতিয়াটো কোনো শব্দও শুনা নাই। মইও যে আৰু ! কি যে ভুল হৈছিল।

সি চিঞৰি ,চিঞৰি মাতিলে "জব্‌বা ,জব্‌বা।" জব্‌বাই ভুকিবলৈ হে লাগিল। তাৰ কাষেই নেচাপিলে।

আকৌ পথাৰৰ পৰাশষ্য মহতিওৱাৰ শব্দ কাণত পৰিল। এতিয়া আৰু সি নিজকে ফাঁকি দিব নোৱাৰিলে। কিন্তু সি নিজৰ ঠাইৰ পৰা লৰচৰ কৰাটো দূৰৰ কথা,বৰং অলৰ অচৰ হৈ বহি থাকিল। এই মৰজাৰত পথাৰৰ খেতি খাবলৈ অহা জন্তুৰ পিছে পিছে খেদি যোৱা টো তাৰ কাৰণে অসম্ভৱ। সেয়ে সি নিজৰ ঠাইৰ পৰা লৰচৰেই নকৰিলে।

সি মাত্ৰ ভাওৰকৈ কৰলৈ লাগিল, "দৌৰি ,দৌৰি ধৰ,ধৰ ,।"

জব্‌বাই পুনৰ ভুকিবলৈ লাগিল। ইফালে পহুবিলাকে (নীলগাই-বজাক ) খেতি ভৰাত আছেই। শষ্য পুৰঠ হৈ পকি ,তৈয়াৰ হৈ আছে, কেনে সুন্দৰ সোণ বৰনীয়া খেতি। কিন্তু এই দুষ্ট বদ্‌মাছ জন্তু বিলাকে খেতি ভৰা মৰিমূৰ কৰি পেলালে।

হক্কুৱে জোৰ কৰি উঠিল আৰু দুই তিনি খোজ মান গল। পিছে হঠাতে ঠাণ্ডা ,বতাহ জাকে, তাক কপাই তুলি বিছাই ভকাৰ নিচিনাকৈ কেকোবা কৰি পেলালে ,সি আকৌ আহি জুহালৰ ওৰিত বহিলহি ,আৰু পোৰা ছাই বিলাক খুচৰি জুই পুৱাবলৈ লাগিল। নিজৰ দেহাটো গৰম কৰি লবৰ কাৰণে।

ইফালে জব্‌বাই টেটুফালি গেঙেৰি দিবলৈ লাগিল।

নীলগাই (পহু ) বিলাকে কিন্তু খেতি ভৰা খাই তছিলং কৰি পেলালে। আৰু হকুৱে গৰম ছাই খিনিৰ ওচৰত শান্ত হৈ বহি থাকিল। অকৰ্মণ্যতাই তাক বহীয়ে মেৰিওৱাৰ দৰে চাৰিওফালে মেৰিয়াই ধৰিলে।

সেই গৰম ছাঁই খিনিৰ ওচৰত গৰম হৈ থকা মাটিখিনিত চাদৰ খন গাত লৈ শুই পৰিল।

ৰাতিপুৱা যেতিয়া তাৰ টোপনি ভাগিল, তেতিয়া চাৰিওপিনে সূৰ্য্যৰ স্বৰ্ণ কনা ’সিচৰিত হৈ পৰিছে ; আৰু মুন্নী য়ে কৈ আছে , “কি আজি শুইয়েই থাকিবানে কি ? তুমি ইয়ালে আহি মজি গলা ,আৰু ইফালে তোমাৰ মৰমৰ মনমোহা খেতি লোপাট হৈ গল ”।

হকুৱে উঠি কলে “কি তই খেতি পথাৰ হৈ আহিছনে কি ?

মুন্নীয়ে কলে - “ অ ’গোটেই খেতি সৰ্ব্বনাশ হৈ গল ” । এনেকৈনো কোনোৱাই ৰখীয়াথয়নে ? তোমাৰ টঙী ’বখি কি লাভ হল ?

হকুয়ে তেতিয়া বিনাই ,বিনাই ,সাজি ,সাজি কবলৈ লাগিল “ ভাল কথা কৈছ মই মৰাৰ পৰাহে বাচিছো বিহে পেটৰ বিষ উঠিল মই নমৰিযে জীয়াই থাকিলো এয়ে বহুত । তই নিজৰ খেতিৰ কথাহে কৈছ ? কি কম মইহে বুজিছো।” দুয়ো আকৌ খেতিৰ কাষলৈ আহিল , দেখিলে গোটেই খেতি উদং । আৰু জৰ্‌ৰাই চিং হৈ টঙী ঘৰটোৰ তলত মৰাশ পৰাদি পৰি আছে।

দুয়ো খেতিৰ দশাচাই বল। মুন্নীৰ মুখত উদাসীনতাৰ ছাঁ প্ৰতিফলিত হৈছিল কিন্তু ,হকুৰ প্ৰসন্ন বদন।

মুন্নীয়ে চিন্তিত হৈ কলে - “এতিয়া মজুৰী কৰি বোজাবহন কৰিব লাগিব।

হকুৱে প্ৰসন্নবদনে বে কলে - “ৰাতি জাৰত , টো আৰু ভাত শুব নেলাগে ”।

* * * * *

# ভগবানে সকলো দেখে, কিন্তু সময় লয় অপেক্ষা কৰে !

মূল ৰচনা ঃ লিও টলষ্টয়
অনুবাদ ঃ গীতাঞ্জলি বৰঠাকুৰ

আইভান ডিমিট্ৰিক অক্‌চিঅ'নভ নামেৰে এজন ডেকা সদাগৰ ৱেডিমিৰ চহৰত বাস কৰিছিল। তেঁওৰ দুখন দোকান আৰু এটা নিজা ঘৰ আছিল। একোছা সুন্দৰ কেকোৰা -কেকুৰি চুলিৰে অক্‌চিঅ'নভ এজন সুদৰ্শন পুৰুষ আছিল। তেওঁ ৰঙীয়াল স্বভাৱৰ আৰু সঙ্গীতপ্ৰিয় লোক আছিল। ডেকাকালত তেওঁ ৰবাঁকে মদ খাইছিল আৰু কেতিয়াবা বেছিকৈ খাই হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰিছিল। কিন্তু বিয়া কৰোৱাৰ পিছৰ পৰা সেই অভ্যাস এৰি পেলাইছিল আৰু কেতিয়াবা কাচিৎহে মদ খাইছিল।

গ্ৰীষ্মকালত এদিন অক্‌চিঅ'নভ নিজনি চহৰৰ মেলালৈ যাবলৈ ওলাল। যোৱাৰ সময়ত পৰিয়ালৰ পৰা বিদায় লওঁতে ঘৈণীয়েকে কৈছিল - "আইভান ডিমিট্ৰিক, আজি তুমি যাত্ৰা আৰম্ভ নকৰিবা ; মই এটা বৰ বেয়া সপোন দেখিছো।" অক্‌চিঅ'নভে হাঁহি কলে - 'তুমি চাগে ভাবিছা মই মেলালৈ গৈ মদ খাই মাতলামি কৰি ফুৰিম।'

ঘৈণীয়েকে কলে - 'নাজানো কিয় মই ভয় খাইছো। কিন্তু মই এটা বেয়া সপোন দেখাটো সঁচা। সপোনত দেখিছো তুমি নগৰৰ পৰা উভতি আহিছা আৰু যেতিয়া তুমি তোমাৰ মূৰৰ টুপিটো খুলিছা তেতিয়া মই তোমাৰ চুলিবোৰ সম্পূৰ্ণ ভাবে পকা দেখিলো।'

অক্‌চিঅ'নভে হাঁহিবলৈ ধৰিলে আৰু কলে 'সেইটো এটা ভাল চিন।' মই মোৰ গোটেই খিনি বস্তু বিক্ৰি কৰিম আৰু মেলাৰ পৰা তোমালৈ বহুত উপহাৰ আনিম।' এইদৰে কৈ তেওঁ সকলোৰে পৰা বিদায় লৈ যাত্ৰা আৰম্ভ কৰিলে।

আধাবাটমান পাৰ হোৱাৰ পিছত তেওঁ এজন চিনাকি সদাগৰক লগ

পালে দুয়ো একেখন অতিথিশালাতে বাতিটো কটাবলৈ থিৰ কৰিলে। দুয়ো একেলগে চাহজলপান খাই দুটা ওচৰা ওচৰি কোঠাত শোৱাৰ ব্যৱস্থা কৰিলে।

অকচিঅ'নভেৰ বাতিপুৱা বেলিকৈ শুই থকা অভ্যাস নাছিল আৰু বতৰ শীতল আৰু ফৰকাল থাকোতেই কৰবালৈ যাবলৈ হ'লে যাত্রা আৰম্ভ কৰিবলৈ ভাল পাইছিল। সেইকাৰণে তেওঁ বাতিপুৱাৰ আগতেই উঠি গাড়ী চালকজনক জগাই দিছিল আৰু ঘোঁৰা উলিয়াবলৈ কৈছিল।

তাৰপিছত তেওঁ অতিথিশালাৰ সিবিহঁতৰ ওচৰলৈ গ'ল। সিবিহঁতজন অতিথিশালাৰ পিছফালৰ এটা সৰু ঘৰত থাকিছিল। অকচিঅ'নভে ছিচাপৰ পইচাখিনি দি যাত্রা আৰম্ভ কৰিলে।

প্রায় পচিশ মাইলমান যোৱাৰ পিছত ঘোঁৰাক আহাৰ খুৱাবৰ বাবে তেওঁ এখন অতিথিশালাত বৈছিল। অকচিঅ'নভে অতিথিশালাৰ কোঠাত অলপ সময় জিৰণি ল'লে। তাৰপিছত বাৰান্দালৈ ওলাই আহি চাহৰ পানী গৰম কৰিবলৈ কৈ নিজৰ গীটাৰখন উলিয়াই বজাবলৈ ধৰিলে।

হঠাতে টিলিঙা বজাই বজাই এখন তিনিচকীয়া গাড়ী ৰ'লহি আৰু তাৰ পৰা দুজন সৈনিক লগত লৈ এজন কৰ্ম্মচাৰী নামিল। তেওঁ অকচিঅ'নভৰ ওচৰলৈ আহি তেওঁ কোন ক'ৰ পৰা আহিছে আদি প্রশ্ন সুধিলে। অকচিঅ'নভে সকলো কথাৰ উত্তৰ দিলে আৰু কলে 'আপুনি মোৰ লগত একাপ চাহ খাবনে? কিন্তু কৰ্ম্মচাৰী জনে উপৰ্যুপৰি প্রশ্ন কৰিবলৈ ধৰিলে আগদিনা ৰাতি তেওঁ ক'ত আছিল, তেওঁ অকলে আহিছে নে আন কোনোবা সদাগৰ তেওঁৰ লগত আছিল, তেওঁ আজি বাতিপুৱা সেই সদাগৰজনক দেখিছিলনে নাই আৰু তেওঁ কিয় বাতি পুৱাৰ আগতেই অতিথিশালা এৰি গুছি আহিছে আদি বিভিন্ন ধৰণৰ প্রশ্ন।

প্রশ্নবোৰ শুনি অকচিঅ'ভ বৰ আচৰিত হৈছিল যদিও সকলো কথাৰ উত্তৰ দিছিল। তাৰপিছত সুধিছিল - 'কিয় আপুনি মোক চোৰ ডকাইতৰ দৰে জেৰা কৰিছে। মই মোৰ ব্যৱসায় সংক্রান্ত কামত আহিছো। মোক এনেদৰে প্রশ্ন কৰাৰ কোনো অর্থ নাই।'

তেতিয়া কৰ্ম্মচাৰী জনে সৈনিক দুজনক ওচৰলৈ মাতিলে আৰু কলে, - 'মই এই সমষ্টিটোৰ পুলিচ বিষয়া আৰু আপুনি যি জন সদাগৰৰ লগত বাতিটো - কটাইছিল তেওঁক ছিণ্ডি কটা অৱস্থাত পোৱা হৈছে। সেইকাৰণে

আপোনাক মই সোধপোছ কৰিছো। আমি এতিয়া আপোনাৰ বয় বস্তু বোৰ খানা তালাচ কৰিম।'

তেওঁলোক ঘৰটোৰ ভিতৰলৈ সোমাই গল। সৈনিক দুজন আৰু বিষয়াজনে অকচিঅ'নভৰ টোপোলা বিলাক খুলিমেলি চাবলৈ ধৰিলে। হঠাতে বিষয়াজনে অকচিঅ'নভৰ বেগৰ ভিতৰৰ পৰা এখন ছুৰিকটাৰী উলিয়াই চিঞৰি উঠিল 'এইখন কাৰ কটাৰী '।

অকচিঅ'নভে তেওঁৰ বেগৰ ভিতৰৰ পৰা উলিওৱা তেজলগা কটাৰীখন দেখি বৰ ভয় খালে।

'কটাৰীখনত কেনেকৈ তেজ লাগিল ? অকচিঅ'নভে কিবা এটা কবলৈ চেষ্টা কৰিছিল যদিও তেওঁ মুখেৰে এটা শব্দও ভালকৈ উচ্চাৰণ কৰিব নোৱাৰিলে। খোনাই খোনাই মাত্র কলে 'মই নাজানো - মই নহয় -'

তেতিয়া পুলিচ বিষয়াজনে কৈছিল - 'আজি ৰাতিপুৱা সদাগৰজনক ভিণ্ডি কটা অৱস্থাত পোৱা গৈছে। আপুনিয়ে একমাত্র মানুহ যি এই কাম কৰিব পাৰে। ঘৰটো ভিতৰফালৰ পৰা বন্ধ আছিল। আপোনাৰ মুখৰভাবভঙ্গী আৰু ব্যৱহাৰ পাতিয়েও আপুনিই যে বিশ্বাসঘাতক এই কথা প্রমাণ কৰে। কেনেকৈ সেই মানুজনক হত্যা কৰিলে আৰু কিমান পইচা চুৰ কৰিলে ? ' অক্চিঅ'নভে শপত খাই কৈছিল যে তেওঁ এই কাম কৰা নাই। একেলগে চাহ খোৱাৰ পিছত সদাগৰক তেওঁ আৰু দেখাই নাই। নিজৰ আঠহেজাৰ ৰুবুলৰ বাহিৰে তেওঁৰ লগত আৰু বেলেগ পইচা নাই আৰু সেই কটাৰী খনো তেওঁৰ নহয়। কিন্তু কথাবোৰ কওঁতে তেওঁৰ মাতটো কঁপিছিল ; মুখ খনো শেঁতা পৰিছিল। তেওঁ ভয়তে এনেকৈ কঁপিছিল যেন তেওঁ সচাঁকৈয়ে দোষী।

পুলিচ বিষয়াজনে অকচিঅ'নভক বান্ধি গাড়ীত তুলি লবলৈ সৈনিক দুজনক আদেশ দিলে। সিঁহতে যেতিয়া তেওঁৰ ভৰি দুখন একেলগে বান্ধি গাড়ীৰ ভিতৰলৈ পতিয়াই সুমুৱাই দিলে ,তেতিয়া অকচিঅ'নভে ভগৱানক স্মৰণ কৰি উচুপি উচুপি কান্দিছিল।

তেওঁৰ টকা - পইচা বস্তু বাহানি সকলোবোৰ কাঢ়ি লৈ ওচৰৰে চহৰখনলৈ পঠিয়াই দিলে আৰু তাতে তেঁওক জেলত ভৰাই থলে।

ম্লাডিমিৰত তেওঁৰ স্বভাৱ - চৰিত্রৰ তথ্য পাতি সংগ্রহ কৰা হ'ল।

সেই ঠাইৰ সদাগৰ আৰু বাসিন্দাসকলে কৈছিল যে আগতে তেওঁ খুব মদ খাইছিল আৰু অনাই -বনাই ঘুৰি ফুৰিছিল ; কিন্তু তাৰ বাহিৰে তেওঁ এজন ভাল মানুহ। তাৰপিছত তেওঁৰ বিচাৰ আৰম্ভ হ'ল। বিয়াজেনৰ পৰা অহা এজন সদাগৰক হত্যা কৰা আৰু বিশ হাজাৰ কৰুল ডকাইতি কৰাৰ দোষত তেওঁক দোষী সাব্যস্ত কৰা হ'ল।

তেওঁৰ ঘৈণীয়েক একেবাৰে হতাশ হৈ পৰিল আৰু কি কৰিব একো ভাবি পোৱা নাছিল। ল'ৰা ছোৱালীকেইটা তেনেই সৰু , এটা তাইৰ কোলাৰ কেঁচুৱা আছিল। তাই ল'ৰা -ছোৱালী কেইটা লগত লৈ গিৰীয়েক থকা কাৰাগাৰলৈ আহিল। প্ৰথমতে তাইক তাইৰ গিৰীয়েকক লগ পাবলৈ দিয়া নাছিল ,কিন্তু বহুত অনুনয় বিনয় কৰাৰ পিছত বিষয়াসকলে অনুমতি দিলে আৰু তাইক গিৰিয়েকৰ ওচৰলৈ লৈ গ'ল। গিৰীয়েকক বন্দীৰ সাজেৰে ভৰিত শিকলি লগাই চোৰ আৰু অপৰাধী বোৰৰ লগত একেলগে থকা দেখি তাই পৰি গৈছিল আৰু বহুত সময় অজ্ঞান হৈ আছিল। যেতিয়া জ্ঞান উভতি আহিল তেতিয়া তাই ল'ৰা -ছোৱালী কেইটাক ওচৰ চপাই লৈছিল। গিৰীয়েকৰ ওচৰতে বহি তাই ঘৰৰ কথা তেওঁক কলে আৰু ঘটানাটোনো কি সুধিলে। তেওঁ তাইক সকলো কথা কলে। তাকে শুনি তাই সুধিলে - 'আমি এতিয়া কি কৰা উচিত ? '' আমি সম্ৰাটলৈ আবেদন কৰিব লাগিব যে এজন নিৰ্দোষী মানুহক যেন ধ্বংসৰ পথলৈ আগুৱাই নিদিয়ে।'

ঘৈণীয়েকে কৈছিল যে তাই ইতিমধ্যে সম্ৰটলৈ আবেদন পঠাইছিল কিন্তু সেইখন গ্ৰহণ নকৰিলে। অকৃচিঅ'নভে একো উত্তৰ দিয়া নাছিল মাত্ৰ হতাশ হৈ পৰিছিল।

তেতিয়া ঘৈণীয়েকে কলে -' মই যে সপোনত তোমাৰ চুলিবোৰ বগা হৈ যোৱা দেখিছিলো - সেইটোৰ একো অৰ্থ নথকা নহয়। তোমাৰ মনত পৰিছেনে ? সেইদিনা তুমি যাত্ৰা আৰম্ভ কৰা উচিত নাছিল।' তেওঁৰ চুলিৰ মাজত আঙুলি বুলাই কৈছিল - 'চেনেহৰ জেন্যা , তুমি তোমাৰ ঘৈণীয়েৰাক সঁচা কথাটো কোৱাচোন ,তুমিয়েই এই কামটো কৰা নাছিলানে বাৰু ?' 'তাৰমানে তুমিও মোক সন্দেহ কৰা ! অকৃচিঅ'নভে এইদৰে কৈ দুহাতৰ মাজত মুখখন লুকুৱাই উচুপিবলৈ ধৰিলে। তেনেকুৱাতে এটা সৈনিকে আহি ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী কেইটাক তাৰ পৰা যাবলৈ কলে আৰু অকচিঅ'নভে

শেষ বাৰৰ বাবে সকলোৰে পৰা বিদায় ল'লে।

তেওঁলোকে গুছি যোৱাৰ পিছত অকচিঅ'নভে কথাবোৰ ভাবিবলৈ ধৰিলে। যেতিয়া তেওঁৰ মনত পৰিল যে ঘৈণীয়েকেও তেওঁক সন্দেহ কৰিছে তেতিয়া তেওঁ নিজেই নিজকে কৈছিল - 'মাত্ৰ ভগৱানেহে সত্য কথাটো জানে, অকল ভগৱানৰ ওচৰতহে মই আবেদন কৰিব লাগিব আৰু কেৱল তেওঁৰ পৰাহে মই দয়া বিচাৰিব পাৰো।'

অকচিঅ'নভে আৰু আবেদন নিবেদন কৰা নাছিল। সকলো আশা এৰি পেলাইছিল, আৰু ভগৱানকহে মাত্ৰ স্তুতি কৰিছিল। দণ্ডাজ্ঞা অনুসৰি অকচিঅ'নভেক কোবাবলৈ দিছিল আৰু খনিলৈ পঠাই দিছিল। তেওঁক চাবুকেৰে কোবোৱা হৈছিল আৰু যেতিয়া সেই ঘাবোৰ শুকাই গৈছিল তেতিয়া তেওঁক আন অপৰাধী বিলাকৰ লগত চাইবেৰিয়ালৈ পঠিয়াই দিয়া হৈছিল। অকৃচিঅ'নভে অপৰাধী হিচাবে চাইবেৰিয়াত ছাব্বিশ বছৰ কাল কটাইছিল। তেওঁৰ চুলিবোৰ বৰফৰ দৰে শুকান হৈ পৰিছিল আৰু তেওঁৰ দাড়িবোৰ দীঘল, পাত আৰু মুগাবৰণীয়া হৈ পৰিছিল। তেওঁ মনৰ সকলো আনন্দ হেৰুৱাই পেলাইছিল, আৰু কুঁজা হৈ পৰিছিল। তেওঁৰ খোজৰ গতি মন্থৰ হৈছিল; কথা - বতৰা একেবাৰে কম কোৱা হৈছিল আৰু হাঁহিবলৈ পাহৰি গৈছিল। মাত্ৰ মনে মনে তেওঁ ভগৱানক উপাসনা কৰিছিল।

কাৰাগাৰত থকা সময়ছোৱাত অকচিও'নভে জোতা চিলাই কৰিবলৈ শিকিছিল। জোতা চিলাই কৰি তেওঁ কিছু পৰিমানে ধন গোটাইছিল। সেই ধনেৰে তেওঁ 'লাইভ ছ্ অব দা চেইণ্টছ' নামৰ কিতাপ খন কিনিছিল। কাৰাগাৰৰ পোহৰ পোৱা সময়ত তেঁও সেই কিতাপ খন পঢ়িছিল। তেওঁ দেওবাৰে কাৰাগাৰৰ গীৰ্জাত পাঠ- বিলাক পঢ়িছিল আৰু সমবেত সঙ্গীতত যোগ দিছিল। তেঁওৰ মাতটো তেতিয়া লৈকে শুৱলা হৈ আছিল।

অকচিঅ'নভৰ শান্ত স্বভাৱৰ কাৰণে কাৰাগাৰৰ বিষয়াসকলে তেওঁক ভাল পাইছিল আৰু তেওঁৰ লগৰ বন্দীসকলে তেঁওক শ্ৰদ্ধা কৰিছিল। তেওঁলোকে অকচিও'নভক ককাদেউতা আৰু পুণ্যাত্মা বুলি মাতিছিল। তেওঁলোকে কাৰাগাৰৰ বিষয়ববীয়া সকলক কিবা কথা জনাই দৰ্খাস্ত দিব খুজিলে অকচিঅ'নভৰ হতুৱাই কোৱাইছিল। বন্দীবিলাকৰ মাজত হোৱা দন্দ - কাজিয়াৰ ন্যায় মীমাংসা কৰিবলৈও অকচিঅ'নভৰ ওচৰ চাপিছিল।

অকচিঅ'নভে ঘৰৰ পৰা কোনো খবৰ পোৱা নাছিল। আনকি তেঁওৰ

ঘৈণীয়েক লবা ছোৱালী কেইটা জীয়াই আছেনে নাই সেই কথাও তেওঁ নাজানিছিল।

এদিনাখন এদ'ল নতুন অপৰাধী সেই কাৰাগাৰলৈ আহিল। আবেলি পূৰণি অপৰাধীবিলাকে নতুন বোৰক বেৰি লৈ সিহঁতে ক'ৰ পৰা আহিছে আৰু কি কি কাৰণে দোষী সাব্যস্ত হ'ল সুধিছিল। অকচিঅ'নডে এটা কোণত বহি নিস্পৃহভাবে সেই কথোপকথন শুনি আছিল।

নতুন দোষী বিলাকৰ মাজৰ ঘন মুগা বৰনীয়া দাড়িৰে ওখ স্বাস্থ্যবান ষাঠি বছৰীয়া মানুহ এটাই তাকনো কিয় বন্দী কৰা হল সেই কথা আনবিলাকক ক'বলৈ ধৰিলে। সি ক'লে - 'শুনা বন্ধুসকল, মই মাত্র ঘোঁৰা প্ৰাৰীত ব্যক্তি থোৱা এটা ঘোঁৰা আনিছিলো আৰু সেই কাৰণেই মোক বন্দী কৰিলে আৰু চোৰ বুলি ক'লে। মই কৈছিলো যে মই সোনকালে ঘৰলৈ যোৱাৰ কাৰণেহে ঘোঁৰাটো লৈছিলো আৰু পিছত ওভোতাই পঠালোহেতেন। তদুপৰি গাৰীখনৰ চালক জন মোৰ বন্ধু আছিল। সেইকাৰণেই মই কৈছিলো - এইটো একো ভুল কথা হোৱা নাই কিন্তু তেওঁ লোকে মানি নললে আৰু ক'লে 'নহয় তুমি এইটো চুৰ কৰিছা'। কিন্তু কেনেকৈ আৰু ক'ত মই এইটো চুৰ কৰিলো সেই কথা তেওঁ লোকে ক'ব নোৱাৰিলে। এসময়ত কিন্তু মই সঁচাকৈয়ে এটা ডাঙৰ দোষ কৰিছিলো আৰু নিয়মমতেই মই বহুত দিন আগতেই ইয়ালৈ আহিব লাগিছিল। তেতিয়া পিচে মই ধৰা নপৰিলো। এতিয়া প্ৰায় কোনো কাৰণ নোহোৱাকৈয়ে মোক ইয়ালৈ পঠিয়াই দিলে ................... এহ, কিন্তু মই তোমালোকক মিছা কথাহে কৈছো। মই আগতে এবাৰ চাইবেৰিয়ালৈ আহিছিলো, কিন্তু বেছিদিন থকা নাছিলো।'

'তুমি বাৰু ক'ৰ পৰা আহিছা ? একজনে সুধিলে।

'ব্লেডিমিৰৰ পৰা। মোৰ পৰিয়ালটো সেই চহৰতে আছে। মোৰ নাম ম্যকাৰ। তেঁওলোকে মোক চেমিঅ'নিক বুলিও মাতে।'

অকচিঅ'নডে মূৰটো দাঙিলে আৰু ক'লে - 'কোঁৱাচেন চেমিঅ'নিক তুমি ব্লেডিমিৰৰ সদাগৰ অকচিঅ'নভৰ কথা কিবা জানানে' ? ''জানোনে মানে ? মই ভালকৈয়ে জানো। অকচিঅ'নভ সকল ধনী, যদিওবা তেওঁলোকৰ দেউতাক চাইবেৰিয়াতে আছে।আমাৰ নিচিনাই চাগে তুমিও এজন পাপী। তোমাৰ বিষয়ে কোৱাচোন ককা, তুমি বাৰু ইয়ালৈ কেনেকৈ আহিলা ?'

অকচিঅ'নভে তেঁওৰ দুৰ্ভাগ্যৰ বিষয়ে কবলৈ ইচ্ছা কৰা নাছিল। তেঁও মাত্ৰ হুমুনিয়াহ কাঢ়িছিল আৰু কৈছিল - 'মই মোৰ পাপৰ বাবে আজি চাব্বিশ বছৰ কাল এই কাৰাগাৰত কটাইছো।'

'কি পাপ ?' ম্যকাৰ চেমনিঅকে সুধিলে।

অকচিঅ'নভে মাত্ৰ কৈছিল - 'যাওক সেইবোৰ , এয়া মোৰ চাগে প্ৰাপ্য আছিল।' তেঁও একো নক'লেহেতেন কিন্তু তেঁওৰ লগৰীয়া বিলাকে নতুন বন্দীবোৰক অকচিঅ'নভ কেনেকৈ চাইবেৰিয়ালৈ আহিল, কেনেকৈ কোনোবাই এজন সদাগৰক হত্যা কৰিলে আৰু কটাৰীখন অকচিঅ'নভৰ বস্তুৰ ভিতৰত ভৰাই থলে আৰু অকচিঅ'নভক অন্যায়ভাবে দোষী সাব্যস্ত কৰা হ'ল ,এই সকলোবোৰ কথা ক'লে।

যেতিয়া ম্যকাৰ চেমিঅনিকে এই কথা শুনিলে তেতিয়া সি অকচিঅ'নভলৈ চাই নিজৰ আঠুত এটা থাপৰ মাৰি চিঞৰি উঠিছিল 'ইচ , আচৰিত কথা !সঁচাকৈয়ে আচৰিত ! কিন্তু তুমি কিমান বুঢ়া হৈ গ'লা ক'কা।'

বন্দীবিলাকে তাক সুধিলে সি কিয় ইমানকৈ চক্‌খাই উঠিছে আৰু সি অকচিঅ'নভক আগতে ক'ত লগ পাইছিল। কিন্তু ম্যকাৰ চিমেঅ'নিকে একো উত্তৰ দিয়া নাছিল। সি মাত্ৰ কৈছিল সকলোৱে যে ইয়াত এনেকৈ লগ হৈছো , সেইটোৱেই আচৰিত কথা।

এনেকুৱা কথা শুনি অকচিঅ'নভ আচৰিত হৈছিল আৰু ভাবিছিল যে এই মানুহটোৱে সদাগৰক কোনে হত্যা কৰিছিল জানে চাগে। সেইকাৰণে তেঁও সুধিলে - 'চিমেঅ'নিক তুমি বোধকৰো সেই ঘটনাটোৰ বিষয়ে শুনিছিলা। নাইবা বোধকৰো মোক আগেয়ে দেখিছিলা , নহয়নে ?'

'মই নুশুনাকৈ কেনেকৈ থাকিম ? পৃথিৱীখনৰ গুজৱেৰেই ভৰপূৰ। অৱশ্যে এইটো বহুত দিনৰ আগৰ কথা আৰু মই কি শুনিছিলো পাহৰি গৈছো।'

'সদাগৰজনক কোনে হত্যা কৰিছিল সেই কথা তুমি চাগে ' শুনিছিলা ? ' অকচিঅ'নভে সুধিলে।

ম্যকাৰ চিমেঅ'নিকে হাঁহিলে আৰু কলে - 'যিজনৰ বেগত কটাৰীখন পাইছিল সেইজনেই নিশ্চয় সেই মানুহজন। যদি কোনোবাই তাত কটাৰীখন লুকুৱাই থৈছিলেও, ধৰা নপৰালৈকে সেইজন দোষী হব নোৱাৰে বুলিয়েই সকলোৱে কয়। কেনেকৈনো আন এজনে কটাৰীখন তোমাৰ, বেগটোত

ভৰাই থৱ পাবিব , সেই বেগটো দেখোন তোমাৰ মূৰৰ তলত আছিল ? তেনে কৰা হ'লে দেখোন তোমাৰ টোপনি ভাঙি গ'লহেঁতেন।' এই কথাখিনি শুনাৰ পিছত অকচিঅ'নভ নিঃসন্দেহ হ'ল যে এই মানুহ টোৱেই সদাগৰজনক হত্যা কৰিছিল। তেওঁ বহাৰ পৰা উঠিল আৰু আঁতৰি গুছি গ'ল। গোটেই নিশাটো অকচিঅ'নভৰ টোপনি অহা নাছিল। তেওঁ অত্যন্ত দুঃখীত হ'ল আৰু নানা ধৰণৰ ভাৱবোৰে তেওঁৰ মনত মূৰ্ত হৈ উঠিল। তেওঁ মেলানি ওলাই অহা সময়ৰ ঘৈণীয়েকৰ ছবিখন তেওঁৰ মানস পটত ভাহি উঠিল। তেওঁ এনেকুৱা ভাৱ হ'ল যেন তাই তাতেই আছে, তাইৰ মুখ আৰু চকুযুৰি তেওঁৰ আগত জিলিকি উঠিল, তাইৰ কথা, তাইৰ হাঁহি তেওঁ শুনিবলৈ পালে। তাৰপিছতে তেওঁ নিজৰ ল'ৰা ছোৱালী কেইটাক দেখিলে, একেবাৰে সক অৰ্থাৎ সেই সময়ত সিহঁত যেনেকুৱা আছিল! এটা সোলোক ঢোলোক চোলা পিন্ধি ঘূৰি ফুৰা ; আনটো মাকৰ কোচত। তেওঁৰ নিজৰ কথাও মনত পৰিল, কেনেকুৱা ডজৰজীয়া ধেমেলীয়া ডেকা আছিল। মনত পৰিল কেনেকৈ তেওঁ অতিথি শালাৰ বাৰন্দাত বহি গীটাৰ বজাইছিল, - যৰ পৰা তেওঁক বন্দী কৰা হৈছিল। কেনেকৈ তেওঁ সেই সময়ত চিন্তা ভাৱনাৰ পৰা মুক্ত আছিল। তেওঁৰ মনলৈ আহিল সেই ঠাইডোখৰ, যত তেওঁক কোবোৱা হৈছিল ; যিজনে কোবাইছিল তাক আৰু তেওঁৰ কেউপাশে থিয় হৈ থকা মানুহবোৰ, শিকলিবোৰ, দোষীবোৰ, চাব্বিশ বছৰীয়া তেওঁৰ বন্দী জীৱন আৰু তেওঁৰ অসময়ৰ বাৰ্দ্ধক্য - এনেকুৱা ভাৱবোৰে তেওঁক ইমানেই অস্থিৰ কৰি তুলিলে যে তেওঁ নিজকে নিঃশেষ কৰি দিবলৈ সাজু হ'ল।

'আৰু এই সকলোবোৰ সেই নীচ মানুহটোৱেই কৰিলে !' তেওঁ ভাবিলে। ম্যকাৰ চেমিঅ'নিকৰ ওপৰত তেওঁ ইমানেই বিতুষ্ট হ'ল যে তাৰ ওপৰত প্ৰতিশোধ লবৰ মন গ'ল ; লাগিলে তাৰ বাবে তেওঁ নিজেই নিঃশেষ হৈ গ'লেও যাব। তেওঁ গোটেই ৰাতিটো ভগৱানক আৰধনা কৰি কটালে, কিন্তু মনত অকণো শান্তি পোৱা নাছিল। দিনটো তেওঁ এবাৰো ম্যাকাৰ চেমিঅ'নিকৰ ওচৰলৈ নগ'ল, আনকি তালৈ এবাৰ ঘূৰিও নাচালে।

এনেকৈয়ে এপথ পাৰ হৈ গৈছিল। অকচিঅ'নভে ৰাতি অকণো শুব নোৱাৰিছিল আৰু ইমানেই দুঃখীত হৈ পৰিছিল যে তেওঁ কি কৰিব একো থিৰ কৰিব নোৱাৰিছিল।

এনিশা তেওঁ কাৰাগাৰৰ ভিতৰত খোজ কাঢ়ি ফুৰোতে মন কৰিছিল যে বন্দীবোৰ শোৱা ঠাইৰ এখন খাটৰ তলৰ পৰা কিছুমান মাটিৰ টুকুৰা বাগৰি ওলাই আহিছে। তেওঁ সেইটোনো কি বস্তু, চাবলৈ ব'ল। হঠাতে ম্যকাৰ চেমিঅনিক খাটখনৰ তলৰ পৰা চুচৰি ওলাই অহা দেখিলে। সি অকচিঅ'নভৈলৈ ভয়াৰ্ত্ত দৃষ্টিৰে চাই ৰ'ল। অকচিঅ'নভে তাঁলৈ নোচোৱাঁকৈ আঁতৰি আহিব খুজিছিল, কিন্তু ম্যকাৰে তেওঁৰ হাতত ধৰিলে আৰু কলে যে সি বেৰখনৰ তলত এটা গাঁত খান্দিছে। খন্দা মাটিখিনি ওখ বুট জোতাজোৰত ভৰাই থয় আৰু যেতিয়া বন্দীবোৰক কামলৈ নিয়া হয় তেতিয়া সি সেই মাটিবোৰ আলিবাটত সদায় পেলাই থৈ আহেগৈ।

* 'তুমি মাত্ৰ মনে মনে থাকিবা বুঢ়া।' তুমিও নিশ্চয় বাহিৰলৈ যাব পাৰিবা। যদি তুমি কিবা কথা সদৰি কৰা সিহঁতে মোক কোবাই মোৰ জীব বাহিৰ কৰিব। কিন্তু জানিবা মই তাৰ আগতেই তোমাক শেষ কৰিম।

অকচিঅ'নভে তেওঁৰ শক্ৰলৈ চাই খঙত কঁপিবলৈ ধৰিছিল। তেওঁ হাতখন টান মাৰি একৰাই আনি ''পলাই যাবলৈ মোৰ অকণো ইচ্ছা নাই আৰু তুমি মোক মাৰিবৰো আবশ্যক নাই। তুমি মোক বহুত দিন আগতেই হত্যা কৰিলা। তোমাৰ এই কথাটো মই কওঁ বা নকওঁ সেইটো ভগৱানেহে নিৰ্ণয় কৰিব।'

পিছদিনা ,যেতিয়া বন্দীবোৰক কাম কৰিবলৈ'লৈ যোৱা হৈছিল , ৰক্ষক সৈনিক কেইজনে লক্ষ্য কৰিছিল যে কিছুমান বন্দীয়ে নিজৰ বুটজোতা বোৰৰ পৰাকিছুমান মাটি উলিয়াই পেলাইছিল। কাৰাগাৰটোত খানাতালাচ কৰা হ'ল গাঁতটো ওলাই পৰিল। মুৰব্বীজন আহিল আৰু কোনে গাঁতটো খান্দিছে সেই কথা জানিবৰ বাবে সকলো বন্দীকে প্ৰশ্ন কৰিবলৈ ধৰিলে। সকলোৱে একো নাজানো বুলি কৈছিল। যিবিলাকেজানে সিহঁতেও ম্যকাৰ চেমিঅ'নিকক বিশ্বাসঘাতকতা নকৰিলে। সকলোৱে জানে যে কথাটো ওলালে তাক মৰিয়াই মৰিয়াই যন্ত্ৰনা দিব।

অৱশেষত মুৰব্বীজনে অকচিঅ'নভৰ পিনে ঘূৰি চালে যাক তেওঁ এজন সাধু পুৰুষ বুলি জানে, আৰু সুধিলে - 'তুমি এজন সত্যবাদী বয়সস্থ মানুহ, ভগৱানক সাক্ষী কৰি মোক কোৱাচোন কোনে গাঁতটো খান্দিছে ?'

ম্যকাৰ চেমিঅ'নিকে মুৰব্বীজনলৈ চাই বেপৰোৱা ভাবে থিয় হৈ ৰ'ল।

অকচিঅ'নভেৰ ওঁঠ আৰু হাত দুখন কঁপিবলৈ ধৰিলে। বহুত সময় তেওঁ একো কব পৰা নাছিল। তেওঁ ভাবিলে কি কাৰণে মই তাক বচাব লাগে সি মোৰ জীৱনটোৱেই ধ্বংস কৰিলে ? মই যি কষ্ট ভোগ কৰিলো সেই কষ্ট সিও ভোগ কৰক। আনহাতে মই যদি কৈ দিওঁ সিহঁতে নিশ্চয় কোবাই কোবাই তাক মাৰি পেলাব। আৰু মই কিজানি তাক মিছাতেহে সন্দেহ কৰিছো ! তদুপৰি তাৰ পৰা মোৰনো কি উপকাৰ হব ? 'হেৰা বৃদ্ধ মানুহজন সত্য কথাটো কোৱাচোন কোনে বেৰখনৰ তলত গাঁত খান্দিছে.' - মুৰব্বীজনে পুনৰ সুধিলে। অকচিঅ'নভে খন্তেকলৈ এবাৰ ম্যকাৰ চেমিঅনিকলৈ চালে আৰু ক'লে 'মই কব নোৱাৰো মহাশয়। মই কোৱাটো ভগৱানেও বিচৰা নাই। মোক তাৰ বাবে তোমালোকে যি কৰা কৰা, মই তোমালোকৰ হাতত আছো '।

মুৰব্বীজনে বাৰেবাৰে সুধিলে কিন্তু অকচিঅ'নভে একো নক'লে। সেইকাৰণে ঘটনাটো সিমানতে তল পৰিল।

সেই নিশা যেতিয়া অকচিঅ'নভে বিচনাত পৰি টোপনিয়াই আছিল, কোনোবা এজন চুপচাপে আহি তেওঁৰ বিচনাৰ কাষত বহিল। তেওঁ আন্ধাৰৰ মাজেৰেই চাই পঠিয়ালে আৰু ম্যকাৰক চিনি পালে। 'তুমি মোৰ পৰা আৰু কি বিচৰা ?' অকচিঅ'নভে সুধিলে। 'তুমি ইয়ালৈ কিয় আহিছা ?' ম্যকাৰ চেমিঅ'নিক মনে মনে আছিল। অকচিঅ'নভে উঠি বহিল আৰু কলে - 'তুমি কি বিচৰা ? গুচি যোৱা, নহলে মই বক্ষকক মাতিম।'

ম্যকাৰ চেমিঅনিকে কুঁজা হৈ অকচিঅ'নভৰ ওচৰ চাপি ফুচফুচাই, কলে ' আইভান ডিমিট্ৰিক মোক ক্ষমা কৰা।'

'কিহৰ কাৰণে ?'অকচিঅ'নভে সুধিলে। 'সেইজন ময়েই আছিলো। সদাগৰজনক মই হত্যা কৰিছিলো আৰু কটাৰীখন তোমাৰ বস্তুৰ মাজত লুকুৱাই থৈছিলো। মই তোমাক মাৰিবলৈ গৈছিলো, কিন্তু বাহিৰত কিবা এটা শব্দ শুনি কটাৰীখন তোমাৰ বেগত লুকুৱাই থলো আৰু খিৰিকীৰে পলাই গলো।'

অকচিঅ'নভে মনে মনে থাকিল। কি কব ভাবি নাপালে। ম্যকাৰ চেমিঅ'নিক খাটৰ পৰা নামি গৈছিল আৰু মাটিতে আঠুকাঢ়ি বহিছিল। 'আইভান ডিমিট্ৰিক ' - সি কৈছিল 'মোক ক্ষমা কৰা। মই স্বীকাৰ কৰিম যে ময়েই সদাগৰক হত্যা কৰিছিলো। তুমি মুক্তি পাবা আৰু ঘৰলৈ যাবলৈ পাৰিব।''

'কথাটো কৰলৈহে সহজ '- অকচিঅ'নভে কলে 'কিন্তু মই তোমাৰ কাৰণেই চাব্বিশ বছৰ কাল যন্ত্ৰণা ভুগিলো। এতিয়া আৰু মই ক'লৈ যাম ? ------ মোৰ ঘৈণীৰ মৃত্যু হ'ল, মোৰ ল'ৰা ছোৱালী কেইটাই মোক পাহৰি গ'ল। মোৰ যাবলৈ কোনো ঠাই নাই।'

ম্যকাৰ চেমিঅ'নিক বহাৰ পৰা নুঠিল মাত্ৰ মূৰটো পকাত খুন্দিয়াই থাকিল। 'আইভান ডিমিট্ৰিক মোক ক্ষমা কৰা' - সি চিঞৰি কলে ' সিহঁতে যেতিয়া মোক চাবুকেৰে কোবাইছিল তেতিয়া মোৰ কষ্ট সহ্য কৰাটো সিমান কঠিন নাছিল ,- তোমাক এনেকৈ দেখাতকৈ ----------তথাপিও তুমি মোৰ ওপৰত দয়া দেখুৱালা আৰু একো কথা নক'লা। ভগৱানৰ দোহাই তুমি মোক ক্ষমা কৰা ,মই কেনেকুৱা এটা পাষণ্ড !' সি মাথো উচুপিবলৈ ধৰিছিল।

অকচিঅ'নভে তাৰ উচুপনি শুনি নিজেও কান্দিবলৈ ধৰিলে।

'ভগৱানে তোমাক ক্ষমা কৰিব '- তেওঁ কলে। 'কিজানিবা মই তোমাতকৈও এশ গুণে নিকৃষ্ট ; এইদৰে কোৱাৰ পিছত তেওঁৰ অন্তৰ খন যেন জ্যোতিষ্মান হৈ পৰিল আৰু ঘৰলৈ উভতি যোৱাৰ কোনো আগ্ৰহ নেথাকিল। কাৰাগাৰৰ পৰা ওলাই যোৱাৰ ইচ্ছা তেওঁৰ নাইকীয়া হৈ গৈছিল। মাত্ৰ শেষ মুহূৰ্তটোৰ বাবেহে যেন আশা কৰি আছো ।

অকচিঅ'নভে ইমানখিনি কোৱা সত্বেও ম্যকাৰ চেমিঅ'নিকে তাৰ দোষ স্বীকাৰ কৰিলে। কিন্তু যেতিয়া মুক্তিৰ আদেশ আহিল , অকচিঅ'নভৰ ইতিমধ্যে মৃত্যু হৈছে।

* * * * * * *

* * * * * * *

# খোলা খিৰিকিখন

মূল ৰচনা - আলফ্ৰেড জৰ্জ গাৰ্ডিনাৰ
অনুবাদ - ৰূপলেখা শইকীয়া

এই চুটি গল্পৰ লিখক আলফ্ৰেড জৰ্জ গাৰ্ডিনাৰৰ জন্ম হৈছিল ইংলণ্ডৰ চেমছফ'ৰ্ডৰ এছেক্সত ১৮৬৫ চনৰ ২ জুন তাৰিখে। যুদ্ধোত্তৰ কালীন সময়চোৱাৰ এওঁ এজন লেখত লবলগীয়া সংবাদিক আৰু ইংৰাজী সাহিত্যৰ প্ৰথিতযশা লেখক আছিল। গাৰ্ডিনাৰে তেওঁৰ জীৱন আৰম্ভ কৰিছিল সাংবাদিক হিচাপে আৰু পোন্ধৰ বছৰ কাল সাংবাদিকতাক তেওঁৰ বৃত্তি হিচাবে লৈছিল। তেওঁ ডেইলি নিউজ নামৰ বাতৰি কাকত খনৰ সম্পাদকো আছিল। তেওঁ "আলফা অৱ দা প্লাউ" এইছদ্ম নামেৰে বহুতো ৰচনা, প্ৰবন্ধ লিখে। তেওঁৰ ৰচনাবোৰত সামাজিক আৰু নৈতিক মূল্যবোধৰ পৰিচয় পোৱা যায়। তেওঁ তেওঁৰ ৰচনাৰ যোগেদি সমাজৰ সেই সকল লোকক সত নীতি আৰু ভাল ব্যৱহাৰৰ শিক্ষা দিবলৈ চেষ্টা কৰিছিল, যি সকলে সমাজৰ শৃংখলা আৰু নীতি - নিয়মক পদে পদে উলংঘন কৰিছিল। তেওঁ লিখা কিতাপৰ ভিতৰত পেবল্‌ছ অৱ দা চোৰ ( Pebbles of the Shore ) আৰু লিভছ ইন দা উইন্দ ( Leaves in the wind ) উল্লেখ যোগ্য। ইয়াৰ উপৰিও 'পিলাৰছ অৱ দা চচাইটি' আৰু 'পাৰ্টচ অৱ দা ৱৰ, উল্লেখ যোগ্য গ্ৰন্থ তেওঁ লিখি গৈছে।

তেওঁৰ ৰচনাত হাস্য ৰসৰো যথেষ্ট সমল পোৱা যায়। "খোলা খিৰিকিখন" নামৰ কাহিনীটোতো হাস্য ৰসৰ পৰিচয় পোৱা যায়।

কালি ৰাতিপুৱা যেতিয়া গাৰ্ডৰ সৰু ষ্টেচনটোত ৰেল গাড়ীখন কিছু সময়ৰ বাবে ৰৈছিল, মই দৌৰাদৌৰিকৈ ৰেলগাড়ীৰ এটা দবাত উঠি লৈছিলো। মই উঠা দবাটোত উঠি এখন খালি আসনত বহিলো। মই বহা আসনখনৰ দুয়োকাষে থকা মোৰ সহযাত্ৰী দুজনৰ একজন আছিল পুৰুষ; তেওঁ

ৰেলগাড়ীৰ ডবাটোৰ ঠেক পৰিসৰৰ অহা যোৱা কৰা বাৰাণ্ডাখনৰ একুকত বহিছিল। আৰু মোৰ কাষৰ আন সহযাত্ৰী গৰাকী আছিল পশুৰ নোমাল খুনীয়া পৰিধানেৰে আবৃত এগৰাকী ভদ্ৰ মহিলা। মহিলাগৰাকীৰ সন্মুখৰ আসনখন অধিকাৰ কৰিছিল এজনী ছোৱালীয়ে; তেওঁক মই মহিলাগৰাকীৰ জীয়েক বুলি অনুমান কৰিছিলো। সেই ছোৱালীজনীৰ কাষৰ আসন খনত বহি থকা মানুহজনক মই মহিলা গৰাকীৰ স্বামী বুলিয়েই অনুমান কৰিছিলো। ঠেক বাৰাণ্ডা খনৰ আনটো চুকত বহিছিল আনসহযাত্ৰী দুজন। এই মানুহখিনিয়ে ডবাত উঠা কিছু সময় নিশ্চয় হৈছিল। মই ডবাটোত উঠিয়েই কিবা এটা অস্বাভাবিক পৰিবেশৰ উমান পাইছিলো। এনে লাগিছিল যেন ইয়াত কিছু সময়ৰ আগলৈকে এখন পূৰ্ণপৰ্য্যায়ৰ নাটকৰ অভিনয় চলি আছিল। মোৰ ডবাটোত অনাহুত প্ৰৱেশে যেন সেই নাটকত খন্তেকলৈ হলেও বিৰতি আনি ৰসভঙ্গহে কৰিলে। আনহাতে নাটকৰ যৱনিকা পৰিবৰ তেতিয়াও হয়তো হোৱা নাছিল। 'বগীটোৰ গোটেই পৰিবেশটোৱেই কিবা গোমা গোমা হৈ আছিল। গতিকে যেতিয়াই পুণৰ ট্ৰেইনখন চলিবলৈ আৰম্ভ কৰিলে, সেই অসম্পূৰ্ণ নাটকখনৰ পুনৰ আৰম্ভনি হোৱাত মই মুঠেই আচৰিত নহলো। ফলত গোটেই বগীটোত এক বৈষম্যপূৰ্ণ অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি হ'ল।

মই লক্ষ্য কৰিলো মহিলা গৰাকী যি খন খিৰিকিৰ কাষত বহিছিল, সেই খিৰিকিখন আধা খোলা অৱস্থাত আছিল। ট্ৰেইনৰ গতি বেগ বাঢ়ি অহাৰ লগে লগে বতাহৰ গতিও তীব্ৰ হবলৈ ধৰিলে আৰু পূব দিশৰ পৰা বৈ অহা চেঁচা বতাহজাকে নোমাল পোছাক পিন্ধা মহিলা গৰাকীৰ কোনো ক্ষতি কৰিব নোৱাৰিলেও, ঠেক বাটটোৰ চুকত বহা মানুহজনৰ মুখৰ ওপৰত চাবুকৰ কোবৰ দৰে আঘাত কৰিবলৈ ধৰিলে। শীতৰ ঠেটুৱৈ ধৰা চেঁচা বতাহ জাকৰ পৰা ৰক্ষা পৰিবলৈ মানুহজনে বিনীত ভাবে মহিলা গৰাকীক তেওঁৰ ওচৰৰ খিৰিকিখন বন্ধ কৰিবলৈ অনুৰোধ জনালে। কিন্তু মহিলা গৰাকীয়ে অভদ্ৰভাৱে একে আষাৰেই মানুহজনৰ প্ৰস্তাৱ প্ৰত্যাখান কৰিলে। মই বেঁকাকৈ মানুহ গৰাকীৰ ফালে চাই একে বাৰতেই বুজিব পাৰিলো যে, মহিলা গৰাকী বৰ সুবিধাৰ নহয়। আৰু পৰাপক্ষত এনে ধৰণৰ মানুহৰ লগত বাক বিতণ্ডা বা কাজিয়াপেচাল নকৰোৱাই ভাল। মই দেখিবলৈ পাইছিলো মানুহ

গৰাকীৰ মুখখনে ক্ৰমান্বয়ে এক অস্বাভাৱিক ৰূপ ধাৰণ কৰিছিল। নাকৰ পাহি দুটা ঘনে ঘনে ফুলি উঠিছিল ; যেন তেওঁ এখন যুদ্ধতহে অৱতীৰ্ণ হবলৈ নিজকে প্ৰস্তুত কৰি তুলিছিল নাইবা তেওঁৰ প্ৰতিদ্বন্দীকহে যেন দ্বন্দ্ব যুদ্ধলৈ আহবান জনোৱাৰ প্ৰস্তুতি চলাইছে !

মানুহ গৰাকীৰ দ্বাৰা প্ৰত্যাখাত হৈ চুকৰ ভদ্ৰলোক জন এইবাৰ মানুহ গৰাকীৰ স্বামীৰ কাষ চাপিল ,এই অপ্ৰীতিকৰ পৰিবেশৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় বিচাৰি। তেওঁ মহিলা গৰাকীৰ স্বামীক কথাবাৰ ভালদৰে বুজাই ক'লে যে , সেই খিৰিকিখন বন্ধ কৰি যদি ' কবিতৰৰ দুৱাৰখন খুলি ৰখা হয় , তেতিয়া হলে ভৰাটোত যথেষ্ট বতাহ পোৱা যাব আৰু তেৰোঁ এই চেচাঁ বতাহৰ পৰা ৰক্ষা পাব। কিন্তু মহিলা গৰাকীৰ স্বামী, স্বামীজন যাতে এই পৰিস্থিতিৰ মাজত নিজকে সাঙুৰিবলগীয়া নহয় ,তাৰ বাবে যথেষ্ট সচেতন আছিল। তেওঁ এখন বাতৰি কাকতৰ পঢ়াৰ অভিনয় কৰি বাতৰি কাকতখনেৰে নিজকে এনেকৈ ঢাকি ৰাখিছিল , যাতে তেওঁক এই কাজিয়াৰ মাজলৈ কোনেও টানি নানে। এতিয়া কবিতৰৰ চুকত বহা মানুহজনে পোনে পোনেই আহি তেওঁক খিৰিকিখন বন্ধ কৰাৰ প্ৰস্তাৱটো দিয়াত তেওঁক যথেষ্ট বিচলিত যেন দেখা গল। অনিচ্ছাস্বত্বেও তেওঁক যে এই কাজিয়াৰ মাজলৈ টানি অনা হল ,তাৰ বাবে তেওঁক যথেষ্ট অসন্তুষ্ট হোৱা যেন লাগিল। মানুহজনৰ প্ৰস্তাৱত তেওঁ বাতৰি কাকতখন মুখৰ ওপৰৰ পৰা সামান্য তললৈ নমাই ঘৈণীয়েকৰ ফাললৈ ভয়ে ভয়ে লুকাই চুৰকৈ এটা চাঁৱনি নিক্ষেপ কৰিলে। মহিলা গৰাকীয়ে তেওঁৰ স্বামীৰ ফাললৈ নোচোৱাকৈ মুখৰ ভিতৰতে এটা হুঙ্কাৰ মাৰিলে আৰু খঙৰ ভমকত হাতত থকা আলোচনী খনৰ পাতবোৰ লুটিয়াই বগৰাই এনেদৰে মোহাৰি - সামৰি পেলালে , যেন তেওঁ তেওঁৰ প্ৰতিপক্ষৰ ডিঙিটোহে মুচৰি পেলালে। (বেচেৰা দুৰ্ভগীয়া স্বামীজন তেওঁৰ ইতিমধ্যেই এনে পৰিস্থিতিৰ লগত ভালদৰে পৰিচয় আছে আৰু বহুত দিনৰ আগতেই এই দুৰ্দান্ত প্ৰতাপী পত্নীৰ আগত আত্ম-সমৰ্পণ কৰি থৈছে ) যুদ্ধৰ পূৰ্বাভাষাৰ আগতে ঘৈণীয়েকৰ মুখত ফুটি উঠা এই সকলো বোৰ লক্ষণৰ বিষয়ে অৱগত আছিল।

গতিকে তেওঁ ঘৈণীয়েকক কিবা কোৱাতো দূৰৈৰ কথা , এবাৰ আনকি মাতিব নোৱাৰিলে। বৰঞ্চ 'কবিতৰ'ৰ চুকত বহা যোন সহযাত্ৰীজনৰ

তেওঁ নিজে বহি থকা আসন খনকে এৰি দিবলৈ ওলাল। কিন্তু চুকত বহা মানুহজনে নিজৰ আসনখনতে বহিবলৈ পালে সুখী হব বুলি কলে - যদিহে খিৰিকিখন বন্ধ কৰি দিয়া হয়। তেওঁ টুপীটো পিন্ধি ল'লে, কোটৰ কলাৰটো উঠাই ললে আৰু কাগজখন হাতত লৈ মনে মনে বহি থাকিল।

মহিলা গৰাকীৰ বেচেৰা স্বামী জনে আকৌ এবাৰ চোৰ - চাৱনিৰে ঘৈণীয়েকৰ ফালে চাই পুনৰ বাতৰি কাকত পঢ়াত মগ্ন হল। মই যিমানেই মহিলা গৰাকীৰ স্বামীক লক্ষ্য কৰিবলৈ ধৰিলো, সিমানেই মোৰ গাঁৱৰ বুঢ়া পুৰোহিত জনৰ কাহিনী এটা মনলৈ আহিব ধৰিলে। কাহিনীটো আছিল এনেধৰণৰ :- গাওঁৰ গীৰ্জাৰ পুৰোহিতজন এবাৰ তেওঁৰ পত্নীৰ সৈতে এটি গাওঁলীয়া সৰু ঠেক পথেদি তেওঁৰ ঘোঁৰা গাড়ীৰে ফুৰিবলৈ গৈছিল। *তেনেতে সেই একেটা পথেৰে বিপৰীত দিশৰ পৰা এজন খেতিয়কো তেওঁৰ গৰু গাড়ী চলাই আহিছিল। বাটটো ইমানেই ঠেক আছিল যে, একেলগে দুয়োখন গাড়ী পাৰহৈ যোৱা সম্ভৱপৰ নাছিল। পথৰ নিয়ম অনুসৰি প্ৰথমে পুৰোহিতজনে খেতিয়ক জনক পাৰ হৈ যাবলৈ পথ এৰি দিব লাগে। পুৰোহিত জনে তেওঁৰ গাড়ীখন কিছু পিছুৱাই দি খেতিয়ক জনক পাৰ হৈ যাবলৈ বাট এৰি দিব খুজিছিল। কিন্তু তেওঁৰ পত্নীয়ে কোনোমতেই তেওঁৰ এই কাৰ্য্যক সমৰ্থন নকৰি ভোৰভোৰাই উঠিল। আৰু কোনোমতেই পুৰোহিত জনক বাট এৰি নিদিবলৈ আদেশ দিলে আৰু ক'লে প্ৰথমতে তেওঁলোকৰ গাড়ীখনহে পাৰ হৈ যাব ; পিছিকে খেতিয়কজনেহে তেওঁৰ গাড়ীখন পিছুৱাই দিব লাগিব। বেচেৰা পুৰোহিতজন মহা বিপাঙত পৰিল। একালে প্ৰচলিত নিয়ম ,আনহাতে ঘৈণীয়েকৰ আদেশ। কি কৰিব কি নকৰিব ভাবি চিন্তি তেওঁৰ চকুৰ পানী ওলোৱাৰ উপক্ৰম হ'ল। বুদ্ধিমান খেতিয়কজনে বেচেৰা পুৰোহিতৰ অৱস্থাটো ভালকৈয়ে উপলব্ধি কৰিব পাৰিলে।নিজৰ পত্নীলৈ ভয় কৰা বেচেৰা পুৰোহিত জনৰ অৱস্থা দেখি তেওঁৰ মনত দয়া উপজিল। তেওঁ কলে " পুৰোহিত ডাঙৰীয়া, আপুনি মিছাতে চিন্তিত হব নালাগে। আপুনিয়েই প্ৰথমে আলিটো পাৰ হৈ যাওঁক মই মোৰ গাড়ীখন কিছু পিছুৱাই দি আপোনাৰ গাড়ী পাৰ হৈ যাবলৈ সুবিধা কৰি দিওঁ। আপুনি পথৰ নিয়মভংগ কৰা বুলি ভাবি মিছাতে বিবেকৰ দংশনত ভুগি লাজ পাব নেলাগে। কাৰণ মই আপোনাৰ অৱস্থাটো ঠিকেই বুজিব পাৰিছো, যিহেতু

মোৰ ঠিক আপোনাৰ গৰাকীৰ নিচিনাই এগৰাকী পত্নীৰত্ন বিদ্যমান। গতিকে আপোনাৰ বিড়ম্বনা মই ঠিকেই বুজিছো।"

এতিয়া আকৌ আগৰ কাহিনীলৈ ঘুৰি আহোঁ , -কি দৰে খোলা খিৰিকিখনক লৈ আৰম্ভ হোৱা কাজিয়া খনৰ যৱনিকা পৰিল। কবিভৰ চুকত বহা মানুহজনে খণ্ডতে কবিভৰৰ দুৱাৰখন জোৰেৰে শব্দ কৰি মেলি দিলে। খুব সম্ভৱ ইমানপৰে উত্তপ্ত হৈ পৰা ভিতৰৰ বতাহ খিনি ওলাই যাবলৈ ;নাইবা তেওঁৰ প্ৰতিপক্ষক বিব্ৰত কৰিবলৈ। কিন্তু মহিলা গৰাকীয়ে তেওঁৰ এই কাৰ্য্যৰ প্ৰতি সম্পূৰ্ণ আওঁকাণ কৰিলে। আৰু এনে এটা ভাব দেখুৱালে যেন তেওঁৰ এইবোৰৰ প্ৰতি একো ভ্ৰুক্ষেপেই নাই। বৰং তেওঁৰ হাতত থকা আলোচনীখনৰ পাতবোৰ দুগুণ জোৰেৰে মোহাৰিবলৈ ধৰিলে। চুকৰ সহযাত্ৰীয়ে এই মহিলাৰ লগত যুঁজত তিষ্ঠিব নোৱাৰি ৰণক্ষেত্ৰৰ পৰা পৃষ্ঠ ভঙ্গ দিলে। তেওঁ পিচৰ ষ্টেচনটোত লবালৰিকৈ ডবাটোৰ পৰা নামি গৈ কাষৰ আন এটা ডবাত তেওঁৰ আৰু তেওঁৰ লগৰীয়া জনৰ বাবে দুখন আসন বিচাৰি উলিয়ালে আৰু কিছুসময়ৰ পাচতে টানিটোপোলা লৈ সেই ডবাটো এৰি আঁতৰি গল। এতিয়া সেই মহিলা গৰাকীক কোনে পায় ? তেওঁৰ বিজয় সম্পূৰ্ণ হল। তেওঁ বৰ্ত্তমান নিজকে ডবাটোৰ একছত্ৰী সম্ৰাজ্ঞী বুলি অনুভৱ কৰিবলৈ ধৰিলে। হাতত থকা আলোচনী খনক এটা শেষ ঠেকেচা মাৰিলে ,যেন তেওঁৰ প্ৰতিপক্ষকহে ঠেকেচি গুৰি কৰিলে। লগে লগে গিৰিয়েকৰ ফাললৈ চাই আদেশ দিলে যাতে তেওঁৰ প্ৰতিপক্ষই দুফালকৈ মেলি থৈ যোৱা কবিভৰ দুৱাৰ খন তৎক্ষণাত বন্ধ কৰি দিয়ে। ইয়াৰ পাচত মহিলা গৰাকীয়ে নিজৰ আসনত মহা আড়ম্বৰেৰে বহি ললে, যুদ্ধত বিজয়ী হোৱাৰ পূৰ্ণ আনন্দ উপভোগ কৰিবলৈ।

যেতিয়া মই মহিলাৰ শান্ত ,শিষ্ট নিৰ্জ্জু, তিৰোতা সেকৱা স্বামীজনৰ ফালে লক্ষ্য কৰিলো , তেওঁক আকৌ বাতৰি কাকতৰ পাতবোৰৰ মাজতে নিমগ্ন হৈ থকা দেখিলো। মই সঁচাকৈয়ে মানুহ জনৰ প্ৰতি পুতৌ অনুভৱ কৰিলো। হায় - বেচেৰা দুৰ্ভগীয়া স্বামীজন ! কি যে , বিড়ম্বনা পূৰ্ণ তেওঁৰ জীৱনটো ( জীৱনৰ প্ৰতি মুহূৰ্ত্ত যাৰ এনে পত্নীৰ লগত কটাব লগা হয় )! ধিক্কাৰ এনে জীৱনক। মই বাৰে বাৰে ভাবিবলৈ ধৰিলো , এইটোও বাৰু এটা জীৱননে ?

# ভাংকা

মূল ৰচনা - এণ্টন চেকভ
অনুবাদ - জ্যোৎস্না দেৱী

ভাংকা জুকভ নামৰ ন বছৰীয়া লৰাজনে আলিয়াখেল নামৰ মুচী এজনৰ ঘৰত তিনিমাহ আগৰে পৰা প্ৰশিক্ষণ লৈ আছিল। সেই দিনা আছিল খ্ৰীষ্টমাচৰ আগনিশা, সি শোৱা নাছিল, তাৰ গিৰীহঁত আৰু বাকী বনুৱাসকল গীৰ্জালৈ যোৱা সময়লৈকে অপেক্ষা কৰি আছিল। পিচত সি সৰু কোঠালীটোৰ এচুকত থকা আলমাৰীটোৰ পৰা চিয়াহীৰ দোৱাত এটা, মামৰে ধৰা কলম এটা আৰু এখিলা শোত মোচ খাই থকা কাগজ লৈ লিখিবলৈ সাজু হ'ল। সি লিখিবলৈ আৰম্ভ কৰাৰ আগেয়ে কোঠালীটোত থকা দুৱাৰ খিৰিকি আৰু আন আন বস্তু বিলাকলৈ এবাৰ দৃষ্টি নিক্ষেপ কৰি দীঘলকৈ এটি হুমনিয়াহ কাঢ়িলে। কাগজখিলা বেঞ্চখনত থৈ সি মজিয়াত আঁঠুকাঢ়ি বহি ল'লে। সি লিখিলে

"মৰমৰ ককাদেউতা, কনচ্টেনটিন মাকাৰীচ,

মই তোমালৈ চিঠি লিখিবলৈ লৈ খ্ৰীষ্টমাচৰ শুভেচ্ছা যাঁচিলো লগতে ঈশ্বৰৰ আশীৰ্বাদো তুমি পাবা বুলি আশা কৰিলো। মোৰ মা-দেউতা নাই গতিকে তুমিয়ে মোৰ সকলো।"

ভাংকাই চিঠিখনৰ পৰা লাহেকৈ মূৰটো তুলি কোঠালীত থকা একমাত্ৰ আন্ধাৰ খিৰিকিখন যত জ্বলি থকা মমবাতি ভালৰ পোহৰখিনি জিলিকি আছিল তালৈ সি একেথৰে চাই ৰ'ল আৰু তাৰ চকুৰ আগত ককাদেউতাকৰ ছবিখন ভাঁহি উঠিছিল - যাক সি দেখিছিল ঝাহিভাৰভৰ নামৰ কোনোবা ভদ্ৰলোকৰ পামত নিশাৰ প্ৰহৰীৰ পোচাকত। সি কল্পনা কৰিলে তাৰ ককাদেউতাকক;- তেখেত আছিল এজন চুটি চাপৰ ৬৫ বছৰীয়া খীন কিন্তু তজবজীয়া হাঁহি মুখৰ ব্যক্তি, কিন্তু তেখেতৰ চকু মদৰ নিচাত আধামেল খাই থকা বিধৰ আছিল। দিনৰ ভাগত তেখেতে শুই বহি নাইবা ৰান্ধনি কেইটাৰ লগত হাঁহি ধেমালি কৰি কটাইছিল আৰু ৰাতি হলেই পছৰ চালেৰে তৈয়াৰী কোটেৰে সৰ্বশৰীৰ ঢাকি লৈ হাতত লাঠি এডাল লৈ পামখনৰ চাৰিকালে ঘূৰি ফুৰিছিল। এই কামত তেওঁক কাহাতাংকা আৰু ই'ল নামৰ দুটি কুকুৰে সহায় কৰিছিল। ই'ল তাৰ

চিনাকী সকলোলৈকে মৰম লগা আৰু ইঙ্গিতপূৰ্ণ দৃষ্টি নিক্ষেপ কৰিছিল।

ককাদেউতাকে এতিয়া হয়তো জগনাথনৰ কাষতেঁই জীৰ্ণাৰ বস্তা লাইটোৰ ফালে চাই আছে নাইবা তেওঁ ভৰিৰে মাটিত তাণ্ডৱকৈ শব্দ কৰি চাকৰবোৰক ভয় খুৱাই আনন্দ লাভ কৰিছে। হয়তো নিজৰ হাত দুখন অতিপাত জাৰৰ বাবে সাৱতি লৈ আছে বা গাঁৱৰ সৌ বুঢ়াজনৰ দৰেই কাম কৰা লিগিৰিবোৰক জোকাই ফুৰিছে। তেওঁ তেওঁৰ ধপাতৰ বাকচটো উলিয়াই লিগিৰিবোৰক দিকৈছে - "এয়া লোৱা"। লিগিৰি কেইজনীয়ে ককাদেউতাৰ কথামতে এচিকুট ধপাত নাকলৈ নি হাঁচিয়াবলৈ ধৰিছে। তাকে দেখি হয়তো ককাদেউতাই হাঁহি ৰখাব পৰা নাই আৰু কৈছে "ভাল - ঠাণ্ডাত নাকৰ বাবে এনে কৰাটো ভাল কেৱল এইয়া নহয় কেতিয়াবা ককাদেউতাই কুকুৰ কেইটাৰ নাকতো এনেদৰে ধপাত সুমুৱাই দিয়ে। কাহতাংকাই হাঁচিয়াই মূৰ জোকাৰি খণ্ডতে ককাদেউতাৰ ওচৰৰ পৰা আঁতৰি যায়। কিন্তু ই'লৰ ভদ্ৰতাই তাইক হাচিয়াবলৈ বাধা দিয়ে আৰু তাই কেৱল তাইক লেজডাল জোকাৰি জোকাৰি ককাদেউতাৰ ওচৰত থিয় হৈ ৰয়। সেই সময়ত বতৰ বৰ পৰিষ্কাৰ আৰু সুন্দৰ আছিল। আন্ধাৰ নিশা গাঁৱৰ ঘৰৰ চিম্‌নিৰ পৰা ধোঁৱা ওলাইছিল। বৰফে ঢকা গছবোৰ, দূৰণিৰ আকাশত ছায়াপথৰ সতে তৰাবোৰ কোনোৱাই যেন ৰূপালী বহন হে ছটিয়াই দিছিল।

ভাংকাই দীঘল এটা হুমনিয়াহ কাঢ়ি কলমটো আকৌ এবাৰলৈ চিয়াঁহীৰ দোৱাতত জুবুৰিয়াই পুনৰ লিখিবলৈ আৰম্ভ কৰিলে -

"যোৱা কালি ৰাতি গৃহস্থই মোক চুলিত ধৰি টানি নি খুব পিটিছিল। কাৰণ তেওঁলোকৰ কেচুৱাটো শুৱাই থোৱা দোলনীখন লবাই থাকোতে মোৰ টোপনি আহিছিল। যোৱা সপ্তাহত মালিকণীয়ে মোক সাগৰীয় মাছ এটা কাটিব দিছিল, মই ফিচাৰ পিনৰ পৰা কটা আৰম্ভকৰা দেখি মাছটো মালিকণীয়ে হাতত লৈ মাছেৰেই মোক ছৰিয়াইছিল। এইবোৰ দেখি মালিকৰ ঘৰত থকা আন আন লিগিৰা লিগিৰিইঁতে মোক লৈ হাঁহে আৰু সিহতঁবো কাম কৰিবলৈ বাধ্য কৰায় আৰু মালিকে ইয়াৰ বাবে মোক সদায় মাৰিছিল। খাদ্য আহাৰো পৰ্য্যাপ্ত পৰিমানে নাপাওঁ। তেওঁলোকে পুৱা মোক কেৱল পাওকটী আৰু পনীয়া চুপ দিনে ৰাতিয়ে খাবলৈ দিয়ে। তেওঁলোকৰ দৰে বন্ধাকবিৰ চুপ বা আন সুস্বাদু ব্যঞ্জন কোনো দিনেই মই নাপাওঁ। ৰাতি মোক

বাৰান্দাত শুবলৈ দিয়ে আৰু যদি বাতি তেওঁলোকৰ কেচুৱাটোৱে সাৰ পাই আমনি কৰে মই কেচুৱাটো নিচুকাই পুনৰ শুৱাই দিব লাগে। ফলত মোৰ নিজৰ অলপো ভাল টোপনি নহয়। মোৰ মৰমৰ ককাদেউতা ,মোক ইয়াৰ পৰা অতি সোনকালে লৈ যোৱা। মই ইয়াৰ কষ্ট সহিব নোৱাৰা হৈছো। মই কথা দিছো ,কেতিয়াও তোমাক কষ্ট নিদিও আৰু তোমাৰ বাবে মই ঈশ্বৰৰ ওচৰত সদায় প্ৰাৰ্থনা কৰিম। মোক ইয়াৰ পৰা লৈ যোৱা নহলে মই মৰিম. ..।

ভাংকাই তাৰ ওঁঠ দুটা কামুৰি সৰু কলা হাত দুখনেৰে চকুকেইটা মোহাৰি উচুপি উঠিল। "মই তোমাক ধপাত তৈয়াৰ কৰি দিম ,মই তোমাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাম";সি লিখিলে - "আৰু মই যদি দুষ্টালি কৰো মোক তুমি যিমান মন যায় সিমান শাস্তি দিবা। যদি তুমি ভাবা মোৰ তাঁত কৰিবলগীয়া একো কামেই নাই তেতিয়াহলে দেৱানক অনুৰোধ জনাম যেন তেওঁ মোৰ প্ৰতি সদয় হয় আৰু তেওঁৰ জোতাবোৰ মই পৰিস্কাৰ কৰি দিম ;অন্যথাই মই ফেদিয়াৰ সলনি ভেড়াৰখীয়া হৈ যাম। মৰমৰ ককাদেউতা , মোক এই অসহনীয় যন্ত্ৰনাৰ পৰা মুক্তি দিয়া। বহুবাৰ মই ভাবিছিলো ইয়াৰ পৰা মোৰ গাঁৱলৈ পলাই যাম , কিন্তু মোৰ জোতা নাই, বৰফত খোজ দিবলৈ সাহস কৰিব পৰা নাই। যেতিয়া মই এজন যুৱক হৈ উঠিম তেতিয়া মই তোমাক চোৱাচিতা কৰিম। তোমাক কোনো ধৰণৰ দুখ পাবলৈ নিদিও। তোমাৰ অন্তিম সময়ত আত্মাৰ চিৰ শান্তিৰ বাবে ,মোৰ মাৰ বাবে প্ৰাৰ্থনা কৰাৰ দৰে , তোমাৰ বাবেও ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাম।

বহুতো ভদ্ৰলোকৰ বসতি পূৰ্ণ মস্কো এখন ডাঙৰ চহৰ ,ইয়াত বহুতো ঘোঁৰা আছে যদিও ভেড়া নাই ,কুকুৰবোৰ ও ভয়ঙ্কৰ নহয়। লৰাবোৰ গীৰ্জালৈ নাযায় আৰু গীত নাগায় কিন্তু তেওঁলোকে শাৰীপাতি মাছ বেচা মই এসময়ত দেখিছিলো। মই তাত মালিকৰ ঘৰত থকা ,এশ কবল দামী বন্দুকৰ দোকান দেখিছিলো। মাংস বিক্ৰেতাৰ দোকানত মই হাঁহ বনৰীয়া কুকুৰ আৰু শহাপহুৰ মাংস বেচা দেখিছিলো কিন্তু গ্ৰাহক সকলে কেতিয়াও সোধা নাছিল এই মাংস কৰ পৰা মাৰি অনা হৈছিল।"

"মৰমৰ ককাদেউতা,মোৰ বাবে তোমাৰ গৰাকীক কৈ তুমি এটা সোনালী বাদাম ,তোমাৰ গৰাকীৰ ঘৰৰ খ্ৰীষ্টমাচ গছ জোপাৰ পৰা ৰাখি থবা। অলগা ইগণটিভানক ভাংকাৰ বাবে লাগে বুলি কবা।

ভাংকাই আকৌ এবাৰ দীঘলকৈ উশাহ এটা কাঢ়ি সেই খিৰিকিখনলৈ চাই বল। তাৰ মনত পৰিল কিদৰে সি ককাদেউতাকৰ লগত খ্রীষ্টমাচ গছ বিচাৰি খ্রীষ্টমাচৰ সময়ত হাবিলৈ গৈছিল। ডিচেম্বৰ মাহৰ সেই ঠাণ্ডাত কঁপি কঁপি অতি আনন্দেৰে বিভিন্ন চৰাই চিৰিকতিৰ মাত উলিয়াই, শহাপহুৰ পিচে পিচে দৌৰি বৰফৰ ওপৰত খেল ধেমালি কৰি গৈছিল। আৰু তাৰ মনত পৰিছিল কিদৰে ককাদেউতাকে গছ জোপা কটাৰ আগতে ধপাত জ্বলাই, জুপুকা মাৰি বহি থকা ভাংকাৰ ফালে চাই ভাণ্ডৰকৈ হাঁহিছিল ------। গছ জোপা কাটি ককাদেউতাকে গৰাকীৰ ঘৰলৈ টানি নিছিল, আৰু তাৰ পিচতে আৰম্ভ হৈছিল গছজোপা সজোৱাৰ এক বৃহৎ প্ৰস্তুতি, কুমাৰ অলগা ইগণাটিভানাই তাত আগ ভাগ লয়। তেতিয়া ভাংকাৰ মাক পেলজিয়া জীয়াই আছিল আৰু সেই মালিকৰ ঘৰতেই কাম কৰিছিল। অলগাই তাক মৰমৰ চকুৰে চাইছিল আৰু মিঠাই খাবলৈ দিছিল। কেৱল এইয়াই নহয় ভাংকাক বাজনীঘৰৰ পিচফালে থকা সক কোঠাটোত তাৰ ককাদেউতাকৰ সতে থাকিবলৈ দিছিল আৰু পিচত মস্কোলৈ সেই মুচিজনৰ ওচৰলৈ পঠিয়ালে -------।

"মোৰ ওচৰলৈ আহা ককাদেউতা, এই অনাথক ইয়াৰ পৰা লৈ যোৱা। ইমান ভোক, কষ্ট আৰু শাস্তি পাইছো যে চকুপানীয়ে তাক ধুই নিব পৰা নাই। এদিন মোক গৃহস্থই মূৰত মাৰি দিয়াত মই বাগৰি পৰিছিলো আৰু কোনো দিনেই উঠিব নোৱাৰিম বুলি ভাবিছিলো। মই কুকুৰতকৈও দুখলগা জীৱন অতিবাহিত কৰিছো। অ' মোৰ মৰমৰ ককাদেউতা ইভান জেকভ, তাত থকা সকলোলৈকে মোৰ মৰম থাকিল।"

ভাংকাই লিখা চিঠিখন ভাজ কৰি আগদিনা কিনি আনি খোৱা খামত সুমুৱাই দিলে। তাৰ পিচত এখন্তেক ভাবি চিয়াহী দোৱাতত কলমটো জুবুৰিয়াই লিখিলে "ককাদেউতা।" মূৰটো খজুৱাই আকৌ অলপ ভাবি সি লিখিলে - "কনচটেনটিন মাকাৰীচ" গাওঁ।

লিখাৰ সময়ত তাক কোনেও বাধা নিদিয়াত সি হৰষিত হৈ কোটটো নিপিন্ধাকৈয়ে টুপীটো পিন্ধি আলিবাটলৈ দৌৰ মাৰিলে -।

এদিনাখন এজন কচায়ে তাক কৈছিল যে বাটৰ কাষত থকা বঙা বঙৰ বাকচত চিঠিবোৰ ভৰাই দিলে নিজা নিজা ঠিকনালৈ চিঠিবোৰ লৈ যোৱা হয়। আৰু সেই চিঠিবোৰ বিলাই দিয়া কামটো তিনিটা ঘোঁৰাই টনা এখন ঘোঁৰা

গাড়ীয়ে কঢ়িয়াই নিয়ে ,যি খন গাড়ীৰ চালক হিচাবে প্ৰায় এজন মদাহী ব্যক্তিক দেখা যায়। গাড়ীখনৰ পৰা সৰু টিলিঙাৰ শব্দ শুনা যায়। এই কথা সুঁৱৰিয়ে ভাংকাই ওচৰতে থকা চিঠিৰ বাকচটোৰ ফালে দৌৰ মাৰিলে আৰু তাতে তাৰ বহুমূলীয়া চিঠিখন ভৰাই দিলে।

এঘণ্টা পিচত চকুত ৰঙীন সপোন সানি লৈ সি টোপনিৰ কোলাত ঢলি পৰিল। সি সপোনতো দেখিলে -খালি ভৰিৰে থকা তাৰ ককাদেউতাকে কিবা ৰান্ধি তাৰ চিঠিখন পঢ়ি আছে আৰু ইলে চৌকাৰ ওচৰত নেজ জোকাৰি ইফালে সিফালে ঘূৰি ফুৰিছে।

# আবাস গৃহত

মূল লিখক : এণ্টন চেকভ
অনুবাদ : বিজুলী শৰ্ম্মা

"মই তোমাক ভাল পাওঁ, তুমিয়েই মোৰ জীৱন, মোৰ আনন্দ, সুখ মোৰ সৰ্ব্বস্ব। মোৰ স্বীকাৰোক্তিৰ কাৰণে ক্ষমা কৰিবা। কিন্তু মই আৰু এই বিৰহবেদনা সহ্য কৰিব নোৱাৰো হৈছো। মোৰ অনুভূতিৰ প্ৰতিদান মই তোমাৰ পৰা বিচৰা নাই। মই মাত্ৰ অলপ পুতৌ বিচাৰো। আজি গধূলি ঠিক আঠ বজাত গ্ৰীষ্মাবাসলৈ আহিবা। মই ভাবো মোৰ নামটো উল্লেখ থকাৰ আৱশ্যক নাই। নিলিখিলেও তুমি ভয় নাখাবা। মই ষোড়শী আৰু ধুনীয়া। তাতকৈনো তুমি কি জানিবলাগে নহয় জানো?"

পেভল আইভানিচ ভিকোভষ্টেক এগৰাকী সম্মানিত বিবাহিত লোক। নিজৰ ঘৰতে থাকে। তেওঁ চিঠি খন পঢ়ি আচৰিত হোৱা ভাব প্ৰকাশ কৰিলে। বিবুদ্ধিত পৰি কপালখন মোহাৰিলে, তেওঁ ভাবিলে কি আচৰিত মই এজন বিবাহিত মানুহ, অথচ কেনেকৈ, কৰপৰা এনে আচহুৱা চিঠিখন পালো। এনে চিঠি বাৰু কোনে লিখিব পাৰে!

চিঠিখন পঢ়ি পেভেল আইভনিচে হাতেৰে মোহাৰি সামৰি, পুনৰ এবাৰ পঢ়ি মজিয়ালৈ দলিয়াই পেলাই দিলে।

'মই তোমাক ভাল পাওঁ' বুলি কথাষাৰ কৈ তেওঁ চালি কৰি ভোৰভোৰালে - "মোক চাগে এটা ভুলীয়া লৰা বুলি ভাবিছে যে মই তেওঁক লগ পাবলৈ গ্ৰীষ্মাবাসলৈ যামেই।" হেৰা মই তোমাক জনা হলে কব পাৰিলোহেঁতেন - মোৰ অতীতৰ কথা! এনেবোৰ দিন আছিল যেতিয়া মোৰ প্ৰণয়াকাংখীৰ অভাৱ নাছিল। সম্ভৱ এই মানুহ গৰাকীৰ মস্তিষ্কৰ বিকৃতি ঘটিছে। এনে ধৰনেৰে চিঠি লিখিব পৰা মানুহ গৰাকী কেনে হব পাৰে অনুমান কৰিব পাৰি তেওঁ যেনেকৈয়ে প্ৰেমৰ অভিনয় নকৰক। নিচিনা নজনা এজন বিবাহিত

লোকজনে তেওঁ বাৰু এই চিঠি কেনেকৈ লিখিলে সচাঁকৈয়ে ই এক ব্যভিচাৰেই নহয় জানো -?

বিয়া হোৱা তেওঁৰ আঠবছৰেই হয়। এই আঠবছৰে তেওঁৰ লগত কাৰোৱেই আনকি ঘৰৰ পৰাও চিঠিৰ আদান প্ৰদান নাই। বন্ধ বিলাকত হে কেতিয়াবা একোখন কাৰোবাৰ পৰা পোষ্টকাৰ্ড আহে। গতিকে এই চিঠিখন স্বাভাৱিকতে তেওঁক বৰ বিমোৰত পেলালে, তেওঁ কিছু উত্তেজিত হ'ল।

চিঠি পঢ়ি তেওঁ এঘন্টা মানৰ পাছত চোফাখনতে বাগৰ দি ভাবিলে -

মইতো এটা স্কুলীয়া লৰা নহয় যে চিঠি এখন দি কোনোবাই মাতিলেই দৌৰি যাম। হয়তো গ'লে চিঠিখন লিখা মানুহগৰাকীক লগ পালোহেঁতেন। কাৰণ চিঠিখন নিঃসন্দেহে এগৰাকী তিৰোতা মানুহৰ। চিঠিখনো বৰ সহজ সৰল আৰু আন্তৰিকভাৱে লিখা যদি - কোনোবাই ধেমালিতে লিখিছে তাকো ধৰিবৰ উপাই নাই। এয়া বাৰু কোনো বিকৃত মগজুৰ মানুহৰ কাম হব নেকি ! কোনোবা বিধবা মানুহো হব পাৰে নেকি ? কাৰণ দেখা যায় কেতিয়াবা বিধবা মানুহবোৰ কিছুপৰিমাণে চঞ্চল আৰু খামখেয়ালী স্বভাৱৰ হয়। কোন বাৰু হব পাৰে ?

প্ৰশ্নবোৰ তেওঁৰ মনঁলৈ আহিলেও তেওঁ তাৰ সঠিক উত্তৰ ভাবি নাপালে কাৰণ নিজৰ ঘৈণীয়েকৰ বাহিৰে প্ৰতিবেশী সকলৰ ঘৰৰ কোনো মহিলাকে তেওঁ চিনি পোৱা নাছিল।

তেওঁ আচৰিত হল -" কেতিয়ানো সেই মহিলাগৰাকীয়ে মোৰ প্ৰেমত পৰিল, কোনো ধৰণৰ চিনাকী নোহোৱাকৈ, মইনো কেনে মানুহ নজনাকৈ, কেতিয়াবা যদি মুখামুখি হওঁতে এনেয়েই সম্ভাষন জনাইছিলো তাতে প্ৰেমত পৰিব পাৰেনে ? সম্ভৱ তেওঁ এতিয়াও গাভৰু হৈ আছে আৰু বেছ কল্পনা প্ৰৱনো -, সেয়ে তেওঁ অলপ চাৱনিতে মোৰ প্ৰেমত পৰিব পাৰিলে - যি কি নহঁওক এইগৰাকী বাৰু কোন হব পাৰে ?

হঠাতে পেজলৰ মনত পৰিল ,চিঠি পোৱাৰ আগদিনা আৰু তাৰ আগতে এদিন তেওঁ মুকলি বতাহ লবৰ কাৰণে যেতিয়া আলিবাটত খোজ-কাঢ়ি ফুৰিছিল তেতিয়া তেওঁ এগৰাকী সোনালী চুলিৰে কেচা নাকৰ , নীলাসাজ পৰিহিতা ভদ্ৰমহিলাক তেওঁৰ আগেদি পাৰ হৈ যোৱা দেখিছিল , মানুহ গৰাকীয়ে তেওঁৰ ফালে চাইছিল। তেওঁৰ যেতিয়া এখন বেঞ্চত বহিছিল

মানুহ গৰাকীয়েও তেওঁৰ ওচৰবে বেঙ্ক এখনত বহিছিল।

আকৌ ভাবিলে ,নাই কেতিয়াও হব নোৱাৰে। সেই ভদ্ৰমহিলা গৰাকীয়ে সেইকণ সময়তে তেওঁৰ নিচিনা চাল সোঁতোৰা পৰা বুঢ়া এটাক কেতিয়াও ভাল পাব নোৱাৰে এইটো অসম্ভব।

দুপৰীয়া আহাৰ খাই থাকোতে ভাবত বিভোৰ হোৱা আইভানইচে উদাস মনেৰে তেওঁৰ পত্নীলৈ চাই আকৌ মনতে ভাবিলে -

মানুহ গৰাকীয়ে চিঠিত লিখা মতে তেওঁ গাভৰু আৰু ধনীয়া - অন্তত: তেওঁ বয়সীয়া নহয় , আৰু সচাঁ কথা কবলৈ গলে ময়োতো দেখাত বেয়া নহয় বা বুঢ়া হৈ যোৱা নাই যে কোনোবাই মোক ভাল পাব নোৱাৰে ,মোৰ পত্নীয়েওতো মোক ভাল পায় - তাৰোপৰি প্ৰেম কিছুপৰিমানে অন্ধও হয়।

ভাবত বিভোৰ হৈ থকা পেভেলক ঘৈনীয়েকে সুধিলে তুমি বাৰু কি ভাবি আছা ?

ঘৈণীয়েকৰ কথাত পেভেলে মিছা মাতিলে ,কলে,“ নাই একো ভবা নাই ;মোৰ মুৰটো অলপ কামুৰিছে।”

তেওঁ মনতে ভাবিলে ,যে এখন চিঠিকে প্ৰেমপত্ৰ হিচাবে লৈ তেওঁ মুৰ ঘমোৱা উচিত হোৱা নাই ,চিঠিখন আৰু ইয়াৰ লেখিকা গৰাকীৰ কথা ভাবি তেওঁৰ হাঁহি উঠিল। তথাপি ভাবিলে মানুহৰ শত্ৰুবোৰোতো বৰ প্ৰবল। আহাৰৰ পাছত পেভেলে কথাবোৰ ভাবি ভাবি বিছনাত পৰিল কিন্তু টোপনি হলে নাহিল।

পেভেলে আকৌ ভাবিলে মানুহগৰাকীয়ে সম্ভৱ ভাবিছে“মই তেওঁৰ চিঠিৰ মতেই সেইখিনি পামগৈ ,তেওঁ কেনে যে মুৰ্খ হব পাৰে ! মই যদি গ্ৰীস্মাবাসলৈ নাযাঁও ,মোক নেদেখি তেওঁ বাৰু অস্থিৰ আৰু দুৰ্বল হৈ নপৰিবনে ?

আকৌ ভাবিলে -“ময়েইতো কৈছো মানুহৰ শত্ৰুও প্ৰবল ” তেতিয়াহলে মই মোৰ কৌতুহলৰ কাৰণেই তালৈ যাম দুৰৰ পৰাই মই লক্ষ্য কৰিম মানুহ গৰাকীনো কেনে। তেওঁক চায়েই মই আমোদ লভিব পাৰিম। আৰু ই এটা হাঁহিৰ সৰলো হব। হাঁহিবলৈ সুযোগ এটা বেতিয়া পাইছোৱেই গ্ৰহণনো নকৰো কিয় ?”

বিছনাৰ পৰা উঠি আইভানইচে সাজপোচাক কৰিলে। তেওঁ পৰিষ্কাৰ চটি আৰু ধুনীয়া টাই ব্যৱহাৰ কৰা দেখি ঘৈণীয়েকে সুধিলে তুমি সাজসজ্জা কৰি কলৈ যাবলৈ ওলাইছানো ?

পেভেলে উত্তৰ দিলে "নাই কলৈকো নাযাওঁ অলপ বাহিৰত ফুৰি আহোঁ মুৰটোও কামুৰি আছে।"

সাজপোছাক কৰি প্ৰায় সাতটা মান বজাত পেভেলে ফুৰিবলৈ ওলাল। তেওঁ দেখিলে যে তেওঁৰ ওচৰৰ ঘৰৰ মানুবোৰেও ধুনীয়া সাজপোচাক পিন্ধি অস্তমিত সূৰ্য্যৰ পোহৰেৰে আলোকিত হোৱা সেউজীয়া ভাল পাতেৰে ভৰা প্ৰকৃতিৰে মনোমোহা পৰিবেশত ফুৰিবলৈ আৰম্ভ কৰিছে। ভদ্ৰমহিলা বোৰক দেখি পেভেলৰ বুকুখন ধপধপাবলৈ ধৰিলে।

লাজ লাজকৈ ভদ্ৰমহিলাবোৰলৈ চকুপেলাই পেভেলে ভাবিলে "এই কেইগৰাকীৰ ভিতৰত বাৰু কোন গৰাকী হব পাৰে! ক'তা চিঠিত বৰ্ণনা কৰা মতে সোণালী চুলিৰ কাকোৱেই চোন মই দখা নাই - সম্ভৱ তেওঁ গ্ৰীষ্মাবাসতে বহি আছে।"

পেভেলে পুৰণা গ্ৰীষ্মবাসলৈ যোৱা আলিবাটটোয়েদি সোমাই গল। ওখ সেউজীয়া নেমুগছৰ মাজেদিও তেওঁ চাব পাৰিলেহেতেঁন কিন্তু ধীৰ ধীৰে তেওঁ আগবাঢ়ি গল তেওঁৰ মনটো বৰ অস্থিৰ হৈ পৰিছিল তেওঁ ভাবিলে 'মই দূৰৰ পৰাই এবাৰ চাই লোৱা ভাল হব। মই ভয় কৰিব লগীয়া কি আছে। মুঠতে মইতো কোনো মিলনক্ষেত্ৰলৈ যাব খোজা নাই, মই লাজ কৰিবলৈ নো কি আছে! মই যে কি মূৰ্খৰ নিচিনা কথাবোৰ ভাবিছো; ভাল বেয়া ভাবিবলৈ কি আছে, মই গ্ৰীষ্মবাসলৈ এনেয়েইতো যাব পাৰো।"

কথাবোৰ ভাবিলেও তেওঁৰ বুকুখন বেছিকৈহে ঢপঢপাবলৈ ধৰিলে, তেওঁৰ অবচেতন মনতে কবনোৱাবাকৈয়ে গ্ৰীষ্মবাসৰ ভিতৰত প্ৰবেশ কৰিলে। গ্ৰীষ্মবাসৰ নিস্প্ৰভ নীলা পোহৰত তেওঁৰ কল্পনাত এগৰাকী ষোড়শী ফেচা নাকৰ সুন্দৰী গৰাকী যেতিয়া লাজ লাজকৈ তেওঁৰ ওচৰচাপি আছিল, তেওঁ যেন তেওঁৰ পৰম উশাহ নিশাহৰ স্পন্দন উপলব্ধি কৰিব পাৰিলে, হঠাতে যেন তেওঁক আকোৱালি ললে। কথাবোৰ ভাবি তেওঁৰ বৰ লাজ লাগিল।

তেওঁ এই খেলিমেলি ভাব বোৰ মূৰৰ পৰা উলিয়াই দিবলৈ বিচাৰিলে - তেওঁ ভাবিলে, "মই যদি অবিবাহিত হলোঁ হেতেন তেতিয়াও এইটো বৰ বেয়া কথা নহলহেতেঁন - কিন্তু জীৱনত মাত্ৰ এবাৰ চেষ্টা কৰিলেনো কি দোষৰ কথা হব, নহলে মই এই কথাটো নজনাকৈয়ে মৰিব লাগিব- আৰু মোৰ পত্নীক নো এই কথাটোৱে কি অপকাৰ কৰিব কি অপকাৰ কৰিব? কোনো

দোষ ত্ৰুটি নোহোৱাকৈয়ে বিবাহিত জীৱনৰ আঠটা বছৰ এটাদিনো মই তেওঁৰ পৰা আতৰি থকা নাই ,সেয়াই জানো তেওঁৰ কাৰণে যথেষ্ট নহয়। মোৰ এটা ভাল মন আছে এই সাধাৰন কথাৰ কাৰণে মই তেওঁৰ প্ৰতি অবিশ্বাসী হব নোৱাৰো।

মূৰৰ পৰা ভৰিলৈকে কঁপিৰলৈ ধৰিলেও কোনোমতে চুটি চুটি উশাহেৰে পেভেলে সেউজীয়া আৰু বনৰীয়া আঙুৰ লতাই আবৰি থকা গ্ৰীষ্মাবাস পালেগৈ আৰু ভিতৰলৈ চাই পঠালে ,তেওঁ এক সেমেকা মাটিৰ গোন্ধ অনুভৱ কৰিলে। ভিতৰলৈ সোমাই গৈ তেওঁ অনুমান কৰিলে গ্ৰীষ্মাবাসত কোনো মানুহেই নাই। ভালকৈ চাই দেখিলে গ্ৰীষ্মবাসৰ চুকৰ বেঞ্চতহে এজন মানুহ বহি আছে।

মানুহজনৰ ওচৰলৈ গৈ তেওঁ দেখিলে যে সেই মানুহজন আন কোনো নহয় তেওঁৰ পত্নীৰ ভায়েক মিট্টাহে।

মিট্টাক দেখি তেওঁৰ মনটো ভাল নালাগিল কিন্তু মনৰ ভাব প্ৰকাশ নকৰি মূৰৰ টুপিটো সোলোকাই ওচৰতে বহি [illegible] তুমিয়ে ইয়াত বহি আছা।

মিট্টাই মূৰ জোকাৰিলে , অলপ সময় নীৰৱে থাকি মিট্টাই কলে - ‘‘তুমি মোক বেয়া নাপাবা আইভানইচ মই ইয়াতে অকলে বহি মই মোৰ ডিগ্ৰী থেছিছৰ বিষয়ে চিন্তা কৰিছো - গতিকে মই ইয়াত কাৰো উপস্থিতি আনকি তোমাৰো উপস্থিতি নিবিচাৰো ,মোৰ চিন্তাত বাধা নিদিবা।’’

পেভেলে লগে লগে উত্তৰ দিলে -‘‘হয় নেকি ,কিন্তু তুমি চিন্তা কৰিবৰ কাৰনে আন ঠাই বাছি লব লাগে বিশুদ্ধ বায়ুহে চিন্তাৰ কাৰণে ভাল। মই ইয়াৰ বেঞ্চ এখনত বহি জিৰাবলৈ বিচাৰো কাৰণ ইয়াত বৰ বেছি গৰম নহয়।

পেভেলৰ কথাত মিট্টাই অসন্তুষ্ট হৈ তোৰতোৰাবলৈ ধৰি কলে - ‘‘তুমি জিৰণিহে লব বিছাৰিছা মই মোৰ অতি দৰ্কাৰি থেছিছৰ কথা ভাবিছো। অলপ সময় দুয়ো মনে মনে থাকিল , পেভেলে কল্পনাৰ সাগৰত বুৰ গৈ আছিল - প্ৰত্যেক মূৰ্হুত্ততে তেওঁৰ যেন অনুমান কৰিছিল কিছুমান পদধ্বনি তেওঁৰ যেন ওচৰ চাপি আহিছে হঠাতে তেওঁ বহাৰ পৰা উঠি ক’লে -

‘‘চোৱা মিট্টা মই তোমাক অনুৰোধ কৰি কৈছো , তুমি মোতকৈ সৰু তুমি মোক সন্মান কৰা উচিত - মই বৰ অসুহ অনুভৱ কৰি অলপ

ইয়াত অকলে শুৰলৈ বিছাবিছো - তুমি ইয়াৰ পৰা যোৱা। ’’ মিট্টাই কলে ‘‘তোমাৰ আত্মাঅভিমান থোৱা - তুমি ইয়াত থাকিব পাৰা মই নোৱাৰিম কিয়, মই ইয়াৰ পৰা নাযাওঁ। পেভেলে আকৌ কলে - ‘চোৱা মিট্টা তুমি মোক যি বুলি ভাবা , মোক দাম্ভিক , স্বেচ্ছাচাৰী, মূৰ্খ ,যিয়েই নোকোৱা মই মাত্ৰ তোমাক অনুৰোধ কৰিছো মাত্ৰ এবাৰ তুমি মোৰ প্ৰতি সন্মান দেখুৱাই ইয়াৰ পৰা যোৱা।’’

মিট্টাই এইবাৰো নাযাওঁ বুলি মূৰ জোকাৰিলে , পেভেলে নিজে নিজেই ভাবিলে - কি অদ্ভুত মানুহ ইয়াত কোনো মতেই মিলন সম্ভব হব নোৱাৰে। তেওঁ যেতিয়া ইয়াৰ পৰা যাব নোখোজেই তেন্তে লগ পোৱাটোও অসম্ভব। তথাপি তেওঁ শেষৰ বাৰলৈ কলে ‘‘মিট্টা তুমি এজন বুদ্ধিয়ক , শিক্ষিত আৰু দয়ালু মানুহ ,তোমাৰ এই গুণখিনিকে দেখুৱাই ইয়াৰ পৰা যোৱাচোন।’’

মিট্টাই আকোৰগোজ হৈ পৰিল। তেওঁ কলে,‘‘ তুমিযে মোক কিয় ইমান জোৰ কৰিছা মই কব নোৱাৰো , মই তোমাক কৈছোৱেই মই তোমাতকৈ ইয়ালৈ আগতেই আহিছো গতিকে মই ইয়াৰ পৰা যাব নোৱাৰো।’’

ঠিক এনে মূহুৰ্ত্ততে এগৰাকী কেচানাকৰ ভদ্ৰমহিলাই গ্ৰীষ্মাবাসৰ ভিতৰলৈ ভুমুকি মাৰিলে , মিট্টা আৰু পেভেল’ক দেখি তেওঁ মুখ বেকেটা কৰি গুছি গল। পেভেলে মিট্টালৈ ঘৃণাৰে চাই ভাবিলে - ‘‘ভদ্ৰমহিলা গৰাকী গুচি গল। সকলো পণ্ড হল এই বদমাইচটোক দেখিয়েই হাগে তেওঁ গুছি গল।’’

অলপ সময় বৈ পেভেল আইভানইচে টুপিটো পিন্ধি যাবলৈ ওলাই মিট্টাক কলে -

‘‘মই তোমাক আৰু কেতিয়াও নামাতো , তুমি সচাঁকৈ বদমাইচ , দুষ্ট প্ৰকৃতিৰ আৰু ঠেক মনোবৃত্তি ৰ মানুহ।’’

মিট্টাই কলে ‘‘তোমাৰ কথাবোৰ শুনি মোৰ ভাল লাগিল। তেওঁ ঠিয় হৈ টুপিটো পিন্ধি ললে। মই তোমাক মাত্ৰ ইয়াকে কলো যে তোমাৰ উপস্থিতিয়ে মোক যব অনিষ্ট কৰিলে যাৰ কাৰণে মই মোৰ গোটেই জীৱনটো তোমাক ক্ষমা কৰিব নোৱাৰো।’’

পেভেলে আইভানইচে খন্তক একো নাই হৈ গ্ৰীষ্মাবাসৰ পৰা ঘৰলৈ

বুলি খৰখেদাকৈ শুচি আহিল। ঘৰৰ আহ্বৰৰ টেবুলত সজাই থোৱা বিভিন্ন থোৱা বস্তু ৰেও তেওঁৰ মনৰ খং শাম কটাব নোৱাৰিলে। মনে মনে ভাবিলে জীৱনত এইটোৱেই এবাৰ সুযোগ আহিছিল তাতে বাক মিষ্টাই কিয় মাজত সোমাই বাধা দিব লাগে। ভদ্ৰমহিলা গৰাকীক অপমানিত কৰা হৈছে তেওঁ ভয়ানক অসন্তুষ্ট হৈছে।

ৰাতিৰ আহাৰৰ টেবুলত দুয়ো খাবলৈ বহি মনটো গোমোঠা মাৰি থাকিল , দুয়ো দুয়োকে অন্তৰৰ পৰা ঘৃণা কৰিবলৈ ধৰিলে।

ঘৈণীয়েকৰ মিচিক মাচাককৈ হাঁহি থকা মুখ খন দেখি খঙেৰে পেভেলে কলে - ‘‘তোমাৰ হাঁহিবলৈ আকৌ কি হল , কোনো কাৰণ নোহোৱাকৈ মূৰ্খইহে হাহেঁ।’’

স্বামীৰ খং উঠি থকা মুখখনলৈ চাই এইবাৰ ঘৈণীয়েকে হাঁহিত ৰৰ নোৱাৰা হৈ সুধিলে, ‘‘ৰাতিপুৱা পোৱা চিঠিখন কি হ’ল -?’’

পেভেলে যেন বিমোৰত পৰিল ,তেওঁ কলে ‘‘ক’তা মইতো কোনো চিঠি পোৱা নাই , তোমাৰ এইয়োৰ কল্পনা।’’

তুমি মাত্ৰ মানি লোৱা যে তুমি এখন চিঠি পাইছা - মই জানো ,কাৰণ সেই চিঠিখন তোমালৈ ময়েই লিখিছিলো - সঁচাকৈ কৈছো’’ বুলি , ঘৈণীয়েকে জোৰেৰে হাঁহিবলৈ ধৰিলে।

পেভেলে আইভানইচৰ মুখখন ৰঙা পৰিবলৈ ধৰিলে আৰু আহাৰৰ কাঁহী খনলৈ তলমূৰকৈ চাই ভোৰভোৰালে‘‘ কি মূৰ্খৰ নিচিনা খেমালি !’’

ঘৈণীয়েকে কলে - ‘‘ নহলে মই কি কৰিব পাৰো ? তুমিয়েই ভাবি চোৱাচোন ,আজি ঘৰটো পৰিষ্কাৰ কৰিব লাগে। গতিকে তোমালোক দুয়োকে মই ঘৰৰ বাহিৰলৈ কেনেকৈ পঠাম মই এইটোৱেই উপাই পালো। কিন্তু খং নকৰিবা ---- তুমি গ্ৰীষ্মাবাসত অকলশৰীয়া হবা বুলিয়েই মই একেখন চিঠিকে মিষ্টালেকো দিলো। মিষ্টা তুমিও সেই গ্ৰীষ্মাবাসতে আছিলানে !

মিষ্টাই দাঁত নিকটাই হাঁহিলে আৰু তেওঁৰ প্ৰতিদ্বন্দ্বীলৈ চোৱা ঘৃণাৰ ভাবটো এৰি পেলালে।

# শোক

মূল ৰচনা : এণ্টন চেকভ
অনুবাদ : সবিতা দেৱী

সমগ্ৰ গালচিনো জিলাত নিখুঁট কাঠৰ কাৰিকৰ হিচাপে গ্ৰেগৰী পেত্ৰভক যিদৰে সকলোৱে চিনি পায়, ঠিক তেনেদৰে একনম্বৰ মাতাল আৰু দুষ্ট প্ৰকৃতিৰ লোক হিচাপেও তেওঁ সকলোৰে পৰিচিত। এই পেত্ৰভে তেওঁৰ অসুস্থ পত্নীক প্ৰায় বত্ৰিশ কিলোমিটাৰ দূৰত থকা হাস্পাতাললৈ, নিৰ ধৰিছে ঘোঁৰাবাগীত। এই পথচোৱা ইমানেই দুৰ্গম যে ডাকোৱালটোৱেও ডাক নিবলৈ ইত:স্তত কৰে, পেত্ৰভৰ কথাটো বাদেই।

বতৰ বৰ বেয়া। হাড় কপোৱা বৰফৰ বতাহে বাৰে বাৰে গ্ৰেগৰীৰ মুখত খুন্দিয়াইছেহি। তুষাৰ বতাহত চাৰিওদিশ ধুঁৱলী - কুঁৱলী হৈ পৰিছে। ইমান বোৰ বৰফ আকাশৰ পৰাই পৰিছে নে মাটি ফুটিয়েই ওলাইছে বুজা টান। বৰফৰ ধুমুহা বৃষ্টি বাঢ়ি অহাৰ লগে লগে গ্ৰেগৰীয়ে গাড়ীৰ চকাটো পৰ্য্যন্ত নেদেখা হৈ আহিছে। দুৰ্বল ঘোঁৰাটো বতৰৰ স'তে যুঁজি ভাগৰি পৰিছে। বৰফৰ মাজত বাৰে বাৰে সোমাই যোৱা তাৰ ভৰি দুখন উলিয়াই গাড়ীখন আগুৱাই নিওঁতে সি যেন তাৰ শৰীৰৰ সমস্তখিনি বল প্ৰয়োগ কৰিব লগীয়া হৈছে। গ্ৰেগৰীৰ বৰ লৰালৰি, তেওঁ চালকৰ আসনত থিৰেৰে বহি থাকিব পৰা নাই, মাজে মজে ঘোঁৰাৰ লগতে নিজেও জপিয়াই উঠিছে আৰু ঘোঁৰাটোৰ পিঠিত জোৰে জোৰে চাবুক মাৰিছে; সোনকালে হাস্পাতাল পোৱাৰ বেগে লাগে।

গাড়ী চলাই চলাই গ্ৰেগৰীয়ে ভোৰ ভোৰাই কৈ গৈ আছে' মাত্ৰিয়ানো নাকান্দিবা, অলপ সহ্য কৰা। ভগৱানৰ দয়াত আমি হাস্পাতাল পালোহিয়েই। ডা: পাভেল ইভানিচে লগে লগেই পৰীক্ষা কৰি চাই তোমাক ঔষধ দিব। হয়তো তেওঁ তোমাৰ বেয়া তেজ উলিয়াই দিব নতুবা তোমাৰ গোটেই গাটোতে স্পিৰিটেৰে মালিচ কৰি দিবলৈ ক'ব। তাতেই তোমাৰ কঁকালৰ

বিষটো ভাল হৈ যাব। তুমি চিন্তা নকৰিবা , পাভেল ইভানিচে সাধ্যানুসৰি সকলোখিনিয়েই কৰিব ,তুমি প্ৰথমতে দুখ পাই অলপ চিঞৰ বাখৰ হয়তো কৰিবা ,কিন্তু পিচমুহূৰ্ত্ততে একেবাৰে আৰাম পাই যাবা। জানা ,ডাক্তৰ মানুহজন বৰ ভাল ;খোলা অন্তৰৰ ;ভগবানে তেওঁৰ মঙ্গল কৰিব। আমি গৈ পোৱা মাত্ৰে তেওঁ লৰালৰিকৈ ভিতৰৰ পৰা ওলাই আহি খঙেৰে কৈ উঠিব - ‘ কি লাগে হা ,তইঁতে আমাক কি বুলি ভাব, গোটেই দিনটো তইঁতৰ লগত লাগি থকা কুকুৰ বুলি ,হা?’’ তাৰ পিচত অৰ্নগল বকি যাব - ‘‘ আৰু অলপ আগতে আহিব নোৱাৰিলি ,ৰাতিপুৱাৰ পৰা কি কৰি আছিলি ? যা বাহিৰ হৈ যা ,কাইলৈ আহিবি।’’ মই তেতিয়া তেওঁক অনুনয় বিনয় কৰি কম - ‘‘ডাক্তৰ বাবু ,হুজুৰ ’’। এই বুলি গ্ৰেগৰীয়ে ঘোঁৰাটোক সোনকালে যাবলৈ কৈ পুনৰ তাৰ পিঠিত জোৰে জোৰে চাবুক বহুৱালে।

ঘৈণীয়েকৰ ফালে উভতি নোচোৱাকৈয়ে সি আকৌ ভোৰভোৰাই কৈ থাকিল - ‘ দেৱতাৰ নামত শপত ,পবিত্ৰ ক্ৰচৰ নামত শপত ,মই পুৱাই ঘৰৰ পৰা বাহিৰ ওলাইছো ,দেৱতাই যদি দয়া নকৰে , ৰৰকৰ ধুমুহাৰ যদি সৃষ্টি কৰে মোৰ কি সাধ্য আছে এই বাধা অতিক্ৰম কৰি সোনকালে আহি পাবলৈ ? আপুনিয়েই ভাবি চাওক ডাক্তৰ বাবু’ তাতে মোৰ ঘোঁৰাটোও দুৰ্বল , হৃষ্ট পুষ্ট ঘোঁৰায়ো ফেৰ মাৰিব নোৱাৰে - এই বতৰৰ লগত ; তাতে মোৰ এই নিশকতীয়া ঘোঁৰাটো ,যাক প্ৰথম দৃষ্টিত ঘোঁৰা বুলিবলৈকে লাজ লাগে। সি হ’ল বুলিনো কিমান টানিব - কওঁকচোন ডাক্তৰ বাবু। পাভেল ইভানিচে খঙৰে চেলাউৰি কোচাই ক’ব - ‘থ থ তইঁতক চিনিবলৈ বাকী নাই - বিশেষকৈ তোক , তোকতো মই হাড়ে হাড়ে চিনি পাওঁ। আহোঁতে বাটত কেইটা মদৰ ঘাটিত বা সোমাই আহিছ।’ মই তেতিয়া লগে লগে কৈ উঠিম - ‘‘কি যে কথা বোৰ কয় ডাক্তৰ বাবুই, জ্ঞান -বুদ্ধি ,বিবেচনা মোৰ একোৱেই নাই বুলি ভাবিছে নেকি ? বুঢ়ীজনীৰ মৰো মৰো অৱস্থা ,মই কি মদৰ ঘাটিত সোমাম ? ছিঃ ছিঃ ডাক্তৰ বাবু আপুনি ইমান নিৰ্ম্মম কথা ক’ব পাৰিছে ,এতিয়া জহন্নামে যাওঁক সকলো মদৰ ঘাটি।’’ তাৰ পিচত পাভেল ইভানিচে তেওঁৰ কৰ্মচাৰীৰ হতুৱাই তোমাক হাস্পাতালৰ ভিতৰলৈ নিব। মই তেতিয়া ডাক্তৰৰ ওচৰত আঠুকাঢ়ি

বহিলে মবম লগাই ক'ম - "ডাক্তৰ বাবু ,আপুনি আমাৰ বৰ উপকাৰ কৰিলে , মোৰ অজ্ঞানতাৰ বাবে মোক ক্ষমা কৰি দিব ,মই দুখীয়া - নিচলা মানুহ ,মূৰ্খ মানুহ ,মোৰ ব্যৱহাৰত দোষ নধৰিব , আচলতে আপোনাৰ দৰে মানুহৰ সন্মুখত থিয় হৈ কথা কোৱাৰ যোগ্যতাই মোৰ নাই। আপুনি যে এই ধৰণৰ ধুমুহাৰ মাজতো বুঢ়ীজনীৰ চিকিৎসা কৰিব খুজিছে সেয়াই বহুত ,সেয়াই আমাৰ প্ৰতি আপোনাৰ দয়া আৰু আমাৰ ভাগ্য।

মোৰ কথাবোৰ শুনি পাণ্ডেলে ইভানিচে মোৰ কাণে এনেদৰে খণ্ডেৰে চাব যেন মোক পাৰিলে দুই চৰ বহুৱাই দিব। তাৰ পিচত আকৌ ক'ব - 'মোৰ ভৰিত তেল দিব নালাগে , প্ৰথমে তোৰ মদৰ নিচাটোহে ভাঙি ল, তোক সচাঁকৈয়ে শাস্তি দিব লাগে , ডাঙৰ শাস্তি ,"- হয় ডাক্তৰ বাবু মই শাস্তি পোৱাৰে যোগ্য , আপোনাৰ ভৰিত নধৰি আমাৰ কি উপায় আছে - কওকচোন ? আপুনিয়েই আমাৰ সকলো , আপোনাসকলৰ দয়াতেইতো আমাৰ দৰে মানুহবোৰ বাচি আছো ,এইটো একেবাৰে সঁচাকথা , ইয়াক অস্বীকাৰ কৰিলে সমাজে মোৰ মুখত থুৱাব। ভগবান সাক্ষী মোৰ মাত্ৰিয়োনা ভাল হলেই, অলপ গা -টঙালেই আপুনি মোক যি কৰি দিব কয় তাকেই কৰি দিম। আপুনি বিচাৰিলেই মই আপোনাক নানা কাৰুকাৰ্য্য খটুওৱা ব্ৰাচ কাঠৰ সুন্দৰ চিগাৰেটৰ কেচ্ তৈয়াৰ কৰি দিম ; আৰু ধুনীয়া ধুনীয়া কাঠৰ বস্তু - যিবোৰ দেখিলে মানুহে বিদেশী বস্তু বুলি ক'ব আৰু যি বোৰ বজাৰত কিনিলে আপুনি বহুত দাম দিবলগীয়া হ'ব। মই কিন্তু আপোনাক এই সকলোখিনি বিনামূল্যতে তৈয়াৰ কৰি দিম।' সকলো শুনি ডাক্তৰ বাবুৱে হাঁহি হাঁহি ক'ব 'থ থ যত তোৰ ভেলমৰা কথা - মদাহী ,মাতাল কৰবাৰ। ভদ্ৰলোকৰ মন কেনেকৈ জয় কৰিব পাৰি তাক তই ভালদৰেই জান ,অৱশ্যে ঠিকেই-খণ্ডেৰে কাৰো অন্তৰ জয় কৰিব নোৱাৰি ' উহ! ভগৱানৰ ইচ্ছাত এতিয়া বাস্তা ভুল নহলেই ৰক্ষা। কিযে ধৰণৰ ধুমুহা , একোৱেচোন চকুৰে মনিব নোৱাৰি।

গ্ৰেগৰীয়ে অৰ্নগল বলকি গৈ আছে। আচলতে তাৰ ভিতৰৰ অস্বস্তিকৰ অৱস্থাটোক দমাই ৰাখিবলৈ সি তেনেদৰে গ্ৰামোফোন বজোৱাৰ দৰে গোটেই বাটটোৱে বলকি বলকি আহি আছে। মুখ যদিও বন্ধ হোৱা নাই আচলতে কিন্তু সি একো চিন্তা কৰিব নোৱাৰা হৈছে মানসিক ভাবে।অপ্ৰত্যাশিত ভাবে যোৱা নিশা সি চৰম আঘাট পাইছে। বিনামেঘে বজ্ৰপাত হোৱাৰ দৰে হঠাৎ

সি শোকত ব্যাকুল হৈ পৰিছে। সি নিজকে চম্ভালিব পৰা নাই আৰু পৰা নাই স্বাভাবিক অৱস্থালৈ ঘূৰি আহিব।

ইমানদিনে মাতলামিৰ মাজেৰেই তাৰ জীৱন অতিবাহিত হৈ আহিছিল। আনন্দ আৰু দুখ কোনোটোৱেই সি উপলব্ধি কৰা নাছিল। হঠাৎ সি বুকুৰ মাজত যন্ত্ৰণা অনুভৱ কৰিলে। স্ফূৰ্তিবাজ, মাতাল, নিষ্কৰ্মা মানুহজন যেন কামৰ মানুহ হৈ উঠিল আৰু সি যুঁজিব লগা হৈছে প্ৰকৃতিৰ স'তে।

প্ৰেণৱীৰ মনত পৰিল - যোৱাৰাতিৰ পৰা তাৰ এই যন্ত্ৰণাৰ সূত্ৰপাত। যোৱাকালি সন্ধিয়া আনদিনাৰ দৰে মদৰ ৰাগীত মাতাল হৈ ঘৰলৈ আহি ঘৈণীয়েকক অভ্যাসবশতঃ গালি-গালাজ, মাৰধৰ কৰাৰ পিছত দেখিলে যে তাৰ ঘৈণীয়েক মাত্ৰিয়োনাই এক অদ্ভুত দৃষ্টিৰে একেথৰে তাৰফালে চাই আছে। এনে দৃষ্টি তাইৰ চকুত ইয়াৰ আগতে কোনোদিনে সি প্ৰত্যক্ষ কৰা নাছিল। এইসময়ত তাইৰ দৃষ্টি হয় আধামৰা কুকুৰৰ দৰে, যি মাৰধৰ খায়ো অকণমান খাদ্যৰ বাবে বৈ থাকে। কিন্তু আজি তাইৰ দৃষ্টি আছিল থিৰ-স্থিৰ, কঠিন যেন কোনো সাধু-বিগ্ৰহ নতুবা মুমূৰ্ষ মানুহৰ চাৱনিৰ দৰে। অদ্ভুত, অস্বস্তিকৰ এই চাৱনিটোৰ স'তে সাক্ষাৎ হোৱাৰে পৰা প্ৰেণৱী মানসিক অন্তৰ্দ্বন্দ্বত ভুগিছে। উপায়বিহীন হৈ ওচৰচুবুৰীয়াৰ পৰা ঘোঁৰাটো খুজি আনি বুঢ়ীক হাস্পাতাললৈ লৈ আহিছে। তাৰ মনত আশা ডাক্তৰে অলপ মলম আৰু পুৰিয়া দিলে বুঢ়ীৰ স্বাভাৱিক দৃষ্টি ঘূৰি আহিব।

প্ৰেণৱীয়ে পুনৰ ভোৰ ভোৰাই মাত্ৰিয়োনাক কবলৈ ধৰিলে - 'মাত্ৰিয়োনা, তোমাক যদি মই মাৰিছো নেকি বুলি ডাক্তৰে সোধে, মাই নাই হজুৰ, মাৰা নাই বুলি ক'বা। মই আৰু কেতিয়াও তোমাৰ গাত হাত নোতোলো। ঈশ্বৰৰ নামত শপত খাইছো। তুমিতো জানা - মই তোমাক মাৰো বুলি মাৰা নাই, এনে কাম নথকাতহে মাৰিছো। তোমাৰ প্ৰতি সঁচাকৈয়ে মোৰ বৰ মৰম, অইন বেলেগ হোৱাহেতেন, তোমাৰ অসুখক পাত্তাই নিদিলেহেঁতেন। মই বুলিছে তোমাক হাস্পাতাললৈ আনিছো আৰু মই কৰিব পৰা আটাইখিনিকে কৰিছো। উহ! কিবে বৰফৰ ধৰখুণ। হে ভগৱান, ৰাস্তাটো যেন হেৰাই নাযায়। মাত্ৰিয়োনা, তোমাৰ কঁকালৰ বিষটো এতিয়া কেনেকুৱা, অলপ কমিছেনে? হেই, কথা নোকোৱা কিয়? উত্তৰ

নিদিয়া কিয় ? কঁকালৰ বিষটো কমিছেনে ?

কিন্তু কিযে অদ্ভুত কথা ! বুঢ়ীৰ মুখৰ ওপৰত বতাহত ভাঁহি আহি পৰা বৰফৰ টুকুৰাবোৰ চোন গোট মাৰিয়েই আছে , গলি যোৱা নাই । মুখখন কেনে যেন দীঘলীয়া ধৰণৰ হ'ব ধৰিছে , ৰঙটোও অনুজ্জ্বল ,বিবৰ্ণ শেঁতা । চাই আছে অদ্ভুত গম্ভীৰভাৱে ।

হেই আকৰী বুঢ়ী ; গ্ৰেগৰীয়ে পুনৰ ভোৰ ভোৰাই কৈ উঠিল । মই ভগৱানৰ নামত শপত খাই কি ভাল কথা কৈছো আৰু তুমি উত্তৰটোও দিব নোৱাৰা । ঠিক আছে - ময়ো আৰু ভাক্তৰৰ ওচৰলৈ যাব নোৱাৰো । এয়া চোৱা গাড়ী ৰখাই দিলো । এতিয়া মজাটো পাবা ।

গ্ৰেগৰীয়ে হঠাৎ গাড়ীখন ৰখাই দি ভাবিবলৈ ধৰিলে । বুঢ়ীৰ ফালে ঘুৰি চাবলৈ তাৰ সাহস নহ'ল । আচলতে তাৰ হৃদয়ত ভয়ৰ সঞ্চাৰ হৈছিল । বাৰে বাৰে প্ৰশ্ন কৰি থকাৰ পিচতো বুঢ়ীৰ পৰা এটা উত্তৰো সি পোৱা নাই । উপায়বিহীন হৈ বুঢ়ীৰ ফালে নোচোৱাকৈয়ে সকলো সংকোচ বাদ দি ঠাণ্ডা হাত খন দাঙি ধৰি পুনৰ এৰি দিলে । হাতখন শিলৰ দৰে জঠৰ হৈ তললৈ সৰি পৰিল ।

''মৰিয়েই গ'ল হবলা , হায় কপাল! ''

সি কান্দিব ধৰিলে । শোকতকৈ তাৰ বিৰক্তিহে বেছি হ'ল । সি ভাবিবলৈ ধৰিলে জীৱনৰ ঘটনাবোৰ কেনেদৰে নিমিষতে ঘটি যায় । তাৰ হৃদয় দুখৰ অনুভূতিত উথলি উঠিব ধৰোতেই সকলো শেষ হৈ গ'ল । বুঢ়ীৰ স'তে অত বছৰৰ মূৰত পুনৰ সংসাৰখন আৰম্ভ কৰিম বুলি ভাবোতে , তাৰ মনৰ কথা তাইক ক'ম বুলি ভাবোতেই ,তাইৰ প্ৰতি দয়া - মমতা জাগি উঠিব ধৰোতেই বুঢ়ীজনী মৰি থাকিল । চল্লিশ বছৰ বুঢ়ীৰ স'তে সি বৈবাহিক জীৱন অতিবাহিত কৰিলে যদিও ইমান দিন যেন সি আন্ধাৰতে ডুব গৈ আছিল । মাৰধৰ , মাতলামি ,অভাৱ- অনাটন এইবোৰৰ মাজেদিয়ে দিনবোৰ সি ক'ব নোৱাৰাকৈয়ে পাৰ হৈ গ'ল । এই মুহূৰ্ত্তত সি অনুভৱ কৰিলে যে আচলতে তাৰ স্ত্ৰীক ভাল পায় আৰু তাইৰ অবিহনে সি এক মুহূৰ্ত্তও জীয়াই থাকিব নোৱাৰে । তাৰ অত্যাচাৰৰ তাৰ সহ্য কৰিব নোৱাৰিয়েই তাই তাৰ ওপৰত অভিমান কৰি গুছি গ'ল ।

আয়নাৰ দৰে পাৰ হৈ যোৱা যোৱা দিনবোৰৰ ছবিয়ে গ্ৰেগৰীৰ

হৃদয়ত দোলা দি যাবলৈ ধৰিলে - ঘৰে ঘৰে মাগ্ৰিয়োনাই খাদ্যৰ বাবে কেনেকৈ ভিক্ষা কৰি ফুৰিছিল , কষ্ট কৰি ৰথখন চলাইছিল। বুঢ়ী আৰু হয়তো দহ বাৰ বছৰ বাছি থাকিলেহেতেন। মই সঁচাকৈয়ে মানুহ নহয় - পশু , কিয়ে কাম নকৰিলো জীৱনটোত ! এতিয়া যে ভাবি থাকি লাভ নাই। এতিয়া বুঢ়ীক কবৰৰ হে দৰকাৰ ,ডাক্তৰৰ দৰকাৰ নাই। হেই ! হেঁই গ্ৰেগৰীয়ে ঘোঁৰাটোৰ পিঠিত পুনৰ চাবুক মাৰি ঘূৰাই দিলে। প্ৰতি মুহূৰ্ত্তে বাস্তাটোৰ অৱস্থা আৰু বেয়া হৈ আহিছে। ৰাস্তাবাট একোৱে মনিব নোৱাৰা হৈছে। সৰু ফাৰ গছত খুন্দা খাই মাজে মাজে গাড়ীখন জোকাৰ খাই উঠিছে। ক'লা কিবা এটাত খুন্দা খাই হঠাৎ তাৰ হাতখন পিচলি গ'ল। নিমিষতে তাৰ চকুৰ আগেৰে কিবা এটা যেন পাৰ হৈ গ'ল। তাৰ পিচত পুনৰ ধৰফৰ ঘূৰ্ণী বতাহ। বতাহ ধুমুহা ধৰফৰ বাহিৰে সি আৰু একোকে দেখা নাই।

গ্ৰেগৰীয়ে ভাবি গৈ থাকিল - জীৱনটো যদি পুনৰ শুধৰি পৰা আৰম্ভ কৰিব পৰা গ'লহেতেন ! চল্লিশ বছৰ আগতে বাপেকৰ ধৰৰ অৱস্থা টনকিয়াল আছিল। ওস্তাদ কাৰিকৰ বুলিয়েই গ্ৰেগৰীৰ স'তে কেওঁলোকৰ ছোৱালী বিয়া দিছিল। জীৱনত সুখী হ'ব পৰা সকলো থিনিয়েই আছিল তাৰ। কিন্তু বিয়াৰ পিচত যে এবাৰ সি বাহুনীশালৰ ওচৰত বেহুঁচ হৈ পৰিছিল , তাৰ পৰা যেন আজিলৈ সি ভালদৰে সাৰেই নাপালে। বিয়াৰ কথা তাৰ মনত আছে , কিন্তু বিয়াৰ পিচত কি ঘটিছে একো কথাই মনত নাই। মনত আছে মাথো সি মদ খাইছে ,মাৰামাৰি কৰিছে আৰু বেহুচ হৈ ঘূৰি ফুৰিছে। এনেকৈয়ে এটা দুটা নহয় জীৱনৰ চল্লিশটা বছৰ অতিক্ৰম কৰিছে গ্ৰেগৰীয়ে।

তুষাৰ ঘূৰ্ণীৰ মেঘমালাই চৌদিশ ছানি পেলাইছে। লাহে লাহে পৃথিৱীৰ বুকুলৈ সন্ধিয়াও নামি আহিছে।

হঠাৎ গ্ৰেগৰীয়ে নিজকে প্ৰশ্ন কৰিলে - হাবে ! মই কলৈকে গৈ আছোঁ , বুঢ়ীক কবৰ দিব লাগে অথচ গাড়ীখন হাস্পাতালৰ ফালে গৈছে , নিশ্চয় মোৰ মূৰৰ গণ্ডগোল হ'ব ধৰিছে।

সি পুনৰ ঘোঁৰাটো ঘূৰাই দি জোৰে পিঠিত চাবুক মাৰিলে। ঘোঁৰাটো চী হিঃ হিঃ চী হিঃ হিঃ কৰি গাৰ সমস্ত জোৰেৰে লৰিবলৈ ধৰিলে। বাবে বাবে গ্ৰেগৰীয়ে তাৰ পিঠিত চাবুক মাৰিবলৈ ধৰিলে। পিচফালৰ পৰা ধক্ ধক্ শব্দ এটা আহি কাণত পৰিল। তাৰ বুজিবলৈ বাকী নাথাকিল যে সেয়া

শ-টোৰ মুখটো লাগি হেৰা শব্দ। আন্ধাৰ ক্ৰমে গাঢ় হৈ আহিল। ৰবৰব ধুমুহা বতাহ লগে লগে ঠাণ্ডাৰ কোবটোও বাঢ়িবলৈ ধৰিলে।

"নতুনকৈ জীৱনটো পুনৰ আৰম্ভ কৰিব পৰা হেতেন!" -গ্ৰেগৰীয়ে পুনৰ ভাবিলে। নতুন নতুন যন্ত্ৰপাতি যোগাৰ কৰি নতুন অৰ্দাৰো আনিলোহেতেন, টকা পইচা খিনি বুঢ়ীৰ হাতত্তেই জমা দিলোহেতেন! নিশ্চয় দিলোহেতেন।

লাহেকৈ গ্ৰেগৰীয়ে হাতৰ পৰা লেকামভাল খহি পৰিল। সেইভাল বিচাৰি পুনৰ তুলি ল'ব নোৱাৰিলে। তাৰ হাত দুখন লাহে লাহে অসাৰ হৈ আহিল।

ভাবিবলগীয়া বিশেষ একো নাই। ঘোঁৰাটোৱে বাট চিনি পায়, নিজে নিজে গৈ থাকিব। অলপ শুই লবই পৰা যায়। কবৰ দিয়াৰ আগতে আৰু শেষ উপসনাৰ আগতে সি অলপ জিৰাই ল'ব বিচাৰিলে।

গ্ৰেগৰীয়ে চকু মুদি শুবলৈ যত্ন কৰিলে। অলপ যোৱাৰ পিছতে ঘোঁৰাটো বৈ গ'ল। চকু মেলি সি দেখিলে এটা কলা সাধাৰণ খেৰৰ ঘৰ। মনে মনে সি ভাবিলে - এইবাৰ সি গাড়ীৰ পৰা নামি খৰৰ লৈ অহাটো ভাল হ'ব, ক'ত আছি গাড়ীখন ৰ'ল। কিন্তু তাৰ সৰ্ব্ব শৰীৰ ইমান অৱশ হৈ পৰিছিল যে অলপো সি লৰাব নোৱাৰে। নিশ্চিন্তমনে সি শুবলৈ ধৰিলে। বুঢ়ীৰ বাবে শেষ উপাসনাৰ ব্যৱস্থা আৰু পুৰোহিতক খবৰো দিব লাগে। তাৰ কথাত বাধা দি ভিতৰৰ পৰা কোনো জানো কলে - ঠিক আছে তুমি এতিয়া শুই থাকা।

হাবে! এইয়া দেখোন ডা: পাভেল ইভানিচ! হঠাতে ডাক্তৰক দেখি গ্ৰেগৰীয়ে চিঞৰি উঠিল 'হুজুৰ! দেউতা! শোৱাৰ পৰা একেজাপে উঠি তাৰ চিকিৎসাশাস্ত্ৰক প্ৰণাম কৰিবলৈ মন গ'ল, কিন্তু সি বুজিলে যে হাত ভৰি সকলো অৱশ হৈ আছিহে তাৰ।

হুজুৰ! দেউতা! মোৰ হাত ভৰি?

তোমাৰ হাত ভৰিৰ-মায়া এৰি দিয়া। ঠাণ্ডাত থেতুৱৈ লাগি অসাৰ হৈ গৈছে। আৰে, তুমি কান্দিছা কিয়? জীৱনত একো উপভোগেইতো তোমাৰ বাকী নাই, সেইবাবে ভগৱানক ধন্যবাদ দিব পাৰা। বাঠিৰ দেওনা পাৰ হৈছা যেতিয়া, তোমাৰ দিন যোৱা বুলিয়েই ধৰা।

'হজুৰ দোষ নধৰিব। আৰু যদি হয় বছৰ মাত্ৰ জীয়াই থাকিব পাৰিলোহেতেন।'

'কিহৰ বাবে ?'

'ঘোঁৰাটো বেলেগৰ ,তাক ঘূৰাই দিব লাগে। বুঢ়ীক কবৰ দিব লাগে। জীৱনৰ ঘটনাবোৰ লৰালৰিকৈ পাৰ হৈ গ'ল। ডাক্তৰ বাবু , আপোনাৰ বাবে বাৰ্চ কাঠৰ সুন্দৰ বনকৰা চিগাৰেটৰ কেচ্ তৈয়াৰ কৰি দিম।'

ডাক্তৰে গ্ৰেগৰীৰ দেহত হাত দি চাই ইংগিত দি বাহিৰলৈ ওলাই আহিল। গ্ৰেগৰীৰ বাবে কৰিবলৈ এতিয়া আৰু একো নাই।

# হীৰাৰ নেকলেচ

মূল ৰচনা : মোপাছাঁ
অনুবাদ : হেমলতা শইকীয়া

*মোপাছাঁ - ফৰাচী সাহিত্যত গল্প লেখক হিচাপে বিশেষ খ্যাতি লাভ কৰা ব্যক্তি মোপাছাঁ। তেওঁ এজন ঔপন্যাসিকো আছিল। জীৱনৰ একোটা মুহূৰ্ত্তৰ ,একোটা সাধাৰণ ঘটনাকে লৈ মোপাছাঁই অপূৰ্ব চুটি গল্প ৰচনা কৰিছিল। 'হীৰাৰ নেকলেচ' (The Necklace ) নামৰ চুটি গল্পটো তেঁৱেই ৰচনা কৰা। বহুতো সমালোচকৰ মতে মোপাছাঁৰ এই গল্পটো কাহিনী বিন্যাস, সংলাপ ,চৰিত্ৰ চিত্ৰন আদি সকলো দিশৰ পৰাই এটা শ্ৰেষ্ঠ চুটি গল্প।*

তেওঁ আছিল এগৰাকী ধুনীয়া ছোৱালী। কিন্তু তেওঁ এটা দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰাৰ ফলত তেওঁৰ বিবাহ কোনো গণ্যমান্য লোকৰ লগত নহৈ শিক্ষা বিভাগৰ অফিচত কেৰাণী চাকৰিত থকা এজন সাধাৰণ মানুহৰ লগত হৈছিল।

তেওঁ ভোগ বিলাস ভাল পাইছিল। কিন্তু সাধাৰণ ভাবে কাল কটাব লগীয়া হোৱাত তেওঁ বৰ অশান্তি পাইছিল। তেওঁ যেন তেওঁৰ বাবে অযোগ্য মানুহ এজনকহে বিয়া কৰালে ,এই কথা ভাবি সকলো সময়তে মানসিক কষ্ট ভোগ কৰিছিল। নিজৰ ঘৰৰ পুৰণা বং নোহোৱা বেৰ ,ভগাছিগা চকী- মেজ, উৰঁলি যোৱা পৰ্দা আদিয়ে তেওঁৰ মনত বৰ দুখ দিছিল। যিবোৰ সৰু সৰু কথাতে তেওঁৰ শ্ৰেণীৰ আন মহিলাই মন নিদিছিল ,তেনেবোৰ সৰু কথাতে তেওঁ মানসিক কষ্ট ভোগ কৰিছিল। তেওঁ এটা ধুনীয়া ঘৰৰ কল্পনা কৰিছিল - য'ত দামী কাৰ্পেট ,ধুনীয়া চোফাচেট , দামী পৰ্দা আৰু

লাইটৰ উজ্জ্বল পোহৰেৰে জক্‌মকাই থাকিব। তেওঁৰ কল্পনাৰ সেই সু-সজ্জিত ঘৰৰ দুৱাৰ মুখত থাকিব দুটা প্ৰহৰী। সেই ঘৰৰ ধুনীয়াকৈ সজাই থোৱা কোঠাত বহি তেওঁ বন্ধু বান্ধৱী সকলৰ লগত হাঁহি ধেমালি কৰি সময় কটাব।

ৰাতিৰ আহাৰ খাবলৈ তেওঁ গিৰিয়েকৰ লগত লেতেৰা কাপোৰ পৰা পুৰণি মেজখনত বহে। তেওঁৰ স্বামীয়ে সাধাৰণ খোৱা বস্তুখিনিকে ৰবঁকৈ প্ৰশংসা কৰি খায়। সেই সময়ত তেওঁৰ মনে বিচৰণ কৰেগৈ এটা বিলাসী ভোজন কক্ষত দামী থালত সজাই থোৱা বিভিন্ন উপাদেয় খোৱা বস্তুৰ মাজত।

এদিন সন্ধিয়া তেওঁৰ স্বামীয়ে হাতত এখন নিমন্ত্ৰণী পত্ৰ লৈ আনন্দ মনেৰে ঘৰ সোমালহি, পত্ৰখন ঘৈণীয়েকৰ হাতত দি কলে 'চোৱা মই তোমাৰ কাৰণে কি আনিছো!'

তেওঁ খামটো লৰালৰিকৈ খুলি তাৰ ভিতৰত এখন চিঠি পালে। চিঠিখন আছিল শিক্ষা বিভাগৰ মন্ত্ৰীয়ে তেওঁক আৰু তেওঁৰ স্বামী মিষ্টাৰ লয়জেলক ১৮ জানুৱাৰীত পতা নিশাৰ ভোজমেলালৈ মতা নিমন্ত্ৰণী পত্ৰ। তেওঁৰ স্বামীয়ে ভাবিছিল পত্ৰ খন পাই তেওঁৰ পত্নী আনন্দিত হব। কিন্তু তাৰ পৰিবৰ্তে তেওঁ চিঠিখন খঙেৰে দলি মাৰিহে দিলে আৰু কলে "এইখনেৰে মই কি কৰিম?" "কিয়? মই ভাবিছিলো তুমি কেনিও ওলাই নোযোৱা। সেয়ে ওলাই যোৱাৰ এইটো এটা বৰ ভাল সুযোগ হব। মই বৰ চেষ্টা কৰিহে এইখন পাইছো। ভোজ মেলালৈ গ'লে তুমি বহুতো ডাঙৰ ডাঙৰ বিষয়াক দেখিবলৈ পাবা।"

গিৰিয়েকৰ কথা শুনি তেওঁ প্ৰায় খঙেৰেই গিৰিয়েকক প্ৰশ্ন কৰিলে, "ভোজমেলালৈ মই কি পিন্ধি যাম?"

এই কথাটো মিষ্টাৰ লয়জেলে আগতে ভাবি চোৱাই নাছিল। সেয়ে তেওঁ কওঁ নকওঁকৈ ক'লে "তুমি থিয়েটাৰ চাবলৈ পিন্ধি যোৱা কাপোৰ সাজকে দেখোন পিন্ধি যাব পাৰা। সেই কাপোৰ সাজ পিন্ধিলে মই তোমাক বৰ ভাল দেখো।"

লয়জেলে দেখিলে তেওঁৰ পত্নীৰ চকুৰেদি পানী বব ধৰিছে। তাকে দেখি তেওঁ ঘৈণীয়েকক কি হৈছে কবলৈ ক'লে।

তেতিয়া তেওঁ ক'লে যে তেওঁৰ একো হোৱা নাই, তেওঁৰ পিন্ধি যাবলৈ ভাল কাপোৰ নাই, গতিকে তেওঁ ভোজ মেলালৈ নাযায়। তেওঁ

গিৰিয়েকক নিমন্ত্ৰণী পত্ৰ খন আন কাৰোবাক দি দিবলৈ ক'লে।

এই কথা শুনি মিষ্টাৰ লয়জেলৰ বৰ দুখ লাগিল। সেয়ে তেওঁ ঘৈণীয়েকক নতুন ফ্ৰক এটা কিনিবলৈ কিমান পইছা লাগিব সুধিলে। তেতিয়া ঘৈণীয়েকে ভাবি চিন্তি চাৰিশ ফ্ৰাঙ্ক হলেই এটা কিনিব পৰা যাব বুলি কলে। দামটোৰ কথা শুনি তেওঁৰ মুখ খন ক'লা পৰি গ'ল। তেওঁৰ ঘৈনীয়েকে যিমান খিনি ফ্ৰাঙ্কৰ কথা কলে ঠিক সিমান খিনিয়েই তেওঁ চৰাইমাৰ বন্দুক এটা কিনিবৰ বাবে জমা কৰি থৈছিল। তথাপি তেওঁ কলে, ঠিক আছে। মই তোমাক চাৰিশ ফ্ৰাঙ্ক দিম, ধুনীয়া চাই ফ্ৰক এটা কিনি লবা।"

ভোজমেলৰ দিন চমু চাপি আহিল। ইতিমধ্যে মিচেচ লয়জেলৰ নতুন কাপোৰ কিনা হ'ল যদিও মনটো মৰা হৈয়ে থাকিল। তাকে দেখি গিৰিয়েকে এদিন সুধিলে, "কি হল ? তুমি ইমান মনটো মাৰি আছা কিয় ?"

ঘৈণীয়েকে তেতিয়া ক'লে, "মোৰ দেখোন পিন্ধিবলৈ একো গহনাই নাই। ভোজ মেললৈ একো নিপিন্ধাকৈ গ'লে নিজকে বৰ নিঃকিন যেন লাগিব। গতিকে মই ভোজলৈ নোযোৱাই ভাল হব।"

ইয়াকে শুনি মিষ্টাৰ লয়জেলে ক'লে, "তুমি দেখোন ফুলৰ গহনাকে পিন্ধি যাব পাৰা। আজি কালি ফুলৰ গহনা পিন্ধা নতুন চখ হৈছে। ফুলৰ বৰ বেছি দামো নহয়।"

গিৰিয়েকৰ কথা তেওঁ মানি লব নোৱাৰিলে। "মই ফুলৰ গহনা পিন্ধি চহকী মহিলা সকলৰ আগত হাঁহিয়াতৰ পাত্ৰ হবলৈ কেতিয়াও নাযাওঁ।"

তেতিয়া গিৰিয়েকে ক'লে, "তুমি দেখোন তোমাৰ বান্ধবী মেডাম ফৰেষ্টিয়াৰৰ পৰাই গহনা খুজি আনি পিন্ধিব পৰা। তেওঁৰ লগত দেখোন তোমাৰ ভাল বন্ধুত্ব আছে।"

তেওঁ আনন্দত চিঞৰি উঠিল, " এই কথাটো মই ভবাই নাছিলো।"

পিছদিনাই তেওঁ বান্ধবীৰ ঘৰলৈ গ'ল আৰু নিজৰ সমস্যাৰ কথা বান্ধবীক জনালে। মেডাম ফৰেষ্টিয়াৰে তেওঁক গহনাৰ বাকচ এটা আনি দিলেহি আৰু যি মন যায় তাকে লবলৈ কলে। তেওঁ আইনাৰ সন্মুখত থিয়হৈ গহনাবোৰ এপদ এপদকৈ পিন্ধি চালে কিন্তু কোন বিধ গহনা লব একো থিৰাং কৰিব নোৱাৰি সুধিলে, " তোমাৰ আৰু গহনা নাই নেকি ?" তেতিয়া

কৰেষ্টিয়াৰে আন এটা সক গহনাৰ বাকচ আনি দিলেহি। সেই বাকচটোত চিক্‌মিকাই থকা হীৰাৰ নেকলেচ এডাল আছিল। সেই ডাল দেখা মাত্রকে তেওঁৰ পছন্দ হ'ল আৰু বান্ধবীক খুজি সেইডাল লৈ ঘৰলৈ আহিল।

চাওঁতে চাওঁতে ভোজ মেলৰ দিনটো আহি পালে। মিচেচ লয়জেল ধুনীয়াকৈ সাজি কাচি ভোজমেললৈ গ'ল। ভোজমেলত গোটখোৱা মহিলা সকলৰ ভিতৰত তেৱেঁই আছিল সকলোতকৈ ধুনীয়া। পুৰুষ সকল তেওঁলৈ চাই মুগ্ধ হৈছিল। বহুতে আহি তেওঁৰ লগত চিনাকি হৈছিল আৰু নাচিবলৈ প্রস্তাৱ দিছিলহি। তেওঁ মন্ত্রী ডাঙৰীয়াৰো দৃষ্টি আৰ্কষণ কৰিবলৈ সমৰ্থ হৈছিল। সেই নিশা তেওঁ নিজৰ ৰূপ যৌৱনৰ গৌৰৱত মতলীয়া হৈ নাচিছিল। তেওঁৰ হৃদয়ত সুপ্ত হৈ থকা ভাৱনা বোৰে আত্ম প্রকাশ কৰিছিল। পুৱা চাৰিবজালৈকে তেওঁ নাচিছিল। আনপিনে তেওঁৰ স্বামী টোপনিয়াই টোপনিয়াই বহি আছিল।

নাচৰ শেষত তেওঁৰ স্বামীয়ে তেওঁৰ গাত সদায় ঘৰত ব্যৱহাৰ কৰা পুৰণি কোটটো পিন্ধাই দিলে। দামী সাজটোৰ ওপৰত পুৰণি কোটটো পিন্ধি তেওঁ বৰ অপ্রস্তুত হ'ল। জখুৰ নোমেৰে তৈয়াৰী দামী কোট পিন্ধা মহিলা সকলৰ চকু যাতে তেওঁৰ ওপৰত নপৰে তাকে ভাবি তেওঁ লৰালৰিকৈ বাহিৰ ওলাই আহিল। গিৰিয়েকে তেতিয়া তেওঁক বাধা দি কলে, " তুমি ইয়াতে অলপ ৰবা, মই ঘোঁৰাবাগী এখন আনোঁগে, বাহিৰত জাৰ পাবা।"

কিন্তু তেওঁ গিৰিয়েকৰ কথা নুশুনি বাহিৰলৈ ওলাই আহিল। তেওঁ লোক বাটলৈ ওলাই আহি এখনো ঘোঁৰা বাগী দেখা নাপাই খোজ কাঢ়িয়েই আহিব ধৰিলে। কিছু দূৰ অহাৰ পাচত এখন ঘোঁৰা বাগী পাই আৰু তাত উঠি ঘৰমুৱা হ'ল।

ঘৰ পাই কাপোৰ সলোৱাৰ আগতে নিজৰ ৰূপ যৌৱন আৰু এবাৰ চাবৰ কাৰণে তেওঁ আয়নাৰ আগত থিয় হৈ নেকলেচ ডাল ডিঙিত নেদেখি চিঞৰ মাৰি উঠিলে।

কাপোৰ সলাই থকাৰ পৰা গিৰিয়েকে সুধিলে, কি হ'ল ?

তেতিয়া ভয়ে ভয়ে তেওঁ কলে, "মেডাম কৰেষ্টিয়াৰৰ পৰা অনা হীৰাৰ নেকলেচ ডাল হেৰাল।" কথাষাৰ শুনি গিৰিয়েক উচপ খাই উঠিল, "কি কৈছা ? নেকলেচ ডাল হেৰাল ! অসম্ভৱ !"

তেওঁলোক দুয়ো পিন্ধি যোৱা কাপোৰ কানি জাৰি জোকাৰি চালে কিন্তু নেকলেচ ডাল নাপালে। তেতিয়া গিৰিয়েকে তেওঁক সুধিলে ,"নাচ ঘৰৰ পৰা ওলাই অহাৰ সময়লৈকে নেকলেচ ডাল তোমাৰ ডিঙিত আছিল বুলি তুমি নিশ্চিন্তনে ?" তেতিয়া তেওঁ বাৰান্দালৈ ওলাই অহালৈকে নেকলেচ ডাল তেওঁৰ ডিঙিত আছিল বুলি ক'লে।

তেতিয়া গিৰিয়েকে ক'লে,"যদি নেকলেচ ডাল ৰাস্তাত পৰিলহেতেন তেতিয়া আমি পৰাৰ শব্দ শুনিলোহেতেন ! সেইডাল নিশ্চয় ঘোঁৰা বাগীখনতে পৰি আছিল।"কিন্তু- তেওঁলোকৰ ঘোৰাঁবাগীখনৰ নম্বৰটো মনত নাছিল। সেই কাৰণে বিবুদ্ধি হৈ পৰিল। গিৰিয়েকে নেকলেচ ডাল্ল বিচাৰিবৰ কাৰণে ওলাই গ'ল। কিন্তু ঘৈণীয়েকে ৰাতিপিন্ধা গাউনটো পিন্ধিয়েই হতাশ মনেৰে চকী এখনত বহি থাকিল।

পুৱা সাতমান বজাত গিৰিয়েক ঘুৰি আহিল। কিন্তু তেওঁ নেকলেচ ডালৰ একো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। তেওঁ পুলিচ থানাত গৈ নেকলেচ ডাল হেৰোৱা বুলি খবৰ দিলে, বাতৰি কাকতত পুৰস্কাৰ ঘোষণা কৰি,বিজ্ঞাপন দিলে। নেকলেচ ডাল ঘূৰাই পোৱাৰ আশাত তেওঁ যিমান খিনি কৰিব পাৰে সকলো খিনিকে কৰিলে।

এই ভয়ানক বিপদটোৰ বাবে মিচেচ লয়জেলে গোটেই দিনটো অশান্তি আৰু দুখত কটালে। একো উপায়দিহ উলিয়াব নোৱাৰি সন্ধিয়া দুখ মনেৰে গিৰিয়েক উভতি আহিল। তেওঁ ঘৈণীয়েকক ক'লে ," তুমি তোমাৰ বান্ধৱীলৈ এখন চিঠি লিখি দিয়া যে নেকলেচ ডালৰ হাকোটা এটা ছিগা কাৰণে সেইটো মেৰামতি কৰাইহে নেকলেচ ডাল ঘূৰাই দিবা। এনে কৰিলে আমি ভাবিবলৈ কিছু সময় পাম।" গিৰিয়েকে কোৱাৰ নিচিনাকৈ ঘৈণীয়েকে মেডাম ফৰেষ্টিয়াৰলৈ এখন চিঠি লিখি দিলে।

এসপ্তাহ পাৰ হৈ গ'ল। তেওঁ লোকে নেকলেচ দাল ঘূৰাই পোৱাৰ সকলো আশা এৰি দিলে। এই কেইদিনৰ চিন্তাত লয়জেলৰ বয়স পাঁচ বছৰ মান বাঢ়ি যোৱাৰ দৰে হ'ল। তেওঁ ঘৈণীয়েকক ক'লে ," আমি এডাল নতুন নেকলেচকে কিনি দিব লাগিব।"

পিছদিনা তেওঁলোকে হেৰোৱা নেকলেচ দালৰ খালী বাকচটো লৈ তাত নাম লিখা সোণাৰীৰ দোকান খনলৈ গ'ল। দোকানীজনে কাগজ পত্ৰ চাই কলে যে কেৱল বাকচটোহে তেওঁৰ দোকানৰ পৰা নিছিল।

তেওঁ লোকে সোণাৰীৰ দোকানে দোকানে গৈ সেই হেৰোৱা নেকলেচ ডালৰ নিচিনা নেকলেচ এডাল বিচাৰি হাবাথুৰি খালে। অৱশেষত যেনিবা এখন দোকানত হেৰোৱা নেকলেচ ডালৰ নিচিনা হুবহু একে এডাল হীৰাৰ নেকলেচ দেখা পালে। সেই ডালৰ দাম চল্লিশ হেজাৰ ফ্ৰাঙ্ক। তেওঁলোকে দৰদাম কৰি ছয়ত্ৰিশ হেজাৰ ফ্ৰাঙ্কত কিনিবলৈ ঠিক কৰিলে। তেওঁলোকে দোকানীজনক নেকলেচ ডাল তিনিদিনৰ কাৰণে বিক্ৰি নকৰাকৈ ৰাখিবলৈ অনুৰোধ কৰিলে লগতে হেৰোৱা নেকলেচ ডাল ঘূৰাই পালে তেওঁলোকে কিনিব খোজা নেকলেচ ডাল দোকানী জনে আকৌ তেওঁলোকৰ পৰা চৌত্ৰিশ হেজাৰ ফ্ৰাঙ্কত কিনি লব লাগিব বুলি মান্তি কৰাই থবলৈ থুৱি আছিল।

লয়জেলৰৰ হাতত পৈত্ৰিক সম্পত্তি হিচাপে পোৱা ওঠৰশ ফ্ৰাঙ্ক জমা আছিল। বাকী খিনি তেওঁ ধাৰ কৰিবলৈ সিদ্ধান্ত কৰিলে। কোনোজনৰ পৰা হাজাৰ ,কোনো জনৰ পৰা পাঁচশ ,আনকি সুতখোৰ মহাজনৰ পৰাও ধাৰ কৰিলে। তেওঁ জানিছিল যে তেওঁৰ পক্ষে সময়মতে সকলোধাৰ পৰিশোধ কৰা সক্ষম নহয়। তথাপি ভালবেয়া বিচাৰ নকৰি শাৰীৰিক কষ্ট আৰু মানসিক অশান্তিলৈ আওঁকাণ কৰি নিজৰ ভৱিষ্যত অন্ধকাৰ কৰি প্ৰয়োজনীয় টকা খিনি গোটাই নেকলেচ ডাল আনিলে গৈ।

মিচেচ লয়জেলে তেওঁৰ বান্ধবী ফৰেষ্টিয়াৰক নেকলেচ ডাল ভয়ে ভয়ে ঘূৰাই দিলেগৈ। কাৰণ বান্ধবীয়ে নেকলেচ ডাল সলনি কৰা বুলি কেনেবাকৈ গম পাই যায় বুলি তেওঁ ভয় খাই আছিল।

ইয়াৰ পিচৰ পৰা মিচেচ লয়জেল অভাৱ ,অনাটন আৰু দৰিদ্ৰতাৰ বিকট স্বৰূপ টোৰ লগত পৰিচিত হবলৈ ধৰিলে। মনটোক সবল কৰি তেওঁ সকলো কষ্ট সহি যাবলৈ ধৰিলে। কাৰণ এটা বৃহৎ পৰিমানৰ ধাৰৰ বোজা তেওঁ পৰিশোধ কৰিব লাগিব। তেওঁলোকে থকা ভাড়াৰ ঘৰটো এৰি এটা সৰু জুপুৰী ভাড়া ল'লে। চাকৰণী ছোৱালী জনীক বিদায় দি ঘৰৰ সকলো কাম নিজেই কৰিবলৈ ল'লে।কাপোৰ ধোৱা ,বাচন ধোৱা,ঠাই সৰা, ঘৰ মচা, ভাত ৰন্ধা আদি কাম কৰোতে কৰোতে তেওঁৰ নখৰ ৰং লোহোৱা হ'ল। লেতেৰা,অপৰিপাটী কাপোৰ পিন্ধি তেওঁ শাক -পাচলিৰ দোকান,গেলামালৰ দোকান ,মাংসৰ দোকানলৈ যায়। সকলোতে এক

পইচাব কাবণেও দব-দাম কবে। প্ৰতি মাহে একোখনকৈ খত মুকলি কবে, মোব্ৰাবিলে ম্যাদ বঢ়াই লয়। গিৰিয়েকে সন্ধিয়া দোকানত হিচাবব বহী লিখে,বাতি ঘবত আনব লিখা নকল কবে। এইদবেও কিছু পইচা উপাৰ্জন কবে।

চাওঁতে চাওঁতে দহ বছব পাব হৈ গ'ল। এই দহ বছবব ভিতবত তেওঁলোকে আটাইবোব ধাব সুতে মূলে আদায় কবি দিলে। মিচেচ লয়জেল দেখাত একেবাবে বুঢ়ী হৈ পবিল। তেওঁ এতিয়া অতি সাধাবণ তিবোতাব দবে থাকিবলৈ ল'লে। তেওঁব মূবব চুলি আউলি -বাউলি ,সাজ পোচাক অপবিপাটী আৰু মুখব মাত কৰ্কশ হৈ পবিল। তথাপিও মাজে সময়ে অতীতব সেই ভোজ মেলব সন্ধিয়ালৈ তেওঁব মন উবি যায়। তেওঁ যে তেতিয়া কিমান ধুনীয়া আছিল ! আৰু কিমানে যে তেওঁব ৰূপব প্ৰশংসা নকবিছিল ! যদি সেইদিনা তেওঁ নেকলেচ ডাল নেহেৰুৱালে হেতেন - তাব পবিণতি কি হলাহেতেন কোনে জানে ? জীৱনব গতি কিমান পবিবৰ্তনশীল ! সাধাবণ সৰু ঘটনা একোটাই জীৱনব গতিপথ একেবাবে পবিবৰ্তন কবি মানুহক ধ্বংস বা উন্নতিব পথলৈ যাব পাবে !

এদিন দেওবাবে মিচেচ লয়জেল ফুবিবলৈ ওলাই গৈছিল।তেওঁ হঠাৎ এটি কেঁচুৱাব সৈতে এগবাকী মহিলা দেখিবলৈ পালে। তেৱেঁই মেডাম ফবেষ্টিয়াব। ফবেষ্টিয়াব আগব দবেই এতিয়াও ধুনীয়া আৰু গাভৰু হৈয়েই আছে। তেওঁক দেখি লয়জেল আবেগিক হৈ পবিল।তেওঁ প্ৰথমে ভাবিলে তেওঁব লগত কথা পতাটো উচিত হবনে নহয় ? পিচত ভাবিলে কিয় নহব ? তেওঁলোকব দেখোন ধাব পবিশোধ কৰা হৈয়েই গ'ল। এতিয়া তেওঁ সকলোবোব দুখব কাহিনী মেডাম ফবেষ্টিয়াবক শুনাবলৈ ইচ্ছা কবিলে। সেয়ে তেওঁ লাহে লাহে বান্ধবীব ওচব চাপি গৈ মাত লগালে,“ কেনে আছা জেনী ? খবব ভালনে ?”

কিন্তু বান্ধবীয়ে তেওঁক চিনি নাপালে। এজনী সাধাবণ মহিলাই নাম ধবি মতাত তেওঁ আচবিত হ'ল। সেয়ে তেওঁ খোনাই খোনাই ক'লে “ক্ষমা কবিব ,মই আপোনাক চিনি পোৱা নাই। আপুনি নিশ্চয় মোক আন কোনোবা বুলি ভুল কবিছে।”

“নহয়,নহয়,মোব ভুল হোৱা নাই। মই মেটিলডা লয়জেল”। মেডাম

ফৰেষ্টিয়াৰে আচৰিত হৈ চিঞৰি উঠিল ,"মেতাম ! তুমি ইমান সলনি হৈ গলা ?"

"সঁচাই আগৰ বাৰ তোমাক লগ পোৱাৰ পিছৰ পৰা মই বৰ দুখ কষ্টৰ মাজতে দিন কটাইছো। আৰু এই সকলো বোৰৰ কাৰণ তুমিয়েই।"

তেতিয়া ফৰেষ্টিয়াৰে আচৰিত হৈ ক'লে ," ময়েই কাৰণ ! কেনেকৈ ?"

"তোমাৰ হীৰাৰ নেকলেচ ডালৰ কথা মনত আছেনে ? মই যে ভোজ মেলনৈ পিন্ধি যাবৰ কাৰণে তোমাৰ পৰা ধাৰ কৰি আনিছিলো। সেই নেকলেচ ডাল মই হেৰুৱাই পেলাইছিলো।"

সেইডাল দেখোন তুমি মোক ওভতাই দিছিলা।"

"মই তোমাক অবিকল সেইডালৰ নিচিনা এডাল নেকলেচ কিনি আনি দিছিলো। সেই ডালৰ ধাৰ মাৰোতেই দহ বছৰ লাগিল। তুমি নিশ্চয় বুজিব পাৰিছা ,আমাৰ নিচিনা দুখীয়া মানুহৰ বাবে এই কামটো কিমান কষ্টকৰ হব পাৰে। এতিয়াহে ধাৰৰ পৰা সম্পূৰ্ণ ৰূপে মুক্ত হব পাৰিছো।"

এই কথা শুনি মেতাম ফৰেষ্টিয়াৰ স্তব্ধ হৈ প'ল। তেওঁ কলে , "তাৰ মানে তুমি মোৰ নেকলেচ ডালৰ ঠাইত নতুন হীৰাৰ নেকলেচ এডাল কিনি দিলাহি।"

"এৰা, তুমি ধৰিব পৰা নাই। দুয়োডাল নেকলেচ দেখাত হুবহু একে।" এই বুলি কৈ মিচেচ লয়জেলে আনন্দ অনুভৱ কৰি হাঁহি এটি মাৰিলে।

মেতাম ফৰেষ্টিয়াৰে আবেগেৰে তেওঁৰ বান্ধৱীৰ হাত দুখন সাৱটি ধৰি কলে, "অ মোৰ আজলী মাটিলডা ,মোৰ নেকলেচ ডাল আছিল নকল হীৰাৰ। সেই ডালৰ দাম পাঁচশ ফ্ৰাঙ্কতকৈ বেছি নাছিল।"

# বাৰ্তা বাহক

মূল ৰচনা : ও' হেনৰি
অনুবাদ : ৰেৱী ৰেজবৰুৱা

ৰাজহুৱা উদ্যানখনত মানুহৰ সমাগম নাই বুলিলেই হয়। বসন্তৰ ৰতৰ আৰম্ভ হবলৈকে বাকী। তথাপিও এগৰাকী যুৱতীয়ে কিবা ভাবৰ উচ্ছাসতে আগন্তুক বসন্তৰ আগলি সুবাস লবলৈকে কিজানি উদ্যানৰ এখন বেঞ্চত বহি পৰিল। বহিল যদিও যুৱতীয়ে চিন্তাৰ ভৰত হে যেন শান্ত ভাবে বহি ৰ'ল। যুৱতীৰ মুখখনত ফুটি উঠা বিষাদৰ চিনটো যেন বেচি দিনৰ নহয়, সেই কথা তেওঁৰ মুখখনলৈ চালেই ধৰিব পাৰি, কাৰণ তেওঁৰ গাল দুখনৰ যৌৱনোজ্জ্বল মসৃনতা সাম্প্ৰতিক বিষন্নতাই এতিয়াও ঢাকিব পৰা নাই।

যুৱতীগৰাকী বহি থকা ঠাইৰ ওচৰৰে যোৱা পথ টোৰেদিয়েই এজন ওখপাখ ডেকাযুৱক উদ্যানলৈ সোমাই আহিল। তেওঁৰ পিচে পিচে হাতত এটা চুটকেছলৈ লৰা এজনো আহিল।যুৱতী গৰাকীক বহি থকা দেখিয়েই যুৱকজনৰ মুখৰ ৰং ৰঙা -সেঁতা হবলৈ ধৰিলে। ডেকাজনে ছোৱালীজনীৰ মুখলৈ আশা আৰু উৎকণ্ঠাৰে চাই পঠিয়ালে। ডেকাজনে যুৱতী গৰাকীৰ দুখোজমান আঁতৰেদিয়েই পাৰ হৈ গ'ল। কিন্তু যুৱতীৰ মুখত যুৱকে তেওঁৰ উপস্থিতি বা আগমন লক্ষ্য কৰাৰ কোনো চিনেই দেখা নেপালে।

প্ৰায় পঞ্চাচ গজ আঁতৰলৈ খোজ পেলাই ডেকাজনে হঠাৎ থমকি ৰল আৰু কাষৰ বেঞ্চ এখনৰ এমূৰত তেওঁ বহি পৰিল। তেওঁৰ পিচে পিচে চুটকেছ কঢ়িয়াই অনা লৰাটোৱেও বাকছটো কাষতে থেকেচুকৈ থৈ ডেকাজনৰ মুখলৈ চকুকোচাই অবাকহৈ চাই ৰল। ডেকাই বহিলৈ জেপৰ পৰা ৰুমাল এখন উলিয়াই চকুমুখ মুচিবলৈ ধৰিলে। এই ডেকাজনে লোৱা ৰুমালখন বেচ ধুনীয়া, ডেকাৰ ভেলাউখিনি ধুনীয়াও আৰু তেওঁ দেখিবলৈকো সুন্দৰ। চুটকেছ কঢ়িওৱা লৰাটোলৈ চাই ডেকাই কলে, "সৌ বেঞ্চখনত বহি থকা যুৱতী গৰাকীলৈ তুমি মোৰ এটা বাৰ্তা লৈ যাব লাগে।

তুমি তেওঁক কৰাগৈ যে মই চান্ ফ্ৰাঙ্কিচ্‌কোলৈ যাবৰ বাবে ট্ৰেইনলৈ বুলি ওলাই আহিছো। চান্ ফ্ৰাঙ্কিচকোত মই বছৰেকত চৰা জীৱন টিকাৰী দলৰ লগ লৈ আলাস্কালৈ যাম। যুৱতীক আৰু কৰা যে তেওঁ মোক তেওঁৰ লগত কথা পাতিবলৈ বা চিঠি লিখিবলৈ মানা কৰা কাৰণেহে তোমাক বাৰ্ত্তা বাহক কৰি তেওঁৰ ওচৰলৈ পঠাই তেওঁৰ ওচৰত শেষ বাৰৰ কাৰণে সুবিচাৰ বিচাৰিছো। তুমি তেওঁক কৰাগৈ যে অপৰাধী বুলি ভৰাজনক কোনো কাৰণ নজনোৱাকৈ তেওঁক দোষী সাব্যস্ত কৰা আৰু ত্যাগ কৰাটো মহিলা গৰাকীৰ স্বভাৱ বিৰোধী বুলিয়েই মই বিশ্বাস কৰো। তেওঁক এইটোও কৰা যে মই এইবাৰ তেওঁৰ আগৰ নিৰ্দ্দেশ ভঙ্গ এই বিশ্বাসতে কৰিছো যাতে মোৰ প্ৰতি সুবিচাৰ কৰাৰ ভাৰ -তেওঁৰ মনতে আছে। যোৱা তুমি ,এইখিনি কথাকে তেওঁক কোৱাগৈ।” তেকাজনে লৰাটোৰ হাতত আধা ডলাৰ পইচাও দি দিলে। বকচিচ্ পাই চুটকেছ কঢ়িওৱা লৰাটোৰ চকুমুখ উজ্জ্বল হৈ পৰিল। সি তৎক্ষণাত যুৱতী গৰাকীক বাতৰি যোগাবলৈ ঢাপলি মেলিলে।

বাৰ্ত্ত বাহক লৰাটোৱে যুৱতীৰ কাষত প্ৰথমে অলপ সংকোচ কৰিলেও ভয় নেখালে। ছোৱালী জনীৰ সমুখ পাই সি নমস্কাৰ জনোৱাৰ দৰে মূৰত পিন্ধি থোৱা পুৰণি টুপীটোৰ কাণ ছুই ঠিয় হল। যুৱতীয়ে নিৰ্লিপ্ত ভাবে তাৰ পিনে এবাৰ চালেহে ,কিন্তু কোনো আগ্ৰহ নেদেখুৱালে।

লৰাটোৱে মাত দিলে “আইদেউ সৌ বেঞ্চখনত বহি থকা ভদ্ৰলোকজনে আপোনাৰ কাৰণে কাকুতি মিনতিৰে কিছু কথা কৈ পঠাইছে। তথাপি, আপুনি যদি তেওঁক -নেজানে বুলি কয় বা তেওঁ কিবা চুলুঙাপি কৰিব খুজিছে বুলি ভাবিছে ,মোক কওঁক ,মই তিনিমিনিটতে পুলিচ মাতি আনোগৈ। আৰু যদি তেওঁক চিনি পায় বুলি কয় , তেনেহলে তেওঁ ঠিকেই আছে। মই তেনেহলে তেওঁৰ গীতি কথাবোৰ গাই দিব পাৰো।”

লৰাটোৰ কথাত যুৱতী গৰাকীয়ে অকণমান আগ্ৰহ দেখুৱা যেন কৰিলে। নিজৰ মিঠা মাতটোৰে জুখি মাখি ক ওঁতে কথাত এক ক্ষীণ ব্যঙ্গৰ সুৰ সানি তেওঁ মাত দিলে “কি কলা, কাকুতি মিনতিৰ কথা ? বোধকৰো কাব্যিক সুৰৰ কিবা নতুন ভাবৰ চাল। তোমাক যি জনে মোৰ ওচৰলৈ পঠাইছে ,তেওঁক মই আগতে চিনিছিলো। গতিকে পুলিচ মাতি অনাৰ দৰ্কাৰ নাই। তুমি তোমাৰ গীতৰ কথা গাই যাব পাৰা। কিন্তু আঁতৰৰকৈ নহয় ,লাহে

লাগে। মুকলিকৈ গীত আওৰাবৰ এইয়া সময় নহয়। নহলে আমি আনৰ লক্ষ্য হৈ পৰিম।"

আকৌ অলপ জোকাই লৰাটোৱে আৰম্ভ কৰিলে " আইদেউ মই কি বুজাব খুজিছো আপুনি নিশ্চয় বুজিছে। এটা কথা নহয়,মানে কথাৰ এটা সোঁত। তেওঁ কৈ পঠাইছে ,তেওঁৰ সকলো পোছাক -পৰিচ্ছদ হাতৰ ছুটকেছটোত ভৰাই তেওঁ চানক্ৰাফিচ্‌কোলৈ যাবলৈ ওলাইছে। তাৰ পৰা তেওঁ ক্লন্‌দাইৰ বৰফত চৰাই চিকাৰলৈ যাব। তেওঁ কলে আপুনি বোলে তেওঁক গোলাপী চিঠি পঠাবলৈ আৰু উদ্যানৰ গেটত বৈ থাকিবলৈ মানা কৰি দিছে। সেই বাবেহে বোলে তেওঁএই পদ্ধতিৰে আপোনাক আচল কথা জনোৱাৰ ব্যৱস্থা লৈছে। আপুনি বোলে তেওঁক অতীতৰ চিনাকী বুলিহে জনাই দিছে আৰু তাৰ কাৰণ সুধিবলৈ আৰু তাৰ উত্তৰ দিবলৈ তেওঁক সুবিধাকে নিদিলে। তেওঁ কলে আপুনি কোনো কাৰণ নজনোৱাকৈয়ে তেওঁক ত্যাগ কৰিলে।"

যুৱতীৰ চকুত প্ৰথমে দেখা ক্ষীণ কৌতূহল কিছু একেদৰেই ৰল। কোনো যোগাযোগ নাৰাখিবলৈ তেওঁ আওপকীয়াকৈ নয়নাৰ অদ্ভুত কৌশল বা সাহস দেখিছে তেওঁৰ এই সামান্য কৌতূহল জন্মিছিল। বিশৃংখল হৈ থকা উদ্যানত ঠিয় হৈ থকা অকলশৰীয়া এটা প্ৰতিমূৰ্ত্তিত চকু ৰাখিয়েই তেওঁ লৰাৰূপী বাহকযন্ত্ৰক কব ধৰিলে,

"ওসা ভদ্ৰলোকক কবা যে মই মোৰ আচৰণৰ বিবৰণ দুনাই তেওঁক দোহাৰিবৰ আৱশ্যক নাই। তেওঁ সেইবোৰ কি জানে নিজে মোৰ কিছু সেই কথাবোৰ পুৰা মনত আছে। তেওঁক কবা,মোৰ কিছু সাধ্যমতেই মই মোৰ অন্তৰৰ তাৰ চাপি ৰাখি চাইছো। মোৰ অন্তৰৰ কিহৰ প্ৰয়োজন আৰু দুৰ্ব্বলতাবোৰ ক'ত মই ভালদৰে জানো। সেইবাবেই তেওঁৰ বক্তব্য যিয়েই নহওক,তেওঁৰ কোনো যুক্তিয়েই মই শুনিব নোখোজো। কাৰোবাৰ কথা শুনি বা সন্দেহজনক প্ৰমাণৰ ভিত্তিত মই তেওঁক অভিযুক্ত কৰা নাই ,তেওঁ নিজে ভালদৰে জনা কথাটোকে যদি দুনাই জানিবলৈ বিচাৰিছে ,তেনেহলে তুমি তেওঁৰ কাৰণে কথাটো শুনি যোৱা।

"তেওঁক কবা যে সেই দিনা সন্ধিয়া ফুল বাগিছাখনৰ পিচফালেদি সোমাই মোৰ মাৰ কাৰণে এপাহ গোলাপ ছিঙি আনিবলৈ গৈছিলো। তেওঁক জনাবা যে তাতে গোলাপী আলেন্দাৰ ফুল গছ জোপাৰ তলত মই

নিজ চকুৰে তেওঁক আৰু মিচ এচবাৰ্টনক একে লগে ঠিয় হৈ থকা দেখিলো। দৃশ্যটো মনোৰম, কিন্তু তেওঁলোক দুয়োৰো শৰীৰ দুটাৰ ব্যৱধান স্পষ্ট ভাৱে ইমান চকুত লগা ধৰণে আছিল যে বাকী কথাৰ ব্যাখ্যা কৰাৰ কোনো প্ৰয়োজন বুলি মই নেভাবো। সেই দৃশ্য দেখি মোৰ তেওঁৰ প্ৰতি ভাৱ সলনি হৈ গ'ল, মই তৎক্ষণাত ফুলবাগিছা খন এৰি আহিলো, লগতে, মই আনিবলৈ যোৱা গোলাপ পাহি আৰু মোৰ তেওঁৰ প্ৰতি থকা আদৰ্শও তাতে এৰিলো। তুমি এতিয়া তোমাৰ গীত-নাটৰ গৰাকীক বুজাই কোৱাগৈ।"

যুৱতী গৰাকীৰ কথাবোৰ একান্তমনে শুনি লৰামতীয়া বাৰ্ত্তা যোগনীয়াজনে পোনছাটেই ডেকা ভদ্ৰলোক জনৰ ওচৰ পালেগৈ। ডেকাৰ চকুৰেদি যেন প্ৰশ্নৰ শাৰিহে বাগৰিল, সেইদৰেই তেওঁ লৰাটোৰ মুখলৈ চালে। তাৰ মুখতো অনুবাদক হৰ পৰা আনন্দ ফুটি উঠিল।

সি আৰম্ভ কৰিলে, "ভদ্ৰ মহিলাই কলে যে কোনো ডেকাই ছলাহী কথাৰে ছোৱালীক হাত কৰিব পাৰে বুলি তেওঁ জানিছে আৰু তাকে ঢাকিবলৈ কোৱা যি কোনো কথা বিশ্বাস কৰি শুনিবলৈ তেওঁ নোখোজে। তেওঁ জনালে যে ফুল বাগিছাখনত গছৰ তলত কোনোবা ছোৱালীক আপুনি সাৱটি ধৰা তেওঁ নিজ চকুৰে দেখিছে। তেওঁ ফুল ছিঙিবলৈ বাগিছাৰ পিচফালেদি সোমাই আপোনাক সেই ছোৱালী জনীক সাৱটি থকা দেখিছিল। দৃশ্যটো ধুনীয়া আছিল বুলিও তেওঁ কৈছে, কিন্তু সেয়ে তেওঁক বিৰক্তি দিলে। সেয়ে তেওঁ কৈ পঠাইছে আপুনি তালি-তোপোলা বান্ধিলৈ-ট্ৰেন ধৰিবলৈ খোজ লোৱাহে ভাল।"

বাৰ্ত্তা বাহকৰ বহল লগোৱা কথাবোৰ শুনি থাকি ডেকাৰ মুখেদি এটা সুহুৰি ওলাই আছিল। হঠাৎ মনলৈ এটা ভাৱ অহাত তেওঁৰ চকু উজ্জ্বলিত হৈ পৰিল। তেওঁ লৰাজনিকে কোটৰ ভিতৰ জেপলৈ হাত ভৰাই একোপ চিঠি উলিয়াই আনিলে। চিঠি জাপৰ মাজৰ পৰা এখন চিঠি উলিয়াই লৰাটোৰ হাতত দি জেপৰ পৰা নতুন এটা ৰূপৰ ডলাৰ লৰাটোলৈ আগবঢ়ালে। তাক কলে "তুমি এই চিঠিখন মহিলা গৰাকীক দিয়াগৈ। তেওঁক চিঠিখন পঢ়িবলৈ কবা। আৰু কবা যে তেওঁৰ কথা বাৰুনাৰ লগতে তেওঁ যদি বিশ্বাস ৰাখিব পৰা ওপৰ অপমান মিলাই লগে হেতেন, মাজৰ এনেবোৰ অজৰৰ বান্ধাৰ পৰা বহুদিনি আঁতৰি থাকিব পৰা গ'ল হেতেন। মই যে তেওঁৰ পৰা উত্তৰ

এটা পাৰ্বলৈ বৈ আছো ,তাকো কৰা।''আকৌ লৰাজন যুৱতী গৰাকীৰ সন্মুখত ঠিয় হ'ল।

সি আৰম্ভ কৰিলে,''ডেকা ভদ্ৰলোকে জনালে যে কোন কাৰণ নথকাকৈয়ে তেওঁৰ ওপৰতে সকলো দোষৰ বোজা জাপি দিয়া হ'ল। তেওঁ বোলে সাধাৰণ শ্ৰেনীৰ মানুহ নহয়। মইও কওঁ, আইদেউ,আপুনি চিঠিখন পঢ়ক। মই দাঠি কওঁ, মানুহ জন একেবাৰে খাটি ভদ্ৰলোক।'' কিছু সন্দেহৰ ভাৱ লৈয়েই যুৱতীয়ে চিঠিখন মেলি লৈ পঢ়িবলৈ ললে। তাত লিখা আছিল -

''প্ৰিয় ডক্টৰ আৰ্নল্ড,

যোৱা শুকুৰবাৰে সন্ধিয়া মোৰ ছোৱালীজনীক ঠিক সময়তে আপুনি স্থি মৰম আৰু যত্নৰে সহায় কৰিলে, তাৰ বাবে আপোনালৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। মিচেচ্ ৱালসনৰ সম্বৰ্দ্ধনা সভাৰ দিনা ফুলৰ বাগিছাখনত মোৰ ছোৱালীজনী তাইৰ পুৰনি বুকুৰ অসুখটোত আক্ৰান্ত হৈ পৰিছিল। অসুখটোৰ কাৰণে তাই পৰো পৰো হওঁতেই আপুনি ওচৰত থাকি নথকা হলে, আমি কিজানি ছোৱালীজনীকে হেৰুৱালোহেতেন। মই বৰ সন্তোষ পাম, আপুনি যদি এবাৰ আহি ছোৱালীজনীৰ বেমাৰৰ চিকিৎসাৰ দায়িত্ব লয়হি।

কৃতজ্ঞতাৰে,

ৰবাৰ্ট এছৰ্ৱাটন।

যুৱতীয়ে চিঠিখন পুনৰ জাপি লৰাটোক ওভতাই দিলে। বাৰ্ত্তা বাহকে মাত দিলে ,'' ভদ্ৰলোকে এটা উত্তৰ বিছাৰিছে। মই কি কমগৈ।''

যুৱতীৰ চকু হঠাতে চিকমিকাই উঠিল , চকু সেমেকি গ'ল, মুখত মিচিকিয়া হাঁহি এটা তুলি বাৰ্ত্তা বাহকৰ মুখলৈ চাই কলে,'' সিখন বেঞ্চত বহি থকা মানুহজনক কোৱাগৈ যে তেওঁৰ প্ৰেয়সীয়ে তেওঁক বিচাৰিছে।''

# পলক আৰু পৰহ মানুহজন

মূল ৰচনা : এইচ্ জি, ওৱেলচ্
অনুবাদ : জেচমিনা ইছলাম

*১৮৬৬-১৯৪৬ :- কেণ্টৰ ব্ৰোমলে চহৰত - হাৰ্বাৰ্ট জৰ্জ ওৱেলছৰ জন্ম হয়। অত্যন্ত মেধাসম্পন্ন হাবাৰ্টে পৈতৃক ব্যৱসায়ক অনুকৰণ নকৰি শিক্ষকতাকে জীৱিকাৰ উপায় হিচাবে গ্ৰহণ কৰিছিল। জন্মসূত্ৰে পিতৃৰ পঢ়াপোৱা অধ্যয়নৰ হেপাহৰ বাবেই -সময়ত তেওঁ পদাৰ্থ বিদ্যা, ৰসায়ন বিদ্যা, জীৱ বিদ্যা, ভূবিদ্যা, আদি বিভিন্ন বিষয়ৰ ওপৰত গভীৰ ভাৱে অধ্যয়ন কৰি এজন বিদগ্ধ পণ্ডিত হিচাবে পৰিগণিত হৈছিল আৰু পৃথিৱী বিখ্যাত ইতিহাসবিদ হিচাবে পৰিচিত হৈছিল। সেই বাবে বিভিন্ন শিক্ষা প্ৰতিষ্ঠান বাতৰি কাকত আলোচনী আদিত তেওঁ তেওঁৰ লেখনীৰ যোগান ধৰিব লগীয়া হৈছিল। কিন্তু দুৰ্ভাগ্য বশতঃ এনে এজন স্বনামধন্য ব্যক্তিয়ে হাওঁফাওঁৰ ৰোগত আক্ৰান্ত হয় আৰু শোৱা পাটীত থাকিয়ে বহুতো চুটি গল্পৰ জন্ম দিয়ে।*

বালিচৰ পৰি হোৱা উপদ্বীপৰ কাষৰীয়া পাওঁথনতে পলকে, সেই পৰহ জনক প্ৰথম লগ পালে। পৰহ জাতিটোৰ পূৰ্ব্বপুৰুষে এটা সময়ত মানুহ খাইছিল বুলিও প্ৰবাদ আছে। কোকেচিয়ান বংশদ্ভূত এই পৰহ সকলৰ ছোৱালী বোৱাৰীহঁত সৌন্দৰ্য্যৰ বাবেই বিখ্যাত।

যি কি নহওক প্ৰথম বাৰৰ বাবে পলকক লগ পাইয়ে পৰহ মানুহজনে জাপি পৰি উঠিল আৰু সকলো অপকৰ্ম্মৰ অন্ত পেলাবলৈ মুহূৰ্ততে নিজৰ বৈৰীয়েকৰ বুকুলৈকে তেজাৰ ধন সুমুৱাই দি পলকলৈ চোঁচা মাৰিল। কথমপিহে সি ৰক্ষা পৰিল আৰু তৎক্ষণাত নিজৰ ৰিভলভাৰ টো উলিয়াই ওপৰাওপৰিকৈ মানুহজনক গুলীয়াবলৈ লাগিল। পৰহ জনেও কৌশলেৰে নিজক ৰক্ষা কৰিলে কিন্তু পলকৰ অতপালি দেখি সি ইমান বেছি অতিষ্ঠ হৈ

পৰিল যে তীব্ৰ আক্ৰোশত ৰাউচীৰ তলেৰে মূৰটো উতৰাই অদ্ভুত এক কটাক্ষ দৃষ্টি মুহূৰ্তৰ বাবে পলকলৈ নিক্ষেপ কৰিলে আৰু পজাঁৰ পাচফালে থকা জোপোহাৰ আঁৰত অন্তৰ্দ্ধান হৈ পৰিল।

ভাবিব নোৱাৰাকৈয়ে ঘটি যোৱা ঘটনাৰ গুৰুত্ব আৰু ভয়াবহতাৰ কথা ভাবি পলক কঁপিবলৈ ধৰিলে। মানুহ গৰাকীৰ মৃতদেহটো তেতিয়াও তাত পৰিয়ে আছিল। পলকে লাহে লাহে পদূলি মুখলৈ আগবাঢ়িল। বিতলতাৰৰ শব্দই কাষৰীয়া মানুহখিনিক ইতিমধ্যে কিছু অনুসন্ধিৎসু কৰি তুলিছিল। কিবা এক অশুভ ঘটনাৰ ইঙ্গিত পাই, জুম পাতি পাতি সিহঁতে পলকলৈ চাই থাকিল।

পলকে অতি সন্তৰ্পণে পজাঁৰ পৰা ওলাই সঘনে পাচলৈ চাই চাই নৈৰ কাষলৈ বেগ দিলে, জানোচা কোনোবাই তাক অনুসৰণ কৰি আহেই। কিন্তু কাকো সি নেদেখিলে। পৰহ মানুহ জনেও তালৈ তীক্ষ্ণ দৃষ্টিৰে চাই, যি অন্তৰ্দ্ধান হ'ল তাক দেখা পোৱা নগল। অজানিত আশঙ্কাত বন্দুকটো খামোচ মাৰি ধৰি পলক আগ বাঢ়িল। সেই সময়তে সিহঁতৰ দলপতি ওৱাটাৰ হাউচ'ৰ কথা মনত পৰাত পলকৰ মনটো বেজ্‌বেজাই গল। গুণী জ্ঞানী ওৱাটাৰ হাউচে ঘটনাটো শুনিলে তাৰ লেঠা বাঢ়িবহে। কথাবোৰ তেওঁ দৰকাৰত কৈ বেছি গুৰুত্বপূৰ্ণ আৰু বিপদজনক হিচাবে গ্ৰহণ কৰিব।

নিজৰ ওপৰতে পলকৰ খং উঠি গ'ল। আফ্ৰিকাৰ এই পশ্চিম উপকূল আনকি সিহঁতৰ অভিযান টোৰ ওপৰতো বিতৃষ্ণা উপজিল। তাৰ এনেকুৱা অনুভৱ হ'বলৈ ধৰিলে যেন যি কোনো মুহূৰ্ততে সেই পৰহ মানুহজনে তাক আগচি ধৰিবহি। চকুৰ সন্মুখতে সংঘটিত তিৰোতা গৰাকীৰ মৃত্যু যথেষ্ট ভয়ংকৰ আছিল যদিও দুৰ্দান্ত পলক তাৰ বাবে অকণো বিচলিত হোৱা নাছিল। যোৱা তিনিটা মাহে 'কিষ্টাম' নৈৰ পাৰত তাৰ সন্মুখতে কত নৃশংস বৰ্বৰতা সংঘটিত হ'ল, কিমান তিৰোতাৰ মৃতদেহ, জুইত পুৰি ভস্মীভূত হোৱা ঘৰ, বেলি তেনি পৰি থকা মৃত মানুহৰ লাওখোলা দেখিলে কিন্তু নিজৰ ব্যৱসায় ঠিক আৰম্ভ কৰি লওঁতেই ঘটা ঘটনাটোৱেহে তাক বিব্ৰত কৰি তুলিছে। গৈ গৈ পলক সিহঁতে বাঁহৰ পাতি থকা ঠাই পালেগৈ। গা অসুখ কৰা বাবে ওৱাটাৰ হাউচ তেতিয়া শুই

পাইছিল। সাৰপোৱাত পলকে তেওঁক কিছু সেৱা শুশ্ৰূষা কৰি যন্ত্ৰণাবোৰ কমালে। পলকে ঠিকেই ভাবিছিল। কথাবোৰ শুনি ওৱাটাৰ হাউচে খঙত একো নাই হৈ গল আৰু যিমান পাৰে তাক ভৰ্ৎসনা কৰিবলৈ লাগিল।

“এই কলা পৰহ বোৰক তুমি মানুহ হিচাবেই গণ্য নকৰা। এটা দিন মই অসুখত পৰিলেই তুমি কিবা এটা অশোভনীয় কাম কৰি পেলোৱা। তন্ত্ৰ মন্ত্ৰত বিশ্বাসী অসভ্য পৰহ বোৰক এই মাহটোতে তুমি তিনিবাৰ জোকাই নললানে ? ইয়াৰ যোগ্য প্ৰত্যুত্তৰ এইবাৰ কিন্তু তুমি পাবাই। তোমাৰ দৰে ( দুৰাকাংক্ষী লম্পট ) এটাক মই আগতে কেতিয়াও পোৱা নাছিলো। অন্তত: এতিয়া তুমি নিজকে সংযত কৰা আৰু মই তাবো এই ঠাইৰ পৰা গুচি যোৱা ”। পলকেও তাকেই বিচাৰিছিল। পৰহবোৰৰ পৰা আঁতৰি যাবলৈ পলকে ইচ্ছা কৰিলে যদিও অকলে পঠিয়াবলৈ ওৱাটাৰ হাউচৰ ভয় হল আৰু অন্ত:ত চুলেইমা লৈকে তাক আগবঢ়াই দিবলৈ বিচাৰিলে।

পলকে জনালে যে, ইমান ভয় কৰাৰ কোনো কাৰণ নাই। ওৱাটাৰ আচৰিত হ'ল আৰু কলে যে তুমি মায়াজালেৰে আবৃত্ত এই পৰহবোৰৰ কথা জানানো কি ? তিৰোতা গৰাকীৰ সেই অপঘাটক মৃত্যুৰ অনুসন্ধান স্বৰূপে তন্ত্ৰ মন্ত্ৰৰ গুৰু “আয়াজলেক’ নিশ্চয় সিহঁতে নিযুক্ত কৰিব, আৰু দিয়ে দোষীৰ সৰ্ব্বনাশ সাধিব। কথাবোৰ শুনি পলকৰ ভাল নালাগিল আৰু যিমান সোনকালে পাৰে লণ্ডন বা পেৰিচ পাবলৈ উত্ৰাৱল হল।

ইতিমধ্য ওৱাটাৰ হাউচে অলপ আঁতৰলৈ গৈ গম পাই আছিলে যে সেই পৰহ মানুহজন তন্ত্ৰৰ, তান্ত্ৰিক সমাজখনৰ এজন আগশাৰীৰ ব্যক্তি। গতিকে তেওঁৰ চিন্তা আৰু বাঢ়িল। সময় নষ্ট নকৰি পিচদিনাখন লোক মোকালিতে সেই স্থান ত্যাগ কৰিবলৈ তেওঁলোক সাজু হ'ল।

হঠাৎ সেই ৰাতিয়ে পলকহঁতে যোপমৰা আন্ধাৰৰ মাজেৰে দূৰৈৰ সেই পৰ্জা ঘৰটোৰ পাচফালে জোৰ জ্বলোৱা উজ্বল পোহৰ আৰু ধুম ধুমকৈ বাজি থকা শব্দ কিছুমান শুনিবলৈ পালে। আৰু সেই যোপমৰা এন্ধাৰ ভেদ কৰি সোঁ সোঁৱাই পলকৰ ঠিক মূৰৰ কাষেৰে হাৎ কৰে পাৰ হৈ গ'ল। বুজিবলৈ পলকে ভয় নকৰে, কিন্তু এন্ধাৰৰ যাঁৰ লৈ কৰা সিহঁতৰ কাণ্ড কাৰখানা বোৰ দেখিহে পলক অবশ মানিলে। যি কোনো মুহূৰ্ত্তে

তাৰ ওপৰত হ'ব পৰা আক্ৰমণৰ কথা ভাবি সি শঙ্কিত হৈ পৰিল। সেই ৰাতি শুবলৈ চকু মুদোতেও ভয়াবহ সপোন এটাই বাৰে বাৰে তাক আমনি কৰিবলৈ ধৰিলে। পৰহটোৱে বাহৰ তলেৰে মূৰটো উলিয়াই সেই একে কুটিল দৃষ্টিৰে অনবৰত পলকলৈ যেন চাই আছে। পৰহটোৰ ফেকেকীয়া সেই দৃষ্টিয়ে কিয় বাৰু পলকক ইমান শঙ্কিত কৰি তুলিছে! সাৰ পাইয়ো বিছনাত সি তাৰ অঙ্গ প্ৰত্যঙ্গ বোৰতো অদ্ভুত বিষ অনুভৱ কৰিবলৈ ধৰিলে।

তথাপি দোক মোকালিতে উঠি জাহাজত বস্তু বাহানি তুলিবলৈ আৰম্ভ কৰিলে। ঠিক সেই সময়তে আকৌ কাঁইটীয়া কাঢ় এডাল দূৰৰ পৰা আহি কঁপি কঁপি পলকৰ ভৰিৰ কাষতে মাটিত সোমাই পৰিল। পলক ৰক্ষা পৰিল। কিন্তু অস্বাভাৱিক ভাৱে ঘটা এই দুয়োটা ঘটনাই পলকক ভবাই তুলিলে আৰু জীৱনত প্ৰথম বাৰৰ বাবে সি পৰহ বোৰৰ কথা ভাবি উদ্বিগ্ন হৈ পৰিল। ৰিকি নহওক দলপতি ওৱাটাৰ হাটচনৰ সৈতে সিহঁতে যাত্ৰা আৰম্ভ কৰিলে। হেম্পীয়েৰ নামৰ বাদু বিদ্যাত অভিজ্ঞ আন জাতিৰ আদি বাসী এজনকো সিহঁতে সঙ্গী হিচাবে লৈ ললে। ওৰেটো বাট ইটো সিটো কথাৰ মাজতে মানুহজনে কিছু পৰহ সকলৰ অতীত সাথিৰ পৰা ভয়াবহ কাহিনী কিছুমানো কবলৈ নেৰিলে।

ইতিমধ্যে পলকহঁতৰ জাহাজ চুলেইমা পালেহি আৰু তাত সিহঁতে পাচদিন থাকিব লাগিব বুলি জানিব পাৰিলে। পেৰেইৰা নামৰ ব্যৱসায়ী এজনৰ লগত পলকৰ তাত বন্ধুত্ব গঢ়ি উঠিল। ওৱাটাৰ হাউচেও কিছু সকাহ পাই নিজৰ কামলৈ উভতি গল।

চুলেইমাত প্ৰথম দুদিন ভালেৰেই কাটিলে। কিন্তু তৃতীয় দিনা সি গম পালে যে সেই পৰহ টোৱেও আহি চুলেইমা পালেহি। অনিশ্চিত আশঙ্কাত হেঁদালি বিছনাৰ ওপৰতে হাতত ৰিভলভাৰ টো লৈ পলকে ৰাতিটো কটালে। পিচদিনা ঘন ঘটি যোৱা ঘটনাবোৰৰ কথা পলকে পেৰেইৰাক জনালে। পৰহবোৰৰ কথা শুনি পেৰেইৰা সচকিত হৈ পৰিল আৰু কলে যে" কোনোবাই সিহঁতৰ অনিষ্ট সাধিলে তাৰ প্ৰতিশোধ সিহঁতে লৈহে এৰে। বৰ বেয়া কথা হল। এতিয়া পৰহটোক দেখা মাত্ৰকে পলকে তাক গুলী কৰি দিবই লাগিব। অৱশ্যে মইও তাৰ ব্যৱস্থা নকৰাকৈ নাথাকো। ওৰেটো নিশা জোনৰ পোহৰত দুই জনাই সকলো কু অভিপ্ৰায়কে সাধন কৰাত সিহঁত সিদ্ধহস্ত। তোমালৈ সিহঁতে সাপ, অস্বাভাৱিক পোক পৰুৱা,

দু:স্বপ্ন আনকি বিষ বেমাৰো সঞ্চাৰ কৰিব পাৰে। একেবাৰে মাৰি নেপেলাই মানুহক সিহঁতে তিলতিলকৈ নি:শেষ কৰিবলৈকেহে বেছি ভাল পায়।”

পেৰেইবাৰ কথাবোৰ পলকৰ ক্ষেত্ৰতো কিবা মিলি যোৱা যেন লাগিল। আজিকালি চকু মুদিলেই সি মূৰ ওলোটাই দাঁত নিকটাই থকা পৰহটোৰ সেই অদ্ভুদ সপোনটোহে দেখিবলৈ পায়। আনকি সাপ,টৌদিশে কিলবিলাই থকা পোক আৰু শৰীৰত অসহ্য বিষ হবলৈকো তাৰ বাকী নাই। হয়তো এই সকলোবোৰেই কাকতালীয় সংযোগ। কিন্তু তথাপি --। পৰহ সকলৰ তন্ত্ৰ মন্ত্ৰৰ প্ৰতি থকা তাৰ সন্দেহ বশীভূত হবলৈ ধৰিলে এইবোৰৰ পৰা অব্যাহতি পাবলৈ সি যেতিয়া জাতিৰ মূৰ্খৰ বৰ্ব্বৰ এটাৰ লগত কথা বতৰা হল, আৰু তাক কলে যে যদি সি সেই পৰহটোক শেষ কৰি দিব পাৰে তেন্তে সি তাক বন্দুক এটা উপহাৰ দিব।

সেই দিনাই সন্ধিয়া পলক আৰু পেৰেইবা ভাত খেদি আছিল। হঠাতে তেজেৰে লুতুৰি পুতুৰি হৈ থকা কাপোৰৰ টোপলা এটা লৈ মেন্দিটোৱে হৰমূৰকৈ সিহঁতৰ কোঠালিটোত সোমাল,আৰু লগত অনা টোপোলাটো মেলি দিয়াত তাৰ পৰা,পৰহটোৰ কাটি অনা মূৰটো, ওলাই মজিয়াতে বাগৰি বাগৰি একোণত পৰি থল। পলকে দেখি আচৰিত হল যে আনকি কাটি অনা মূৰটোৱেও সেই একেটা ভঙ্গীৰেই তালৈ চঁ-চঁকৈ চাই আছে। ঘটনা দেখি পেৰেইবা স্তম্ভিত হল।“ আনৰ হতুৱাই তুমি তাক মৰালা!কিয় নিজে মাৰাবিলা। তুমি সৰ্ব্বনাশ কৰিলা। এতিয়া আৰু পিশাচটোৱে তোমাক নেৰে। ইয়াত সকলোৱে এইটোকে বিশ্বাস কৰে”। কথাৰ মাজে মাজে পলকে লক্ষ্য কৰিলে কটা মূৰটোত থকা চকু দুটাই তেতিয়াও তালৈ চাইয়ে হৈছে। সহ্য কৰিব নোৱাৰি দুয়ো কটাৰীৰে মূৰটো কত বিকত কৰি পলকে জোৰত খোৰ এটা মাৰি দিলে। ওকৰি হৈ হৈত মূৰটোৱে একে অৱস্থানকে ললে।

মাটিৰ তলতে পুতি থৈ,এই ‘মূৰ - জীতিৰ’ পৰা ৰক্ষা পৰিবলৈ পলকে কোঠালীত থকা পজাল এটাত,মূৰটো চুলিখিনিৰে আওজাই বান্ধি বাহিৰত থাত থাকিবলৈ গল। লবলৈ আহি পলকে আচৰিত হৈ দেখিলে যে,মূৰটোৱে অদ্ভুত ধৰণেৰে তিতিৰেই ওলমি তালৈ চাই হৈছে। সি

প্ৰমাদ গণিলে ; তথাপি গলগ্ৰহ আতৰক বুলি মূৰটো লৈ গৈ সি গাঁতত পুতি থলে। শুবলৈ আহি বিচনাৰ কাষতে দুটা সাপ দেখি পলকে লগে লগে মাৰি পেলালে আৰু তাৰ পাচত শুই থাকিল।

গভীৰ নিশা হঠাতে হঠাতে কিছুমান বিকট চিঞৰ বাখৰ শুনি পলক সাৰ পালে, আৰু খক -মকৈকে উঠি বন্দুকটো লৈ শব্দ অনুসৰণ কৰি গুলী মাৰিলে। মুহূৰ্তৰ বাবে কেঁউ- কেঁউ শব্দ আৰু কলামলা ছাঁ কিছুমান, দুৱাৰৰ ফালে পাৰ হৈ যোৱা সি দেখিলে; মনটো তাৰ জিকাৰ খাই গল। বহু কষ্ট কৰি ৰাতিটো সি শুই থাকিল। হাড়ত অনুভব কৰা তীব্ৰ বিষ আৰু মানসিক অস্থিৰতাত দোকমোকালিতে সাৰ পাই, পলকে আকৌ কিছুমান অস্বাভাবিক ভাৱত ভীতিগ্ৰস্থ হৈ পৰিল চিলিঙত অসংখ্য বগা পকৰা, বিচনাৰ কাষতে কলা -মলা ছাঁ বোৰে লৰি -ফুৰা আকৌ সি দেখা পালে, পিচমুহূৰ্ত্ততে তাৰ এনেকুৱা লাগিল কিবা এটাই যেন উফৰাই তাক পেলাই দিলে। ওকৰি গৈ পলকে পোক পকৰা কুকুৰ আদিয়ে - বখলা -বখলি কৰি পেলোৱা, বীভৎস সেই কটা মূৰটোৰ কাষতে পৰিলগৈ, অথচ যোৱা ৰাতি সি নিজ হাতেই মূৰটো পুতি থৈ আহিছিলগৈ। সাংঘাটিক ভাবে আতঙ্কিত হৈ বহু পৰলৈকে পলক অচল হৈ থাকিল। কিছু পলমকৈ সম্বিত ঘূৰাই পোৱাত বাহিৰলৈ ওলাই আহিল, আৰু আগৰাতিৰ মূৰটো পুতি থোৱা গাঁতটো খালি পৰি থকা দেখি আৰু তাত কুকুৰৰ হাঁতোৰাৰ আচোৰ কিছুমান পাই অনুমান কৰি ললে যে, কুকুৰেই নিশ্চয় আগৰাতি মূৰটো গাঁতৰ পৰা উলিয়ালে।

ৰাতিপুৱা কথাবোৰ পেৰেইৰাক কোৱাত পেৰেইৰাই তাক ভয় কৰিবলৈ মনা কৰিলে। পলকে ভাবিলে মূৰটো নাইকীয়া কৰি পেলাব পাৰিলেহে তাৰ দু:চিন্তা নোহোৱা হব। গতিকে মূৰটো ঘৰিয়ালৰ পেটতে সোমাই থাকক বুলি পিচদিনা সি নৈৰ মোহোনালৈ গল, আৰু তাত ঘৰিয়ালেৰে ভৰি থকা ঠাইত মূৰটো দলিয়াই দিলে। কিন্তু ভাবিব নোৱাৰা ধৰণেৰে ঘৰিয়ালৰ মুখৰ পৰাও মূৰটোৱে উদ্ধাৰ পালে আৰু জোৱাৰৰ পানীত উটি আহি পাৰতে বালিত পোত খাই থাকিল।

দু: সাহসী আৱৰ এটাই সাগৰৰ পাৰত ঘূৰি ফুৰোতেই, মাটিত পোত খাই থকা মূৰটো পাই উঠাই আনিলে আৰু নাম মাত্ৰ দামত পলক আৰু পেৰেইৰাকে জোৰ কৰি মূৰটো বিক্ৰি কৰি থৈ গল। বাৰে বাৰে মূৰটো আহি

আগত পৰাত পেৰেইৰাই এইবাৰ নিজেই পলকক লগত লৈ [illegible] যুৱকটো পেলাই থৈ আহিলে গৈ। কিন্তু অবিশ্বাস্য ভাবেই পিছ দিনা ৰাতিপুৱাতে উঠি পলকে দেখিলে যে যুৱকটো তাৰ তোতালতে পৰি বৈছে। আৰু বিমান বাবু যতেই সি যুৱকটো দেখিলে, সেই একেই ওলোটা হৈ তালৈ বীভৎস দৃষ্টিৰে চাই থকাহে পালে। ভয়তে পলকৰ কণ্ঠ শুকাই গল। বহুত চিন্তা কৰি এইবাৰ সি যুৱকটো জুইত পুৰি চাই কৰি দিবলৈকে ঠিক কৰিলে। গতিকে পিচদিনাখন জাহাজৰ ৰোধৰ গোটাই তাওৰকে জুই একুৰা জ্বলাই, তাতেই যুৱকটো দলিয়াই দি সি স্বস্তিৰ নিশ্বাস পেলালে। তাৰ পাচত জাহাজ এবাৰ আগতে পেৰেইৰাক শেষ মাতবাৰ লগাবলৈ গ'ল।

এইবাৰহে পলকে সকলো দুঃচিন্তাৰ পৰা মুক্ত হ'ল। আতঙ্কগ্ৰস্ত ভয়াবহ দিন কেইটাৰ স্মৃতি এটা এটাকৈ পলকৰ মনৰ পৰা আঁতৰি যাবলৈ ধৰিলে। আৰু সকলো যাদু -মন্ত্ৰ যেন বতাহৰ লগত মিলি গল।

পলকহঁতৰ জাহাজ চুলেইমাৰ মাটি এৰিলে। জাহাজৰ কেপ্তেইন জনে পলকৰ লগত সৌহাৰ্দ্য পূৰ্ণভাৱে কথা বতৰা পাতিবলৈ ললে। কথা প্ৰসঙ্গতে তেওঁ কলে যে "ইণ্ডিৰ" কাৰত তাৰ সৰেই কৌতূহলদ্দীপক অদ্ভুদ বস্তু এটা পাই তেওঁ উঠাই আনিছে। কটাৰীৰে কাটি কোনোবাই আঁক বাঁক কৰি থোৱা খুটৰ সদৃশ সেইটো পৰহ এটাৰ মূৰ। তেওঁ থোৱাঁৰ মাজৰ পৰা উঠাই আনিছে। পলকৰ দৰে দুৰ্দান্ত লৰা এটাই পালে নিশ্চয় বৰ আমোদ পাব। কথা শুনি পলকৰ গা শিঁয়ৰি উঠিল। আকৌ সেই মূৰ। উত্তেজনাত সি কান্দিবলৈ ধৰিলে আৰু সমূদ্ৰত জাপ দিবলৈ উদ্যত হল। জেক্ ফিলিপে পৰা মাৰি ধৰাতহে সি ৰক্ষা পৰিল।

পলকৰ বাবে চুলেইমাৰ দিন কেইটাতকৈ জাহাজত সময়বোৰ অধিক ভয়াবহ হৈ পৰিল। কেপ্তেইনে সযতনে সজাই থোৱা মূৰটোৰ বীভৎস চাৱনিয়ে এক মুহূৰ্তৰ বাবেও তাক এৰা নিদিলে। পলকৰ বাবে জাহাজৰ প্ৰতিখন বেৰ যেন কাঁচৰ যেন লগা হল, আৰু তাৰ মাজেৰেই সেই কদাকাৰ মূৰটোৱে পলকলৈ চাই যেন ভয় খুৱাই থাকে। এই ভাৱৰ পৰা মুক্ত হবলৈ সি যিমান পাৰে নিজকে সংযত কৰিলে। কিন্তু সকলো অথলে গল। ৰাতি হোৱাৰ লগে লগে কুৎসিত দানৱ মূৰটোৰ সপোন বোৰে তাৰ টোপনি ধৰাৰ বাবে এতিয়া সি জোৰ কৰিয়ে তাৰ মনৰ ভয় আতঙ্কাৰ সোমাবিলে।

উপায়হীন হৈ 'বাধ্যগ্ৰস্ত' পলকে জাহাজ সলনি কৰিলে। কিন্তু তথাপিতো সেই একেই দুঃস্বপ্ন। সমগ্ৰ শৰীৰতে হোৱা অসহ্য বিষে পলকৰ লগ লেবা হল। এইবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ সি জুৱা, মদ আদিত লাগিল। কিন্তু একো ফল নহল। ক'ৰবাত ক'লা ছাঁ এটা দেখিলেই সি সেই অস্বাভাৱিক ভয় আৰু ওলোটা মুখৰ কুটিল দৃষ্টিৰ উমান পোৱা হ'ল। এটা সময়ত তাৰ এনেকুৱা লাগিল জাহাজ ,সাগৰ, নাবিক এই সকলোবোৰ যেন শূন্যত ওলমি আছে আৰু সেইবোৰ আঁৰ কৰি ৰখা পৰ্দাখনতে পৰহ মানুজনৰ মুখটো ওলমি ৰৈছে। এইদৰে সি এক বেদনাদায়ক যন্ত্ৰণাত উমি উমি জ্বলি অৱশেষত পলক ব্যৱসায় সংক্ৰান্ত কথাৰ আলোচনা কৰিবলৈ গল। সেই সময়ত বেংকাৰজনৰ ঘৰৰ বেৰত সজাই ৰখা ধুনীয়া চেকীয়া এজোপাতো পলকে সেই কদাকাৰ মুখটোৰ অৱস্থিতি অনুভৱ কৰিলে আৰু অপলক দৃষ্টিৰে কেৱল সেইপিনেই চাই ৰল। পলকৰ ধৰণ কৰণত বেংকাৰজনৰ সন্দেহ উপজিল আৰু তেওঁক মানসিক চিকিৎসকৰ ওচৰলৈ যাবলৈ পৰামৰ্শ দিলে।

ডাক্তৰৰ আঁলে খোজ কাঢ়ি গৈ থাকোতে পলকে লক্ষ্য কৰিলে যে বিপৰীত দিশৰ পৰা মাটিত তেজৰ চেকা লগাই সেই কুৎসিত মুখটোৱে ক্ৰত গতিত জাপ মাৰি মাৰি তাৰ ফালেকে আহি আছে। মুখটো আহি পলকৰ ভৰিত লগাত সি জাপ মাৰি দিলে আৰু বেয়াকৈ উকৰি পৰি হাতখন ভাঙি হৈ গল। তেনেকৈয়ে অচেতন অৱস্থাত সি দুদিন থাকিল। অলপ চেতনা অহাৰ লগে লগে আকৌ সেই ভয়ৰ সপোন বোৰে তাক যন্ত্ৰণা দিবলৈ ধৰিলে। ইতিমধ্যে সি মানসিক চিকিৎসকৰো পৰামৰ্শ ললে। নভেম্বৰ মাহ পৰিল। পলকে ভাবিলে এতিয়া সি ফুটবল খেলত ব্যস্ত হৈ থাকিব পাৰিব। কিন্তু খেলপথাৰত সি বলটো মাৰিবলৈ লোলেই পৰহটোৰ মুখটো আহিহে তাৰ ভৰিত লাগেহি। উপায় নাপাই চকুমুদিয়ে সি কিক্ কৰিবলৈ অভ্যাস কৰিবলৈ ধৰিলে। কিন্তু তথাপিও সি ৰক্ষা নাপালে। বলটো গলৰ ফালে গলেও তাৰ এনেকুৱা লগা হল যেন সেইটো পৰহটোৰ মুখটো হৈ ভাগেহে দৌৰা লয়হি। আজৰত সি খেল এৰিবলৈ বাধ্য হল।

ক্ৰমাগতে পলকৰ এই ভয় কেৱল লকুল ভয় হৈ নাথাকি জীৱন বিভীষিকাৰ ৰূপে তাক জিলিবলৈ ধৰিলে। সি দেখা প্ৰতিটো বস্তু আসলি

কোনোবাই ভালৈ চালেও পৰহটোৰ প্ৰতিশোধ পৰায়ণ দৃষ্টিৰে তালৈ চাই থকাৰ দৃষ্টিহে দেখিবলৈ পায়।

এনে সময়তে এদিন তাক চাবলৈ সম্পৰ্কীয় তাৰেক এজন আহিল। তেওঁৰ হাতত থকা কলা হেটটো দেখি পলকে ইমান বেছি পৰহটোৰ কুৎসিত মুখটোৰ অনুভূতি অনুভৱ কৰা হল যে তাৰ এনেকুৱা লাগিল - হেটটোত থকা চকু দুটা যেন সি কৰা অপকৰ্মৰ কাৰণ বিচাৰি সেই মুহূৰ্ততে তাৰ লগত যুদ্ধত অৱতীৰ্ণ হ'ব। ভয়ত বৰ নোৱাৰি পলকে কাষতে পোৱা চাইকেল এখনত উঠি তাৰ পৰা পলাই গল। কিন্তু অলপ পাচতে সি গম পালে যে কুৎসিত মুখটোৱে তাক অনুসৰণ কৰি খাপৰি খাপৰি আহি আছে আৰু কন্তেক পাচতে সেইটো আহি চ'কাৰ তলতে সোমাই গল। লগে লগে পলক উফৰি পৰিল আৰু বেয়াকৈ দুখ পালে।

ইতিমধ্যে ডিচেম্বৰ মাহ আৰম্ভ হল। এদিন খ্ৰীষ্ট মাচৰ ৰাতিপুৱা সকলো ভয়াবহতাৰ পৰি সমাপ্তি ঘটিল। বুকত ভূমি থকা সেই ৰাতিৰ সপোন যোৰ ইমান বেছি পাশৱিক ৰূপত তাক দেখা দিবলৈ ধৰিলে যে তাৰ তুলনাত পূৰ্বৰ সকলোবোৰ ঘটনা একেবাৰেই নাছিল। দ্ৰুত তাৰ এটা থকা ঠাইতে ওবেটো ৰাতি পলকে কটা মুখটো ওলমি থকা দেখিলে। সি সপোন নে দিঠকতে দেখিছে তাৰ উমান লবলৈ নিজকে চিকুটি চালে। কিন্তু অৱশেষত স্পৰ্শইও যেন পলকক বিশ্বাস ঘাতকতা কৰিলে।

কঁপি কঁপি বিছনাৰ পৰা নামি আয়নাত জীৱন্ত মৃতদেহ এটাৰ দৰে তাৰ শোকাবহ অৱস্থাটো দেখি অনুশোচনাত পলক ভাগি পৰিল। পিচ মুহূৰ্ততে যথেষ্ট সাহস গোটাই সি নিজকে প্ৰবোধ দিবলৈ ধৰিলে। এই সকলোবোৰ তাৰ ভ্ৰান্ত ধাৰণাহে আছিল। ভয় নো কিহৰ ? কিন্তু ঠিক পিচ মুহূৰ্ততে আকৌ আয়না থকলৈ চকু যোৱাত পলকৰ জীউ উৰি গল। কটা মুখটোৱে ওলোটাকৈ ওলমি তালৈ অদ্ভুত এক কাঠ হাঁহি মাৰি আছে। ধৈৰ্য্যৰ সীমা তাৰ পাৰ হৈ গল। বেতেৰে কৰা কন্ধ হাতেৰে সি নিজৰ ডিঙিত চেপি ধৰিলে। মৃত্যুৰ শীতল কোলাত সকলো বীভৎসতাৰ অন্ত পৰিল, যেন দুৰ্ভাগ্যৰ স্ৰোত এখন ৰবক কঠিনতাত বিলীন হৈ গল।

# কৰ্তব্যপৰায়ণা মিছ ব্ৰেচগাৰ্ডলে

মূল ৰচনা - ষ্টেচি অমনিয়াৰ
অনুবাদ - বীণা বৰা

"এইটোৱে আপোনাৰ কোঠা বাইদেউ ,"

" হয় ,ধন্যবাদ দেই "

" আপোনাৰ পছন্দ হৈছেনে ?"

" নিশ্চয় বঢ়িয়া কোঠা ,ঠিক আছে ,"

" আপোনাক কিবা লাগিব নেকি ?"

" অ' যদি গলম নহয় , মোক গা ধুবলৈ অলপ গৰম পানী লাগিছিল। "

" বাইদেউ , গা ধোৱা ঘৰটো এই বাৰাণ্ডাৰে গলে বাওফালে পৰিব , মই আপোনাৰ গা ধোৱাৰ ব্যৱস্থা কৰি থওঁ " এই বুলি পৰিচাৰিকা গৰাকী যাব খুজিলে। "শুনাছোন ,আৰু এটা কথা ,মই বহুদূৰৰ পৰা আহিছো, বৰ ভাগৰ লাগিছে। অনুগ্ৰহ কৰি চাবা যাতে ৰাতিপুৱা মোক ,কোনেও আমনি নিদিয়ে। মই নিজে উঠি বেল বজাম।"

"নিশ্চয় বাইদেউ , আপুনি একো চিন্তা নকৰিব।" পৰিচাৰিকা গৰাকী আঁতৰি গল।

মিলিচেণ্ট ব্ৰেচ গাৰ্ডলে সঁচা কথাই কৈছে। তেওঁৰ বৰ ভাগৰ লাগিছিল। ইজিংষ্টক নামৰ যিখন সৰু শান্ত এখন ঠাইৰ পৰা তেওঁ আহিছে তাৰ মানুহবোৰে সঁচাকথা কোৱা বুলি এটা পৰম্পৰা আছে। সেইঠাইৰ মানুহৰ সহজ সৰল জীৱন যাপন ,সজ চিন্তা চৰ্চা ,আৰু সৎ কামত সময় কটোৱাৰ অভ্যাস। ব্ৰেচগাৰ্ডলক দেখিলেই তেওঁ যে ইজিংষ্টকৰ মহিলা , সেইটো ধৰিব পাৰি। কৰ্তব্যৰ খাতিৰত এই গৰমত বৰতোৱৰ এই হোটেলত আহি উঠিছে। ইংজিষ্টকৰ পৰা লণ্ডনলৈ আহি একেদিনাই উভতিবলৈ কেলে অকলৰ ভয়ৰ মাথৰ পাৰছে ট্ৰেইনেৰে পেৰিচলৈ আহি চাৰিঘণ্টা পেৰিচত কটালে। কেনে ভয়ানক অভিজ্ঞতাৰ

মাজেৰে তাৰ পৰা বৰ ডে তাঙলৈ আহি মাজৰাতি পাইছেহি। অহাৰ উদ্দেশ্য হৈছে দক্ষিণ আমেৰিকাৰ পৰা সৰু নন্দেকক লগ পোৱা। পেৰাগুৱেৰ মিছনেৰী এজনৰ লগত তেওঁৰ বিয়া হৈছিল, কিন্তু তাৰ জলবায়ুৱে নুসুজা বাবে লণ্ডনলৈ ঘূৰি আহিছে। প্ৰকৃততে তেওঁৰ মৰমৰ ককায়েকে তিন নিজে আহিলহেঁতেন। কিন্তু ব্যস্ততাৰ বাবে আহিব নোৱাৰিলে। মিলিচেণ্টে সেই দায়িত্ব লব লগীয়া হল।

তেওঁ কেতিয়াও ইংলেণ্ডৰ বাহিৰলৈ যোৱা নাই। আচলতে ভ্ৰমণ কৰিবলৈ তেওঁ ভয় কৰে। অচিনাকী বিদেশী মানুহৰ প্ৰতি তেওঁৰ অবিশ্বাস। যিকি নহওক ফৰাচী ভাষা ব্ৰেচপাৰ্ডলে অলপ জানে যেতিয়া তাৰে কাম চলি যাব। ফৰাচী মানুহবোৰে বৰ বেছি কথাবতৰা নাপাতে। ককায়েক তিনে তেওঁক অচিনাকী মানুহৰ লগত কথা বতৰা নাপাতিবলৈ, কিবা সুবিধা লগীয়া হলে আৰক্ষী বা তেনে কোনো ইউনিফৰ্ম পিন্ধা মানুহৰ কাষ চাপিবলৈহে পৰামৰ্শ দিলে। তেওঁ দুখ কৰি কলে যে ফ্ৰান্সত মহিলাই অকলে ভ্ৰমণ কৰাটো অসুবিধাজনক। তাত দুঃচৰিত্ৰ, লম্পট আদি মানুহ ঘূৰি ফুৰে। ভনীয়েকক অকলে যাবলৈ দিবলৈ তেওঁ ভাল পোৱা নাছিল। কিন্তু মিলিচেণ্টে ফৰাচী ভাষা জানে আৰু তেওঁৰ সাহস আছে বুলি জোৰ কৰাত পঠাবলৈ মান্তি হৈছিল।

কোঠালীটোত বস্তু - বাহানি বোৰ খুলি ঠানথিত লগাই ললে। ঘৰৰ ধুনীয়া মৰম লগা শোৱনী -কোঠালি তেওঁৰ মনত পৰিল। বিদেশৰ হোটেলৰ কোঠাটো তেওঁৰ ভাললগা নাই, এখন ভাল ছবি নাই, ফুলতোলা এখন ভাল টেবুল ক্লথ নাই। হেঃ এইবোৰ তেওঁ কি আশা কৰিছে? নিজৰ হাঁহি উঠিল ব্ৰেচপাৰ্ডলেৰ।

কাপোৰ কানি সলাই টাৱেল খন আৰু ব্ৰাছৰ বেগটো লৈ লাইট নুমাই দুৱাৰ বন্ধ কৰি গাধোৱা ঘৰলৈ গ'ল। ধুনীয়া গা ধোৱা -ঘৰটো দেখি আৰু গৰম পানীৰে গাটো ধুই তেওঁৰ বৰ আৰাম লাগিল। ঘৰ এৰি অহাৰ পৰা প্ৰথমবাৰৰ বাবে তেওঁৰ যাত্ৰাত এটি আনন্দদায়ক মুহূৰ্ত অনুভৱ কৰিলে। তেওঁৰ জীৱনত এনে অভিজ্ঞতা এয়ে প্ৰথম। তেওঁৰনো কিমান বয়স হৈছে? খুব বেছি বিয়াল্লিচ বা তিয়াল্লিচ হব। এই বয়সতে তেওঁ যথেষ্ট গহীন, গভীৰ, মনৰ ঘাত মানুহজনীক গাৰঁৰ মুক্ত বায়ু লেখন

কৰি সহজ সৰল ভাবে জীৱন যাপন কৰা মিলিচেণ্টৰ স্বাস্থ্য অটুট আছে।

আৰু প্ৰেম ? তেওঁৰ জীৱনলৈও প্ৰেম আহিছিল এজন মৰমীয়াল, ভদ্ৰ স্কুল শিক্ষকক তেওঁ ভাল পাইছিল। বিয়াৰ বন্দোবস্ত হোৱা নাছিল, কেৱল পৰস্পৰ মাজত বুজাবুজি, ভালপোৱাৰ ভাব গঢ়ি উঠিছিল। তিনি বছৰ এইদৰে পাৰ হল। মানুহজন বৰ অমায়িক, আৰু বিবেচক আছিল। মিলিচেণ্টে গোটেই জীৱন এই ভালপোৱা অটুট ৰাখিবলৈ বিচাৰিছিল। কিন্তু ষ্টিফেনৰ বিবাহ পাশত আবদ্ধ হোৱাত সংকোচ আছিল। এদিন ষ্টিফেন গুচি গল আৰু ঘূৰি নাহিল। পিছত গম পালে তেওঁ বেলেগ এগৰাকী ছোৱালীক বিয়া কৰালে। ব্ৰেচগাৰ্ডলে এই আঘাতটো সহ্য কৰিবলৈ বৰ টান পাইছিল। কিন্তু সময়ে সকলো পাতলাই দিলে।

ব্ৰেচ গাৰ্ড্‌লে ভাবিলে তেওঁ ককায়েকলৈ বহুত কথাই লিখিব। চাহৰ দোকানত তেওঁৰ চচমা হেৰুৱলগীয়া হোৱাৰ কথা, পেৰিচলৈ যোৱা - ৰেলত আমেৰিকান লৰাএজনে কৰা আমোদজনক মন্তব্য, সকলো ঠাইতে পোৱা সুস্বাদু আহাৰৰ কথা, হোটেলৰ মালিকৰ আদৰ যত্নৰ কথা পৰিচাৰিকা গৰাকীৰ কথা, -বহুত কথাই লিখিব লাগিব।

টাৱেলেৰে ভালদৰে গা মূৰ টুকি তেওঁ নিশাৰ সাজপাৰ পিন্ধিলে। গাধোৱা সামৰি লাইট নুমাই স্পঞ্জৰ বেগ আৰু টাৱেলখন লৈ নিজৰ কোঠালৈ ঘূৰি আহিল। কোঠাত সোমাই লাইট জ্বলালে আৰু দুৱাৰখন বন্ধ কৰি দিলে। সেই মুহূৰ্ত্ততে এটি অভূতপূৰ্ব ঘটনা ঘটিল। দুৱাৰৰ হেণ্ডেলডাল এৰাই আছিল। তেওঁ বৰ অস্বস্তিবোধ কৰিলে এখন হাতেৰে হেণ্ডেল ডাল লগাবলৈ বিচাৰিলে, আনখনহাতত টাৱেল আৰু স্পঞ্জৰ বেগটো আছিল। হেণ্ডেলডাল আচল ঘাটটোত লগাব নোৱাৰি তেওঁ মূৰ্খৰ দৰে টীলৰ পিনটো আৰু বেছি ভিতৰলৈ ঠেলি দিলে। এঃ বুলি হাতত থকা টাৱেল আৰু বেগটো মজিয়াত থৈ বাওহাতেৰে পিনটো উলিয়াবলৈ চেষ্টা কৰিলে। মনতে ভাবিলে - " মই যে কি মূৰ্খ। এতিয়া পৰিচাৰিকা গৰাকীক কোন কৰি মাতি লাগিব। বেলেগী চাপে শুবলৈ গৈছিল।"

তেওঁ ঘূৰি চালে আৰু আচৰিত হৈ গল। তেওঁৰ বিচনাত এজন মানুহ শুই আছে। গা মূৰ গুজি শুই থকা বৃহৎ আকাৰৰ মানুহজনৰ মোহ আৰু ক'লা কেকোৰা চুলি দেখি তেওঁৰ জীৱ উৰি গ'ল। কেইটামান

মুহূৰ্তৰ বাবে তেওঁ স্তব্ধ হৈ গ'ল। তেওঁ চিঞা কৰিব বা চিঞৰিব নোৱাৰিলে।

তাৰপিছতে তেওঁ ভাবিলে যে তেওঁ চিঞৰা উচিত নহব। তেওঁ অৱশ হৈ পৰা মানুহৰ দৰে মানুহজনৰ মূৰটো আৰু কাপোৰৰ তলত ভাজলাগি থকা শৰীৰটোলৈ ৰ লাগি চাই থাকিল। তেতিয়া তেওঁ বুজিলে যে এইটো মানুহজনৰ দোষ নহয়, এইটো তেওঁৰ নিজৰ দোষ ; ভুলতে আনৰ কোঠাত সোমাইছে। এইটো আচলতে মানুহজনৰহে কোঠা। তেওঁৰ কাপোৰ কানি অ'ত ত'ত পৰি আছে। ওৱাৰ্ড্ৰবত টাই, তলত বুট জোতা আৰু কোঠাৰ এচুকত হালধীয়া ট্ৰাঙ্ক এটা আছে। এতিয়া যিকোনো উপায়ে ইয়াৰ পৰা ওলাব লাগিব বুলি তেওঁ ভাবিলে।

ব্ৰেচগাৰ্ড্‌লে দুৱাৰ খন খুলিবলৈ আকৌ যত্ন কৰিলে, আঙুলি ভৰাই পিনটো উলিয়াবলৈ চেষ্টা কৰিলে। কিন্তু সফল নহল। এখন অচিনাকী হোটেলত এজন অচিনাকী মানুহৰ লগত মিলিচেণ্ট বন্ধ হৈ গল ; তেওঁ ভাবি একো উৱাদিহ নেপালে। লাইটটো নুমাই দিলে। কোঠাটো আন্ধাৰ হৈ থাকিলে মানুহজনে সাৰ নাপাব। ইতিমধ্যে তেওঁ কি কৰা উচিত ভাবিবলৈ সময় পাব ;আচৰিত কথা যে মানুহজনে এতিয়াও সাৰ পোৱা নাই। যদি সাৰ পায় তাই কি কৰিব বাৰু ? ব্ৰেচ -গৰ্ড্‌লে কেনেকৈ বুজাব তাইৰ অৱস্থাটোৰ কথা ? তেওঁ কেতিয়াও বিশ্বাস নকৰে। কোনেয়েই তাইৰ কথা বিশ্বাস নকৰিব। তাইৰ নিজৰ ঠাইত এনেকুৱা এটা ঘটনা হলেও বিপদ হলহেঁতেন তাতে এইখন সম্পূৰ্ণ অচিনাকী ঠাই ; সকলোবোৰ বিদেশী মানুহ। হে ভগৱান কি কৰা যায় ; তাই ভাবিবলৈ ধৰিলে মানুহজনক জগাই দিব নেকি, নাই সেইটো তাই কেতিয়াও কৰিব নোৱাৰে। তেওঁ তাইক হত্যা কৰিব পাৰে, অন্য কিবাও কৰিব পাৰে - ভাবিয়েই তাইৰ ভয় লাগিল। তাই চিঞৰিব নেকি ? বেলটো বজাব নেকি ? নাই সেই একেই কথা হব। মানুহবোৰ দৌৰি আহিব। ইভিনিংকল তীনুৰ ভনীয়েক মি লিচেণ্ট ব্ৰেচগাৰ্ড্‌লে এজন অচিনাকী মানুহৰ শোৱনী কোঠাত মাজৰাতি সোমাই আছে বুলি কব। তাইৰ মনৰ পৰ্দাত ইভিনিংকল ছবিবোৰ ভাঁহিবলৈ ধৰিলে। এই খবৰটো শুনাৰ লগে লগে মহিলা মহলত ফুচ্‌ফুচ্ কাচ কাচ চলিব "শুনিছানে ? হেৰা শুনিছানে ? হেৰা শুনিছানে ? কি আচৰিত কথা, কোনেও বিশ্বাসেই কৰিব নোৱাৰে। যেনেবা, তাইৰ ককায়েকটোৱে চাপে কাৱেই ইতকা দিব লাগিব।"

সিহঁতে তাইক বাক জেলত দিব নেকি ? চুব কৰাব মতলবেবে সোমোৱা - বুলিও সন্দেহ কৰিব পাবে। সেই কোঠাত সোমাই তাই ধৰ্মৰ দহটা নিৰ্দ্দেশ ভঙ্গ কৰিবলৈও বিচাৰিব পাবে। তাত সোমোৱাৰ প্ৰকৃততে কোনো ব্যাখ্যা দিব নোৱাৰি। দুৱাৰখন খুলিবলৈ অসমৰ্থ হলে তাই এগৰাকী পতিতা নাৰীৰূপে পৰিগণিত হব। হঠাতে চিম্‌নীটো তাইৰ চকুত পৰিল। চিমনীৰে ওপৰলৈ বগাব নেকি ভাবিলে। কিন্তু তাৰপৰা কলৈ যাব ? বেতিয়া মানুহ জনে সাব পাই তাইক দেখিব , তৰিত ধৰি টানি আনিব আৰু বিকোনো মূহুৰ্ত্ততে তেওঁ সাব পাব পাবে।

তাই পৰিচাৰিকা গৰাকী বাবাণ্ডাইদি খোজ কাঢ়ি যোৱা শুনিলে। যদি তাই চিঞৰিবলৈ বিছাৰিছে আগতেই চিঞৰিব লাগিছিল। কাৰণ পৰিচাৰিকা গৰাকীয়ে তাই কিছু সময়ৰ আগয়ে গাধোৱা ঘৰৰ পৰা আহিছে বুলি গম পাইছে। তাইৰ কোঠালৈও তেওঁ গৈছে নেকি ? তাইৰ হঠাতে মনত পৰিল যে বাতিপুৱা লৈকে তাইক কোনেও আমনি নকৰিবলৈ কৈ আহিছিল। সেইটো অৱশ্যে ভালেই হ'ল ,তাইৰ কোঠালৈ কোনো নাহিব।

হঠাতে মিলিচেন্টৰ মনত এটা দু:সাহসিক বুদ্ধি খেলালে। ইতিমধ্যে নিশা এক বাজিবৰ হৈছে। মানুহজন সম্ভৱত: এজন নিৰ্দ্দোষী ব্যৱসায়ী বা ভ্ৰমনকাৰী। তেওঁ নিশ্চয় পুৱা সাত বা আঠ বজাত উঠিব। হয়তো সাজপাৰ পিন্ধি ওলাই যাব। বেতিয়ালৈকে তেওঁ ওলাই নাযায় ,তাই বিচনাৰ তলতে লুকাই থাকিব। মাত্ৰ কেইঘন্টামানৰ কথা। মতা মানুহে সাধৰণতে বিচনাৰ তললৈ নাচায়। তাই নিজে অৱশ্যে এইটো নিত্য - নৈমিত্তি ক কামৰ দৰে সদায় কৰিছিল। বেতিয়া তেওঁ ওলাই যাব নিশ্চয় দুৱাৰখন খুলি থৈ যাব। হেণ্ডেল ভাল মজিয়াতে পৰি থাকিব যেন বাতি হঠাতে সেইদাল সৰি পৰিল। মানুহজনে খুব সম্ভৱ পৰিচাৰিকা গৰাকীক বেল বজাই মাতিব। নাইবা নিজে চুৰি কটাৰী -এখনেৰে খুলিব। মতা মানুহবোৰ এইবোৰ কামত বৰ পাৰ্গত। তেওঁ ওলাই যোৱাৰ লগে লগে তাই মনে মনে চুচৰি আহি নিজৰ কোঠা পাবগৈ। তেতিয়া কাকো কৈফিয়ৎ দিব লগা নহব। হে ভগবান ,কিবে এটা অভিজ্ঞতা হব ,তাই মনতে ভাবিলে। বগা ব্লিন লগোৱা বিচনাৰ তলত তাই বাতিটো কটাব। দিনত তৰ কৰিবলগীয়া একো নাই। তাই খুব সাৱধানে বওৱাবাই বিচনাৰ তলত সোমাল, তাইৰ

ক্ষীণ দেহাটো বিচনাৰ তলত তালদৰেই সোমাই পৰিল। হঠাতে যদি তাইৰ হাঁচি বা হাঁহি উঠে কি হ'ব ? মানুহজনৰ কোঠাৰ ভিতৰত থকাতকৈ বিচনাৰ তলত সোমোৱাৰ কাৰণ দৰ্শোৱাটো কঠিন হবচোন।

বিচনাৰ তলত মিলিচেণ্ট খুব সাৱধানে উশাহ লৈছিল।বিচনাৰ তলৰ পৰা একো নুশুনি। কিছুসময়ৰ বাবে নিৰাপদ আশ্ৰয় এটা পাই তাইৰ ভাল লাগিল। ইমান পৰে তাই কি কৰি আছে ভাবিবলৈকে সময় পোৱা নাছিল। সঁচাকথা কবলৈ গ'লে তাইৰ মূৰটোৱে কাম নকৰা হৈছে। বনৰ জন্তুৰ দৰে যিকোনো উপায়ে নিজকে সকৱালৈ যত্ন কৰিছে। অৱস্থাটো তাইৰ বাবে অসহ্য হৈ পৰিছে। বিচনাৰ তলত তাই অৱশ্যে বেছি অসুবিধা পোৱা নাই কেৱল, বৰ ভয় খাইছে। তাই এবাৰ ভাবিলে চিঞৰি দিব নেকি বা মানুহজনক জগাই দিয়া ভাল হব নেকি ? ব্ৰেচগাৰ্ড্লে গাধোৱা ঘৰ এৰা ইতিমধ্যে দহপোন্ধৰ মিনিট হৈ গৈছে। পৰিচাৰিকা গৰাকীয়ে ইমান সময় তাই মানুহজনৰ কোঠাত কি কৰিছিল বা আগতে মাতি নিদিলে কিয় বুলি নিশ্চয় প্ৰশ্ন কৰিব। তাই বিচনাৰ ক্লিলটো ভাঙি অলপ চালে, মানুহজনে উশাহ লোৱাৰ উমান ললে। কিন্তু একো ধৰিব নোৱাৰিলে। যিয়ে নহওক অলপ বতাহ পালে। তাই শোৱাটো উচিত নহব বুলি ভাবিলে। অৱশ্যে শুব নোৱাৰেও, তাই সাৰে থাকিব লাগিব।

মিলিচেণ্টে মৰমৰ ককায়েকলৈ কি লিখিব বুলি ভাবি নিজে নিজে হাঁহিলে। তেওঁ বা কথাটো কেনেধৰণে লয়। অৱশ্যে তাইৰ কোনো কথাই ককায়েকে অবিশ্বাস নকৰে। কিন্তু আজিৰ কাহিনীটো ? ইজিংটকত এনেধৰণৰ অভিজ্ঞতা হোৱাটো অসম্ভৱ। তাই এখন বিদেশী হোটেলত এজন অচিনাকী মানুহৰ বিচনাৰ তলত ৰাতি কটোৱা কথা সেইঠাইৰ মানুহবোৰে কি বুলি ভাবিব ? ক্ৰেনী চিন্ত আৰু সেই বুঢ়ী মিছেছ ৰাচব্ৰিগ্যাৰ যে কি ভাবিব ? মিছেছ ৰাচব্ৰিগেৰৰ সদায় জিলটোকে ভালটো কৰা অভ্যাস। হে গোসাঁই, তেওঁলোকে এতিয়া বাৰু কি কৰিছে ? নিশ্চয় সকলোবোৰে শুলে। তেওঁৰ মৰমৰ ককায়েকে সদায় দহ বাজি পোন্ধৰ মিনিটত বিচনালৈ যায়। তেওঁ ছাহেৱৰ নিৰ্ম্মল শান্ত পৰিৱেশত এতিয়া শান্তিৰে শুই আছে চাগৈ। তাইৰ দৰে বন্ধ ঘৰত নহয়। তাইৰ কাঁহ উঠিছে, কিন্তু কাঁহিব নোৱাৰে।

ঘৰত চাৰে ন বজাত ৰাতি ঘৰৰ কামকৰা সকলোকে পুৰি জমালৈ মাতে প্ৰাৰ্থনাৰ বাবে। মাত্ৰ পোন্ধৰ মিনিটৰ বাবে। দহবজাত সকলোকে 'কোহ্'

দিয়ে। দহবাজি পোন্ধৰ মিনিটত সকলো বিচনালৈ যায়। তাইৰ মৰমৰ ঠেক বগা বিচনাখনলৈ মনত পৰিল। বিচনাৰ কাষত আঠুকাঢ়ি সদায় তাই প্ৰাৰ্থনা কৰে।

প্ৰাৰ্থনা, এবা আজি ৰাতিয়ে তাই প্ৰথম প্ৰাৰ্থনা নকৰাকৈ আছে। আজিৰ পৰিবেশটো সম্পূৰ্ণ সুকীয়া, আশ্চৰ্য্যজনক বুলি কব পাৰি। ভগবানে নিশ্চয় তাইক এই কথাত ক্ষমা কৰিব। প্ৰাৰ্থনা কৰাত কোনো কথাই বাধা হব নোৱাৰে। অৱশ্যে এই অৱস্থাত প্ৰাৰ্থনা কৰিবলৈ আঠু লব নোৱাৰে। যদি তাই আন্তৰিকতাৰে প্ৰাৰ্থনা কৰিব পাৰে, এনে ভাবেও হব। সেই বাবে তাই দেহাটো বেঁকা কৰি হাত জোৰ কৰি অচিনাকী মানুহজনৰ বিচনাতলত গুন গুনাই প্ৰাৰ্থনা কৰিলে। ৰাতিটোৰ দুখ-দুৰ্দশা, বিপদ-আপদৰ পৰা ৰক্ষা কৰিবলৈ ভগবানৰ ওচৰত প্ৰাৰ্থনা জনালে। প্ৰথমবাৰৰ বাবে তাই ধ্যান মগ্ন হল। গীৰ্জ্জাৰ নীতি নিয়ম বিশ্বাস সম্পৰ্কে তেওঁৰ মনত প্ৰশ্নৰ উদয় হল, বাহ্যিক আড়ম্বৰ যদি এৰাব নোৱাৰা কথা নহয় তেন্তে এটা প্ৰকাণ্ড ঘৰ, নীতি নিয়ম, গীৰ্জ্জা এইবোৰৰ কি প্ৰয়োজন? অৱশ্যে তেওঁৰ মৰমৰ ককায়েকৰ কথা নহয়, গীৰ্জ্জাঘৰ কিমান পুৰণি, মানৱজীৱনৰ ইতিহাসত ইয়াৰ মূল শিপা জাহ গৈছে। বাহ্যিকতাত কিবা ভুল পথে নিয়াৰ সম্ভাৱনা থাকিব পাৰে, উদাহৰণ স্বৰূপে তেওঁৰ বৰ্ত্তমানৰ অৱস্থাটোত বিশ্বৰ চকুত তেওঁৰ এটা সামান্য ভুলৰ বাবে ধৰ্ম্মৰ দহোটা নিৰ্দ্দেশৰ এটা লঙ্ঘন কৰিলে। তেওঁ মনৰ ভিতৰতে - পৰ্য্যালোচনা কৰিলে - মাক দেউতাকৰ অসন্মান তেওঁ কৰা নাই, মিছা সাক্ষী দিয়া নাই, চুৰ কৰা নাই, পৰপুৰুষৰ প্ৰতি .......... সেইটোৱে তেওঁ মাৰাত্মক ভুল কৰিছে, বেচেৰা মানুহজন। তেওঁ নিশ্চয় কোনোবা সন্মানিত সতি সন্তান থকা বিবাহিত ভদ্ৰলোক। আক তাই কি কৰিলে চিঞৰি নিদিলে কিয়? পলম হৈ গল, বৰ পলম হৈ গল --।

মিলিচেণ্ট বৰ অসুবিধাজনক অৱস্থাত আছিল। উশাহ নিশাহ বন্ধ হৈ যাব লগা অৱস্থা। মজিয়াখন বৰ টান যেন লগা হৈছে। তাই সঘনাই বহাৰ অৱস্থাটো সলাই আছে। কাহঁ অহা সত্ত্বেও জোৰকৈ বন্ধ কৰি ৰাখিছে। বুকু ধাক ধমাদি বাজিছে। গা ধোৱা ঘৰৰ পৰা অহাৰ পৰা প্ৰতিটো মুহূৰ্ত্ত তাই মনত পেলাই গৈছে। এই কোঠাটো তাইৰ কোঠাৰ গাতে লাগি আছে। দুয়োটা কোঠা একেটা

শাৰীতে আছে। কাৰ মনত থাকিব ১১৫ নে ১১৬ ? তাইৰ তৃতীয়া দিনৰ কথা মনত পৰিল। সংখ্যাবোৰ তাইৰ একেবাৰে মনত নাথাকে। যুৱতী, উদ্ভিদবিদ্যা পঢ়ি ভাল পাইছিল। অচিনাকী বিদেশী ঠাইবোৰৰ কথা পঢ়িও ভাল পাইছিল। কিন্তু যাবলৈহে নিবিচাৰিছিল।

হঠাতে অহা হাঁচিটো তাই কোনোমতেই চেপি ৰাখিব নোৱাৰিলে। সেই ৰাতি দ্বিতীয়বাৰৰ বাবে তাইৰ উশাহ নিশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। ভয়ত কঁপনি উঠিল। মানুহজন এতিয়া -বিচনাৰ পৰা উঠি দুৱাৰৰ কাষলৈ গৈ লাইটটো জ্বলাব ,বিচনাৰ ক্লিনটো দাঙি চাব তাই বিৰাট মোহ থকা মানুহজনে তাইৰ ফালে চাই থকা যেন দেখিলে। কথাটো ভাবোতে কিম্বা এটা ডোবতোবোৱা যেন শুনিলে যেন বিচনাৰ তলৰ পৰা টানি তাইক উলিয়াই আনিছে আৰু তাৰ পিছত ? হে ভগৱান ? তাৰপিছত কি হ'ব ? .....

"মই চিঞৰি দিয়াই ভাল হ'ব নেকি ? যদি তেওঁ মোক টানি উলিয়াই আনে মুখখন নিশ্চয় বন্ধ কৰি লব। ক্ৰব'ৰ্কমো দিব পাৰে -তাই ভাবিলে। তাই নিচিঞৰিলে ভয়তে পেপুৱা লাগিল। ক্লিন দাঙি তাই উমান ললে মানুহজনে কাপেটৰ ওপৰত খোজ কাঢ়িছে নেকি ? তেওঁ ধৰিব নোৱাৰিলে। যিকোনো ঘটনাই হ'ব পাৰে। তেওঁ বুট জোতাৰে তাইক মাৰিবও পাৰে। কোনোটোৱে হোৱা নাই। এই সন্দেহৰ ভাৰটো তাইৰ বাবে অসহনীয় হৈ উঠিছে। তাই অনুভৱ কৰিলে এনে ধৰণে নিশাটো কটোৱাটো তাইৰ বাবে অসহনীয়। তাতকৈ অৱজ্ঞা ,জেল আনকি মৃত্যুদণ্ডও ভাল। তাই ওলাই আহি মানুহজনক জনাব আৰু তাত সোমোৱাৰ কাৰণটো ব্যাখ্যা কৰিব , লাইটটো জ্বলাই তাই কব :-

"মহাশয়"

মাত শুনি মানুহজন উঠিব আৰু তাইলৈ চাব , তেতিয়া তাই কি কব ? "মহাশয় ,মোৰ ভুল হৈছে ,ক্ষমা কৰিব" কথাটো ভাবোতে কি বুলি কব ? দুৱাৰৰ খিলিটোক বা কি বুলি কব ? যিয়ে নহওক তাই লাইটটো জ্বলাব। মানুহজন যদি বিচনাৰ পৰা নামি তাইৰ কাষলৈ আহে,তাই জোৰেৰে চিঞৰিব। তাই এইবাৰ দৃঢ় প্ৰতিজ্ঞ হ'ল আৰু বগৰা বাই বিচনাৰ তলৰ পৰা ওলাই আহিল। দুৱাৰৰ কাষলৈ গৈ লাইটটো জ্বলালে, মুহূৰ্ততে কোঠাটো পোহৰেৰে ভৰি পৰিল। বিচনাৰ কাষলৈ আহিল ,

কাঁহিলে আৰু তাণ্ডৱকৈ মাতিলে।

"মহাশয়"

সেই বাক্যি তৃতীয়বাৰৰ বাবে ব্ৰেচ গাৰ্ড্‌লেৰ বুকুৰ ধপধপনি বন্ধ হৈ যোৱা যেন লাগিল।

ঘটনাই শীৰ্ষ বিন্দু পালেগৈ যেতিয়া তাই গম পালে যে মানুহজন মৃত। তাই আগতে কেতিয়াও মৰা মানুহ দেখা নাই। কিন্তু মানুহজন মৰা বুলি তাই কেতিয়াও ভুল কৰিব নোৱাৰে। আচৰিত হৈ মানুহজনলৈ একেথৰে চাই ৰল। মুখৰ ভিতৰতে সৰুকৈ মহাশয় বুলি দুবাৰ মাতিলে। হাতত সাৰে ভৰিত সাৰে তাই বিচনাৰ একেবাৰে কাষ চাপি গল। চুলি ঠাঁক মোহকোছা কিচকিচকৈ কলা, মুখখন অলপ মেল খাই আছে। মিচ ব্ৰেচগাৰ্ড্‌লে হাতেৰে নিজৰ মুখখন ঢাকি কৈ উঠিল -"বেচেৰা মানুহজন।" বিচনাৰ কাষত আঁঠু লৈ ভগবানক প্ৰাৰ্থনা জনালে। বাহিৰত বুটজোতাৰ শব্দ শুনি তাইৰ ধ্যান ভাঙিল। কোনোবাই দুৱাৰ খুলিব খোজা যেন অনুমান কৰিলে। তাই ইয়াতে বৈ থকা উচিত নহয় বুলি বুজি পালে। অচিনাকী মানুহৰ কোঠাত থকাটো বেয়া কথা, মৰা মানুহ এজনৰ কোঠাত থকাটো আৰু বেছি দোষনীয়। তাইক হত্যাকাৰী বুলিও অভিযুক্ত কৰিব পাৰে। তাই কেনেকৈ বিদেশী মানুহবোৰক তাইৰ অৱস্থাটো বুজাব। হে ঈশ্বৰ, কি হব ? তাইক দেখোন ফাঁচী দিব। নহয় ফৰাচী দেশত শিৰচ্ছেদ হে কৰে। তাই ককায়েকৰ কথা ভাবিলে, তেওঁ কি ভাবিব ? কাইলৈ পেৰাগুৱেৰ পৰা তাইৰ নন্দেক অকলে আহিব। ইংলণ্ডৰ তাইৰ বন্ধু বান্ধৱ, আত্মীয় কুটুম্বই কি ভাবিব ? তাইৰ মৰমৰ মেকুৰী টমীৰ কি হব ? তাই শিৰচ্ছেদৰ পৰা বাচিবই লাগিব। কোঠাত থাকি তাইৰ একো লাভ নাই, মৰাজনকো বচাব নোৱাৰে। তাই ইয়াৰ পৰা পলাব লাগিব, যিকোনো মুহূৰ্ত্তে মানুহ আহিব পাৰে। পৰিচাৰিকা হোটেলৰ মেনেজাৰ, পুলিচ আহিব। মিলিচেণ্ট সাহসী মহিলা। তাই দুৱাৰৰ কাষলৈ গৈ আঙুলি ভৰাই খুলিবলৈ যত্ন কৰিলে। হাতত দুখ পালে। ঠাণ্ডা মগজুৰে উপাই চিন্তিবলৈ ধৰিলে। দুৱাৰৰ চাবি লগোৱা ফুটা নাই, কিন্তু ভিতৰৰ পৰা বন্ধ কৰাৰ ব্যৱস্থা আছে। বেচেৰা মানুহ জনে ভিতৰৰ পৰা বন্ধ কৰা হলে এই ঘটনা ঘটিবলৈ নেপালেহেঁতেন। ফুটাটোৰে আধা ইঞ্চিমান ভিতৰলৈ

লোহাৰ পিনটো তাই দেখিলে। বাহিৰৰ পৰা হেণ্ডেল ভাল ওলাই থকা নিশ্চয় দেখা পাব। তাই মূৰৰ পৰা এডাল কাঁটা খুলি পিনটো উলিয়াই আনিবলৈ চেষ্টা কৰিলে। কিন্তু আৰু বেছি ভিতৰলৈহে সোমাই গল। তাই হতাশ হল। কিন্তু তাই জীৱনৰ বাবে যুজিছে, গতিকে হাৰ মানিব নোৱাৰে। কোঠাৰ ভিতৰত ফান্দত পৰা জন্তুৰ দৰে ঘূৰি ফুৰিবলৈ ধৰিলে। খিৰিকিৰ তলত কোনো বাৰাণ্ডা নাই। পাঁচ মহলাৰ পৰা জপিয়ালে একেবাৰে ৰাস্তাত পৰিব। ৰাতিপুৱাৰ হৈছে। হোটেলৰ আৰু চহৰৰ কামকাজ কিছু সময়ৰ পিচতে আৰম্ভ হব। তাৰ আগতে তাই ওলাব লাগিব। মৃত মানুহজনৰ ব্ৰাচ, খুৰ, লেখাৰ সঁজুলি কলম পেঞ্চিল, ৰবৰ, লা আছিল। অভাৱেই আৱিষ্কাৰৰ মূল বুলি এষাৰ কথা আছে। মিলিচেণ্ট ব্ৰেচগাৰ্ড্লে জীৱনত এটা নতুন বস্তু আৱিষ্কাৰ কৰিলে জুইশলাই এবাকচ, এডাল মমবাতি, বন্ধ কৰিব পৰা লা আৰু চুলিত মৰা কাঁটা সকলো গোটাই ললে। কাঁটা ডালৰ এটা মূৰত লা লগাই গোটা কৰি ললে আৰু ফুটাৰ ভিতৰত সুমুৱাই দিলে। সাতবাৰ চেষ্টা কৰাৰ পিছত কৃতকাৰ্য্য হল আৰু ইয়াৰ বাবে এঘণ্টা দহমিনিট সময় লাগিল। চেষ্টা কৰোঁতে তাইৰ চকুৰ পানী নাকৰ পানী একাকাৰ হল। বৰ সাৱধানে বাওঁহাতে পিনটো টানকৈ ধৰি সোঁহাতেৰে খিলিটো লগাই লাহে লাহে ঘূৰাই দিলে। দুৱাৰ খন খোল খাই গল। তাই ভুমুকি মাৰি বাৰাণ্ডালৈ চালে, কাণপাতি শুনিলে, কোনো নাই। তাৰ পিছত সৰু নিগনি এটাৰ দৰে বগুৱাবাই বাহিৰ ওলাই নিজৰ কোঠাত সোমাল। আৰু বিচনাত বাগৰ দিলে। তৎক্ষণাত তাইৰ মনত পৰিল যে সিটো কোঠাত স্পঞ্জৰ বেগটো আৰু টাৱেলখন এৰি আহিল। টাৱেল খনত এম,বি লেখা আছিল। তাই হোটেলৰ টাৱেল ব্যৱহাৰ নকৰিবলৈ লৈ আহিছিল। তাই আকৌ কোঠাটোলৈ গল, আৰু বস্তু কেইপদ লৈ ঘূৰি আহিল। বিচনাত বাগৰ দিলে, অলপ সময়ৰ ভিতৰতে গভীৰ টোপনিত লাল কাল দিলে।

এঘাৰ বজাত তাই সাৰ পালে। কোনেও তাইক আমনি কৰা নাই। সূৰ্য্যৰ তাপ প্ৰখৰ আছিল। যোৱা নিশাৰ ঘটনাটো এটি দুঃস্বপ্ন যেন লাগিল। ভয় বা শঙ্কাৰ ভাৱটো আৰু বা নাছিল। তাই বেলটো বজালে আৰু কতেকতে পৰিচাৰিকা গৰাকী আহিল। হোৱাণীজনীৰ মুখত উৎকণ্ঠাৰ ভাব। হোৱাণীজনীয়ে নিশ্চয় কিবা

শুনিছে।

"অনুগ্ৰহ কৰি মোৰ বাবে অলপ চাহ আনিবানে ? "

" নিশ্চয় আনিম বাইদেউ।"

পৰ্দা আঁতৰাই পৰিচাৰিকা ওলাই যাবলৈ গৈ বৈ গল। তাই নিজকে লুকুৱাই ৰাখিব নোৱাৰিলে। বিচনাৰ ওচৰলৈ আহি ফুচফুচাই কলে - " মই কাকো নকও বুলি শপত খাইছিলো ,কিন্তু নকৈ নোৱাৰো। এটা ডাঙৰ ঘটনা ঘটিছে। ১১৭ নং কোঠাত এজন মানুহৰ মৃতদেহ পোৱা গৈছে। মই কোৱা বুলি কাকো নকব দেই। ইতিমধ্যে পুলিচ ,ডাক্তৰ , পৰিদৰ্শক আহিছে। ভয়ানক কথা ভয়ঙ্কৰ কাণ্ড বাইদেউ।"

• বিচনাত শুই থকা মিলিচেণ্টে একো নকলে তাইৰ কবলগীয়া একো নাছিল। কিন্তু পৰিচাৰিকা গৰাকী ইমান বেছি উৎকণ্ঠিত হৈছে যে আকৌ কলে -" কোন সেই মানুহজন জানেনে ? তেওঁলোকে কৈছে মানুহজন "বন্ধু " তিনচেকৰ জীন কেবেটনাক মৰাৰ অপৰাধত যিজনক বিচাৰি ফুৰা হৈছে। মানুহে কয় প্ৰথমে কেবটনাক তেওঁ টেটুচেপি মাৰি পিছত টুকুৰা টুকুৰকৈ কাটিলে।ড্ৰামত ভৰাই পানীত পেলাই দিলে। এই মানুহটো সাংঘাতিক মানুহ বাইদেউ ,বৰ বেয়া মানুহ। পিছৰ কোঠাতে সি মৰিল , মানুহে কয় আত্মহত্যা কৰিলে। হাৰ্টফেইলো কৰিব পাৰে। বাৰু বাইদেউ , আপুনি সম্পূৰ্ণ ব্ৰেকফাষ্ট বিচাৰিছে নেকি ?

"নহয় মাত্ৰ চাহ একাপ ,অলপ কাৰা চাহ দিবা দেই।"

"বাৰু বাইদেউ "

ছোৱালীজনী ওলাই গল। কিছু সময়ৰ পিছতে লৰা এটাই ট্ৰেত চাহ লৈ আহিল। তাই অলপ আচৰিত হ'ল। ডেকা লৰাএজন মহিলাৰ শোৱনী কোঠালৈ সোমাই আহিছে। তাইৰ ককায়েকে ঠিকেই কৈছিল। এই কৰাচী মানুহবোৰ কিমান বেলেগ ধৰণৰ। তাই কিমান পাৰে বিচনা চাদৰেৰে গাটো ঢাকি ললে। লৰাজনে সেইবোৰলৈ ভ্ৰুক্ষেপ কৰা নাই। চাহকাপ ৰখাই থৈ গুচি গল।

বিচনাৰ পৰা নামি তাই চাহ খালে। গাটো গৰম লাগিল। তাই সোনকালে ওলাব লাগিব। এক বজাত মনেক আহি পোৱা কথা। তালনৰে লাজ পাব পিছি ককায়েকলৈ এখন চিঠি লিখি তাই ওলাব। তাই ভাবিলে

সেই মানুহটোৰ পৰা যিজনে টুকুৰা টুকুৰকৈ এজনী মানুহক কাটি পেলালে তেওঁৰ লগতে তাই ৰাতিটো কটালে ! তাই কেনেকৈ বৰ্ণনা কৰিব সেই ৰাতিৰ কথা। যিয়ে নহওক সেই মানুহজনৰ বাবে তাই ৰাতি বিচনাৰ কাষত আঠুঁলৈ প্ৰাৰ্থনা জনালে। সেইটো ভাবিয়ে তাইৰ ভাল লাগিল। বোধকৰোঁ কোনেও আৰু প্ৰাৰ্থনা কৰা নাই। মানুহজনে মামাৰিৰও পাবে। কেতিয়াবা বিনা দোষতো মানুহক দণ্ড দিয়া হয়। যদি পুলিচে ৰাতিপুৱা তাইক মানুহজনৰ কোঠাত পালেহেঁতেন ,তাইকেই দোষী সাব্যস্ত কৰিলেহেঁতেন।

তাই মুখ হাত ধুই সাজপাৰ পিন্ধি লাহে লাহে লেখা পঢ়া কৰা কোঠালৈ আহিল। বাকী হোটেলৰ মানুহবোৰৰ কোনো উৎকণ্ঠা নাই। তাইৰ বাহিৰে কোনেও দুৰ্ঘটনাৰ কথাটো নাজানে। তাই এখন টেবুলৰ কাষত বহিল ,কিছু সময় চিন্তা কৰিলে তাৰ পিছত ককায়েকলৈ লিখিলে :

মৰমৰ ককাইদেউ ,

যোৱা নিশা বৰ সুন্দৰ যাত্ৰাৰ পিছত এইখিনি পালোহি। ইয়াত সকলোৱে বৰ আদৰ যত্ন কৰিছে। চাহৰ দোকানত মোৰ চশমাৰ কেছটো এৰি আহিছিলোঁ। বুঢ়া ভদ্ৰলোক এজনে পাই মোক দি গল। ৰেলত বৰ মৰম লগা আমেৰিকান সৰু ছোৱালী জনী পাইছিলো। মই ঘূৰি গৈ তোমাক তাইৰ কথা কম। মানুহবোৰ ভাল ,ছোৱালীবোৰহে বৰ ভাল নহয়। এক বজাত মই এনিক আনিবলৈ যাম। তোমাৰ ভালনে ? ব্ৰঙ্কাইটিচৰ কাঁহটো হোৱা নাই নহয় ?

অনুগ্ৰহ কৰি লিজিক কবা মোৰ ৰেলতহে মনত পৰিল মিচেছ হাণ্টে কৰি দিয়া মাৰমালেডৰ জাৰৰ বৈয়ামটো ওপৰৰ ছেলফৰ খালি টিনবোৰৰ পিচফালে থাকিল। মিচেছ বাটলাৰ আহিলনে ? হোটেলখন ভাল মই আৰু এদিন ইয়াত ভালকৈ থাকিব পাৰিম। তোমাৰ শৰীৰৰ যত্ন লবা। বিশেষ নাই।

ইতি

মিলিচেণ্ট

ককায়েকক তাই চিঠিৰে একো জনাব নোৱাৰে আনকি ঘূৰিলেও হয়তো কব নোৱাৰিব। তেওঁক কোৱাটো উচিত নহয়। ক'লে তেওঁ বৰ বেয়া

পাৰ। এই বিদেশী পৰিবেশত সকলো কথাই সম্ভৱ হয়। কিন্তু তাইৰ নিজৰ দেশত ভাবিবই নোৱাৰি। তাই যে এজন অচিনাকী মানুহৰ কোঠাত ৰাতিটো কটালে সেই দোষৰ পৰাই তাই সাৰিব নোৱাৰে। সেই জন লাগিলে এজন ভদ্ৰলোকেই হওক বা অপৰাধীয়ে হওক। মৃতই হওক বা জীৱিতই হওক। সেই দোষে তাইৰ আৰু ককায়েকৰ মাজৰ সম্বন্ধতো কাঁট মেলাব পাৰে। তাই যদি গোটেই ঘটনাটো ককায়েকক বুজাই কয় ,হয়তো তেওঁ বিশ্বাস কৰিব। কিন্তু ইজিংইকত এনে ঘটনা ঘটিবই নোৱাৰে। এই ঘটনাই তাইক ককায়েকৰ পৰা আঁতৰাই পেলাব পাৰে। তাই ককায়েকক কথাটো নোকোৱাই ভাল।

* টুপিটো পিন্ধি চিঠিখন পোষ্ট কৰিবলৈ তাই ওলাই গল। হোটেলৰ লেটাৰ বক্সত তাইৰ বিশ্বাস নাই। কোনে উলিয়াই ,কোনে নিয়ে একো ঠিক নাই।

বেলিটোৰ প্ৰখৰ তাপ নেওচি অচিনাকী মানুহবোৰৰ মাজে মাজে তাই আগবাঢ়িল। ফুলৰ দোকানত মানুহৰ ভিৰ। সকলোতে এটা সজীৱ , সতেজ ভাৱ , জীৱন্ত , আনন্দ।

“মই ৰাতিটো এজন অচিনাকী মানুহৰ কোঠাত কটালো।” এই ভাৱটো তাইৰ মনৰ পৰা আঁতৰা নাছিল। ব্ৰেচপাৰ্ড্লে বেগাই খোজ দিলে। পোষ্ট অফিচ পালে। চিঠিখন দিলে। তাইৰ মনটো ভাল লাগিল। এটা স্বস্তিৰ নিশ্বাস পেলালে। পেৰাণ্ডৱেৰ পৰা নন্দেকক আনিবলৈ লাহে লাহে ‘ডক’ৰ ফালে খোজ ললে।.......

# ।। সেউজীয়া মাখিটো ।।

মূল ৰচনা : কালমৰ মিকজ্জাথ
অনুবাদ : ইলা শৰ্মা

*কালমৰ মিকজ্জাথ (১৮৪৯ - ১৯২২) :- নিজৰ দেশৰ বাহিৰেও বিদেশতো প্ৰখ্যাত হোৱা হাঙ্গেৰীয়াৰ লিখক সকলৰ ভিতৰত মি: কালমৰ মিকজ্জাথো একৰ। তেওঁ একৰ প্ৰকৃত দেশভক্ত আছিল। তেওঁৰ উপন্যাস আৰু গল্প সমূহত হাঙ্গেৰীয়াৰ লোক সকলৰ প্ৰতি থকা মৰম, ভালপোৱা উপচাই প্ৰকাশ কৰিছিল। হাঙ্গেৰীয়াৰ লিখনি সমূহৰ ভিতৰত তেওঁৰ ছুটি গল্পত গ্ৰাম্য জীৱনৰ এখন সুন্দৰ চিত্ৰ প্ৰতিফলিত হয়। এই "সেউজীয়া মাখিটো" গল্পটো অকল বাসাভীৰি বহুৱ গ্ৰাম্য লোকৰ মানসিক চিন্তাবিচাৰও ইয়াত সুন্দৰভাৱে অংকিত হৈছে।*

গাওঁখনৰ আটাইতকৈ ধনী বুঢ়া খেতিয়ক জন আজি কিছুদিন ধৰি শয্যাশায়ী হৈ মৃত্যুৰ ক্ষণ গণি আছে। তেওঁৰ এই অৱস্থা দেখি গাওঁখনৰ সকলোৱে কোৱা মেলা কৰিবলৈ ধৰিলে যে ভগৱানৰ বিচাৰত সকলো মানুহৰে শেষ দশা একে। আমি নিজকে যি বুলিয়েই নাভাবো লাগে, মানৱ জীৱনত আচলতে একোৱেই নাই। অলপ্যলৈক আমি কিমান বেলেগ মানুহ বুলি ভাবিছিলো জিলাৰ বিচাৰকেও কিমান দিন তেওঁক সন্মান জনাইছে। আনকি জমিদাৰৰ পত্নীয়েও তেওঁক দেখা কৰিবলৈ তেওঁৰ ঘৰলৈকে আহে। অথচ ভগৱানৰ এটা তোকাতুৰ কুকুৰমেচীয়া বাঘ তেওঁক খাবলৈ পঠিওৱা - নাই। নাইবা এডাল প্ৰকাণ্ড ওক গছ উভালিও তেওঁৰ গাত পেলোৱা নাই। অকণমান মাখি এটাই আজি তেওঁৰ এই দশা কৰিলে।

তেওঁৰ হাতত মাখি এটাই কামোৰাৰ পিছৰ পৰাই তেওঁৰ এই অৱস্থা হ'ল। মাখিটোৱে কামোৰাৰ ক্ষেনু লৈ প্ৰথমতে এটোপৰ ঘাঁ হ'ল,

তাৰপিছত ক্ৰমান্বয়ে ধাঁতোখৰ বহলি গৈ অৱশেষত চাৰিওফালে ক'লা পৰি মাজতোখৰ বগা হৈ উঠিল।

পুৰোহিত আৰু জমিদাৰৰ পত্নীয়ে তেওঁক ডাক্তৰ আনিবৰ কাৰণে জোৰ কৰিলে। ওচৰৰ ডাক্তৰ জনক অনাত গ্যালৰ কোনো আপত্তি নাছিল। কিন্তু তেওঁলোকে বুডাপেষ্টৰ পৰা বিশেষজ্ঞ ব্ৰিলীক মতাটোকে ঠিক কৰিলে। প্ৰকেছাৰ ব্ৰিলীয়ে তিনিশ ফ্লোৰিন ( পুৰনি বৃটিছ মুদ্ৰাৰ নাম / মূল্য ১ পাউণ্ডৰ $^1/_{10}$ ভাগ ,১৯৭১ চন পৰ্যন্ত ২ চিলিং বৰ্ত্তমান দহ নতুন পেন্স ) লয় যদিও তেওঁৰ চিকিৎসা অতি ভাল আৰু সঠিক ;গতিকে ফ্লোৰিন খিনি দিয়া যেন নালাগিব।

"বাজে কথা।" খেতিয়কজনে ভেকাহি মাৰি কলে। "সেই সামান্য মাখিটোৰ বাবেই মিছাতে মই তিনিশ ফ্লোৰিণ নষ্ট কৰিব নোৱাৰো।"

জমিদাৰৰ পত্নীয়ে বাৰে বাৰে জোৰ কৰিবলৈ ধৰিলে , আৰু অৱশেষত নিজেই ফ্লোৰিন খিনি দিবলৈ ওলাল। জন গ্যালৰ নিচিনা অহঙ্কাৰী খেতিয়ক একনৰ ক্ষেত্ৰত এই বুদ্ধিটোৱে কাম দিলে। ডাক্তৰলৈ টেলিগ্ৰাম কৰিলে আৰু ষ্টেচনলৈ ডাক্তৰক আনিবলৈ বগীখনো পঠালে। সেখাত সাধৰণ ক্ষীণ চেহেৰাৰ চশমা পিন্ধা ভেকা ডাক্তৰ ব্ৰিলী বাগীখনতে আহিল।

বুঢ়া খেতিয়কৰ তৰুণী ভাৰ্য্যা শ্ৰীমতী গ্যালে তেওঁক নগ্ৰনামুখত অভ্যৰ্থনা জনাই ভিতৰলৈ মাতি আনিলে। "আপুনিয়ে বুডাপেষ্টৰ পৰা অহা ডাক্তৰজন নহয় জানো ?" আথেবেথে সুধিলে। "আপুনি আহি বৰ ভাল কৰিলে বুইছেনে। মোৰ স্বামীক এবাৰ চাওকছোন আহক। সাধাৰণ মাখি এটাই কামোৰোতেই তেওঁ বিমানহে হুলস্থূলখন লগাইছে যেন এটা হাতীয়েহে তেওঁক খুছিলে "-

আচলতে এইটো গোকাট মিছা কথা। জনগ্যালে তেওঁক নুসুধিলে এই বিষয়ে এটা শব্দও নকয় , আনকি কলেও অতি সাধাৰণ ভাবেহে কৈ থয়। তেওঁ অসহ্য বিষকো সহ্য কৰি মুখত পাইপ তাল দৈ শান্ত ভাবে বিছনাত পৰি থাকে।

"আপোনাৰ কি কষ্ট হৈছে , ৰৰদেউতা ?" ডাক্তৰে সুধিলে। "মই শুনিছো আপোনাক হেনো মাখি এটাই কামুৰিলে হয়নে?"

"এৰা ,কথা সেইটোৱেই হে!" খেতিয়ক জনে মুখৰ ভিতৰতে ক'লে।

"মাখিটো কেনেকুৱা ধৰণৰ আছিল বাৰু ?"

"মাখিটো সেউজীয়া ৰঙৰ আছিল।" তেওঁ শান্ত ভাবে ক'লে।

"ডাক্তৰ, আপুনি তেখেতক সকলো লোৱক। মোৰ চেৰ কাম পৰি আছে।" শ্ৰীমতী গ্যলে আহি মাজতে মাত লগালে "চৌকাত কিবা বহাই থৈও আহিছো।"

অন্যমনস্ক ভাবে ডাক্তৰে ক'লে ," হৰবাক আই।" তেওঁক যেন কিহবাইহে বিন্ধিছে সেয়ে তৎক্ষণাত উতভি ডাক্তৰৰ কাণে চাই কঙ্কালত হাত দুখন থৈ ক'লে ,"কি ক'লে ? আচলতে আপুনিহে মোৰ পিতৃ হ'বৰ উপযুক্ত।" তেওঁ অলপ অসন্তুষ্টি অথচ খেমেলীয়া সুৰেৰে ক'লে "আপুনি বোধহয় আপোনাৰ চকুৰ সেই খিৰিকী দুখনেৰে ভালদৰে দেখেখে।"

কথাখিনি কৈ তেওঁ তৎক্ষনাত উতভি আৰু কেইবাটাও সিয়নি দিয়া স্কাৰ্টটো বতাহত টৌ খেলোৱাই নচুৱাই যৌবনৰ খৰ খোজেৰে দপ দপাই ওলাই গ'ল।

ডাক্তৰে তেওঁ ওলাই যোৱালৈ চাই ৰ'ল। তেওঁ সঁচাকৈয়ে অতি ধুনীয়া, ডাক্তৰতকৈ যথেষ্ট সৰু হ'ব। তেওঁ কমা খুজি কিবা এটা কৰ খুজিছিল যদিও তেওঁ তাৰ আগতেই গুচি গ'ল।

"বাৰু আপোনাৰ হাতখন চাওঁ দিয়ক চোন। বিষায় নেকি ?"

"হয় ,,বৰ বিষায়।" গ্যলে উত্তৰ দিল।

তেওঁৰ ঘা লগা হাতখন চোৱাৰ লগে লগে ডাক্তৰৰ মুখত এক গম্ভীৰ ছাঁ পৰিল।

"অৱস্থা বৰ বেছি বেয়া হৈছে। মাখিটো নিশ্চয় বিষাক্ত আছিল।"
"হয়তো তেনেকুৱাই আছিল।" বেছ নিৰ্লিপ্ত ভাবে গ্যাল উত্তৰ দিলে। মই ইমানকে কব পাৰো যে ই সাধাৰণ জাতৰ মাখি নহয়।"

" এই মাখিটো নিশ্চয় ক'ৰবাৰ মৰাশৰ পৰা অহিছিল।" কথাটো শুনি জনগ্যলে মুখৰ ভিতৰতে শাওপাত দিলে।

"ভাগ্য ভাল যে মই সময়মতে পালোহি। এতিয়াও আমি কিবা এটা কৰিব পৰাতে আছো। কালিলৈ বহুত পলম হৈ গ'লহেঁতেন। আপোনাৰ হয়তো মৃত্যুৱেই হ'লহেঁতেন।"

"বৰ আচৰিত কথা।" খেতিয়ক জনে কথা কৈ কৈ তেওঁৰ পাইপত ধপাত ভৰাই বুঢ়া আঙুলি এটাৰে হেচিবলৈ ধৰিলে।

"বিষাক্ত তেজে খু-উ-ৰ সোনকালে অনিষ্ট কৰে। এতিয়া আৰু আমাৰ ৰবলৈ সময় নাই। ৰবদেউতা ,এতিয়া আপুনি সাহস বান্ধি মন স্থিৰ কৰক। আপোনাৰ হাতখন কাটিব লাগিব।"

বিদ্ৰূপ আৰু হতাশাৰ সুৰেৰে খেতিয়কজনে আচৰিত হৈ সুধিলে, "মোৰ হাতখন ?"

"এৰা উপাই নাই ,ইয়াকে কৰিব লাগিব।"

জনগণে এটা শব্দও নকলে। তেওঁ মাত্ৰ মূৰটো জোকাৰিলে আৰু পাইপ হুপি থাকিল।

"চাওক ৰবদেউতা ," ডাক্তৰে তেওঁক সৈমান কৰাবলৈ মোলায়ম সুৰত কলে ," আপুনি অকনো কষ্ট নাপায় , গমকে নাপাব। মই আপোনাক শুৱাই দিম ,আৰু যেতিয়া আপুনি সাৰ পাব দেখিব আপুনি জীবিত আছে। নহলে কালিলৈ এনেকুৱা সময়ত আপুনি নিগনি এটাৰ দৰে মৰি থাকিব। স্বয়ং ভগৱানেও আপোনাক ৰচাব নোৱাৰিব। "

তেওঁ যেন ইমান কথা পাতি ভাগৰিহে পৰিছে , তেনে সুৰেৰে কৈ উঠিল ," উঃ ! মোক অলপ অকলে থাকিবলৈ দিয়া ?" কথাখিনি কৈ তেওঁ বেৰৰ ফালে মুখকৰি চকু মুদি শুই পৰিল।

এনেকুৱা এটা পৰিস্থিতিৰ বাবে ডাক্তৰ অলপো সাজু নাছিল। তেওঁ কোঠাৰ পৰা ওলাই গৈ মহিলা গৰাকীৰ লগত আলোচনা কৰাৰ কথা ভাবিলে।

শ্ৰীমতী গ্যালে নিজকে কামত ব্যস্ত ৰাখিলে ডাক্তৰক যেন দেখুৱাবহে খুজিছে তেওঁ এগৰাকী অতি ব্যস্ত তিৰোতা। কামৰ মাজতে নিৰ্লিপ্তভাবে সুধিলে ,"মোৰ স্বামীক কেনে দেখিলে ?" "তেখেতৰ অৱস্থা যথেষ্ট বেয়া। সেই কাৰণেই মই আপোনাক কবলৈ আহিছো। আপুনি যেন তেখেতক বুজাই বঢ়াই হাতখন কটাবলৈ সৈমান কৰায়।"

" হে ভগৱান।" কথাটো শুনাৰ লগে লগে মানুহগৰাকীৰ মুখখন তেওঁৰ সন্মুখত থকা বগা চাকৰ খনৰ দৰে শেঁতা পৰি গ'ল।"এইটো কৰিবই লাগিবনে ?"

"এরা! নহলে চৌবিশ ঘণ্টাৰ ভিতৰতে তেখেতৰ মৃত্যু নিশ্চিত।"

তেওঁৰ মুখখন বগা পৰি গ'ল। তেওঁ ডাক্তৰৰ বাহুত ধৰি বেমাৰী থকা কোঠাটোলৈ টানি অনাদি আনিলে। তাৰে পিছত ডাক্তৰক সম্বোধন কৰি কবলৈ ধৰিলে," আপুনি যোক কি বুলি ভাবিছে ? মই পঙ্গু মানুহ এজনৰ ঘৈণী হৈ সুখী হম বুলি ভাবিছে নেকি ? মই হলে লাজতে মৰি যাম বুইছে। চাওক সৌৱা তেওঁলৈ চাওঁক।" তাৰপিছত তেওঁ গিৰীয়েকৰ কালে চাই তেওঁক চিঞৰি চিঞৰি কবলৈ ধৰিলে ," জন, তুমি তেওঁৰ তেওঁৰ কথা শুনিছানে ? তুমি কেতিয়াও তেওঁক তোমাৰ হাতখন কাটিবলৈ নিদিবা।"

জনে তেওঁলৈ সহানুভূতিৰ চাৱনিৰে চাই কলে, "তুমি চিন্তা নকৰিবা ক্রিস্তা।"তেওঁ তাইক আশ্বাস দিলে "ইয়াত কোনো কচাইৰ কাম নহব। মই টুকুৰা টুকুৰি হৈ মৰিবলৈ নিবিচাৰো।"

ডাক্তৰে বুঢ়া খেতিয়ক জনক মৃত্যুৰ ভয়াবহতা আৰু জীৱনৰ সৌন্দৰ্য্যৰ বিষয়ে বুজোৱা সকলো অৰ্থলে গ'ল। প্ৰাসাদৰ পৰা জমিদাৰণী, পুৰোহিত আৰু বাকপটু লোক সকলক আনি বুজোৱা সত্বেও কোনো লাভ নহ'ল। জন গ্যল নিজৰ মতে অটল হৈ থাকিল। তেওঁ হাতখন কাটিবলৈ দিবলৈ কোনো পধ্যে মান্তি নহ'ল।

বুঢ়াখেতিয়ক জনে কোনো তিক্ততা ,বিনা অনুতাপ বা চকুপানীৰে বৰঞ্চ শান্ত কথা - বাৰ্ত্তা ,প্ৰশান্ত মনৰে মৃত্যুৰ ওচৰত নিজকে সমৰ্পন কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। মৃত্যুৱে তেওঁৰ মনত কোনো বিভীষিকাৰ সৃষ্টি কৰা নাই। বৰঞ্চ তেওঁ হাতৰ মুঠিত থকা হলে তেওঁ তেওঁৰ পূৰ্ব্বপুৰুষ সকল যোৱাৰ পথেৰে যাবলৈ সাজু হৈছে আছিল।

ডাক্তৰে বুজি পালে যে বুঢ়া মানুহজনক মৃত্যুৰ মুখৰ পৰা বচাবলৈ কৰা কোনো চেষ্টাই সফল নহব। সেয়ে হলেও বুঢ়া মানুহজনৰ আত্মৰ বেদনাই ডাক্তৰৰ মন স্পৰ্শ কৰিলে। তেওঁৰ বুঢ়াৰ প্ৰতি সহানুভূতি উপজিল। তেওঁৰ এই কাৰণেই আৰু বেছি দুখ লাগিল যে যি জন মানুহ শোকত ভাগি পৰিব লাগিছিল তেওঁহে ডাক্তৰক আনন্দ ভাব আৰু প্ৰশান্ত মনেৰে শান্ত্বনা দিবলৈ ধৰিলে।

হঠাৎ ডাক্তৰৰ মনত পৰিল যে সাধাৰণতে খেতিয়ক সকল টকা

পইচাব ক্ষেত্রত বব ছিচাবী। সেই কাবণে তেওঁ কলে ,"আপোনাব হাতখন নাকাটিলেও যে আপুনি মোক তিনিশ ফ্লোবিণ দিব লাগিব গম পাইছেনে বাক ? এতিয়া মোক যদি আপাবেশ্যনটো কবিবলৈ নিদিয়ে তেনেহলে আপোনাব তিনিশ ফ্লোবিণ অথলে যাব। মাত্র পাঁচ মিনিটতে অপাবেশ্যনটো হৈ যাব।"

"ঠিক আছে ,তেনেহলে ফিজটোব বাবদ আপুনি মলম এটাকে লিখি দিব।" ইমান শান্ত ভাবে বুঢ়া মানুহজনে কলে যেন তেওঁ এজোব জোতাবহে দব দাম কবিছে।

বিবক্ত আৰু হতাশ হৈ ডাক্তব অলপ গাওঁব ফালে ওলাই গ'ল আৰু গাওঁব আনা -বুঢ়া লোক দুজনমানব লগত কথাটো আলোচনা কবাব চিন্তা কবিলে। কিন্তু তেওঁ আশা কবাব নিচিনা সঁহাবি নাপালে। তাতোকৈ ডাঙব কথাটো হ'ল তেওঁব চিকিৎসা পদ্ধতিটোযে শুদ্ধ সেইটোও বেমাবী জনক পতিয়ান নিয়াব নোৱাবিলে। তাতে আকৌ গাভৰু পত্নী গবাকীয়ে ডাক্তবব প্রতিটো যুক্তিকে কিবা নহয় কিবা কৈ খণ্ডন কবে আৰু গিবীয়েককো তেওঁব মন স্থিবে বাখিবলৈ সোৰঁবাই থাকিবলৈ নাপাহবে। ডাক্তবে তেওঁব ফালে খঙেবে চালেও তেওঁ তাঁলৈ ভ্ৰুক্ষেপ নকবে। অৱশেষত অতিষ্ঠ হৈ ডাক্তবে চিঞবি উঠিল ; আমি মতা মানুহবোবে কথাপাতি থাকোতে আপোনাব মুখখন বন্ধ কবকচোন।"

শ্ৰীমতী প্যালে গাটো নচুৱাই কলে ," বাজিব লাগে টেমী - কটাবী, বাজিছে হাঁচতি।"

ক্দলখন যাতে নাবাঢ়ে সেইবাবে জন প্যালে কৈ উঠিল , "ক্রিক্কা, বেছি হুলস্থূল নকবিবাচোন। তুমি আলহী সকলব - কাবণে এবটল মদকে আনাগৈ যোৱা।"

"কোনটো পিপাব পবা আনিম।"

"দুই বেবেল ( মদ থকা গোল পিপা ,সাধাবণতে আগতে বেবেল বোব কাঠবে তৈয়াবী আছিল, আজিকালি প্লাষ্টিকবেও তৈয়াব কবে ) থকা পিপাটোব পবা আনা। কিন্তু মোব মৃত্যুব সকামত তিনি বেবেলটোব পবা খবচ কবিবা। তেতিয়ালৈ সেইখিনি খাবব কাবণে উপযুক্ত হ'বগৈ।"

ডাক্তবে বুজিলে প্যাল ডাঙবীয়াই নিজকে সম্পূর্ণভাবে মৃত্যুব

ওচৰত সমৰ্পণ কৰিলে। আৰু আলহী সকলেও মদ পান কৰি জনগ্যলক ভগৱানৰ আশীৰ্ব্বাদ লাভৰ বাবে এৰি থৈ ঘৰা ঘৰি গ'ল।

ডাক্তৰো বাহিৰলৈ ওলাই আহিল। চোতালতে তেওঁ তেওঁলোকৰ সুঠাম, সুন্দৰ, ডজৰজীয়া ডেকা লগুৱাটোক লগ পালে। তেওঁ লগুৱাটোক কলে, "তুমি বাগীখন সাজু কৰা। আধা ঘণ্টাৰ ভিতৰতে মই যাম। আৰু শ্ৰীমতি গ্যলক কবা মই দুপৰীয়া খাবলৈ নৰওঁ।"

গেটখন পাৰ হৈ তেওঁ ৰ'ল আৰু ইয়াৰ পিছত কি কৰিব তেওঁ চিন্তা কৰিলে। দুৱাৰৰ কাঁকেৰে তেওঁ দেখিলে ল'ৰাজনে শ্ৰীমতি গ্যলৰ ওচৰ পালেগৈ। আৰু শ্ৰীমতি গ্যলে ল'ৰাটোলৈ যি বিশ্ববিজয় হাঁহিৰে দৃষ্টি নিক্ষেপ কৰিলে সেইটো তেওঁৰ চকুৰ পৰা সাৰি নগল। আৰু দুয়ো চুপতি মৰাত লাগিল। ডাক্তৰে মুহূৰ্ত্ততে বুজি পালে যে তেওঁলোক দুয়ো জুইৰ লগত খেলা কৰিছে। ডাক্তৰে ভাবিলে গাওঁখনত নিশ্চয় বুঢ়ী বেজনী আছে। এই বেজনীৰ পৰাই তেওঁ সিহঁতৰ সম্বন্ধটো গম পাব পাৰিব। কিয়নো গাওঁৰ প্ৰেমিক - প্ৰেমিকা বোৰে এই বেজিনীবোৰৰ পৰাই আহৰি আনিব কাৰণে সহায় বিচাৰে। গাওঁৰ মহৰী জনে নিশ্চয় বেজিনীৰ কথা জানিব। সঁচাকৈ তেওঁ জানেও।

"বুঢ়ী বেজিনী বেবেক, গ্যলৰ ঘৰৰ পৰা মাত্ৰ দুটা ঘৰৰ সিফালেই থাকে।" তেওঁ কলে।

ডাক্তৰে বেজিনী বেবেকৰ হাতত ৰূপৰ মুদ্ৰা দুটা দি কলে, "মই তিৰোতা এগৰাকীৰ প্ৰেমত পৰিছো, গতিকে আপুনি এনেকুৱা এটা উপাই দিয়ক তেওঁ ও যাতে মোৰ প্ৰেমত পৰে।"

"সেইটো কথা সম্ভৱ মহৰ ডেকা ল'ৰা। তোমাৰ এই পাতি কাউৰীৰ নিচিনা চেহেৰাত কোনো ছোৱালী প্ৰেমত পৰিব নোখোজে।"

"হয় আই, সেইটো একেবাৰে সঁচা। কিন্তু মই যে তেওঁক ৰাজৰাণীৰ দৰে ৰাখিম। তেওঁ বিচৰা ধৰণে দামী দামী পাটৰ কাপোৰ আৰু ইচ্ছা মতে খৰচ কৰিব পৰাকৈ টকা পইচা দিম।" "বাৰু সেই তিকতাজনীনো কোন ?"

"শ্ৰীমতী গ্যল।"

"সেইপাহ গোলাপ ফুল ইতিমধ্যে ছিঙা হৈ গল, তুমি আন এপাহ

গোলাপৰ কথাহে চিন্তা কৰা।”

ডাক্তৰে আচলতে সেইটো কথাকে জানিবলৈ বিচাৰিছিল। “সেই মানুহজননো কোন ?” ডাক্তৰে সুধিলে।

“ তেওঁলোকৰ ঘৰৰ লগুৱা প'ল নেগী। তাই নিশ্চয় তাৰ প্ৰেমত পৰিছে। কাৰণ তাই প্ৰায়েই আহদি বিচাৰি মোৰ ইয়ালৈ আহে। সিদিনা মই তাইক তিনিবছৰীয়া পুৰণি লতাৰ গুৰি মদৰ লগত মিহলাই খুৱাবলৈ দিছো।”

“জন গ্যালে সন্দেহ নকৰেনে ? ”

“তেওঁ বুধিয়ক হব পাৰে ,কিন্তু তিৰোতাৰ বুধিৰ লগত তেওঁ কেৰ মাৰিব নোৱাৰে।”

ডাক্তৰে গ্যলৰ ঘৰলৈ ফিৰি আহিল। তেওঁ দেখিলে যে তেতিয়াও প্ৰেমিক প্ৰেমিকা হালে প্ৰেমালাপ কৰিয়েই আছে। আৰু লগুৱাটোৱে ৰোঁৱাৰ পিঠিত জিনখন বান্ধি ডাক্তৰক টৈচলৈ নিবলৈ সাজু কৰি থৈছে। শ্ৰীমতী গ্যালে তেওঁক দেখি আগবঢ়াই দিলেহি আৰু ব্লাউজৰ ভিতৰত হাত ভৰাই তিনিশ ক্ৰোৰিণ উলিয়াই ডাক্তৰক দি কলে ,“ আপোনাৰ কষ্টৰ বাবে ডাক্তৰ।”

“ঠিকেই।” ডাক্তৰে কলে। “আপোনাৰ দৰে সুন্দৰী আৰু বুদ্ধিমতী মহিলা এগৰাকীয়ে নিশ্চয় বুজি পাইছে যে মই এতিয়া আৰু এইখিনি পাবৰ উপযুক্ত নহওঁ।”

“ আপুনি চিন্তা কৰিব নালাগে ; মোৰ স্বামীৰ এইখিনি সামৰ্থ্য আছে।”

“ঠিক আছে তেতিয়া হলে , মোৰ বেগটো নি বাগীখনত থওকগৈ ; ইতিমধ্যে মই আপোনাৰ স্বামীৰ পৰা বিদায় লৈ আহোঁগৈ।”

জন গ্যালে আগৰদৰেই শান্তভাৱে চকুমুদি বিছনাত পৰি আছে। তেওঁৰ পাইপতাল মুখাই আছে। দৰজাখনৰ শব্দ হোৱাৰ লগে লগে তেওঁ এটা চকু মেলি চালে।

“গ্যল ৰবৰ্দেউতা ,মই আপোনাৰ পৰা বিদায় লবলৈহে আহিছো।” ডাক্তৰে কলে।

“ তুমি যোৱাই নেকি ?” তেওঁ অন্যমনস্ক ভাৱে সুধিলে।

"মোৰতো ইয়াত কৰিবলৈ একোৱেই নাই।"

"ভিৰোতাজনীয়ে তোমাক টকা দিনি দিলেনে ?"

"হয় দিলে। ৰৱদেউতা, আপুনি বৰ সুন্দৰী পত্নী পাইছে। সঁচাকৈয়ে তেওঁ অতি ধুনীয়া।

বেমাৰীজনে ইটো চকুও মেলিলে, তেওঁৰ ভাল হৈ থকা হাতখন ডাক্তৰলৈ আগবঢ়াই দি কলে, "সঁচাকৈয়ে কৈছানে ?"

"সঁচাকৈয়ে। তেওঁৰ ধুনীয়া ওঁঠজোৰ চেৰীফলৰ নিচিনা।"

"হয় ঠিকেই কৈছে।" তেওঁৰ মুখত এক আনন্দৰ হাঁহি বিৰিপি পৰিল।

"সেই বদমাছ প'লে যে তেওঁৰ লগত বেছি স্ফূৰ্তি বে সময় কটায় সেইটো মই নিশ্চয়কৈ কব পাৰো।"

বুঢ়া খেতিয়ক জন উচাপ খাই উঠিল আৰু তেওঁৰ কাণে চাই কলে, "ডাক্তৰ আপুনি কি কলে ?"

" আচলতে এইটো মোৰ কাম নহয়। তথাপিও চকু, কাণ, মগজ আছে যেতিয়া দেখা শুনা কথাবোৰ চাদি - জাৰি লব পাৰো। যি মুহূৰ্ত্তত তেওঁ আপোনাৰ হাতখন কাটিবলৈ দিবলৈ অমান্তি হ'ল সেই মুহূৰ্ত্তত মই সন্দেহ কৰিছিলো। আপুনি একো সন্দেহ কৰা নাইনে বাৰু ? মই কিন্তু এতিয়াও বুজিছো মোৰ সন্দেহ একেবাৰে সঁচা।"

জনখ্যলে তেওঁৰ বাঁ লগা হাতখনৰ কথা পাহৰি আহু দিবলৈ খবিলে, আৰু তৎক্ষণাত বিষত কেকাঁবলৈ ধৰিলে।

" উঃ মোৰ হাত খন। ডাক্তৰ, আৰু নকবা ডাক্তৰ।"

"ঠিক আছে আৰু একো নকওঁ।"

বেমাৰী মানুহজনৰ বুকুতেদি এটা হুমুনিয়াহ ওলাই আহিল আৰু সোঁ হাত খনেৰে ডাক্তৰৰ হাতত খামোচ মাৰি ধৰিলে। "কোন প'ল ? কোন প'লৰ কথা কৈছা ডাক্তৰ ?"

" আপুনি সঁচাকৈয়ে একো নাজানেনে ? কিয় আপোনাৰ লগুৱা প'ল দেখী।"

কথা শুনি বুঢ়াখেতিয়ক জন শেঁতা পৰি প'ল। তেওঁৰ ওঁঠ দুখন কঁপিবলৈ ধৰিলে আৰু তেজ বোৰ যেন বৈ হৃৎপিণ্ডত বৈ প'ল। তেওঁ

বিষ কণৰ কথাও মুহূৰ্ত্ততে পাহৰি গ'ল। তেওঁ হঠাৎ নিজৰ কপালত ভুকুৱাই ভুকুৱাই কৰঁলে ধৰিলে,"কি মূৰ্খ মই? বহুত দিনৰ আগতেই মই কথাটো মন কৰিব লাগিছিল -------। নাগিনী তিবোতাজনী ক'ৰবাৰ।" "আপোনাৰ পত্নীক গালি পাৰি কোনো লাভ নাই গ্যল ৰবদেউতা। তেওঁ সুন্দৰ স্বাস্থ্যৰ এগৰাকী সুন্দৰী। তেওঁৰ আগত গোটেই জীৱনটো পৰি আছে। তেওঁ হয়তো এতিয়াও পবিত্ৰ হৈয়েই আছে। আৰু আপোনাৰ মৃত্যুৰ পিছত তেওঁ নিশ্চয় বিয়া কৰাব --- ---আৰু আপুনিতো যাবলৈ সাজু হৈয়েই আছে।

বুঢ়া খেতিয়ক জনে বহুত কষ্ট কৰি কথা কৈ থকা ডাক্তৰৰ কালে চুবিল।

"আপুনি যোৱাৰ পিছত যদি তেওঁ ডেকা ল'ৰা এজনক বিয়াও কৰায় আপোনাৰ হেকয়াৰ লগা একো নাথাকে। আপোনাক কবৰ দিয়াৰ পিছত সংসাৰতনো কি ঘটি আছে সেইবোৰ একোকে গম নাপাব। মই ভাবো আপোনাৰ মৃত্যুৰ পিছত তেওঁযে সুন্দৰ,সুঠাম ডেকা ল'ৰক স্বামী হিচাপে পাব সেইটো ভাবি আপুনি আনন্দিত হোৱা উচিত।" কথাবোৰ শুনি বুঢ়া মানুহজনে খঙতে ইমান জোৰেৰে দাঁত কৰচিবলৈ ধৰিলে যেন দুটা দতাঁত হাতীয়েহে যুঁজিছে।

"ৰব দেউতা, আপুনি ইমান ঈৰ্ষাপৰায়ণ নহ'বচোন। তেওঁৰ নিচিনা সুন্দৰী তিবোতা গৰাকীৰ অপূৰ্ব্ব দেহাটো কোনেও উপভোগ নকৰাকৈ অপচয় হোৱাটো দুখৰহে কথা হব। প'ল ইমান মূৰ্খ নহয় যে তেওঁৰ নিচিনা সুন্দৰী তিবোতা এগৰাকীক উপভোগ নকৰাকৈ এনেয়ে এৰি দিব। আপোনাৰ মৃত্যুৰ পাচতে তেওঁ আপোনাৰ টকা - পইচা,মাটি -বাৰী সকলো পাব। গতিকে প'লে ৰাজকন্যা আৰু ৰাজ্য দুয়োটা লভিব। আপোনালোক তিনিওৰে ভিতৰত আপুনিয়ে আটাইতকৈ মূৰ্খ ৰবদেউতা।"

খেতিয়ক জনে আকৌ দেতাবলৈ ধৰিলে। তেওঁৰ কপালত ঘাম বিৰিঙি উঠিল, বুকু ধপধপাবলৈ ধৰিলে। ডাক্তৰে অলপ বৈ কৰঁলে ধৰিলে, "গ্যল ৰবদেউতা, আমাৰ এবাৰ কথা আছে নহয়," নাই মোমাইতকৈ কণা মোমায়েই ভাল, সেয়েহে মই কওঁ একেবাৰে এৰি

দিয়াতকৈ এখন হাতেৰেই তেওঁক আকোৱালি ধৰাটোৱেই বুদ্ধিমানৰ কাম হ'ব নেকি ?”

এইখিনিয়েই বুঢ়া মানুহজনৰ কাৰণে যথেষ্ট হৈছিল। তেওঁ ঘাঁ লগা হাতখন আগবঢ়াই দি ক'লে, “ডাক্তৰ আপোনাৰ ছুৰীখন আনক আৰু এইখন কাটি পেলাওক।”

# * সহবাস *

মূল ৰচনা : উইলিয়াম চমাৰচেট ম'ম
অনুবাদ : লক্ষি গগৈ

*চমাৰচেট ম'ম ওঠৰশ চৌসত্তৰ চনত পেৰিচত জন্ম গ্ৰহণ কৰিছিল। দহবছৰ বয়সত তেওঁ ইংলেণ্ডলৈ গৈ 'কিংছ্ স্কুলত' ( Kings School ) ভৰ্ত্তি হয়। পিছত 'হেইডল ইউনিভাৰ্চিটিৰ পৰা ডাক্তৰী ডিগ্ৰী লাভ কৰে আৰু তাৰপিছত লণ্ডনৰ চেণ্ট থমাছ হচপিটেলত চিকিৎসকৰূপে চাকৰী জীৱনৰ পাতনি মেলে। তেওঁ উনৈশ শ চৈধ্যৰ পৰা উনৈশ শ ওঠৰ চনলৈকে ৰেডক্ৰচ চচাইটিৰ লগত থাকি দেশৰ সেৱা কৰিছিল। তেওঁ দূৰ প্ৰাচ্যৰো বিভিন্ন ঠাইত ভ্ৰমণ কৰিছিল আৰু ম'মে বিভিন্ন ঠাইত ঘূৰি ফুৰোতে লগ পোৱা মানুহৰ অন্তৰৰ দুখ বেদনা উপলব্ধি কৰি কেইবাখনো উপন্যাস ৰচনা কৰি থৈ গৈছে। তাৰ ভিতৰত লিজা অব লেমবেথ মিচেছ ক্ৰেডক, দি মুন এণ্ড চিক্সপেনচ, পেইণ্টেড ভেইল আদিয়েই প্ৰধান যদিও 'অব হিউমেন বণ্ডেজ নামৰ তেওঁৰ আত্মজীৱনী মূলক উপন্যাসখন ম'মৰ শ্ৰেষ্ঠ সৃষ্টি বুলি নিঃসন্দেহে কব পাৰি। তেওঁ ভালেমান চুটি গল্পও ৰচনা কৰি থৈ গৈছে। সেইবোৰত তেওঁ মানুহৰ যৌনজীৱন, সুখ-দুখ, নিষ্ঠুৰতা লৈ সুন্দৰ গল্প ৰচনা কৰিছিল। তেওঁ উনৈশ আঠত্ৰিশ চনত ভাৰতলৈয়ো আহিছিল আৰু হিন্দু দৰ্শন শাস্ত্ৰৰ ওপৰত মোহিত হৈ "দি ৰেজৰচ এজ্" নামৰ উপন্যাস এখন লিখি থৈ গৈছে।*

ডৰিছে বাৰাণ্ডাৰ চকীখনত বহি গাইৰ স্বামীলৈ বাট চাই আছে। তেওঁ আহি পালেই সিহঁতে মধ্যাহ্ন ভোজন কৰিব। ডৰিছৰ দৃষ্টি সন্মুখৰ নদী খনৰ ওপৰত নিবদ্ধ। বহু দূৰত নিজৰা নৈ বুকুত এখন ডুঙুৰা নাওঁ ...হ লাহে ভাঁহি গৈ আছে। হঠাতে নাম নজনা চৰাই এটাই গহৰ

ভালত পৰি গীত জুৰিলে। চৰাই জনীৰ গীতৰ সুৰত তাইৰ মনত উদাস ভাৱে খেলা কৰি গল। বহুত দূৰত এৰি থৈ অহা মাতৃভূমি ইংলেণ্ডৰ ঘৰখনৰ কথা মনত পৰিল। ভৰিছে পিন্ধি থকা লিনেন কাপোৰৰ ফ্ৰকটো, বাদামি ৰঙৰ চকুৰ মনিদুটা, চুটি চুলি কোচাৰে তাইক বৰ শুৱনি কৰি তুলিছিল। সিহঁতে থকা বাঙলাটোৰ পিছফালে লুতলুতীয়া বাটটোত খোজৰ শব্দ শুনি তাই বুজিলে তাইৰ স্বামীয়ে দুপৰীয়াৰ আহাৰ খাবলৈ ঘৰলৈ আহিছে। স্বামীক সম্ভাষণ জনাবলৈ তাই ঠিয় হল। তৰুণ স্বামীজন হৰমূৰকৈ চিৰি বগাই ওপৰলৈ উঠি আহিল। লগুৱাটোৱে তেওঁৰ হাতৰ পৰা টুপীটো ললে। তেওঁ পোনে পোনে 'ডাইনিংৰুমলৈ সোমাই আহি ভৰিছলৈ চাই সুধিলে, " সোণজনী, তোমাৰ নিশ্চয় ভোক লাগিছে?" তাই মিচিকিয়াই উত্তৰ দিলে, " লাগিছেতো" " মই খন্তেকতে গাটো ধুই খোৱা টেবুলত বহিমহি।" তাই হাঁহি মাৰি উত্তৰ দিলে, "সোনকালে কৰিবা কিন্তু!"

ডেকাজন ড্ৰেছিংৰুমলৈ সোমাই গ'ল আৰু আনন্দ মনেৰে সুহুৰিয়াবলৈ ধৰিলে। ভৰিছে বাৰাণ্ডাৰ পৰাই মানুহজনে কাপোৰ কানিবোৰ খুলি মজিয়ালৈ দলিয়াই দিয়া শব্দ পালে। তাইৰ ওঁঠৰ ওপৰেদি এটা হাঁহি বিৰিঙি গল। এইজনেই তাইৰ -স্বামী, যাৰ বয়স উনত্ৰিশ বছৰ হলেও ধৰন -কৰন এতিয়াও কিশোৰৰ দৰেই হৈ আছে। চঞ্চল, প্ৰাণ - প্ৰাচুৰ্য্যৰে ভৰা মঙহাল মুখখনত শালমইনা কেইটা দেখিলে কোনেও তেওঁক সুদৰ্শন পুৰুষ বুলি নকয়। ভৰিছেতো তেওঁৰ চেহেৰাত প্ৰথমতে কোনো বিশেষত্বই বিচাৰি পোৱা নাছিল। কিন্তু পিছলৈ সেই সাধাৰণ চেহেৰাৰ মানুহজনক তাই ভাল পাই পেলালে। তেওঁৰ সান্নিধ্যত থকা সময়খিনিত তাই আনন্দ লভিবলৈ ধৰিলে। ডেকাজনৰ ভিৰবিৰাই থকা নীলবৰণীয়া চকুদুটালৈ চাই তাই মুগ্ধ হৈ গ'ল। তাইৰ নিজৰে আচৰিত লাগে, বিজন মানুহ তাইৰ দেহ আৰু মনৰ গৰাকী হ'ল, যাক নটা মাহৰ আগতেও তেওঁ তাইৰ বাবে আছিল সম্পূৰ্ণ অপৰিচিত।

সেই সময়ত তাই সংসদৰ সদস্য এজনৰ ব্যক্তিগত সচিব হিচাপে কাম কৰিছিল। নটা মাহৰ আগতে তাই ছুটিৰদিনবোৰ কটাবলৈ মাকৰ

লগত সাগবৰ পাৰৰ সৰু চহৰ এখনলৈ গৈছিল। এই ডেকাজনো সিহঁত থকা হোটেল খনতে আছিল। তাতে সিহঁতৰ চিনা পৰিচয় হ'ল। জন্মৰে পৰা সুদূৰ মালয়ৰ চেম্বুলুত ডাঙৰ দীঘল হোৱা বাবেই বোধয় ডেকাই নিজাদেশ ইংলেণ্ডতকৈয়ো চেম্বুলুকহে বেছি ভাল পাইছিল। তেওঁৰ দেউতাকে তাত চুলটানৰ অধীনত চাকৰি কৰিছিল। তেঁৱো দেউতাকৰ দৰেই তাতে চাকৰি কৰে। মাত্ৰ এমাহৰ ছুটী কটাবলৈহে তেওঁ আহিছে। ডেকাজনৰ লগত কথা পাতি খোলা অন্তৰৰ মানুহজনৰ প্ৰতি ভৱিছ আকৃষ্ট হৈ পৰিল। কিন্তু ডেকাই যেতিয়া বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে তাই প্ৰথমতে দোধোৰ - মোধৰ অৱস্থাত পৰিল। অকলশৰীয়া মাকক এৰি থৈ খন্তেকীয়া চিনাকি ডেকাজনক বিয়া কৰাই সুদূৰ চেম্বুলুলৈ যোৱাৰ কথা ভাবি তাইৰ হিয়াখন দহি গৈছিল। কিন্তু অৱশেষত মাকৰ মৰমতকৈয়ো ডেকাৰ প্ৰতি ভাল পোৱাৰ টান তাইৰ কাৰণে অধিক দুৰ্ব্বাৰ হৈ পৰিল। বিগত চাৰিটা মাহ সিহঁতে ডেকাৰ কৰ্ম্মস্থল এই সৰু চহৰখনত এক সুখী দাম্পত্য জীৱন অতিবাহিত কৰি আহিছে।

স্বামীৰ গা ধোৱা ঘৰলৈ সোমাই যোৱা খোজৰ শব্দই তাইক বৰ্ত্তমানলৈ ঘূৰাই আনিলে। প্ৰাণ প্ৰাচূৰ্য্যৰে ভৰা এই মানুহজনৰ - বিষয়ে তাই ভাবিলে, "এনে উৎপতীয়া মানুহ। শুদাভৰিৰে যাওঁতেও দপদপাই গৈছে।" তাই শুনিলে সি স্থানীয় ভাষাত কাৰোবাক কিবা কৈছে। কোনোবাই যেন দুৰ্বোধ ভাষাত তাকো কিবা কৈছে। তিৰোতা মানুহৰ মাত যেনেই লাগিছে। তাই ভুল শুনা নাইতো ? কোন হব পাৰে বাৰু ? কিনো ইমান গুপুত কথা আছে ? নিশ্চয় কোনোবা মালয়ী তিৰোতাই তাৰ ওচৰত কিবা গোচৰ দিছেহি। "আঁতৰ হ। মোৰ সন্মুখৰ পৰা দূৰ হৈ যা ভালে ভালে।" গিৰিয়েকৰ খঙাল মাতটো ভৱিছৰ কাণত পৰিল। তাই কাণদুখন উনাই লম পালে গিৰিয়েকে দুৱাৰৰ খিলিটো সশব্দে লগাই দিছে; তাৰ পিছত ওপৰা উপৰিকৈ কেইমগমান পানী ঢালি অলপ সময়ৰ ভিতৰতে গা ধোৱা কাম সমাপন কৰি 'ডাইনিং ৰুমৰ' ভিতৰ পালেহি। তেওঁৰ মুখৰ চুলিবোৰ এতিয়াও তিতি আছে। দুয়ো আহাৰ খাবলৈ বহিল।

ভৱিছে গিৰিয়েকৰ মুখলৈ চাই মিঠাকৈ হাঁহি এটি মাৰি কলে,

"তোমাৰ ভাগ্য ভাল যে তুমি গাধুৰলৈ সোমাই অন্য তিৰোতাৰ লগত ফুচফুচীয়া মেল মৰা শুনিও মই অকণো সন্দেহী হৈ উঠা নাই।"

সদায় লাগি থকা হাঁহিটোৰ ঠাইত ভেকাজনৰ মুখখন শেঁতা আৰু বিপন্ন যেন দেখা গৈছিল। তেওঁ মুখলৈ স্বাভাবিক ভাব ঘূৰাই আনিবলৈ আপ্ৰাণ চেষ্টা কৰি কলে, " আচল কথাটো কি জানা ? সেই মানুহজনীক দেখি মোৰ ৰব খঙ উঠি গল।"

ভৰিহে পাতলীয়া ভাবেৰে কলে, " তোমাৰ মাত শুনি মোৰো তেনে যেনে লাগিছে। তাইনো তোমাৰ ওচৰলৈ কি বিচাৰি আহিছিল ?"

" তাইৰ হেনো গিৰীয়েকৰ লগত কিবা কাজিয়া লাগিছে।"

ভৰিহে কলে, " অথনি বাতিপুৱাই দেখা মানুহজনীয়েই নহয়তো ? তাইকো মই গা ধোৱা ঘৰবফালৰ পৰাই ওলাই যোৱা দেখিছিলো। মই তাইক কি লাগে সুধিছিলোঁ । উত্তৰত তাই কিবা কৈছিল। কিন্তু মই একো নুবুজিলো।"

" এই বাৰে মানুহবোৰ কম্পাউণ্ডৰ ভিতৰত সোমোৱাটো একেবাৰে বন্ধ কৰি দিব লাগিব", ভৰিহৰ স্বামীয়ে হাঁহি মাৰি কথাষাৰ কলে।

কিন্তু ভৰিহৰ সন্দেহ হল তাইৰ মৰমৰ মানুহজনে যেন জোৰকৈহে ওঠদুখনলৈ হাঁহি টানি আনিছে ! আনদিনাৰ দৰে যেন তেওঁৰ চকুদুটাই হঁহা নাই ! ভেকাজনে প্ৰসঙ্গ সলনি কৰিবলৈকে তাই বাতিপুৱাটো কেনেদৰে কটালে সুধিলে। তায়ো সৰল মনেৰেই সকলো কৈ গ'ল। হঠাতে তাই কলে, " অ ' মই তোমাক কবলৈ পাহৰিছিলোৱে। অথনি বাতিপুৱা ফুৰোতে দুটা ল'ৰা দেখিছিলোঁ। সিহঁতৰ গাৰ বৰ্ণ বাকী - স্থানীয় মানুহতকৈ বেছি বগা। কোন বাৰু ,চিনি পোৱানে ?"

"ভৰিহৰ স্বামীয়ে কলে ," সিহঁতৰ মাকজনী ইয়াৰে পাৰ্বতীয়া যোৱালী বুলি শুনিছো।" ভৰিহে আচৰিত হৈ সুধিলে, "তেন্তে সিহঁতৰ বাপেক কোন ?"

তাইৰ প্ৰশ্নটো এৰাই যাবলৈ চেষ্টা কৰিও তাইৰ স্বামীয়ে উত্তৰ দিবলৈ বাধ্য হল ," ইয়াত কাম কৰি থকা বহুতো মানুহে এনে স্থানীয় যোৱালী বক্ষিতা কৰি ৰখিও সময়ত নিজৰ দেশৰ যোৱালীকে বিয়া কৰাই

সংসাৰী হয়। ৰক্ষিতাবোৰক ক্ষতিপূৰণ দি গাঁৱলৈ পঠিয়াই দিয়ে। অবৈধ সন্তানবোৰৰ পঢ়া শুনা আৰু ভৰণ পোষণৰ বাবে যথেষ্ট টকা - কড়ি দিয়া হয়। তাওঁৰ হলে সিহঁতে কোনো অফিছত কেৰাণীৰ চাকৰি লৈ সুখতে থাকে।”

পিৰীয়েকৰ এনে উত্তৰত ভবিছ সন্তুষ্ট নহল। তাই গহীন সুৰত কলে,“ৰক্ষা যে তোমাৰ কোনো মালপ্নী ৰক্ষিতা নাই। অথনি দেখা ল’ৰাকেইটা তোমাৰ হোৱা হলে তোমাক মই ঘিন কৰিলোহেঁতেন।”

“ তুমিয়ে ঘিয়েই নোকোৱা, এনেকুৱা আওহতীয়া নিজান ঠাই এখনত কম বয়সীয়া চঞ্চল ডেকা এজনে আপোন পৰিজনৰ পৰা ইমান দূৰত থাকি নিঃসঙ্গতা দূৰ কৰিবলৈকে এনে স্থানীয় ছোৱালীৰ লগত সহবাস কৰিবলৈ বাধ্য হয়। গতিকে মই কবলৈ গলে এনে কাম কৰা মানুহবোৰ ক্ষমাৰ যোগ্য।” -ভবিছৰ ডেকা স্বামীয়ে স্বাভাবিক সুৰেৰে হাঁহি হাঁহি উত্তৰ দিলে। তেওঁ নৱবিবাহিতা পত্নীৰ হাতদুখন নিজৰ হাতৰ মাজত লৈ আবেগবিহ্বল মাতেৰে সুধিলে ,“ সোণজনী ,তুমি ৰাক ইয়াত থাকি সুখী হৈছানে ?” স্বামীৰ এই হাঁহি থকা চকুদুটি -যি দুটিলৈ চাই তাই গোটেই পৃথিৱীকে পাহৰি থাকিব পাৰে ! তাই গভীৰ আহ্লাদেৰে কলে ,“নিশ্চয়, তোমাৰ এই হাঁহি থকা চকুযুৰি দেখিলে মোৰ মন ভৰি থাকে।”

তাইৰ এই ঠাইখনলৈ অহা প্ৰথম দিনটোলৈ মনত পৰিল। সিহঁতৰ আহল - বহল,কিন্তু অপৰিচ্ছন্ন শোৱনী কোঠাটোত এখন উৰলি যোৱা মেট পাৰি থোৱা আছিল। সাধাৰণ বস্ত উঠি যোৱা চাকনী পাৰি থোৱা টেবুলৰ ওপৰত পিতলৰ ক’লা বৰণ ধৰা বুতাম দুটামান, চিগাৰেটৰ খালি টেমা দুটামান,মালয়ৰ দুই এপদ পুৰণা কাপৰ সজোৱা বস্তু অবিন্যস্ত ভাবে সিঁচৰিত হৈ পৰি আছিল। খইটা কাঠৰ চেল্‌ফ এখনৰ ওপৰৰ কেইখনমান লঘুখৰণৰ সস্তীয়া কিতাপ চেপেলি -জেপেলি হৈ আছিল। এনেধৰণৰ আন এখন চেল্‌ফত কেইটামান খালি বটল গোটখাই আছিল। মুঠতে শোৱনি কোঠাৰ প্ৰত্যেকটো বস্তুতেই যেন এজন অবিবাহিত পুৰুষৰ বিশৃঙ্খল হাতৰ চিন ! এই বিশৃঙ্খলতাই যেন মানুহজনৰ কঠোৰ জীৱনটোৰো এটা আভাস দিয়ে। তাই নৱবিবাহিত স্বামীজনলৈ পুটো

আৰু মৰম -মিহলি দৃষ্টি নিক্ষেপ কৰি কৈছিল ,"হেৰেতেৰা !কি যে বিশৃংখলিত জীৱন তোমাৰ !" তাই অলপ সময়ৰ ভিতৰতে কোঠালীটো পৰিপাটি কৰি,লেতেৰা-পেতেৰা বস্তুবোৰ আঁতৰাই পেলালে। বিয়াত উপহাৰ স্বৰূপে পোৱা বিভিন্ন বস্তুৰে কোঠালীটো সুন্দৰকৈ সজালে। এতিয়া সেই একেটা কোঠাই তাইৰ সুৰুচিসম্পন্ন মনৰ পৰিচয় দিলে। আইনাৰ ফুলদানিবোৰত বিভিন্ন অঙ্কিত ফুল সজালে , তাতৰ আহল - বহল মুখৰ পাত্ৰত ফুলৰ পুলি ৰুই ফুল ফুলালে। ভালপোৱা মানুহজনৰ কাৰণে গোটেই ঘৰটোতে মৰমী হাতৰ পৰশ - বুলাই -সুন্দৰ আৰামদায়ক কৰি মনতে গৰ্ব অনুভৱ কৰিলে। এই গোটেই খিনি কাম কৰি তাই ভালে চাই সুধিলে," ভাল লাগিছেনে ?" সি উত্তৰ দিছিল, "নিশ্চয়।" মাথো এটা শব্দ। কিন্তু তাইৰ অন্তৰ ভৰি গৈছিল। তাই জানিছিল মাথো এটা শব্দৰেই তাইৰ নতুন স্বামীয়ে তাইৰ প্ৰতি ভাল পোৱা আৰু কৃতজ্ঞতা জনাইছে।

সিহঁতৰ দুপৰীয়াৰ আহাৰ খোৱা শেষ হলত তৰিহৰ স্বামীয়ে এখন চকীত আঁউজি বহি ললে। তাই অলপ শুই লবলৈ বুলি শোৱনি কোঠাৰ ফালে আগবাঢ়োতে সি তাইৰ গাৰ কাষলৈ টানি আনি তাইৰ ওঁঠযুগলিত চুম্বন আঁকি দিলে। তৰিহে অলপ আচৰিত হল। কাৰণ দিন দুপৰতে সিহঁতে আগতে কাহানিও আবেগ প্ৰৱণ হৈ আলিঙ্গনবদ্ধ হোৱা নাই। তাই ঠাট্টাৰ সুৰত কলে ,"এতিয়া পেট ভৰাই খাই লৈ তোমাৰ হৰলা প্ৰেম কৰিবলৈ মন গল ?" সি লাহেকৈ তাইক ঠেলি দি কলে ,"মোৰ কি দোষ কোঁৱা ! তোমাক কাষত পালে মই সকলো পাহৰি যাওঁ ,লোপ ঠিক আছে বাৰু ,এতিয়া অলপ শুই লোঁৱাগে। কিন্তু সাৱধান,এইখিনি সময়ত যাতে পুনৰ দেখা দি মোক উত্তেজিত নকৰা।"

তাই যেতিয়া সাৰপালে , তেতিয়া তাইৰ স্বামীয়ে গা-খোৱা ঘৰত মুখ হাত ধুইছিল। তাইৰ উঠিবলৈ এলাহ লাগিছিল যদিও বনকনা লৰাটোৱে চাহৰ সৰঞ্জামৰ ট্ৰেখন কঢ়িয়াই অনা দেখি তাইো নিজৰ গা-খোৱা ঘৰত সোমাই চকু মুখ ধুই ললে। শীতল পানীৰ পৰশত তাই সজীৱ অনুভৱ কৰিলে। আবেলিৰ চাহ- জলপান খাই দুয়ো টেনিছ খেলিবলৈ ওলাই গল। হঠাতে তাইৰ চকুদুটা [illegible]

ওপৰত আবদ্ধ হৈ ৰ'ল। তাই কলে, "এইজনী মানুহকেই মই ৰাতিপুৱা দেখিছিলোঁ।" তাইৰ ডেকা স্বামীয়ে ঘূৰি চালে। সি স্থানীয় তিৰোতাজনীৰ ওপৰত মূহুৰ্ত্তৰ বাবে দৃষ্টি নিক্ষেপ কৰি মৌন হৈ ৰ'ল। সৰু ফুটীয়া মৰম লগা মুখৰ তিৰোতাজনীয়ে ডাঙৰ ক'লা চকুযোৰ মেলি সিহঁতলৈ অদ্ভুত ভাবে চাই আছে। তাইৰ কোলাত এটি শিশু। তিৰোতাজনীৰ চকুৱে চকুৱে পৰাত ভবিয়ে এটি মিঠা হাঁহি মাৰিলে। কিন্তু মৰম লগা তিৰোতাজনীৰ মুখত কোনো ভাবান্তৰ ফুটি নুঠিল। ভবিয়ে স্বামীলৈ চাই সুধিলে," কোন বাক এই তিৰোতাজনী ?"কিন্তু স্বামীলৈ চাই তাই আচৰিত হ'ল তাইৰ নিচেই কাষত বহি থকা ফূৰ্ত্তিবাজ মানুহজনৰ হ'ল কি ? তেওঁৰ মুখখন মৰা মানুহৰদৰে শেঁতা হৈ পৰিছে। তাইৰ প্ৰশ্নটো শুনি তেওঁ যেন বাধ্য হৈহে নিৰ্বিকাৰ যেন দেখুৱাই উত্তৰ দিলে," ওচৰৰে সাধাৰণ ছোৱালী।" কথাখিনি কৈয়ে সি খোলা নেটখন ভালকৈ বন্ধা হৈছে নে নাই চাবলৈ চেষ্টা কৰোঁতে পুনৰ সেই মানুহজনীৰ চকুৱে চকুৱে পৰিল। সি সম্পূৰ্ণ নিৰ্বিকাৰ যেন দেখুৱাই ভবিহৰ সৈতে খেলিবলৈ লাগিল। কিন্তু সিহঁতৰ খেলখন আনদিনাৰ দৰে নজমিল। তাইক সঙ্গ দিবৰ বাবেহে যেন গিৰীয়েকে অনিচ্ছাস্বত্বেও খেলি গৈছে। এটা সময়ত খেলা সামৰি সিহঁতে ঘৰলৈ ওভতিল। ভবিয়ে আচৰিত হৈ লক্ষ্য কৰিলে সেই মানুহজনীয়ে একেঠাইতে কোলাত কেচুৱাটো লৈ নিস্চল ভাবলেশহীন মুখেৰে ঠিয় হৈ আছে।

সিহঁতে আহি বাৰান্দাতে বহিলহি। টেবুলৰ ওপৰত সজাই থোৱা পানীয়ৰ বটলৰ পৰা দুগিলাছ বাকি লৈ দুয়ো পিবলৈ আৰম্ভ কৰিলে। ডেকাই নীৰৱতা ভঙ্গ কৰি কলে ," অথনি মই বুৰ্বকৰদৰে খেলিলো নহয়নে ? তোমাৰ চাগে খঙেই উঠিছিল।" ভবিয়ে দূৰৈত উৰি থকা জোনাকী পৰুৱাবোৰলৈ চাই চাই কলে , "তাকেইতো ভাবিছো ,তোমাৰ গা বেয়া নেকি ? " গিৰিয়েকে হুমুনীয়াহ এটা কাঢ়ি কলে ," গাটো মোৰ ঠিকেই আছে সোণজনী ! তুমি চিন্তা নকৰিবা।"

এসপ্তাহ পাৰ হ'ল। ভবিয়ে তাইৰ কোঠাত বহি ৰাজ্যৰ ভাষা শিকাৰ চেষ্টা কৰিছিল। হঠাতে এটা গণ্ডগোল শুনি কাণ উনালে। তাৰ পিছত খিড়িকিৰ কাষলৈ উঠি গৈ দেখিলে পানী অনা মানুহটোৱে মানুহ এজনীৰ হাতত ধৰি টানি নিবলৈ চেষ্টা কৰিছে আৰু লগৰাটোৱে মানুহজনীক

পিহকালৰপৰা পতিয়াই দিছে। তাই অবাক হৈ দেখিলে এইজনী সিহঁতে সিদিনা খেলিবলৈ যাওঁতে দেখা সেই সৰু ফুটীয়া মৰম লগা মুখৰ তিৰোতাজনী। তৰিয়ে চিঞৰি সুধিলে, "--এই কি হৈছে তইঁতৰ?" তাইৰ মাত শুনি পানীৱালাটোৱে উচপ্ খাই উঠি মানুহজনীক এৰি দিলে। কিন্তু লগুৱাটোৱে তেতিয়াও তাইক পিহকালৰ পৰা পতিয়াই দিয়া বাবে বেচেৰী হামখুৰি খাই মাটিত পৰি গল। কিন্তু তাই তৎক্ষণাতে উঠি আজৰ খাই পৰি যোৱা কেচুৱাটোক তুলি, বুকুত সাৱটি লৈ তৰিহঁতে একেই ভাবলেশহীন মুখেৰে কিছুবেলি চাই থাকি মহৰ খোজেৰে তৰিয়ে মতা ঘৰেও নুশুনা ভাও জুৰি লৈ থাকিল। তাইৰ অসন্তৰ খং উঠিল। তাই খঙেৰে লগুৱাটোক হুকুম দিলে, "এই ল'ৰা, তই আহিবিনে নাই?" সি এইবাৰ তললৈ মূৰ কৰি 'বাঙলাৰ কালে ঘুৰি আহি চিৰিৰ মূখতে ঠিয় দি ৰল। তৰিয়ে খং মিহলি মাতেৰে তাক সুধিলে, "মানুহজনীক তইঁতে কিয় পতিয়াইছিলি?" সি ভয়ে ভয়ে কলে, "চাহাবে সেই মানুহজনীক ইয়ালৈ অহাটো বন্ধ কৰিবলৈ কৈছিল।" তাই খঙেৰে কলে, "তিৰোতাৰ ওপৰত এনেকুৱা অসভ্য-ব্যৱহাৰ কৰিবলৈ তইঁতৰ লাজ নালাগে? বহ চাহাব আহিলে মই সকলো কৈ দিম।" লগুৱাটোৱে মৌন হৈ দূৰৈলৈ চাই ৰল যদিও তৰিহঁৰ এনেহে লাগিল যেন সি আঁৰ চকুৰে তাইলৈকে চাই আছে। তাইৰ বৰ অথন্তি লাগিল। লখালনিকে তাক বাৰি দিয়াৰ সুৰেৰে যাবলৈ হুকুম দিলে। সি যোৱাৰ পিছত বহুত চেষ্টা কৰিও তাই পুনৰ কিতাপত মন বহুৱাব নোৱাৰিলে। তাই অনুভৱ কৰিলে কৰবাত যেন কিবা এটা বেয়া লাগিছে! অলপ পিছত তাই লক্ষ্য কৰিলে, লগুৱাটো দপদপাই চিৰিৰেদি নামি গৈছে। তৰিয়ে প্ৰশ্নবোধক চাৱনিৰে তালৈ চালে। সি "চাহাব আহিছে" বুলি কৈ নামি গল। তাই বুজিলে অলপ আগতে বজা বাঁহীটো দিয়েই প্ৰথমতে তাইৰ স্বামীক জনাবলৈ। যেওঁ অহা যেহ কিছু পলম হ'ল। অথচ এতিয়াও তাইৰ ওচৰলৈ অহা নাই। তাই উদিগ্ন হৈ বাট চাই ৰ'ল। কিন্তু কেতিয়া মূৰত লেঠা পৰি যোৱা মুখেৰে সি তাইৰ ওচৰলৈ আহিল। তাই আতংকিত হৈ সুধিলে, "লোপটো, তোমাৰ কি হৈছে?" তাইৰ প্ৰশ্ন শুনি সি লখালনিকে উত্তৰ দিলে, "কলা, কি বেয়া দেখিলাম?"

তাইৰ ধাৰণা হল সি যেন তাইক এৰাই যাবলৈ চেষ্টা কৰিছে ! সি তাইৰ কাষেদিয়েই গা -ধোৱা ঘৰৰকালে আগবাঢ়িল। প্ৰয়োজনতকৈ অধিক সময় সি গা ধোৱা ঘৰত কটাই এটা সময়ত কানি কাপোৰ সলাই তাইৰ ওচৰলৈ আহিল। সিহঁতে আহাৰ খাবলৈ বহিল। কিছুসময় নীৰৱে পাৰ হল। তাই তালৈ চাই ক'লে, "সেই যে কালি আমি দেখিছিলো মানুহজনী ! তাই আজিও ইয়ালৈ আহিছিল। কিন্তু পানীৱালা আৰু লগুৱাটোৱে তাইক বৰ বেয়া ব্যৱহাৰ কৰিলে। মই হলে কথাটো অলপো ভাল পোৱা নাই। তুমি সিহঁতক অলপ দাবি দিয়া উচিত।" সি তললৈ দৃষ্টি ৰাখিয়ে ক'লে ,"মই সকলো শুনিছো",ডৰিছ আচৰিত হল। তাই আহত স্বৰেৰে সুধিলে , কিন্তু কি কাৰণে কেঁচুৱা কোলাত লৈ থকা সেই নিৰ্জু মানুহজনীক তেনে ব্যৱহাৰ কৰিছা তোমালোকে ? সি কঠুৱা মাতেৰে উত্তৰ দিলে ," সেইটো কেঁচুৱা নহয় বুজিছা ? তাৰ বয়স তিনিবছৰ পূৰ হল। মই তাইৰ বিষয়ে সকলো জানো। সেই মতলবী মানুহজনীয়ে যি ইচ্ছা তাকে কৰি থাকিব আৰু আমি সহ্য কৰি থাকিম,নহয় ? আৰু তুমি তাইৰ কাৰণে ইমান ভবাৰো কোনো কাৰণ আছে বুলি মই নাভাবো।" ডৰিছে বুজিলে, গিৰীয়েকে প্ৰকাৰান্তৰে তাইক বুজাইছে যে তাই অনাধিকাৰ চৰ্চা কৰিছে। এই মানুহজনৰ খং আৰু বিৰক্তিৰ লগত যেন তাইৰ এই প্ৰথম পৰিচয় হল ! প্ৰসঙ্গটো তল পেলাবলৈ গিৰীয়েকে ক'লে , "ডৰিছ ,বতৰটো দেখি আজি ধুমুহা আহিব যেন লাগিছে। আমি টেনিছ খেলিবলৈ নোযোৱাই ভাল হব।"

ঘৰৰ টিনৰ চালত পৰা বৰষুণৰ টোপালবোৰৰ শব্দত ডৰিছে সাৰ পালে। কন্তেক পিছতে দোপালপিটা বৰষুণ আৰম্ভ হ'ল। দুয়োটাই নীৰৱেই আবেলিৰ চাহ জলপান খালে। তাই আধা কৰা চিলাই খনত মন দিবলৈ চেষ্টা কৰিলে। দুহাত মান আতঁৰত বহি তাইৰ স্বামীয়ে সেই দিনৰ বাতৰি কাকতখনত নিবিষ্ট মনেৰে পঢ়িছে যদিও তাই তাঁৰ চকুৰে চাই লমপালে যেন মানুহজনক কিবা এক অস্থিৰতাই খুলি খুলি খাইছে ! তেকাই এবাৰ উঠি ৰেলিঙত ধৰি বাৰান্দাৰে পৰি থকা বৰষুণৰ কালে একেথৰে চাই ৰল। তাই আচৰিত হৈ ভাবিলে কি চিন্তাত লো সদায় হাঁহি -ধেমালি কৰি থকা মানুহজন এনেধৰে মৌন হৈ আছে।

নিশাটো কেনেকৈ কটকাল হল। আকাশত তৰাই জিলমিলাইছে। নিশাৰ আহাৰ খালে। তাইৰ বাঁহীৰে হঠাতে লাহে লাহে ক'লে,

"সোণজনী, তোমাক মোৰ অলপ কথা কব লগা আছে।" তাই আলফুলকৈ নিজৰ হাতখন তাৰ ওপৰত থলে। মানুহজনৰ বাক ইমান অসহায় যেন লগা হৈছে? সি তাইৰ হাতখন আঁতৰাই দি বৰ সৰু মাতেৰে কলে, "মই জানো, মোৰ কথাখিনি শুনি তুমি বৰ ভাল নাপাবা। তথাপি মই কবই লাগিব। মই ইয়াতে মোৰ বয়স মাথো ওঁঠৰ বছৰহে হৈছিল। ইয়াতে অহাৰ আগতে নদীৰ পাৰৰ এখন সৰু ঠাইত কিছুদিন কাম কৰিব লগা হৈছিল। সেই সময়ৰে কথা এটা কবলৈ ওলাইছোঁ!

"ইয়াত মই বৰ অকলশৰীয়া অনুভৱ কৰিছিলোঁ। মইতো দেউতা-মাইকক আগতে কেতিয়াও এৰি থকা নাছিলো। চাকৰি কৰিবলৈ আহি এনে এখন ভিতৰুৱা ঠাইত থাকি সামাজিক নিঃসংগতা ভুগিবলৈ ধৰিলো। দিনটো কামত ব্যস্ত থাকোঁ। কিন্তু ৰাতি পোৱা - পোৱাৰ পিছত সন্ধ্যাবোৰে যেতিয়া দুৱাৰ - খিড়িকীবোৰ বন্ধ কৰি শুবলৈ উঠি যাওঁ মোৰ অৱস্থা একপ্ৰকাৰ শোচনীয় হৈ পৰে। ক'তো অকণো সাৰি শব্দ নাই॥ নিশাবোৰ যেন মোৰ বাবে বিভীষিকাময় হৈ পৰে। নিঃসংগতা আঁতৰাবলৈ মই প্ৰায়েই 'হুইস্কী' খাওঁ। তথাপিও মোৰ দুচকুলৈ টোপনি নাহে। অসহায় হৈ বহু নিশা সৰু শয্যাৰ ৰবে কান্দি কান্দিয়েই পাৰ কৰোঁ। এনেকৈয়ে বহু উজাগৰী নিশা পাৰ হৈ যোৱাৰ পিছত এদিন ... সঙ্গাটোৰে এটা লোভনীয় প্ৰস্তাৱ দিলে। মোৰ নিঃসঙ্গতা আঁতৰ বাবে মোৰ আপত্তি নাথাকিলে সি মোৰ বাবে ছোৱালী এজনী ... পাৰে। মোৰ বেয়াবোৰ থোৰথোৰ অৱস্থা দেখি সি এই বিষয়ে ... ধৰিলে। অৱশেষত মই ৰাজী হৈ পৰিলো। সি দুজনী হাবীয়া ... ওচৰলৈ লৈ আহিল। তাৰে এজনী বয়সহা তাক আগবাঢ়ি ... বহুখীয়া। বুজিলো, তাক তাক চিনেন। ছোৱালীজনীৰ ... নাকফুলীয়া তাৰে চাইছিলে। মই বিমূঢ় নয়নেৰে যেন ... নাই - নাই। তাইৰ কপালত ক'লা ফোঁট দুখন এক ... শোভনাই বাঢ়িছিল। মই নিৰ্বাক ভাৱে চিৰাই থাকিলো ...

নিজকে স্বামীৰ বাহু বন্ধনৰ পৰা মুক্ত কৰি তাই খৰখৰকৈ নিজৰ কোঠালৈ গলগৈ। তাই ভিতৰৰপৰা দুৱাৰত খিলি লগোৱা শব্দ শুনি সি বিমূঢ় - বিমৰ্ষ হৈ পৰিল। সি বুকুৰ কোনোবাখিনিত গভীৰ বেদনা অনুভৱ কৰিলে। কি কৰিছে তাই ইমান নিঃশব্দে? শুব পাৰিছে জানো ? উঠি গৈ দুৱাৰত টুকুৰিয়াই দিব নেকি ভাবিলে। বিচু নিদিলে। বেচেৰীয়ে বৰ আঘাট পাইছে। কিছুদিন তাইক সময় দিব লাগিব। এদিন তাই নিশ্চয় তাক ক্ষমা কৰিব।

পিছদিনা পুৱা সি তাইক সুধিলে, "নিশা টোপনি আহিছিলনে?" তাই সহজ হবলৈ চেষ্টা কৰিলে। "অ," তাই চমুকৈ উত্তৰ দিলে। সি কলে," জানা যোৱা দুদিন মই অকলে অকলে ভালকৈ শুবই পৰা নাই। তুমি মোক ক্ষমা কৰি দিয়া।"

তবিহে তাইলৈ নোচোৱাকৈ থাকিবলৈ চেষ্টা কৰি কলে, শোৱনি কোঠাৰ ডাঙৰ বিছনাখন মই আঁতৰাই পেলাইছো। তাৰ ঠাইত সৰু একজনীয়া খাটহে সুমুৱাই লৈছোঁ।

"তুমি কি কৰবলৈ বিচাৰিছা, তবিহ?" কঁপা কঁপা মাতেৰে সি অসহায় ভাবে আৰ্তনাদ কৰি উঠিল।

তাই এইবাৰ পোনে পোনে তাৰ চকুলৈ চাই কলে," মই কি কৰবলৈ বিচাৰিছোঁ তুমি নিশ্চয় বুজিছা। মই তোমাৰ লগত দাম্পত্য জীৱন কটাব নোৱাৰোঁ। যিখন বিছনাত আমি শুইছিলো তাতে তুমি সেই মানুহজনীৰ লগত দহোটা বছৰ স্বামী-স্ত্ৰীৰ দৰে কটোৱা নাছিলানে? সেই একেখন বিছনাতে সেই মানুহজনীয়ে এটা এটাকৈ তিনিটাকৈ সন্তান জন্ম দিয়া নাছিল জানো? সেই খন বিছনাতে মোক শুবলৈ দিওঁতে তোমাৰ বিবেকে এবাৰো বাধা নিদিলেনে?" তাইৰ দুয়োটা চকুৰপৰা যেন খঙ, ঘৃণা আৰু বেদনা একেলগে ওলাই পৰিছিল। অলপ ৰৈ তাই পুনৰ কলে, "যোৱা ৰাতি তুমি মোক আলিংগন কৰোঁতে সেই মানুহজনীৰ মুখখন মোৰ চকুৰ সন্মুখতে ভাহি উঠিছিল। নিজকে মোৰ দেহাটো হিম চেঁচা হৈ গৈছিল।"

"তবিহ, মোক এবাৰ ক্ষমা কৰা। মোৰ কুকৰ্মৰ বাবে মই নিজেই অনুতপ্ত। তুমি মোৰ প্ৰতি নিষ্ঠুৰ নহবা!" -সি কাতৰ কণ্ঠেৰে কৈ উঠিল।

অস্থিৰ ভাৱে হাত দুখন এবাৰ মুঠি মাৰি এবাৰ খুলি দি তৰিহে যেন নিজৰ লগত যুঁজিবলৈ ধৰিছে। তাৰ পিছত লাহে লাহে কলে, "তোমাক মই ক্ষমা কৰিছোঁ। কিন্তু তুমি যদি মোক সচাঁকৈয়ে ভাল পোৱা তেন্তে ছমাহ সময় তুমি ধৈৰ্য্য ধৰিব লাগিব। ছমাহৰ পিছত হয়তো মই জীৱনটো আগৰৰ দৰে সহজ ভাৱে লব পাৰিম। কিন্তু তেতিয়ালৈকে তুমি মোক শয্যাসঙ্গিনী ৰূপে নিবিছাৰিবা। তাৰ বাহিৰে তোমাৰ প্ৰতি থকা অন্য সকলো কৰ্ত্তব্য কৰিবলৈ সাজু আছো।"

সি গভীৰ হুমুনিয়াহ এটি কাঢ়ি তাইক সম্মতি দি নিজৰ মনৰ হাহঁাকাৰখিনি তাইৰ পৰা লুকুৱাবলৈকে টুপীটো হাতত লৈ ওলাই গল।

এটা দুটাকৈ ছটা মাহ পাৰ হৈ গল। বাহিৰত দেখাত তৰিহক বেছ স্বাভাবিক যেনেই লাগে। তাই নিবীয়েকৰ লগত সহজ ভাৱেই কথা বতৰা পাতে। মাজে মাজে ধেমালীয়া কথাও কয়, আবেলি আগৰ দৰেই দুয়ো টেনিছ খেলে। কিন্তু ইমানেই। নিশাৰ আহাৰৰ পিছতেই যেন দুয়োৰো মাজত এখন অদৃশ্য প্ৰাচীৰ ঠিয় হৈ উঠে। তৰিহে কোনোমতে আহাৰ খোৱা সমাপন কৰিয়েই তাইৰ কোঠাত খিলি মাৰি সোমাই থাকেগৈ।

ছমাহৰ মূৰে মূৰে তাক কঢ়িয়াই অনা ষ্টিমাৰখন নদীয়েদি পাৰ হৈ যোৱা শব্দ সিহঁতে শুনিলে। এসপ্তাহৰ পিছত ষ্টিমাৰ খন পুনৰ ঘূৰি যাবগৈ। অৱশেষত তৰিহ এক স্থিৰ সিদ্ধান্তত উপনীত হল। মঙ্গলবাৰে নিশা তাই মনত যথেষ্ট শক্তি সঞ্চয় কৰি গিৰিয়েকক কলে, " মই তোমাক কথা এটা কওঁ বুলি ভাবিছোঁ।"তাইৰ মাতটো কঁপিছিল। তেকাই তাইলৈ চাই যেন বিপদৰ সঙ্কেত পালে ! ভয়ে ভয়ে তাইৰ হাত এখন নিজৰ হাতৰ মাজত মুঠি মাৰি ধৰিবলৈ চেষ্টা কৰিলে। কিন্তু তৰিহে হাতখন আঁতৰাই অনুনয়ৰ সুৰত কলে, " মই ঘৰলৈ ঘূৰি যাম বুলি ঠিক কৰিছোঁ। মোৰ সিদ্ধান্তটোৱে তোমাক আঘাট দিব বুলি মই জানো। তথাপিও মই যামেই। তাৰ বাহিৰে আৰু মোৰ কোনো উপাই নাই। এই ছমাহে বহুত চেষ্টা কৰিছিলো পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই লবলৈ। দিনে-নিশাই নিজৰ লগতে যুঁজ কৰি মই বৰ ক্লান্ত হৈ পৰিছো।" তাই কান্দোনত ভাঙি পৰিল।

সি আইঁত ষৰেবে চিঞৰি উঠিল," নহয় নহয় সোণজনী ! তুমি

মোক ইমান ভাঙৰ শাস্তি নিদিবা। মই কাবৌ কৰিছো ,ভৰিছ ! এবাৰ মোক ক্ষমা কৰা। তুমি মোক হুমাহ সময় খুজিছিলা। মইতো কোনো আপত্তি কৰা নাই। সকলো কথা অকপটে স্বীকাৰ কৰা স্বত্বেও মোক ইমান ভাঙৰ আঘাত এটা কিয় দিছা ? তুমি কিয় বুজা নাই যে তুমি গুচি গলে মই দহি দহি মৰিব লাগিব ? দয়া কৰা,মাথো এবাৰ দয়া কৰা।"- শেষৰ ফালে তাৰ মাতটো ভাঙি পৰিল। ভৰিছে নিজকে দৃঢ় কৰি কলে, "চোৱা যিবোৰ ঘটি গল তাৰ বাবে মই তোমাক দোষ দিয়া নাই। কাৰণ সেই সময়ত তোমাৰ বয়স যথেষ্ট কম আছিল। কিন্তু এতিয়া যিবোৰ ঘটিবলৈ ধৰিছে তাৰ বাবেও তুমি মোক দোষিব নোৱাৰা। মই বৰ নিৰুপায়। এই ঘৰটোৰ প্ৰত্যেকটো বস্তুৱেই যেন মোক উপহাস কৰিছে মোৰ আজিকালি তেনে ভাব হয়। সেই বিছনাখনৰ কথা ভাবিলে মোৰ গোটেই গাটো ঘিন ঘিন কৰে। তুমি বুজিব নোৱাৰিবা কি যন্ত্ৰনাত মই এই দিনকেইটা কটাইছো। আৰু নোৱাৰো। এইবাৰ মোক বিদায় দিয়া।"

ভৰিছৰ কথাবাৰ শুনি সি অত্যন্ত অসহায় বোধ কৰিলে। সি যেন জীৱনৰ শেষ অৱলম্বন খিনিও হেৰুৱাবলৈ ওলাইছে। সি আকুল কণ্ঠৰে কবলৈ ধৰিলে ,মই সৰ্ব্বনাশী মানুহজনীক মই একেবাৰে খেদি দিছোঁ। তুমি যদি বিছৰা মই ইয়াৰপৰা বদলি হবলৈ চেষ্টা কৰিম। আৰু বেলেগ এখন ঠাইত আমাৰ সংসাৰ পুনৰ গঢ়িম। তুমি মাথো মোক এৰি নাযাবা।" কথাখিনি কৈয়ে সি সৰু লৰাৰ দৰে কেঁকুৰি উঠিল।

কিন্তু ভৰিছে আজি দৃঢ় -প্ৰতিজ্ঞ। তাক এৰি যাবলৈ তাইৰ হৃদয়খন চূৰমাৰ হৈ গলেও নিজৰ সিদ্ধান্তত তাই আজি অচল অটল। তাই কলে," তুমি বাধা দিলে হয়তো মই যাব নোৱাৰিম। কিন্তু ইয়াত থাকিলে মই তিলতিলকৈ মৰিব লাগিব। তোমাক দেখিলেই যেন কল্পনাৰ চকুৰে দেখিবলৈ পাওঁ সেই খীন মানুহজনীৰ কলা দুবাহুৰ বন্ধনত সোমাইপৰা তোমাৰ অন্য এক চেহেৰা। এইদৰে ইয়াত থাকিলে মই পাগল হৈ যাম। মই বৰ দুৰ্ভগীয়া। তোমাক তো সুখী কৰিব নোৱাৰিলোৱেই,

নিজৰ জীৱনটোও ধ্বংস কৰি পেলালো।” বহি থকা চকীখনত মূৰটো পেলাই তাই উচুপি উঠিল। বহু সময়ধৰি তাই উচুপি থাকিল। বহু সময় নীৰৱে থাকি তাইৰ স্বামীয়ে খুব লাহে লাহে বহুত দূৰৰ পৰা কোৱাৰ দৰে ক'লে “ভৰিছু, মোৰ সোণজনী, তোমাৰ ইচ্ছাৰ বিৰুদ্ধে মই তোমাক ধৰি ৰাখিব নোৱাৰো। তুমি কেতিয়াকৈ যাবলৈ ঠিক কৰিছা? অহা বৃহস্পতিবাৰে নেকি ?” - সি যেন পৰিস্থিতিটো সহজ কৰিবলৈ চেষ্টা কৰিলে। তাই মূৰটো দুপিয়াই উত্তৰ দিলে “অঁ”। এই উত্তৰটো যেন তাৰ জনাই আছিল। সি লাহে লাহে কলে, “বৰ ভাগৰ লাগিছে।” এই বুলি কৈয়ে সি বহাৰ পৰা উঠি বাৰান্দালৈ ওলাই গৈ বেলিংখনত ধৰি শান্ত সমাহিত ভাবে বৈ যোৱা নদী খনলৈ চাই হিয়া কঁপোৱা হুমুনিয়াহ এটা কাঢ়িলে। ভৰিছে উঠি নিজৰ শোৱা কোঠালৈ সোমাই গ'ল।

পিছদিনা ৰাতিপুৱা সি তাইৰ কোঠাৰ দুৱাৰত টোকৰ মাৰি বাহিৰৰপৰাই কলে, “মোৰ আজি অহা পলম হব।” তায়ো ভিতৰৰপৰাই উত্তৰ দিলে, “বাৰু”। তাৰ খোজৰ শব্দ ক্ৰমান্বয়ে দূৰত মিলি যোৱা তাই শুনিবলৈ পালে। তাই বুজিলে, তাইৰপৰা আঁতৰি থাকিবলৈকে সি আজিৰ দিনটো বাহিৰতে কটাবলৈ সিদ্ধান্ত লৈছে। অতি আৱশ্যকীয় দুই এপদ বস্তু আৰু মাকৰ ফটোখনৰ বাহিৰে বাকীবোৰ বস্তু ভৰিছে ইয়াতে এৰি থৈ যাব। পতিকে লগত নিব লগা বস্তু বাছোতে তাইৰ বিশেষ সময় নালাগিল। নিশা দহমান বজাতে তাইৰ ভেকাজন ঘূৰি আহিল। সি কলে, “ কামৰ বোজা বৰ বেছি হোৱা বাবে খোৱা -বোৱা বাহিৰতে কৰি আহিছোঁ। তোমাৰ চাগে সকলোবোৰ ঠিক -ঠাক হৈয়ে গৈছে। কালিলৈ পুৱতি নিশাতে তিয়াৰ এৰিব।” তাৰ চকুদুটা কোঠাৰ ভিতৰত থকা বস্তু বোৰৰ ওপৰত ঘূৰি এঠাইত স্থিৰ হৈ বৈ গল। সেই টোতে ভৰিছৰ মাকৰ ছবিখন আছিল। এতিয়া নাই। সি তাইলৈ চাই কলে, “ তোমাক অলপ টকা দিব খুজিছোঁ, বাটে -পথত কিছু সহায় হয়।” সি দেৰাজৰ পৰা চেকবুকখন উলিয়াই এখন চেক লিখিলে। চেক্‌খন আৰু কিছু নগদ

তাইৰ কাণে আগুৱাই দি সি কলে, "এই খিনি টকাৰে তুমি অনায়াসে চিংগাপুৰলৈকে যাব পাৰিবা। আৱশ্যক হলে তাতে এই চেক্‌খন ভঙাই লবা।" তাই কোনোমতে নিজকে সংযত কৰি কলে, "ধন্যবাদ।" এইবুলি কৈ চেক্ আৰু টকাখিনি তাই গ্ৰহণ কৰিলে। ডেকাই কণ্ঠ নকওঁকৈ কলে, "তুমি যদি বেয়া নোপোৱা মই তোমাক ষ্টিমাৰত তুলি দি আহিব খোজোঁ।" ভৱিছে সচকিত হৈ কলে, "নেলাগে দিয়া; মই ভাবো আমি ইয়াতে চিৰ-বিদায় লোৱা উচিত।" পাৰভাঙি ওলাই আহিব খোজা চকুপানী খিনিক তাই বৰ কষ্টেৰে বাধা দিলে। সি হুমুনিয়াহ কাঢ়ি কলে, "ঠিক আছে। ময়ো বৰ ভাগৰি পৰিছো।" এই বুলি তাইলৈ নোচোৱাকৈয়ে সি নিজৰ কোঠালীৰ ভিতৰলৈ সোমাই গ'ল।

* লণ্ডৰাটোৱে সিইঁতক যেতিয়া যাবৰ কাৰণে মাত দিলেহি সেই সময়ত বাহিৰত আন্ধাৰেই হৈ আছিল। ভৱিছইঁতে সাজ পোচাক পিন্ধি চাহৰ টেবুলত বহিলহি যদিও একোৱেই খাব নোৱাৰিলে। শেষ নিশাৰ আন্ধাৰত নৈখনে এক ৰহস্যময় পৰিৱেশৰ সৃষ্টি কৰিছিল। লণ্ডৰাকেইটাই ভৱিছৰ কাণে চাই সহজ হবলৈ আপ্ৰাণ চেষ্টা কৰি কলে, "এইবাৰ যাবৰ সময় হল।" তাই বহাৰ পৰা উঠি নিঃশব্দে ঘৰটোৰ ভিতৰকালে চকু ফুৰাই পিৰীয়েকৰ কাষে কাষেগৈ থাকিল।

মাৰুৰীয়াটোৱে ভৱিছৰ নাৱত উঠাত সহায় কৰিলে। নাৱত উঠি তাই ডেকালৈ ঘূৰি চালে। সি তাইলৈকে চাই আছিল। তাইৰ নিজকে বৰ দোষী দোষী যেন লাগিল। তাই কবলৈ চেষ্টা কৰিলে, "মোক শেষবাৰলৈ ক্ষমা কৰি দিয়া। মই তোমাক সুখী কৰিব নোৱাৰিলো। মোক ক্ষমা কৰা।" কিন্তু তাই কব খোজা কথাখিনি কব পৰা নাই। ভৱিছ যেন আজি বোবা হৈ গৈছে! তাইৰ ওঁঠদুটা যেন আজি নলবিবই! ডেকায়ো যেন তাইৰ মনৰ ভাব বুজি পাইছে! সি হাত এখন তাইলৈ আগবঢ়াই দি কলে, "বিদায় ভৱিছ! তোমাৰ যাত্ৰা শুভ হওঁক।" তাই তাৰ হাতৰ স্পৰ্শ পালে। শেষবাৰৰ বাবে কৰমৰ্দন কৰিলে। নাওখন লাহে লাহে নৈৰ বুকুত আগবাঢ়ি যাবলৈ ধৰিলে। কাহিনী কাহিনী পোহৰ হৈছে যদিও নৈৰ বুকুত এতিয়াও ডাঠ কুঁৱলীয়ে আবৰি আছে। সি নাওঁখন নেদেখা হোৱালৈকে চকুৰ পলক নপৰাকৈ চাই থাকিল। এটা সময়ত

যেতিয়া সাওঁথনে দৃষ্টিৰ সীমা অতিক্ৰম কৰি সুদূৰত হেৰাই গল, তাৰ বুকু ভেদি এটা হুমুনিয়াহ ওলাই আহিল।

খুব মহৰ গতিৰে সি তললৈ মুখ কৰি ঘৰলৈ উভতি আহিল। ভৰিহৰ কোঠাত তাই এৰি থৈ যোৱা বস্তুবোৰ এটা এটাকৈ বুটলি লওঁতাটোক কলে, " এই বস্তুবোৰ কবাৰত থৈ দেপে।" বহু সময় সি বাৰাণ্ডাৰ চকী এখনতে বহি থাকিল। দিনটোৱে যেন তাৰ কাৰণে কেৱল হাঁহাকাৰ আৰু নিস্তব্ধতাহে কঢ়িয়াই আনিলে। এটা সময়ত সি অফিচলৈ আগবাঢ়িল। তাতো মন বহাব নোৱাৰি সি উভতি আহিল। নিঃসঙ্গ দুপৰীয়াই তাক আমনি দিবলৈ ধৰিলে। সি আগৰ দৰে শুবও নোৱাৰিলে। হাতত বন্দুকটো লৈ সি হাবিৰ মাজে মাজে উদ্দেশ্যহীন ভাৱে ঘূৰি ফুৰিলে। গধূলি ক্লান্ত দেহ আৰু মনেৰে বাৰাণ্ডাৰ চকীত বহি মদৰ বটল খুলি ললে। নৈশ আহাৰৰ সময়ত সি স্থানীয় মানুহে পিন্ধাৰ দৰে এটা হাফ তোলা পিন্ধি ললে। সি যেন নিজকে কলে সি এতিয়া যি মন যায় তাকে পিন্ধিব পাৰে। কোনোওতো বাধা দিবিয়ে! আহাৰৰ পিছত এখন কিতাপ খুলি ললে। কিন্তু তাৰ মুখটো বৰ বিৰাহিহে। তাৰ ভাৱ হল যেন নিস্তব্ধতাই তাক গিলি পেলাব! মাজে মাজে কেৱল কেকো সাপৰ চিঞৰটোহে তাৰ কাণত পৰিল।

সি নিজকে অতি অসহায় বোধ কৰিলে। হঠাতে কোনোবাই কহাঁ যেন পাই সি উচপ্ খাই উঠিল। "কোন সেয়া?" সি খঙেৰে চিঞৰি উঠিল। এটা সৰু ল'ৰা চুচুক চমাককৈ আহি দুৱাৰ - দলিত থিয় দিলেহি। সি চিনি পালে, এইটোৱেই তাৰ ভাওৰ ল'ৰা। তেজাই তাক সুধিলে, "তোক কি লাগে? কোনে তোক আহিবলৈ কৈছে?" সি লাহে লাহে লাজকুৰীয়া ভাবে উত্তৰ দিলে, " মাৱে আপোনাক কিবা লাগিব নেকি সুধিবলৈ কৈছে। তেজাই অসহায় ভাৱে দুয়ো হাতেৰে নিজৰ মুখখন ঢাকি ধৰিলে। তাৰ পিছত দীঘল হুমুনিয়াহ এটি কাঢ়ি ভাবিলে, আজিতো সকলো শেষ হৈ গল। কি হব আৰু সেইবোৰ ভাবি থাকি? অৱশেষত সি কলে, যা তোৰ মাৰক কবিগে। অইন বয় - বস্তুবোৰ লৈ আজিয়ে ইয়ালৈ ওভতি আহ।" ল'ৰাটোৱে সুধিলে, "কেতিয়াকৈ?" তেজাৰ চকুপানীয়ে বাধা নামানিলে। দুয়ো গালে দুধাৰি তপত চকুলো বাগৰি গল। সি কান্দোন মিহলি মাতেৰে উত্তৰ দিলে, " এতিয়াই, আজি নিশাই।"

# শেষ পাত খিলা

মূল ৰচনা ঃ ও হেন্‌ৰি
অনুবাদ ঃ শ্ৰীমতী নিৰ্ম্মালি কটকী

ৱাচিংটন স্কোৱাৰৰ পশ্চিম ফালৰ এখন সৰু জিলাত ৰাস্তাবোৰ তাপিহিপি লৈ কিছুমান সৰু সৰু ৰাস্তাত পৰিণত হৈছে। সেই অকোৱা পকোৱা ৰাস্তাতে এজন শিল্পীয়ে বিৰাট সম্ভাৱনা আৱিষ্কাৰ কৰিছিল। ৰাস্তাবোৰ উলিওৱা ইমান টান যে কালেক্টৰে শিল্পীৰ পৰা ৰং কাগজ আৰু কেনভাচৰ বিলটৈ আহিলে কোনো প্ৰকাৰে ৰাস্তা উলিয়াব নোৱাৰি পইচা নোপোৱাকৈ উলটি গৈছিল।

সেই পুৰণি আৰু আচৰিত গ্ৰিনৱিচ নগৰলৈ কলাপ্ৰিয় লোক সকল আহিছিল। পুৰণি কিছু সুন্দৰ ঘৰবোৰত প্ৰায় কম ভাৰাতে থাকিবলৈ লৈছিল। তেওঁলোকে চিৰথ্ এভিনিউৰ পৰা আৱশ্যকীয় বাচন বৰ্তন কিনাকি আনিছিল আৰু চুবুৰী পাতি বাস কৰিছিল।

এটা তিনিমহলীয়া চাপৰ ইটাৰ ঘৰত চুই আৰু জনচিৰ এটা ষ্টুডিঅ আছিল। তেওঁলোকৰ এজন হল মেইনৰ আনজন হল কেলিফৰ্ণিয়াৰ। তেনমনিকো মাৰৰ ৰেষ্টোৰাতে তেওঁলোকৰ প্ৰথম পৰিচয় হয়। তাৰপাছত তেওঁলোকৰ শিল্পীসুলভ মনোভাৱ পিন্ধন উৰণ, খোৱাবোৱা ইত্যাদি সকলো বিষয়তে ইমান মনে মনে মিলিলে যে তেওঁলোকে দুয়ো লগ লাগি যুটীয়া ভাৱে ষ্টুডিঅ এটা খুলিলে।

সেইবোৰ আছিল মে মাহৰ কথা। নবেম্বৰ মাহত এটা অচিনাকী হিমচেঁচা পৰশে সমস্ত কলনী বাসীকে কপাঁই তুলিলে। ডাক্তৰ সকলৰ মতে এই ঠাণ্ডা পৰশটি আছিল নিউমনীয়া ৰোগ। আনবোৰ কলনীবাসীৰ লগতে জনচিও নিউমনীয়াত আক্ৰান্ত হ'ল। তাই ৰং কৰা লোহাৰ বিচনাখনত পৰি কেৱল খিড়িকীখনৰ বাহিৰৰ ফালে উদং ইটাৰ ঘৰটোৰ ফালে চাই ৰ'ল।

এদিন ডাক্তৰে ৰাতিপুৱা চুইক মাতি নি কলে " তাঁই বচা আশা কম, ধৰি লোৱা দহ ভাগৰ এভাগ," সেই বুলি কৈ ডাক্তৰে থাৰ্ম্মোমিটাৰ ভাল জোকাৰি লেভেলটো নমাই লৈ আৰু কলে "তাইৰ আৰোগ্য জীয়াই থকাৰ বাসনাটোৰ ওপৰত নিৰ্ভৰ কৰিব। কিন্তু তোমাৰ মানুহজনীয়ে মনতে ভাবি লৈছে যে, তাই আৰু আৰোগ্য নহয়। তাইৰ মনত কিবা আকাংক্ষা আছে নেকি?" "তাই এদিন নেপলছৰ উপকূলৰ দৃশ্য আঁকিবলৈ ইচ্ছা কৰিছিল।" চুইয়ে কলে।

"ছবি আঁকা ? কি ? তাইৰ মনত ভাবোঁতে উচ্চ ভাব নাইনে ? ধৰি লোৱা এজন পুৰুষ"। "কি পুৰুষ ?" চুইয়ে আচৰিত হৈ সুধিলে, " এজনে পুৰুষৰ মূল্যই বা কিমান ? কিন্তু নহয় ডাক্তৰ তাই এইবোৰৰ বিষয়ে চিন্তা কৰা নাই।"

" ঠিক তেন্তে সেইবোৰ শাৰীৰিক দুৰ্ব্বলতাৰ বাবে হব পাৰে" ডাক্তৰে কলে। "তেওঁৰ দুৰ্ব্বলতাৰ বাবে যিমান পাৰো শুশ্ৰূষাৰ দ্বাৰা আৰোগ্যৰ চেষ্টা কৰিম। কিন্তু মোৰ ৰোগী পৰাকীয়ে যদি নিজৰ মৃত্যুৰ কথা চিন্তা কৰি থাকে তেন্তে তেওঁক ঔষধে আৰোগ্য কৰিব পৰা সম্ভাৱনাৰ পৰা পঞ্চাশ শতাংশই বাদ দিব লাগিব। কিন্তু যদি তেওঁক শীত কালীন নতুন পোচাকৰ বিষয়ে প্ৰশ্ন কৰি মন ভুলাব পাৰা তেন্তে তেওঁৰ আৰোগ্য হোৱাৰ আশা দহ ভাগৰ ভিতৰত এভাগ হোৱাত কৈ পাঁচৰ ভিতৰত এক হব নিশ্চয়।"

ডাক্তৰজন যোৱাৰ পিছত চুইয়ে জনচীৰ কোঠালীলৈ গৈ ড্ৰইংবৰ্ডখন সুহুৰি মাৰি মাৰি আনন্দ মনেৰে লৈ গল।

তেওঁ বৰ্ডখন ঠিক কৰি লৈ কলম আৰু চিয়াহীৰে এখন আলোচনীৰ গল্প এটাৰ চিত্ৰৰূপ দিবলৈ প্ৰয়াস কৰিলে। নতুন উঠি অহা শিল্পী সকলে শিল্পকলাত উন্নতি লাভ কৰিবলৈ আলোচনীৰ গল্পবোৰৰ চিত্ৰৰূপ দিবলৈ চেষ্টা কৰা উচিত - যি দৰে ন লিখক সকলে সাহিত্য ক্ষেত্ৰত আগবাঢ়ি যাবলৈ লিখাৰ প্ৰচেষ্টা অব্যাহত ৰাখিব লাগে। চুইয়ে যেতিয়া এজোৰ ঘোঁৰা দৌৰৰ ছবি, শহাপহুৰ চকুত চশমা, গৰখীয়াৰ ছবি আঁকি আছিল, তেওঁ কেইবাবাৰো সৰু সৰু মাত শুনিবলৈ পাইছিল। সেয়ে তেওঁ তৎক্ষণাত বিচনাৰ ওচৰলৈ গল।

জনচীৰ চকুকেইটা মেলখাই আছিল। তাই খিড়িকীৰ বাহিৰলৈ

দহ কিমান লেখি আছিল, কেৱল লেখি আছিল। সংখ্যাবোৰ পিচফালৰ পৰা তাই কলে 'বাৰ' তাৰ পাছত এঘাৰ, তাৰ পাছত 'দহ' আৰু 'ন' তাৰপাছত 'আঠ' পাছত 'সাত' একেবাৰে দহ এইদৰে তাই কৈ থাকিল। টুইয়ে আচৰিত হৈ খিৰিকীৰ বাহিৰলৈ চাইছিল আৰু কৈছিল “লেখিবলৈকো তাত আৰু কি আছে। চাবলৈ গলে এখন উদং আৰু নিৰানন্দ বাৰান্দা আৰু ঘৰটোৰ ২০ ফুট আঁতৰত পুৰণা কালটো। এজোপা পুৰণা আইভিলতা, তাৰ জহি যাবলৈ ধৰা শিপাটো ইটাৰ দেৱালখনত আধাঁলেকে ঢাকিবলৈ লৈছে। শীতৰ চেঁচা বতাহত লতাডালৰ পাতবোৰ সৰি লঠঙা হৈ জকাৰ আকাৰ ধাৰণ কৰিছে।

“তোমাৰ আৰু কি হৈছে?” জন্‌চীয়ে সুধিলে। জন্‌চীয়ে লক লক মাতেৰে কলে “টুই, আইভি লতাৰ পাতবোৰ তিনিদিন মানৰ পৰা বৰ বেগাই সৰিবলৈ লৈছে। আগতে এশখিলামান পাত আছিল। সেইবোৰ লেখিবলৈ যাওঁতে মোৰ মূৰৰ বিষ হৈছিল; কিন্তু এতিয়া সহজ হৈ পৰিল। এতিয়া আকৌ এখিলা পাত সৰিল, এতিয়া বাকী ৰল মাত্ৰ পাঁচ খিলা” “কি পাঁচ? মোৰ জন্‌চী তুমি তোমাৰ টুইক কোৱা,” “পাঁচ' আইভিলতাৰ পাত, যেতিয়া শেষ পাত খিলা সৰিব তেতিয়া মইও যাবই লাগিব আৰু সেই কথা মই তিনিদিন মানৰ আগৰ পৰাই গম পাইছো। কিয়নো ডাক্তৰে আজি ৰাতিপুৱা কৈছিল যে তুমি আৰোগ্য লাভ কৰাৰ আশা মাথোন দহ ভাগৰ এভাগহে। সেইটো একো বেয়া কথা নহয়। কিয়নো নিউইয়ৰ্কৰ বাটেৰে যেতিয়া গাড়ীত উঠি যোৱা বা নতুন অট্টালিকাৰ ওচৰেৰে যোৱা, তোমাক ডাক্তৰে এইবোৰ কোৱা নাই জানো?”

“এনে অসংলগ্ন কথা মই কেতিয়াও শুনা নাই” টুইয়ে উৰে জিব হৈ কলে “এখিলা শুকান আইভিলতাৰ পাতৰ লগত তোমাৰ আৰোগ্য লাভ কৰাটোৰ সম্বন্ধ ক'ত? বেয়া দুষ্ট ছোৱালী - জোৱান, তাৰ বাবে তুমি আইভিলতা বাৰুকৈ ভাল পাই পেলাইছা, তুমি মূৰ্খামি নকৰিবা। এতিয়া অলপ খাই লোৱা আৰু মোক কাম কৰিবলৈ দিয়া যাতে, মই মোৰ সম্পাদকক 'পটবইলাৰ' আৰু মোৰ নিজৰ বাবে পৰ্কচপ কিনিবলৈ পইচা যোগাৰ কৰিব পাৰো।” “মোৰ বাবে ৱাইনৰ

কোনো প্ৰয়োজন নাই ” জনচীয়ে কলে। তাৰ পিছত জনচীয়ে খিৰিকিৰ বাহিৰৰ ফালে একান্তমনে চাই থাকিল।

“এতিয়া আকৌ এখিলা সৰিল। মোক তুমি একো খাবলৈ নিদিবা। এতিয়া বাকী ৰল মাথোন চাৰিখন। আন্ধাৰে পৃথিৱীখন ঢাকি দিয়াৰ আগতে মই আৰু এখিলা পাত সৰা দেখা পাম। তাৰপাছত ময়ো পৃথিৱীখন চিৰকাললৈ এৰি গুচি যাম।” “মোৰ জনচী” চুইয়ে তাইৰ ফালে চাই কবলৈ ধৰিলে -“ তুমি মোৰ কাম শেষ নোহোৱালৈকে তুমি তোমাৰ চকু দুটা বন্ধ কৰি ৰাখিম বুলি মোক কথা দিয়া। তুমি আৰু বাহিৰৰ ফালে চাই থাকিব নালাগে। মই মোৰ অঁকা কাম খিনি শেষ কৰিবলৈ এতিয়া পোহৰৰ প্ৰয়োজন।”

“তুমি আনটো কোঠালীত আৰ্কিব নোৱাৰা জানো ” জনচীয়ে অলপ গহীন মাতেৰে কলে, “জনচী মইয়ে তোমাৰ নিচেই কাষতে থাকিব বিচাৰো।” চুইয়ে কলে। “তাৰওপৰিও তুমি সেই আইভিলতাডালৰ পাত খিলা চাই থকাটো - মই নিবিচাৰো।” “তুমি তোমাৰ কামবোৰ শেষ হোৱাৰ কথাহে মোক কবা।” জনচীয়ে কলে আৰু চকু দুটা বন্ধ কৰি বগা শিলৰ মূৰ্ত্তিটোৰ দৰে বিচনাত পৰি থাকিল - “মই শেষ পাত খিলা সৰিযোৱাকে অপেক্ষা কৰিম। মই বৰ ভাগৰি পৰিছো। চুই, মোৰ সকলো বস্তুৰ প্ৰতি মায়া -মোহ নাইকীয়া হৈ গৈছে সেই প্ৰাণহীন ভাগৰুৱা সৰি পৰা পাতবোৰৰ দৰে।”

“ তুমি শুবলৈ চেষ্টা কৰাহোন ” চুইয়ে কলে “মই বেহাৰমেনক মোৰ ছবিখনৰ মডেল হবলৈ মাতি আনোগে। মোৰ অকনো পলম নহয়। জানা, তুমি মই নহালৈকে অকনো লৰচৰ নকৰিবা।”

বৃদ্ধ বেহাৰমেন হল তেওঁলোক বাস কৰা ঘৰটোৰেই তলৰ মহলাত থকা এজন পেইণ্টাৰ। তেওঁৰ বয়স প্ৰায় ষাঠিৰ ওপৰত। তেওঁৰ মুখমণ্ডলত মাইকেল এঞ্জেলোৱে গঢ়া দাড়ি কোছাৰ দৰেই তলৈ বৈ পৰা। তেওঁ শিল্পী হিচাবে সফলতা লাভ কৰিব পৰা নাছিল। চল্লিশ বছৰ আপ্ৰাণ চেষ্টা কৰাতো সফলতাৰ কাষ চাপিব নোৱাৰিলে। তেওঁ জীৱনত সদায়েই এটা উৎকৃষ্ট মানদণ্ডৰ ( মাষ্টাৰ পিচ ) চিত্ৰ অঁকাৰ অভিলাষ কৰিছিল ,কিন্তু তেওঁ তাকে কেতিয়াও আৰম্ভই কৰিব পৰা নাছিল। বহু

বহুৰ ধৰি তেওঁ বিজ্ঞাপন বিভাগৰ বাবে কিছুমান নিৰস ছবি আঁকিছিল। কলনীত থকা নতুন উঠি অহা শিল্পী সকলৰ বাবে বেহাৰমেনে মডেল হিচাবে কাম কৰিছিল - যি সকলৰ ব্যৱসায়িক ভিত্তিত কাম কৰা মডেল ৰাখিবৰ কাৰণে যথেষ্ট অৰ্থ নাছিল, আৰু এইদৰে বেহাৰমেনে কিছু পইচা উৰ্পাজন কৰিছিল। তেওঁ অতিপাত মদ্যপান কৰিছিল কিন্তু তথাপি তেওঁ নিজৰ এখন উৎকৃষ্ট ছবিৰ কথা কবলৈ পাহৰা নাছিল। তেওঁ ছুমিয়ৰ ওপৰত থকা এই দুগৰাকী শিল্পীৰ বাবে চিকাৰী কুকুৰৰ দৰে ৰখীয়া হৈ আছিল, আৰু সকলো সময়তে তেওঁলোকক ৰক্ষা কৰিছিল।

অলপ পিছত চুই তলৰ মহলালৈ গল। তলৰ মহলাত কীণ পোহৰত বেহাৰ মেন বহি আছিল। চুইয়ে এক বনৰীয়া গছৰ গুটিৰ গোন্ধ পালে। কোঠালীটোৰ এটা চুকত এখন উকা কেনভাচ এটা ক্ৰেমত বন্ধোৱা আছিল। যোৱা পঁচিশটা বছৰে এই কেনভাচ খন তেনেদৰেই পৰি আছিল। বেহাৰমেনে মাষ্টাৰ পিচ আঁকিবলৈ অপেক্ষা কৰি থাকোতে পঁচিশটা বছৰ পাৰ হৈ গল আৰু ই উকা হৈয়েই ৰ'ল। চুইয়ে বেহাৰমেনক জন্‌চিৰ সমগ্ৰ মানসিক অৱস্থাৰ কথা কৈছিল যে কেনেকৈ তাই আইভিলতাৰ শুকান মৰহা পাতৰ দৰে মৰহি যাব বিচাৰিছিল। বেহাৰমেন জন্‌চীৰ তেনে মৃত মনোভাৱৰ বাবে তেওঁৰ ৰঙা চকুযুৰিৰে - খঙেৰে চিঞৰি উঠিছিল -

“ কি ? গছৰ পাত সৰিলে যে মানুহো এই পৃথিৱীত জীয়াই থাকিব এনে ধাৰণাও মানুহৰ থাকিব পাৰেনে ? এজোপা মৰহি যোৱা গছৰ শুকান পাত সৰিলে যে মানুহৰ মৰণ হয় এই কথা মই শুনা নাই কেতিয়াও। নাই, এনেকুৱা অদ্ভুত ধাৰণাৰ বশৱৰ্তী হোৱা মানুহৰ বাবে মই মডেল হব নোৱাৰো। কিয়নো তুমি থাকোতে জন্‌চীৰ মনত এনেভাৱ কেনেকৈ সোমাব পাৰিলে। বেচেৰী জন্‌চী জনী ! ” বেহাৰমেনে চুইক এইদৰে কলে।

“তাই বৰ অসুস্থ আৰু দুৰ্ব্বল” চুইয়ে কলে, “জ্বৰে তাইৰ মনটো দুৰ্ব্বল কৰি মনত অদ্ভুত দুঃচিন্তা জগাই তুলিছে। বাৰু বেহাৰমেন, তুমি মোৰ বাবে মডেল হিচাবে কাম কৰিব বিচৰা নাই যদি নালাগে আৰু মই ভাবিম যে তুমি এজন অভদ্ৰ বেয়া আচৰা বি কুৱা বুঢ়া মানুহ।”

“তুমি সঁচাকৈয়ে এগৰাকী তিৰোতাৰ দৰে” খঙি কৈ বেহাৰমেনে

চিঞৰি উঠিল ,“কোনে কৈছে মই তোমাৰ বাবে কাম নকৰো। আধাঘণ্টা ধৰি মই ক’বলৈ চেষ্টা কৰিছো যে মই তোমাৰ কাম কৰিবলৈ সাজু আছো। কিন্তু এই ঠাইত নহয়। কেতিয়াবা এনে সুযোগ আহিব যেতিয়া মই মোৰ উৎকৃষ্ট ছবিখন ( মাষ্টাৰ পিচ ) আঁকি আমি এই ঠাই এৰি যাব লাগিব।”

যেতিয়া তেওঁলোকে ওপৰমহলালৈ যায় জনচীক শুই থকা অৱস্থাত দেখিলে। চুইয়ে খিড়িকীৰ পৰ্দাখন টানি ঢাকি থলে আৰু লগে লগে বেহাৰ মেনক আনটো কোঠালীলৈ লৈ গল। তালৈ গৈয়ে দুয়ো কোঠালীটোৰ খিড়িকীৰে আইভিলতাডালৰ ফালে ভয়ে ভয়ে চালে - ইজনে সিজনলৈ চাই এক মুহূর্ত একো নোকোৱাকৈ বৈ গল। একেৰাহে চেঁচা বৰষুণ পৰি আছিল লগত বৰফো পৰিছিল। পুৰণা নীলাচাৰ্ট পিন্ধি থকা বেহাৰমেনে কোঠালীটোৰ এটা চুকত বহিল।

চুইয়ে শেষ নিশা একঘণ্টামান শোৱাৰ পিছত ৰাতিপুৱা উঠি দেখে যে খিড়িকীৰ পৰ্দাখন মেলি থোৱা আছে। “খিড়িকীৰ পৰ্দাখন গুচাই দিয়া মই বাহিৰলৈ চাব বিচাৰো।” তাই আদেশৰ সুৰত কলে। ভাগৰি থকা চুইয়ে জনচীৰ আদেশ পালন কৰিলে।

তাই বাহিৰলৈ চাই দেখে ইমান তাণ্ডৱ বতাহ বৰষুণ অহাৰ পিছতো ইটাৰ বেৰত ৰখাই থোৱা আইভিলতা ডালৰ এখিলা পাত এতিয়াও আছে। এই পাত খিলাই হল লতাডালৰ অন্তিম পাত। পাতৰ ঠাৰিডাল তেতিয়াও সেউজীয়া বৰণৰ হৈ আছিল ; কিন্তু পাত খিলাৰ কাৰে কাৰে দেখা গৈছিল হালধীয়া ৰং যাৰ পৰা গম পোৱা হৈছিল যে পাতখিলা লাহে লাহে গছজোপাৰ লগতে মৰহি যাব লাগিছে।

“সেই পাত খিলাকে মই শেষখিলাপাত বুলি ভাবিছিলো ”জনচীয়ে কলে। “মই ভাবিছিলো যে আজি ৰাতি এই পাতখিলা নিশ্চয় সৰিব আৰু মৰো একে সময়তে পৃথিবীৰ পৰা আঁতৰি যাম।”

ভাগৰুৱা মুখখন গাৰুটোত ওজি দি থকা জনচীৰ ওপৰত চুইয়ে হাঁউলি কলে “মোৰ জনচী তুমি মোৰ কাৰণে ভাবা। তুমি যদি তোমাৰ কাৰণে নাভাবা মই আৰু কি কৰিম ?”

কিন্তু জনচী নিৰুত্তৰ। তাইৰ মতে বহুদূৰ এনাজৰী আৰু

সংসাৰখন অসাৰ। তাইৰ মনত এটা ভাবেই টো খেলি আছে যে যিমান সোনকালে পাৰি মৃত্যুক আকোৱালি লব লাগে।

দিনটো বোৱাৰ পিছত গধুলিলৈকে আইভিলতা ডালৰ ঠাবিটোত পাত খিলা ওলমি আছিল। গভীৰ ৰাতি বতাহ ৰবধুণ দিয়া স্বত্বেও জনৃটীয়ে ৰাতিপুৱা পাতখিলা দেখিবলৈ পালে।

জনটীয়ে সেই পাত খিলালৈ বহুসময় চাই থাকিল তাৰ পিছত জনৃটীয়ে চুইক মাতে। চুইয়ে তেতিয়া তাইৰ কাৰণে কুকুৰা মাংসৰ চুকহা বান্ধি আছিল।

"কিবা কাৰণত পাতখিলা এতিয়াও আছে,সেইটোৱে বুজাব খুজিছে যে মই বৰ বেয়া। মৰিবলৈ বিচৰাতো পাপ। তুমি এতিয়া মোৰ কাৰণে খাবলৈ চুকহা আৰু অলপ গাখীৰ দিবানে ? নহয় প্ৰথমে তুমি মোক এখন আচী দিয়া আৰু মোৰ গাঁতিত কেইটামান গাৰু দিয়া যাতে মই বহিব পাৰো আৰু মই তোমাক বান্ধি থকা দেখা পাওঁ।"

সেইদিনা আবেলি ডাক্তৰে জনৃটীক চাবলৈ আহিল। ডাক্তৰে চুইৰ ক্ষীণ হাতখন নিজৰ হাতত লৈ জোকাৰি দিলে আৰু কলে " ভাল পথ্য আৰু শুশ্ৰুষাত সোনকালে আৰোগ্য হব। এতিয়া মই আৰু এজন ৰোগী চাবলৈ যাওঁ। তেওঁৰ নাম বেহাৰমেন। তেওঁ এজন শিল্পী। মই ভাবিছো তেওঁ নিউমনীয়াত ভুগিছে। তেওঁ বৃদ্ধ আৰু দুৰ্ব্বল সেই কাৰণে তেওঁ বেচিকৈয়ে কষ্ট পাইছে। তেওঁৰ বচা আশা কম। তেওঁক ভাল শুশ্ৰুষাৰ কাৰণে আজি হাস্পাতাললৈ স্থানান্তৰ কৰা হল।"

সেইদিনা আবেলি জনটীয়ে বিচনাত গাৰুৰ ওপৰত তেজালি নীলা ৰঙৰ উল গুঠি আছিল। চুইয়ে জনৃটীৰ ওচৰলৈ গৈ কলে " মই তোমাক কথা এটা কবলৈ আহিছো। আজি বেহাৰমেনৰ নিউমনীয়া ৰোগতেই মৃত্যু হল। তেওঁ দুদিনহে বেমাৰত ভুগিছিল। ঘৰৰ পহৰাদাৰীয়ে তেওঁক প্ৰথম দিনা বিৰত পৰি থকা দেখা পাইছিল। তেওঁৰ জোতা আৰু পিন্ধা কাপোৰ খিনি পানীত তিতি বৰফৰ দৰে ঠাণ্ডা হৈ পৰিছিল। তেওঁলোকে ভাবিলেই পোৱা নাছিল গোটেই ৰাতিটোনো তেওঁ কʼত ইমান ঠাণ্ডা হৈ যোৱাকৈ পৰি আছিল। তাৰ পিছত তেওঁ এটা লেম, এখন জখলা, আৰু কেইটামান ব্ৰাচ দেখিবলৈ পালে আৰু লগতে সেউজীয়া আৰু

আৰু হালধীয়া ৰং মিশ্ৰন কৰি লোৱা এখন প্লেট। এতিয়া তুমি খিৰিকীৰ বাহিৰলৈ চোৱা আৰু বেৰৰ লগতে লাগি থকা পাতখিলাটো মন কৰাহোন ? তুমি এতিয়া তাৰি মন কৰিব পাৰিছানে যে পাতখিলা ইমান বতাহ বৰষুণ দিয়া স্বত্বেও কিয় লৰচৰ কৰা নাই। মোৰ জন্‌টী এইয়া হ'ল বেহাৰ মেনৰ মাষ্টাৰ পিচ, তেওঁৰ জীৱনৰ উৎকৃষ্ট ছবিখন। তেওঁ ৰাতিৰ ভিতৰতে সেই পাতখিলা ৰংতেৰে আঁকিছিল ,যেতিয়া লতাদালৰ শেষ পাতখিলাও সৰি পৰিছিল।''

# ** আজ্ঞাবাহক **

মূল ৰচনা : গী দ্যা মোঁপাচা
অনুবাদ : সুকৃতি ব্ৰহ্ম চৌধুৰী।

বিষণ্ণাবৰ্ণেৰে পৰিবেষ্টিত সমাধিক্ষেত্ৰখন দেখিলে অনুভৱ হৈছিল যেন গোটেই পথাৰখন ফুলেৰে ভৰি আছে। সামৰিক টুপী আৰু ৰঙা পোচাক, বিভিন্ন ধৰণৰ আঁচ পৰা আৰু সোণালী বুটামবোৰ, সহকাৰী সকলৰ কান্ধৰ -পাঁখি আৰু অনুসৰণকাৰী ও অশ্বাৰোহী সৈনিক সকলৰ বেণীবোৰেৰে সাজ্জিত সকলোৱেই সমাধিবোৰৰ মাজেৰে পাৰ হৈ গৈছিল। সমাধি বোৰৰ ওপৰত থকা ক্ৰচবোৰে যেন সিহঁতৰ ক'লা অথবা বগা ৰঙৰ শোকাৰ্ত্ত বাহুবোৰ মেলি বৈ আছিল - কোনোবা লুপ্ত বংশৰ মৃতকৰ সমাধিৰ বুকুত। বাহুবোৰ আছিল -লো, মাৰ্ব্বল পাথৰ নাইবা কাঠৰ।

কৰ্ণেল লিম'জিনৰ পত্নীক এইমাত্ৰ সমাধি দিয়া হ'ল। দুদিন আগতে পুখুৰীত গা- ধুবলৈ যাওঁতে তেওঁ পানীত বুৰি শেষ নিশ্বাস ত্যাগ কৰিলে। ইতিমধ্যে সকলো কাম শেষ হৈছিল। মানুহজনও গুচি গৈছিল। কিন্তু কৰ্ণেলে তেওঁৰ সহযোগী দুজন বিষয়াৰ সহায়ত তেতিয়াও সেই সমাধিটোৰ সন্মুখত থিয় হৈ থাকিল, যাৰ তলত তেওঁ তেতিয়াও দেখিছিল সেই কাঠৰ কফিনটো, য'ত শুই আছে তেওঁৰ গাভৰু পত্নীৰ গলিত মৃতদেহ।

প্ৰৌঢ় প্ৰায়,ওখ,ক্ষীণ আৰু পকাগোঁফেৰে সৈতে এই মানুহজন মাত্ৰ তিনিবছৰ আগতে তেওঁৰে মৃত সহকৰ্ম্মী বন্ধু কৰ্ণেল চৰ্চিজৰ পিতৃমাতৃহীনা কন্যাক বিয়া কৰাইছিল।

কেপ্তেইন আৰু লেফটেনেণ্ট দুয়ো যাৰ ওপৰত কমাণ্ডিং বিষয়াজনাকীয়ে ভৰ দি থিয় হৈ আছিল তেওঁক ভাবপৰা আঁতৰাই নিবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁ বাধা দি চকুপানীৰে ভৰা চকুদুটা ৰুমালেৰে ঢুকাই লৈ অস্ফুট ভাবে উচ্চাৰণ কৰিলে - "নাই,নাই! আৰু অলপ

সময়'' বুলি তেওঁ জোৰ কৰি তাতেই থাকিবলৈ বিচাৰিলে। সমাধিটোৰ কাষত আঁঠুকাঢ়ি বহি লৈ তেওঁৰ অনুভৱ হ'ল যেন এই শৰীৰ, অতল গহ্বৰত তেওঁৰ এই জীৱনত পোৱা সকলো মৰম চেনেহ, তেওঁৰ জীৱন, তেওঁৰ আত্মা সকলোখিনিয়ে হেৰাই গৈছে।

হঠাতে জেনেৰেল ওৱৰ্ড তালৈ আহিল আৰু একপ্ৰকাৰ জোৰ কৰিয়েই কৰ্ণেলৰ বাহুত ধৰি তাৰ পৰা আঁতৰাই নিবলৈ চেষ্টা কৰি কলে - ''আহাঁ, আহাঁ মোৰ প্ৰবীন বন্ধু! তুমি ইয়াত থকা উচিত নহয়।''

কৰ্ণেলে অৱশেষত কথাষাৰ মানিলে আৰু নিজৰ বাসস্থানলৈ উভতি গল। পঢ়াকোঠাৰ দুৱাৰখন খুলিয়েই তেওঁ মেজৰ ওপৰত এখন চিঠি দেখিলে। চিঠিখন হাতত লৈ তেওঁ ইমান বেছি আচৰিত হ'ল যে, তেওঁ যেন চেতনা হেৰুৱাই পেলাব। তেওঁ তেওঁৰ পত্নীৰ হাতৰ আখৰ বুলি চিনি পালে। চিঠিখনত থকা ডাকঘৰৰ চীলমোহৰ থকা তাৰিখটোও সিদিনা খনৰেই আছিল। থৰকৈ কঁপি চিঠিখন পঢ়িবলৈ ধৰিলে।

''সেউতা! বিগত দিনবোৰৰ দৰেই তোমাক 'সেউতা' বুলি সম্বোধন কৰিবলৈ অনুমতি দিয়া। তুমি যেতিয়া এই চিঠিখন পাবা, তেতিয়ালৈ মই জীয়াই নাথাকো আৰু মই তেতিয়া মাটিৰ তলত শুই পৰিম। সেয়ে আশাকৰোঁ তুমি মোক ক্ষমা কৰিব পাৰিবা।

''মই তোমাৰ পুতৌ বিচৰা নাই বা মোৰ পাপৰ কথাও লুকুৱাবলৈ বিচৰা নাই। মই মাথোন সকলো কথা আৰু সকলো সত্য স্পষ্ট ভাবে কবলৈ বিচাৰিছো এগৰাকী নাৰীৰ ঐকান্তিকতাৰে, যি গৰাকীয়ে এবছৰৰ ভিতৰতে নিজকে শেষ কৰিবলৈ ওলাইছে।

''যেতিয়া উদাৰতাৰে তুমি মোক বিয়া কৰাইছিলা, কৃতজ্ঞতাৰে মই নিজকে তোমাৰ ওচৰত উৎসৰ্গা কৰিছিলো, মই তোমাক ভাল পাইছিলো মোৰ সকলো ছোৱালী সুলভ অন্তঃকৰণেৰে। মই মোৰ দেউতাক ভালপোৱাৰ দৰেই তোমাকো ভাল পাইছিলো। এদিনৰ কথা যিদিনা মই তোমাৰ আঁঠুত আউজি বহি আছিলো আৰু তুমি মোক চুমা আঁকি দিছিলা, সিদিনাই মই নিজকে পাহৰি তোমাক 'দেউতা' বুলি সম্বোধন কৰিছিলো। আচলতে এয়া আছিল মোৰ অন্তৰৰ গভীৰতাৰ পৰা বৈ অহা কাম্পোন। প্ৰকৃততে তোমাৰ মাজত মই মোৰ দেউতাক

দেখিছিলো। তুমি হাঁহি হাঁহি কৈছিলা -"সোণ ! তুমি মোক সদায় সেইদৰেই মাতিবা। ইয়ে মোক আনন্দ দিব।"

"মোক ক্ষমা কৰিবা দেউতা ! আমি চহৰলৈ অহাৰ পিছত মই প্ৰেমত পৰিছিলো। হায় ! মই বহুতো চেষ্টা কৰিছিলো। প্ৰায় দুবছৰ ধৰি নিজকে সংযত ৰাখিবলৈ চেষ্টা কৰিছিলো। কিন্তু নোৱাৰিলো। মই পাপ কৰিলো। মই পতিতা হলো।

"আৰু তেওঁ ? তুমি হয়তো কেতিয়াও গম নাপাবা,তেওঁ কোন ! একজন বিষয়াৰে তুমি আৰু মই সদায়েই পৰিবেষ্টিত হৈ থাকো, যাক তুমি মোৰ বাবটা নক্ষত্ৰৰ পুঞ্জ বুলি অভিহিত কৰিছিলা।

"দেউতা ! তুমি তেওঁৰ বিষয়ে জানিবলৈ চেষ্টা নকৰিবা। তেওঁক তুমি ঘৃণাও নকৰিবা। তেওঁ যি কৰিছে ,তেওঁৰ ঠাইত আন কোনোৰা হোৱাহেঁতেনও তাকেই কৰিলেহেঁতেন। মই নিশ্চিত যে ,তেওঁ মোক তেওঁৰ সমগ্ৰ সত্বাৰে ভাল পাইছিল।

" কিন্তু শুনা দেউতা ! এদিন আমাৰ দুয়োৰে 'বিকাচেচ দ্বীপত' লগ হোৱাৰ কথা আছিল। তুমিও জানা সেই মিলৰ কাষৰ সৰু দ্বীপটোৰ কথা। মই সাঁতুৰি সাঁতুৰি তালৈ যোৱাৰ কথা আছিল আৰু কথা আছিল আবেলিৰ মাজত তেওঁ মোৰ বাবে বৈ থাকিব। বেলি নপৰালৈকে তাত থকাৰ কথা আছিল যাতে কোনেও তেওঁ তালৈ যোৱাৰ কথা গম নাপায়। গছৰ ডালবোৰ আঁতৰাই মই তেওঁক মাত্ৰ লগ পাইছিলোহে , আমি দেখাপালো সমুখত 'ফিলিপ' -তোমাৰ আজ্ঞাবাহকজন। আমি আচৰিত হৈছিলো। মই অনুভৱ কৰিছিলো আমি যেন শেষ হৈ গ'লো। মই বিকট চিঞৰ মাৰিছিলো। মোৰ অৱস্থা দেখি তেওঁ, মোৰ প্ৰেমিকে কৈছিল - "যোৱা প্ৰিয়া ! তুমি নিশ্চিন্তে সাতুৰি আকৌ সিপাৰলৈ যোৱা আৰু মোক এই মানুহজনৰ সৈতে থাকিবলৈ দিয়া।

"মই মনে মনে ইমান উত্তেজিত হৈ পৰিছিলো যে আৰু অলপ হলেই মই পানীত বুৰি মৰিলোহেঁতেন। শঙ্কিত হৈছিলো যেন কিবা এটা অঘটন নিশ্চয় ঘটিব।

" এঘন্টাৰ পিছত, ফিলিপক মই বহা কোঠাৰ বাহিৰৰ কৰিড'ৰত লগ পাইছিলো। খুব নিম্ন স্বৰত তেওঁ মোক কৈছিল - " মই মহাশয়াৰ

সেৰাত হাজিৰ। যদি আপোনাৰ কিবা চিঠিপত্ৰ দিবলগীয়া আছে মোৰ হাতত দিব পাৰে।" মই বুজি পাইছিলো - সি নিজকে বিক্ৰি কৰিছে আৰু মোৰ প্ৰিয়তমে তেওঁক কিনি পেলাইছে।

"মই তাৰ হাতত কিছুমান চিঠিপত্ৰ দিছিলো - সঁচাকৈ কবলৈ গ'লে সকলোবোৰ চিঠি - সি লৈ গৈছিল। আৰু সেই বোৰৰ উত্তৰো আনি দিছিল।

"এনেদৰে দুমাহ পাৰ হৈ গৈছিল। তাৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস জন্মিছিল, যেনেদৰে তুমিও তাক বিশ্বাস কৰিছিলা।

"দেউতা! এতিয়া কওঁ শুনা, কিনো ঘটিছিল। এদিনাখন, সেই একেটা দীপতে য'ত মই সাঁতুৰি সাঁতুৰি উপস্থিত হোৱাৰ কথা আছিল, তাত গৈ দেখিলো অকলশৰে বৈ আছে তোমাৰ আজ্ঞাবাহকজন। সি মোৰ বাবে তাত অপেক্ষা কৰি আছিল। সি কলে যে মই যদি তাৰ কামনা পূৰণ নকৰো আমাৰ সকলো কথা তোমাৰ আগত প্ৰকাশ কৰি দিব আৰু সি গোপনে সংগ্ৰহ কৰি ৰখা আমাৰ চিঠিপত্ৰবোৰ তোমাৰ হাতত তুলি দিব।

" হে দেউতা! দেউতা! মই বৰ ভীত হৈ পৰিছিলো এক ভীৰু কাপুৰুষৰ দৰে। এক অহেতুক ভয়ত মই ত্ৰস্ত হৈ পৰিছিলো। অতি বেছি ভয় কৰিছিলো তোমাৰ কথা ভাবি। কাৰণ, যি গৰাকী মানুহে মোক ইমান ভাল পায়, অথচ তেওঁকেই মই বিশ্বাসঘাতকতা কৰি আহিছিলো। তেওঁৰ কথা ভাবিও আৰ্ত হৈ উঠিছিলো, কিজানি তুমি তেওঁক হত্যা কৰা! ভয় হৈছিল, মোক কিজানি তুমি মাৰি পেলোৱা! মোৰ মনৰ অৱস্থা তেতিয়া বৰ্ণনাতীত। মই পাতকী হৈ গৈছিলো, মোৰ যেন বিবেক বুদ্ধি সকলো হেৰাই গৈছিল। মই এই অধমটোক আকৌ এবাৰ হাত কৰাৰ কথা চিন্তা কৰিছিলো। সিও মোক ভাল পাবলৈ বিচাৰে। ছিঃ! কি লজ্জাজনক কথা।

"আমি নাৰীসকল ইমানেই দুৰ্বল চিত্তীয়া যে, তোমালোকক লৈ অতি সহজে হতবুদ্ধি হৈ পৰো। আৰু কলত একবাৰী নাৰীৰ যেতিয়া স্খলন ঘটে, তেওঁ আৰু বহুত বেছি তললৈ নামিব লগীয়া হয়। মই জানো জানিছিলো যে, মই কি কৰিবলৈ লৈছিলো? মই যাকোন

বুজিব পাৰিছিলো যে, তোমালোকৰ দুয়োৰে মাজৰ কোনোবা এজন আৰু মই নিজেই মৃত্যুৰ দুৱাৰ দলিঁলে আগবাঢ়িছো আৰু এই পশুটোৰ হাতত নিজকে সমৰ্পণ কৰি দিছিলো।

"দেউতা ! তোৱা, যি অভাবনীয় ঘটনা ঘটি গ'ল তাৰ বাবে মই নিজকে কেতিয়াও ক্ষমা নকৰো। সি মোক ভয় দেখুৱাই মোৰ সৰ্ব্বস্ব লুটি নিছিল। আনৰ দৰে সিও মোৰ প্ৰেমৰ বাবে ক্ষুধাতুৰ আছিল। এয়া বাৰু কম ঘৃণনীয় কথা নহয় নে ? তাৰ বাবে মোক কি শাস্তি দিবা দেউতা ?

"কিন্তু মোৰ জীৱনত সেয়াই ঘটি গ'ল। জীয়াই থকালৈকে মই মোৰ এই পাপৰ কথা কেতিয়াও প্ৰকাশ কৰিব নোৱাৰিম। মৃত্যু ? মৃত্যুক মই ভয় নকৰো। মৃত্যুৰ বাহিৰে আৰু যে আন কোনো উপাই মই দেখা নাই। একোৱেই মোক ধুই নিকা কৰিব নোৱাৰে। মই কলুষিত হ'লো। কাৰোবাক ভালপোৱাৰ অধিকাৰ মোৰ আৰু নাই -মোক কোনেও ভাল পাবও নোৱাৰে। মোৰ অনুভব হৈছে যেন ,মই ষ'তেই স্পৰ্শ কৰিছো ,লগে লগে যেন সকলোতে এক মচিব নোৱাৰা দাগ বহি পৈছে।

" এয়া,মই গা -ধুবলৈ যাবলৈ ওলাইছো। আৰু মই কেতিয়াও ঘূৰি নাহোঁ। তোমালৈ লিখা এই চিঠিখন এতিয়া মই মোৰ প্ৰেমিকৰ ওচৰলৈ পঠিয়াম। চিঠিখন যেতিয়া তেওঁৰ হাতত পৰিব -তেতিয়া মই আৰু জীয়াই নাথাকো। মোৰ ইচ্ছানুসৰি সকলোৰে অজ্ঞাতে তেওঁ এই চিঠিখন তোমালৈ পঠিয়াব আৰু এই চিঠিখন তুমি পঢ়িবলৈ পাবা- যেতিয়া তুমি মোৰ শেষকৃত্য সম্পন্ন কৰি ঘৰলৈ উভতি আহিবা।

"হে দেউতা বিদায় ! তোমাক জনাবলৈ মোৰ আৰু বিশেষ একো নাই। তুমি যি উচিত বুজা তাকেই কৰিবা।"

কৰ্ণেল যামেৰে পূৰ্ণ হৈ উঠা কপালখন মচিলে। হঠাতে তেওঁৰ মাজত দেখা গ'ল এক গভীৰ, শান্ত ৰূপ, যিটো দেখা পৈছিল তেওঁ যেতিয়া যুদ্ধক্ষেত্ৰবোৰত থিয় দিছিল। তেওঁ "কলিং বেলটো" বজালে। এজন ভৃত্য আহি তেওঁৰ সন্মুখত উপস্থিত হ'ল। কৰ্ণেলে "ফিলিপক মোৰ ওচৰলৈ পঠিয়াই দিয়া" বুলি আদেশ কৰিলে আৰু তাৰ পিছত তেওঁ

মেজখনত থকা দেৰাজটো খুলিলে।

অলপ পৰৰ পিছতেই এজন প্ৰকাণ্ড চেহেৰাৰ সৈনিক আহি তেওঁৰ সন্মুখত উপস্থিত হ'ল। মুখত বঙচুৰা গোঁফ আৰু ধূৰ্ত এহাল চকুত এক হিংসুক চাৱনি।

কৰ্ণেল পোনপটীয়াকৈ তাৰ মুখলৈ চাই কলে -

"তুমি মোৰ পত্নীৰ প্ৰেমিকৰ নামটো নিশ্চয় কৰা"

"কিন্তু, মহাশয়" বুলি কিলিপে কৰঁলে ইতঃস্তত: কৰাৰ লগে লগে বিষয়াগৰাকীয়ে তেওঁৰ আধাখোলা দেৰাজৰ পৰা পিষ্টলটো উলিয়াই ললে আৰু ক'লে -

" কোৱা, অতি শীঘ্ৰে কোৱা। তুমি জানা যে, মই খেমালি নকৰো"।

"মহাশয়! তেওঁৰ নাম কেপ্টেইন চেণ্ট এলবাৰ্ট" বুলি কোনোমতে নামটো উচ্চাৰণ কৰাৰ লগে লগে এটি গোহৰৰ উচ্ছ্বাসে তেওঁৰ মূচকুৰ সোঁমাজত আঘাত কৰিলে। এটি গুলীয়ে তেওঁৰ কপালখন ভেদ কৰিলে। তেওঁ তলমূখ কৰি পৰি গ'ল।

* * * * * *

* * * * * *

# * সঞ্চিত ধনৰ
## * টোপোলা

মূল ৰচনা : এলবাৰ্টো মোৰাভিয়া
অনুবাদ : জীৱন মাধুৰী নেওগ বৰা

পৰ্টাচন পানক্ৰেজিঅ'ৰ (Porta San Pancrazio) বাহিৰত থকা অতিথিশালাখনত মই পৰিচাৰক হিচাবে কাম কৰি থকা সময়ত বজাৰত শাক পাচলিৰ ব্যৱসায় কৰা খেতিয়ক এজন অতিথিশালাৰ নিয়মীয়া গ্ৰাহক আছিল। সকলোৱে তেওঁক 'মেৰিনিজ' বুলি মাতিছিল। হয়তো মেৰিনৰ পৰা অহা মানুহ বুলিয়ে নতুবা মেৰিনৰ সুৰা বিশেষ ভাবে ভাল পাইছিল বুলিয়ে তেনেকৈ মাতিছিল।

এই 'মেৰিনিজ' নামৰ মানুহজন যথেষ্ঠ বয়সীয়াল আছিল। তেওঁ নিজেও কিজানি নাজানিছিল তেওঁৰ বয়স কিমান হৈছে। তথাপিও তেওঁ কিছু এজন চঞ্চল ডেকা মানুহতকৈ বেছি মদ খাব পাৰিছিল আৰু মদ খোৱা সময়ত ভাল শ্ৰোতা এজন পালে অনৰ্গল কথা কৈ গৈছিল। কাকো নাপালে তেওঁ নিজৰ লগতে কথা পাতি আছিল। আমি অতিথি গৃহৰ পৰিচাৰক বিলাকে খোৱা বস্তু পৰিবেশন কৰি থকা সময়খিনিৰ বাহিৰে বাকী সময় গ্ৰাহক সকলৰ কথোপকথন শুনি শুনিয়ে সময় কটাওঁ বুলি সকলোৱে জানেই। মেৰিনিজে কোৱা -সঁচা -মিছা অজস্ৰ গল্পৰ মাজতে সঁচা সঁচা যেন লগা এটা বিশেষ গল্প তেওঁ প্ৰায়ে কৈছিল বোলে জাৰ্মান বিলাকে ওচৰৰ ৰাজকুমাৰ এজনৰ পাম ঘৰৰ পৰা ৰূপৰ চন্দুক এটা চুৰ কৰি আনি এঠাইত পুতি থৈছে আৰু সেই পুতি থোৱা ঠাইখিনিৰ কথা তেওঁ মানে মেৰিনিজে হেনো জানে। কেতিয়াবা তেওঁ সঁজলীটিকে মদৰ জালত মতলীয়া হৈ থকা সময়ত তেওঁৰ কথাবতৰাৰ পৰা বুজা গৈছিল যে সেই পুতি থোৱা ঠাইখিনি তেওঁৰ নিজা ব্যৱসায়িক ভিত্তিত কৰা শাকনি

ধাৰীখনৰ মাজতে আছে। যিয়েই নহওক, তেওঁ প্ৰায়ে কৈছিল যে তেওঁ যদি ইচ্ছা কৰিলেহেঁতেন তেওঁ খুব ধনী হ'ব পাৰিলেহেঁতেন। আৰু সেয়া তেওঁ কেতিয়াবা হ'বগৈও। কেতিয়া ? 'যেতিয়া মই বুঢ়া হ'ম আৰু কামলৈ যাবলৈ মন নকৰিম' বুলি কোনোবা এজনে বিশেষ কিবা কথাত সোধোঁতে উত্তৰ দিছিল। উত্তৰটো কিছু হাঁহি উঠা আছিল, কাৰণ তেওঁলৈ চালেই বুজিব পাৰি তেওঁৰ বয়স অতি কমেও আশীবছৰ মান হৈছে।

যাক, মই এই চন্দুকটোৰ বিষয়ে ভাবিবলৈ আৰম্ভ কৰিলো আৰু এইটোৰ ছিতিত মই পতিয়ান গলো। কিয়নো কিছুবছৰৰ আগতে মই কামত সোমোৱাৰ সময়তে, বাস্তৱতে ঠিক এনেকুৱা এটা চুৰিৰ ঘটনা ঘটিছিল আৰু ৰাজকুমাৰজনে সেই বস্তুবোৰ আৰু ঘুৰাই পোৱা নাছিল। কথাটো ভাবিয়েই মোৰ খং উঠি গল যে গোটেই বস্তুটোৱেই এতিয়া মেৰিনিজৰ হাতত। কোনোবা নহয় কোনোবা এদিন তেওঁ জুপুৰীটোৰ ভিতৰতে হঠাতে মৰি থাকিব আৰু চন্দুকক বিদায়। তেওঁৰ লগত মই উপযাচিয়ে ঘনিষ্ঠতা কৰিবলৈ চেষ্টা কৰিলো। বুঢ়াটোৱে কিছু প্ৰকৃত প্ৰভাৱক এটাৰ দৰে মোৰ পৰাই মদ খায় কিছু মুখ খোলোলে। 'তুমি যদি মোৰ ল'ৰাও হ'লাহেঁতেন', অৱশেষত তেওঁ বৰ গহীন ভাবে এদিন মোক কলে 'মই কিছু তোমাক নকলোহেঁতেন। তুমি ডেকা ল'ৰা কাম কৰিব পাৰা। এনে ধনৰ আৱশ্যক হয় বুঢ়া সকলকহে, যিসকলে কাম-বন কৰিব নোৱাৰাহে ভাগৰি পৰে।' ইজাৰ্ণহে অৱশেষত মই মেৰিনিজ' নামৰ আনজন পৰিচাৰকক বিশ্বাসত লগ ল'লো। সেওঁতা আৰু বগা বৰণৰ মেৰিনিজ' লৰাটো মোতকৈ সৰু। মোৰ মনৰ ভাব ধাৰণা শুনিয়েই সি তৎক্ষণাতে উল্লাসিত হৈ পৰিল। সি যেনেকুৱাহে অকণা! অকঁৰাৰ দৰেই আকাশত চাং পাতিবলৈ লাগি গ'ল :- আমি খুব ধনী হৈ যাম, সি এখন মটৰ চাইকেল কিনিব আমি দুয়ো লগ লাগি এখন সুৰাৰ দোকান খুলিম ইত্যাদি ইত্যাদি। এইবোৰ আৰু! মই তাক কলো যে 'প্ৰথম কামটো হ'ব চন্দুকটো বিচাৰি উলিওৱা ------আৰু ইয়াৰ বাবে অতিমাত্ৰা উত্তেজিত হ'ব নালাগে। ---ইয়াৰে আমি ভাগ কৰিম। তিনিভাগ মোৰ আৰু এভাগ তোমাৰ। ঠিক আছে?' সি সন্মত হ'ল - তেতিয়াও সি আনন্দত আত্মহাৰা অৱস্থাত। আৰু আমি

সেই নিশাটোৰ বাবেই কাৰ্য্যসূচী ঠিক কৰি ললো। মাজনিশাৰ পিছত, পুৰণা ভিয়া আউবেলিয়াৰ প্ৰবেশ পথত।

এয়া আছিল মে' মাহৰ আৱৰ্ত্তনী। তৰাৰে ভৰা আকাশ আৰু উজ্বল জোনৰ পোহৰে গোটেইখন দিন যেন পোহৰাই থৈছিল। আৰু মৃদু- মৃদু বতাহ। মোৰ অনুভৱেই হোৱা নাছিল যে বুঢ়া মানুহ এজনক মাৰিবলৈ গৈ মই কিবা এটা ডাঙৰ ভুল কাম কৰিছোঁ। গোটেই কথাখিনিকে এটা ধেমালি বুলি ভাবিবলৈ লৈ মই নিজকে কঁপি দিছিলো। আমি ভিয়া আউবেলিয়াৰ সেই প্ৰাচীন বেৰাকেইখনৰ মাজেৰে যাবলৈ আৰম্ভ কৰিছিলো, যাৰ পিচপিনে আছিল ব্যৱসায়ীক খেতি পথাৰ আৰু কনভেণ্টৰ বাগিছাখন। মই এখন কোৰ কঢ়িয়াই লৈ গৈছিলো, কিজানিবা মেৰিনিজে তাৰ কোৰখন আমাক দিবলৈ অস্বীকাৰেই কৰে! আৰু বোমিনিজ'ৰ হাতত দিছিলো লোহাৰ বেল্চা বা 'চাবল' ৰ দৰে এডাল, যাতে সিও কিবা কৰিব পাৰে। মই পিয়াজা ভিট'ৰিয়াত এটা বিভল্ভাৰ আৰু গুলি বাৰুদও কিনি লবাই ল'লো। বন্দুকৰ যোৰাটো (নিৰাপদ বুটামটো) কিন্তু বন্ধ কৰি ৰাখিলো। সঁচা কথা ক'বলৈ হ'লে এই বন্দুকৰ ধাৰণাটোত ( তাৰ ধাৰাত ) মইও বে'চ উল্লাসিত হৈ পৰিছিলো। বেমিনিজ'কো কথাটো কোৱা বাবে মোৰ এতিয়াও অনুতাপহে হৈছে। সেই এডাল যে মই এৰি দিব লাগিব! নহ'লে তো গোটেইখিনি মোৰেই হলহেঁতেন! ইয়াৰ উপৰি বেমিনিজ'টো বৰ বেছি কথকী। সি যদি কথাৰ মাজতে ক'ৰবাত এইবোৰ কথাও কৈ দিয়ে, গোটেই খেলটো গৈ কাৰাগাৰতহে শেষ হ'বগৈ আৰু। দুয়োখন বেৰাৰ মাজেৰে খোজকাঢ়ি গৈ থাকোঁতে এই ভাববোৰে মোক চিন্তিত কৰি তুলিলে। সেয়ে তৎক্ষণাত মই বৈ দিলো। বিভলভাৰটো,- যিটো ইমান সময়ে মই তাক দেখুৱা নাছিলো, উলিয়াইলৈ তালৈ টোঁৱাই ক'লো -'মনত ৰাখিবা, পেক্‌পেকাই থাকিলে কিন্তু মই তোমাক মাৰি পেলাম।'-'কিন্তু এনেক্ষেত্ৰ' ভয়ত কঁপি কঁপি সি সুধিলে - 'মোক লো কেলেই লৈ আহিছা ?' মই কৈ গ'লো - 'আমি মেৰিনিজকো কিবা অলপমান দিব লাগিব, যাতে কামখিনিত তাৰ নিজৰো কিবা এটা স্বাৰ্থ থাকে আৰু লোভ নিদিয়ে,

ওজৰ -আপত্তি নকৰে। তাৰমানে তুমি তোমাৰ ভাগটোৰ পৰাই তাক কিবা অলপ দিব লাগিব। বুজিলানে ?' সি 'হুঁ' বুলি গলাৰ্জিলত মই মোৰ বিভল্ভাৰটো আকৌ খাপটোত ভৰাই থলো আৰু আগলৈ খোজ দিলো।

বাটটোৰ অলপ আগলৈ সোঁফালে পকী দালানটোৰ সন্মুখত লেটিন লিপিৰে খোদিত কৰা খুঁটাৰে সৈতে এখন প্ৰাচীন প্ৰৱেশদ্বাৰ। সেউজীয়া ৰঙৰ জপনা খন ভগা ছিগা আৰু ৰং উৰ্ঠি যোৱা। সেই জপনাখনৰ পিচফালেই মেৰিলিজৰ শাক-পাচলিৰ খেতি আছিল বুলি মই জানিছিলো। আলিবাটটোৰ আশেপিচে দুয়ো কাষে মই ভালকৈ চাই ল'লো আৰু কাকো ক'তো নেদেখি শলখা নলগোৱা দুৱাৰখন মেলি ভিতৰলৈ সোমাই গলো। মেৰিলিজ'ও মোৰ পাছে পাছে গল।

পাচলি কিনিবলৈ অহা নাছিলো যদিও-স্বীকাৰ কৰিব লাগিব শাকনিখনলৈ চকু দি মই অভিভূত হৈ গলো। মোৰ মুখৰ পৰা নিজে নিজে ওলাই গ'ল - 'কি যে খেতি !' আমাৰ সন্মুখত উজ্জ্বল জোনাকত প্ৰকৃততেই অতি সুন্দৰ বিতোপন শাক-পাচলিৰ খেতি। এনেকুৱা অপূৰ্ব সুন্দৰ খেতি মই আগতে দেখাই নাই। পানী যোৱা নীৰজুবোৰ পোন দীঘল দীঘল শাৰীৰে বহলকৈ বিস্তৃত হৈ আছিল ,যেন কোনোবাই এইবোৰ সমানকৈ সজাইহে থৈছে। দুশাৰী পানী যোৱা নিৰজুৰ মাজত শাৰী শাৰী কৈ থকা শাক-পাচলিৰ গছবোৰ জোনৰ পোহৰতো ম্লান কৰি শাকনিখন একেবাৰে নিমূৰত থকা মেৰিলিজৰ সৰু তুপুৰীটোলৈ যেন সমদলেৰে আগবাঢ়ি গৈ আছে। --বাঃ ,কি প্ৰকাণ্ড লেটুচৰ পাত !! পাচলি বেপাৰীৰ তুলাচনীখন ইয়াৰ এটা পাতেৰেই ঢোল ভৰি পৰিব। সুন্দৰ সুন্দৰ বিলাহী গছবোৰ জেওত খাঁউজি আছে আৰু সেই বিলাহীৰ পাতবোৰৰ মাজত এতিয়াও সেউজীয়া হৈ থকা অথচ কাটি যাব কাটি যাব যেন লগা পুৰঠ বিলাহী , সৰু ল'ৰাছোৱালীৰ মূৰ একোটাৰ সমান ডাঙৰ বন্ধাকবি। তৰোৱালৰ দৰে লগা ওখ আৰু দিৰ দিৰ পিঁয়াজৰ গছ। এজোপাগছতে তিনি চাৰি জোপাকৈ হোৱা মাটি কঠালৰ ঢুপৰিৰ দৰে শাকৰ ( Artickokes ) জোপোহা। তদুপৰি তাত আছে মটৰমাহ ,বিন্, বেলেগ বেলেগ ধৰণৰ লেটুচ। মুঠতে ক'বলৈ গ'লে

প্ৰায় সকলোবোৰ বতৰৰ লেটুচ্, সকলোবোৰ বতৰৰ পাছলি। মাটিৰ অ'ত ত'ত যথেষ্ট সংখ্যক aubergines আৰু তিঁয়হ দেখিছিলো, সেইবোৰ যেন যেয়ে সেয়ে মন গ'লেই ছিঙি খাব পৰাকৈ পেলাইছে থৈছে। এৰিছে গৈছে। আৰু আছে প্লাম, পিচ্, আপেল, নাচপতি আদিৰ অনেক চাপৰ আৰু জোপোহা গছ। সেইবোৰত তেতিয়াও পকিবলৈ অপেক্ষা কৰি থকা ফলবোৰে জোনাকত পাতৰ মাজেৰে জুমা জুমি কৰি আছিল। প্ৰতিজোপা শাক আৰু ফলৰ গছতে খেতিয়ক জনৰ হাতৰ অন্তৰঙ্গতাৰ পৰশ অনুভৱ কৰিব পাৰি - যিটো তেওঁ অকল ব্যৱসায়ীক লাভলৈ চাই কৰা নাই। একমাত্ৰ চন্দুকৰ কথাই ভাবি থকা ৰেমিগিঅ'ই অধৈৰ্য্য হৈ সুধিলে - 'মেৰিনিজ ক'ত?' শাকনিবাৰীখনৰ শেষ প্ৰান্তত থকা জুপুৰীটোলৈ আঙুলিয়াই মই ক'লো -'সৌ তাত'।

আমি নহক আৰু শাকৰ শাৰীৰ মাজৰ ঠেক বাটটোৰে আগুৱাই গলো। ৰেমিগিঅ'ই লেটুচ এজোপা গছকি যোৱা দেখি মই ক'লো- 'কি যে এটা অথলা মূৰ্খ মানুহ তুমি! চোৱাচোন কোন কালে গৈছা? মই কুঁজা হৈ সি গছকি যোৱা গছজোপাৰ পৰা পাত এটা তুলি লৈ মুখত ভৰালে। মিঠা আৰু কোমল পুৰঠ পাতটো নিয়ৰত ধুই খোৱাৰ দৰে সজীৱ। আমি জুপুৰীটোলৈ আগবাঢ়ি গৈ থাকোঁতে মোক খুব ভালকৈ চিনি পোৱা মেৰিনিজৰ পোহনীয়া কুকুৰটোৱে ভুক ভুকুৱাৰ সলনি নেজ জোকাৰি জোকাৰি কাষলৈ আহিল। হালধীয়া বৰণৰ কুকুৰটো সাধাৰণতে ব্যৱসায়ী খেতিয়ক সকলে ৰখা কুকুৰৰ দৰেই যদিও বে'চ বুধিয়ক। মই জুপুৰীটোৰ বন্ধ হৈ থকা দুৱাৰখনত টুকুৰিয়ালো প্ৰথমতে মৃদু মৃদু কৈ, তাৰপিচত তাতকৈ জোৰে জোৰে, অৱশেষত যেতিয়া কোনো ওলাই নাহিল তেতিয়া দুৱাৰত ভুকুৱাবলৈ আৰু ভৰিয়াবলৈ ধৰিলো।......... 'কোন সেয়া? কি লাগে?'- মাতটোত আমি দুয়ো প্ৰায় জাপ মাৰি উঠিলো। মাতটো পিছে জুপুৰীটোৰ ভিতৰৰ পৰা নহয়, ওচৰৰ কৰবাৰ জোপোহা গছ এজোপাৰ মাজৰ পৰাহে আহিছিল।

তেওঁৰ হাতত থকা কোৰ খনেই প্ৰমাণ কৰে যে তেওঁ সেই

ৰাতিখনো ৰাৰীখনতে ব্যস্ত হৈ আছিল। জোনাকৰ পোহৰত তেওঁ আমাৰ ফালে আগবাঢ়িল আহিছিল। তেওঁৰ বাহুদুটা শিথিল ভাবে ওলমি আছিল। পিঠিটো অলপ যেন হালি কুঁজা হৈ আছিল। মুখখন ৰঙা আৰু ঠুটবিত ৰঙা ঠৰঙা দাড়িবোৰ জিলিকি আছিল। একেবাৰে এজন প্ৰকৃত খেতিয়ক, যি সূৰ্য্যোদয়ৰ পৰা সূৰ্য্যাস্তলৈ শাক-পাছলিবোৰৰ মাজতে সোমাই থাকে। মই ততালিকে তেওঁ সোধা প্ৰশ্নটোৰ উত্তৰ দিলো 'বন্ধু'। 'মোৰ তো কোনো বন্ধু নাই!' কাষলৈ আগবাঢ়ি আহি থাকোতে তেওঁ কলে। 'কিন্তু তোমালোক ?..... অ' মই চিনি পাইছোঁ। তুমি ...তুমি এলেজেণ্ড্ৰ নোহোৱানে ? ' মই কলো - 'হয়, মই সঁচাই এলেজেণ্ড্ৰই।' আৰু লগে লগেই পিষ্টলটো জেপৰ পৰা উলিয়াই ল'লো অৱশ্যে তেওঁলৈ টোঁৱাই নোলোৱাকৈ আদেশৰ সুৰত কলো - 'মেৰিনিজ, চন্দুকটো ক'ত আছে কোৱা। আমি আমাৰ মাজতে ভাগ-বতৰা কৰি ল'ম। কিন্তু তুমি যদি নোকোৱা, -- আমি ঠিক এনেকৈয়ে লৰলৈ যাম,' বুলি পিষ্টলটো তেওঁলৈ টোঁৱালো। তেওঁ কিন্তু তেওঁৰ বিৰাট হাতখন পিষ্টলটোৰ ওপৰত থলে, বুজালে যেন ইয়াৰ কোনো দৰকাৰে নহয়। তাৰপিচত তেওঁ অনুমূৰ কৰি কিবা এটা চিন্তা কৰি সুধিলে-

'কি চন্দুকৰ কথা ক'লা ?'

'বগৰ। জাৰ্মান চুৰ কৰি অনা ৰূপৰ চন্দুকটো।'

'কিন্তু কোন জাৰ্মানে ?'

'সৈনিকবোৰে। দখল কৰাৰ সময়ত ---------- তেওঁলোকে যে ৰাজকুমাৰৰ পৰা আনিছিল -------।'

'কৰ ৰাজকুমাৰ ?'

'ৰাজকুমাৰ যে !..তুমি জানা। আৰু তুমি কৈছিলা যে বাগিচাখনতে সেইটো পুতি থৈছিল বুলি ....'

'কৰ বাগিচা ?'

'তোমাৰ বাগিচা, মেৰিনিজ ..... আৰু ডাঁৰকাটো হৈ দেখুৱাৰ নালাগে। তুমি জানা, সেইটো কত আছে ....... আমাক কোৱা।'

অনমূৰ কৰি থকাৰ পৰাই তেওঁ মাজটো দুটাই লাহে লাহে ক'লে 'অ', তুমি চন্দুকৰ কথা কৈছা।'

'অঁতো ! সেই চন্দুকৰ কথা কৈছো।'

'আঁহা তেনেহলে ?' তেওঁ হেঁপাহেৰে কলে,

'আমি সেইটো তত্তালিকে খান্দি উলিয়াওঁগৈ ব'লা। তোমাৰ হাতত কোৰ আছেনে ? এইখনকে লোৱা নহলে ..... আহাঁ মোৰ লগত --- তেওঁক এখন কোৰ দিম ... ...আহাঁ।'

মই কিবা এটা খুব আচৰিত হলো, কাৰণ তেওঁ যে ইমান ফট্‌কৈ সন্মত হৈ যাব বুলি মই আশাই কৰা নাছিলো। মই কিন্তু তেওঁৰ পাছে পাছে গলো। তেওঁ জুপুৰীটোৰ পিচফাললৈ ঘূৰি গ'ল। যাওঁতে যাওঁতে জোৰ্‌জৰাইকৈ গ'ল - 'চন্দুক ,দেখিবা এতিয়া, কি সুন্দৰ চন্দুক এইটো।' ঘূৰি আহোঁতে তেওঁ হাতত কোৰ এখন লৈ আহিল আৰু সেইখন বেমিলিও'ৰ হাতত দি বাৰে বাৰে কবলৈ ধৰিলে - 'আহা,আহাঁ মোৰ লগত ...... তোমালোকে চন্দুক বিচাৰিছা যেতিয়া পাবা আৰু।

জুপুৰীটোৰ পিচফালৰ মুকলি ঠাইখিনিত খেতি কৰা হোৱা নাছিল। পিচে ঠাইখিনি জাবৰৰ দ'ম আৰু লাংখা -লিংখি বস্তুৰে ভৰি আছিল। অলপ আগলৈ এলানি গছৰ শাৰী। তাৰো পিচফালে এখন ওখ দেৱাল। তিয়া আউবেলিয়াৰ ফালৰ বাগিছাখনৰ সীমাৰ বেৰখনৰ সৈতে প্ৰায় একে। গছবোৰৰ কাষে কাষে তেওঁ বাট ললে আৰু সেঁফালে বাৰীখনৰ শেষ প্ৰান্তৰলৈকে গৈ থাকিল , যত বেৰাখনে ভাঁজ লৈছে। সেইখিনিতে হঠাৎ তেওঁ ঘূৰিলে আৰু গোবোহাৰে মাটিখিনি মাৰি মাৰি কলে-'এইখিনিতে। এইখিনিতে খান্দা ... চন্দুকটো ইয়াতে আছে।'

মই মোৰ কোৰখন লৈ তত্তাতেয়াকে খান্দিবলৈ লাগিলো। বেমিলিজ'ই তাৰ কোৰখন হাতত লৈয়ে মোলৈ চাই থাকিল। 'তুমিও খান্দা !' মেৰিনিজে তাক ক'লে ,- 'তোমাক জানো চন্দুকৰ ধন নালাগে ?'

কোৱাৰ লগে লগেই বেমিগিজ'ই ইমান প্ৰচণ্ড প্ৰকোপেৰে খান্দিবলৈ আৰম্ভ কৰিলে যে মেৰিনিজে ক'ব লগা হল- 'ধীৰে সুহিৰে,কোনেও গম নোপোৱাকৈ লাহে ধীৰে কৰাচোন ..... প্ৰচুৰ সময় আছে।' মেৰিনিজৰ কথা শুনি বেমিগিজ'ই তাৰ গতি কমাই দিলে আৰু নিজৰ ভৰিতে কোৰখন ভেজা দি থমকি ৰ'ল। মেৰিনিজে কোৰখন নিজৰ হাতত তুলি ললে আৰু ওখে চাই ধৰি তাক ক'লে - 'এনেকৈ ,

এনেকৈ ধৰিব লাগে। প্ৰত্যেকটো চাৰতেই মাটিৰ তললৈ সোমাই যোৱাকৈ ভৰিৰে তললৈ হেঁচা মাৰি দিব লাগে।.... এনেকৈ নহ’লে তোমাৰ কেতিয়াও খান্দিবলৈ শিকাই নহব।’ লগতে কলে- ‘প্ৰত্যেক ফালে সমান সমান দূৰত্বত খান্দিবা..... কেইগজ মান তাতকৈ বেছি নহয় কিন্তু। চন্দুকটোৰ তলিখন সেই -সেইখিনিতে আছে। ইতিমধ্যে মই বাক কেউফালে ঘুৰি পকি চাই আছোঁ’ ‘নহয়,নহয়। তুমি নাপাবা’, মই ক’লো ‘,তুমি ইয়াতে থাকা।’ ‘কেলেই ,কিহলৈ ভয় কৰা তুমি ? মই দেখোন কলোৱেই চন্দুকটো তোমাৰে বুলি।’ উত্ত ৰত তেওঁ কলে।

সেয়ে মই কোৰখনৰ আগটোৰে চাৰি কোণীয়াকৈ চিন দি লোৱা ঠাইখিনি,আমি খান্দিবলৈ ল’লো। প্ৰথমতে ওপৰৰ স্তৰটো বেচ টানকৈয়ে খান্দিব পাৰিলো। তাৰপিচত ক্ৰমান্বয়ে দকৈ ,অক বেছি দকৈ খান্দিবলৈ লাগিলো। মাটিখিনি টান আৰু শুকান আছিল। শিপা আৰু শিলেৰে ভৰা। মই খান্দি উলিওৱা মাটিবোৰ একাষে দ’ম কৰি কৰি গৈছিলো। একো নকবাকৈ থকা মেৰিনিজে মাজে মাজে ভৰিৰে ঠেলি শিলবোৰ একাষীয়াকৈ থৈছিল। মাজে মাজে আমাক উপদেশ দি আছিল .....‘ইমান খৰকৈ নহয়। ...সেই শিপাডাল কাটি পেলোৱা ... সেইটো শিল উলিয়াই দিয়া।’ খান্দোতে ক’লা দীঘল হাড় এডাল ওলোৱাত সেই ডাল নিজৰ হাতত লৈ কলে - ‘ এই ডাল গৰুৰ হাড় চোৱা। ...তোমালোকে তাৰমানে বস্তু পাবলৈ আৰম্ভ কৰিছা।’ কথাবোৰ তেওঁ গম্ভীৰ ভাৱতে কৈছিল নে বিদ্ৰূপ কৰিয়ে কৈছিল - মই ধৰিবই নোৱাৰিলো। শীতৰ নিশা হলেও মই ঘামি জামি জুকলি -জুপুৰি হ’লো। মাজে মাজে মই মেৰিনিজ’লৈ চালো। তেওঁৰ প্ৰচণ্ড ধাউতিৰে কোপনি তুলি পৰিশ্ৰম কৰি থকা দেখি মোৰ বং উঠিল গল।

আমি তালেমান সময় খান্দিয়েই থাকিলো। এতিয়াও হ’লে একো ওলোৱা নাই। ইমান সময়ে আমি তিনিফুট ব এটা চাৰিকোণীয়া গাঁত খান্দি পেলালো। গাঁতটোৰ তলিখন শেলুৰে,খুব খুবকৈ সিঁচৰিত হৈ থকা শিলৰ গুৰিবোৰ ঘৰেৰ বস্তুৰ আছিল। তাত কিন্তু কোনো বাকচ, সোণা বা আধাৰ পাব নাছিল। আজিতে মই মেৰিনিজ’ক কাম বন্ধ কৰিবলৈ আদেশ দিলো। তাৰপিচত মই গাঁতটোৰ পৰা বগাই উঠি আহিলো আৰু

মেৰিনিজক সুধিলো - 'মোক এতিয়া তুমি কোন্নাচোন চন্দুক ক'ত ? ইয়াত তো একেবাৰে একোৱেই নাই ! তুমি আমাক ভুৰুকিয়ালা যেন পাইছোঁ।'

তেওঁ সুখৰ পৰা পাইপটো গুচাই লগে লগেই উত্তৰ দিলে - 'তোমালোকে চন্দুক চাব খুজিছা ? ঠিক আছে, মই এতিয়াই দেখুৱাম তোমালোকক।' এইবাৰ কিন্তু তেওঁক যোৱা দেখিও মই বাধা নিদিলো । মই একেবাৰে ভাগৰি পৰিছিলো আৰু অন্তৰো তলিৰ অন্তৰৰ পৰা মোৰ চন্দুকৰ মোহ শেষ হৈ গৈছিল।

মই তেওঁক অন্য এটা জুপুৰীৰ ফালে যোৱা দেখিলো। সীমাৰ বেৰাখনৰ বিপৰীত কাষৰ গছবোৰৰ তলত থকা সেই জুপুৰীটো মই আগতে লক্ষ্যই কৰা নাছিলো।

'তেওঁ চোন পলালে' - বেমিগিঅ'ই ক'লে। 'ওহোঁ,' কোৰখনত আঁউজি কপালৰ ঘামবোৰ মুচি মুচি মই কলো 'নাই, তেওঁ পলোৱা নাই।'

আৰু সঁচাকৈয়ে এক মুহূৰ্ত্তৰ পিচতে মেৰিনিজে সেই জুপুৰিটোৰ পৰা চকা লগোৱা হাত গাড়ী এখন চলাই চলাই ওলাই আহিল। গাড়ীখন ধান খেৰৰ দৰে কিছুমান অলাগতীয়াল বস্তুৰে ভৰি থকা যেন দেখিলো। তেওঁ গাঁতটোৰ ওচৰলৈ গল আৰু ধানখেৰৰ দৰে বস্তুখিনি তাত বাকি দিলে। তাৰ পিচত এটা ভৰি গাঁতটোৰ ভিতৰলৈ সুমুৱাই হাতেৰে ঠাইখিনি সমান কৰিবলৈ ধৰিলে। মই অলপ ইতস্তত: কৰি সুধিলো -'বাৰু, সঞ্চিত ধন খিনিৰ বিষয়ে কি কোৱা ?'

'এয়াই তো সঞ্চিত ধন !' তেওঁ কলে, 'চোৱাচোন, কেনে বিতোপন এইবোৰ !'... কৈ কৈ তেওঁ ধান খেৰ এমুঠি হাতত লৈ পাঁচি অলজলীয়া হোৱা দুৰ্গন্ধময় বস্তুখিনি মোৰ নাকৰ আগত মেলি ধৰিলে। 'চোৱাঁ !' তেওঁ কলে, 'এয়া বাৰু সোণৰ নিচিনা নহয় নে ? ... এইবোৰ গৰুৱে কৰা বস্তু মুইছা। কি যে অমূল্য সম্পদ ... তুমি চোৱা না !! এনেকুৱা সঞ্চিত সম্পদ তুমি আৰু ক'ত পাবা ?... এয়াই তো সঞ্চিত ধনৰ চন্দুক ...।' আমাৰ উপস্থিতিক আওকাণ কৰি তেওঁ নিজকে নিজে কৈ গ'ল। আৰু তাৰ পিচত তেনেকৈ কথা কৈ কৈয়ে তেওঁ গাঁতটোৰ পৰা ওলাই আহিল। চকা লগোৱা গাড়ীখন লগে আৰু আকৌ জুপুৰিটোলৈ

লৈ গাড়ীখন ভৰাই লৈ গাঁতটোলৈ ঘূৰি আহি পুনৰ গাঁতটোত সেইবোৰ বাকি দিলে। আকৌ এবাৰ গাঁতটোৰ বস্তুবোৰ হাতেৰে সমান কৰি তেওঁ বাৰে বাৰে কৈ থাকিল - 'চোৱা এতিয়া সঞ্চিত সম্পদ থিমিলে। এয়াই তো সঞ্চিত সম্পদৰ ভৰাল !'

মই বেমিগিঅ'ৰ মুখলৈ চালো আৰু বেমিগিঅ'ই মোলৈ চালে। তাৰপিছতে মই সাহস গোটাই লৈ আকৌ এবাৰ বিতৰ্কতাৰবটো উলিয়াই ল'লো। কিন্তু মেৰিনিজে তৎক্ষণাত সেইটো একাষৰীয়াকৈ পেলাই দিলে যেন সেইটো এটা কাঠৰ টুকুৰাহে। 'বন্ধ কৰা' - তেওঁ কলে, 'একো নহয় সেইটোৱে। ..... তুমি যদি ধন বিচাৰিছা .... জানানে সেয়া পাবা ক'ত ?'

'কত ?'- মই নিৰ্বোধৰ দৰে সুধিলো। 'দোকানত। ....যদি তুমি হাজাৰ হাজাৰ কৈ টকাৰ নোট দিব পাৰা ...... তোমাক যিমান লাগে সিমান পাবা।'

তেওঁ দেখোন আমাক অহৰহ মূৰ্খ সজায়ে আছে। 'এই ...এই গাঁতটোৱে তুমি আমাৰ হতুৱাই খন্দলা সেইটোৰ কি হবা ?' অনুৰূপে বেমিগিঅ'ই সুধিলে।

'কিয়, সেইটো মোৰ সাৰ কৰা গাঁত ... যিটো মোৰ খুব আৱশ্যক আছিল। ...... তোমালোকে মোৰ কষ্ট লাঘব কৰি দিলা নেই ? '

মোৰ যেন সকলো শক্তি নিঃশেষ হৈ আহিল। মনত মোৰ বহু কথাই প্ৰতিবিম্বিত হৈ প'ল ..। মই তেওঁক হুমিয়াই খোৱা উচিত হ'ব। পাৰিলে যেন ওলিয়াইও দিলোহেঁতেন !!.... কিন্তু গাঁতটো খন্দাৰ পিছত আৰু হতাশাৰে মন ভৰি পৰাৰ পিছত একো এটা কৰিবলৈকে মোৰ মান্য নহল। শেষে মই মাত্ৰ কলো - 'সঞ্চিত ধন সম্পদৰ ভঁৰাল বুলি কোনো বস্তু নাই তেন্নেহলে ? '.... আশা কৰিছিলো সঁচাকৈয়ে ধনৰ সন্দুকৰ কোনো স্থিতিয়ে নাছিল বুলি মেৰিনিজে নিশ্চিত ভাৱে কব। কিন্তু তেওঁ এই কুঠুৰীয়া পাৰওটোৱে আৰু' উত্তৰ কৰলে - 'আছেও, নাইও।'

'কি কব খুজিছা তুমি ?'

'মই কব খুজিছো যে তুমি যদি বহু ভাৱে দিনৰ ভাগত ইয়াকে

আছা ......তেনেহলে হয়তো আছে। ... কিন্তু এনেকৈ হলে নাই আৰু।' কৈয়েই তেওঁ আমাক আৰু মন নকৰি দুপুৰীটোলৈ বুলি ওলাই গ'ল। মই উশাহ নোলোৱাকৈ তেওঁৰ পিচে পিচে দৌৰি গৈ তেওঁৰ চোলাৰ হাতত ধৰি লৈ সুধিলো - 'মেৰিলিজ! তোমাৰ ভালৰ কাৰণে ...' তেওঁ সামান্য ঘূৰি লৈ কলে - 'তুমি মোক গুলি নকৰা কেলেই? তোমাৰ হাতত ৰিভল্ভাৰ এটা নাছিল জানো --।'

'নাই মই গুলিয়াব নোখোজোঁ। আমি আধা আধা কৰোঁ আহাঁ।' 'এতিয়া সঁচা কথা কবলৈ হলে তোমাৰ গুলিয়াবলৈ সাহসেই নাই ... তুমি দেখিছো একেবাৰে আচল নোহোৱা ... অন্য যি কোনোৱেই মোক গুলিয়াব পাৰিলেহেঁতেন। জাৰ্মান বিলাকে গুলিয়াইছিল।' 'মই কিন্তু জাৰ্মান নহওঁ।'

'ঠিক আছে তেনেহলে, তুমি যদি জাৰ্মান নোহোৱাই বিদায় আৰু।' কথাখিনি কৈয়েই তেওঁ দুপুৰিটোলৈ সোমাই গ'ল আৰু আমাৰ সন্মুখতে দুৱাৰখন বন্ধ কৰি দিলে।

এনেকৈয়ে সঞ্চিত ধন - ভঁৰালৰ কথাৰ ওৰ পৰিল। পিচদিনা সন্ধিয়া অহা সময়তে মেৰিলিজ অতিথিশালালৈ আহিল। মই যেতিয়া তেওঁলৈ তেওঁ বিচৰা সুৰা লৈ আহিলো, তেওঁ প্ৰায় ফিচফিচাই ক'লে - 'হ' তুমিয়েই তো ...সেই যে সঞ্চিত ধনৰ পিচত লাগি আছিলা.... আৰু তোমাৰ সেই পিস্তলটো? সেইটো কি কৰিলা?' তেওঁৰ কথাটোলৈ কোনেও বিশেষ মন নকৰিলে কাৰণ মই আগতেই কৈছিলোৱেই যে তেওঁ অসংলগ্ন কথা কৈয়েই থাকে। আজিও সেটি তেনেকুৱাই অসামঞ্জস্য কথা।

সাতে সোতৰই মই ইয়াক নিৰাপদ অনুভৱ নকৰিলো আৰু এই গোটেই কথাবোৰ জনা মেৰিলিজ'ৰ আগত মোৰ মুৰ্খামি ধৰা পৰাটোও মুঠেই ভাল নাপাওঁ। সি মোলৈ চাই এনে এটা হাঁহি মাৰিছিল যেন সি নিজেই এই সঞ্চিত ধনৰ কথা কেতিয়াও বিশ্বাসেই কৰা নাছিল !!

সেয়ে মই অন্য এটা কাম পোৱাৰ সুবিধাটো লৈ প্যাৰা ছুল কৰিলেৰ ট্ৰান্সভালে'ৰ ৰেষ্টুৰেণ্টখনত চাকৰি কৰিবলৈ ওলাই গ'লো। মেৰিলিজ' হলে চানপান ক্লাবতে থাকি গল।

●●●●●●●●●●

# ।। মিষ্টাৰ এণ্ড্ৰিউচ্ ।।

মূল ৰচনা : ই, এম, ফৰষ্টাৰ
অনুবাদ : ঊষা বৰুৱা

*ইংৰাজী লেখক ই,এম ফৰষ্টাৰ এজন বীৰৰ ঔপন্যাসিক। তেওঁ মাথোঁ বিশেষ কেইখনমান গ্ৰন্থ ৰচনা কৰিয়েই অসাধাৰণ উচ্চ প্ৰশংসা লাভ কৰিছে।*

দুটি মৃত আত্মাৰ মিলন হৈছিল স্বৰ্গৰ দুৱাৰ দলিত। স্বৰ্গৰ বিচাৰকৰ সন্মুখত বৈ মৃত আত্মা দুটাই অপেক্ষা কৰিছে বিচাৰকৰ ৰায়ৰ বাবে। পৃথিৱীত বিচৰণ কৰি ফুৰোঁতে সেই মৃত আত্মাকেইটাৰ নিজৰ ব্যক্তিত্ব আৰু পৰিচয় আছিল অসাধাৰণ। নিজৰ অধিকাৰ সাব্যস্ত কৰিছিল নিজৰ পৰিচয়েৰে। পৃথিৱীত থকা দিন কেইটা যে কিমান ৰংচঙীয়া আৰু ব্যস্ততা পূৰ্ণ আছিল সেইবোৰ কথা সেই আত্মাকেইটাই মনত পেলোৱাৰ চেষ্টা কৰিছিল।

স্বৰ্গৰ দুৱাৰ দলিত অপেক্ষাৰত মৃত আত্মা দুটিৰ ভিতৰত আছিল এণ্ড্ৰিউচ্ নামৰ মানুহ জনৰ আত্মাটো। এণ্ড্ৰিউচে এজন মানুহ আছিল যিজনে এটি সুন্দৰ সন্মান জনক জীৱন অতিবাহিত কৰিছিল। লোকৰ বাবে কাম কৰা পৰোপকাৰী, দয়ালু আৰু ধৰ্মীয়াল স্বভাৱৰ এণ্ড্ৰিউচ্ নামৰ মানুহজনে এই স্বৰ্গ বিচাৰৰ সন্মুখীন হোৱাটো অতি সহজ ভাবে গ্ৰহণ কৰিলেও তাৰ ফলাফলৰ ওপৰত কোনো সন্দেহ নাছিল। এণ্ড্ৰিউচ্ নামৰ মানুহজনে ভাবিছিল আৰু ভগৱানৰ বিচাৰৰ ওপৰত ভৰসা কৰিছিল, ভগৱান কাৰো ওপৰত অসন্তুষ্ট নহয় বুলি এণ্ড্ৰিউচৰ সম্পূৰ্ণ বিশ্বাস আছিল। এটি মহৎ আত্মাই সদায় নিজৰ সৎকৰ্ম বাছিৰ বাবে সচেতন থকাৰ দৰে এণ্ড্ৰিউচ্ নামৰ মানুহজনেও নিজৰ সৎকৰ্মৰ ওপৰত গভীৰ বিশ্বাস থকাৰ

যাৰেই মুক্তিয়েই যে তেওঁ প্ৰাপ্য এইটো সহজেই অনুমান কৰিব পাৰিছিল।

দুটি আত্মাই নিজৰ পথ অতিক্ৰম কৰি গৈ থাকোতে এনড্ৰিউহে কলে, "আজি বৈ থকা পথছোৱা বৰ দীঘলীয়া, দুয়ো কথা বতৰা পাতি থকাত কিছু ছুটি যেন লাগিছে।" দুয়ো একেলগে স্বৰ্গৰ ফালে গতি কৰোতে এনড্ৰিউহক লক্ষ্য কৰি অন্য আত্মাটোৱে সুধিলে ;-

'-- মইয়ো তোমাৰ লগে লগেই যামনে ?' কথাষাৰ শুনি এনড্ৰিউহে বৰ আনন্দ পালে আৰু কলে - "বৰ ভাল কথা" এই বুলি দুয়ো খৰাখৰিকৈ আগুৱাই গৈ থাকিল।

অন্যটো আত্মাই কলে -"আমি এনে এখন ঠাইলৈ যাবলৈ ওলাইছো - যত কেৱল আনন্দৰে ভৰপূৰ - যত ধৰ্ম্মযাজক ভবিষ্যদ্বক্তাৰ বাণীয়ে কেৱল লিপিবদ্ধ হৈ আছে।'

এনড্ৰিউহে গহীনাই সুধিলে - "তুমি খ্ৰীষ্টান নে ?"

"নহয় মই এজন সৃষ্টিকৰ্ত্তাৰ বিশ্বাসী এজন ভক্তহে। কিন্তু তুমি ? তুমি এজন মুছলমান নোহোৱানে ?"

তেওঁৰ কথাত এনড্ৰিউহে কিছু গহীনাই কলে -" নহয় মইও এজন সৃষ্টিকৰ্ত্তাৰ বিশ্বাসী ভক্তহে।"

দুয়োজনে খৰাখৰিকৈয়ে বৰ মনে মনে তেওঁ লোকৰ যাবলগীয়া নিৰ্দ্দিষ্ট স্থানলৈ গৈ থাকিয়েই আকৌ কলে - "মই এজন উদাৰ যাজক সম্প্ৰদায়ৰ লোক।" এই "উদাৰ"শব্দটোৱে সেই নিস্তব্ধ সময় ছোৱাত আচৰিত ধৰণে কঁপি উঠিছিল।

বহুসময়ৰ নীৰৱতাৰ পিছত দুইজনে অৰ্থাৎ আনটো আত্মাই এনড্ৰিউৰ ফালে চাই কলে "তোমাৰ বিষয়ে কিছু কথা তুমি মোক কবানে ?"

এনড্ৰিউহে কবলৈ আৰম্ভ কৰিলে - "মই অতি সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰিছিলো। মধ্যবিত্ত পৰিয়ালৰ হলেও সমাজত আমাৰ স্থান আছিল। মই শিক্ষা গ্ৰহণ কৰিছিলো উনচেষ্টাৰ আৰু অক্সফৰ্ডত। মোৰ ধৰ্ম্ম প্ৰচাৰক হোৱাৰ প্ৰবল ইচ্ছা আছিল। কিন্তু বাণিজ্য বিভাগত চাকৰি এটা পাই তাতেই ভৰ্ত্তি হলো। মই বত্ৰিশ বছৰ বয়সত বিয়া কৰাইছিলো। মোৰ চাৰিটা সন্তান আছিল আৰু তাৰে দুটাৰ মৃত্যু হৈছে। মোৰ পত্নী জীয়াই আছে। মই আৰু কিছুদিন জীয়াই থকা হলে, মই এজন ডাঙৰ যোদ্ধা হলোহেঁতেন।"

তুৰ্কীজনে এনড্ৰিউহৰ কথাখিনি শুনি তেওঁৰো নিজৰ কথা কবলৈ ধৰিলে।

"মোৰ পিতৃ আৰু মাতৃৰ বিশেষ ভাবে দিবলগীয়া কোনো পৰিচয় নাই। চেলনিকাৰ এটা বস্তিত ডাঙৰ দীঘল হৈছিলো। মই যাদুকৰ দল এটাত যোগদান কৰিছিলো। আৰু এইদৰে ভগৱানৰ অবিশ্বাসী গাওঁবোৰত লুট কৰিছিলো, মোৰ উন্নতি হৈছিল। মই তিনিগৰাকী পত্নী বিয়া কৰাইছিলো।মই যদি আৰু কিছুদিন জীয়াই থাকিলোহেঁতেন মই নিজেই যাদুকৰ দল গঠন কৰিলোহেঁতেন।

"মেচিডনিয়াত ভ্ৰমণ কৰি থকা কালত মোৰ এটি পুত্ৰৰ মৃত্যু হৈছে। বোধহয় তুমিয়েই তাক হত্যা কৰিছিলা।"

"হয়তো হব পাৰে।"

দুটি আত্মাই থৰাথৰিকৈ ওপৰলৈ গতি কৰিছে। এনাড্ৰিউৱে উত্তৰটো শুনি পুনৰ একো নকলে। কাৰণ তেওঁ অনাগত দুঃখবোৰৰ কথা ভাবি শংকিত হৈ পৰিছিল। লগতে ভাবিলে - "তুৰ্কী মানুহজন বিদ্ৰোহী আৰু আইন বিৰোধী লোক,এওঁ কেনেকৈ স্বৰ্গলৈ যাবলৈ অনুমতি পালে? স্বৰ্গতো সকলোৱে যাবে নহয়! পৃথিৱীত বিচৰন কৰি ফুৰা সকলো আত্মাই স্বৰ্গলৈ যাব নোৱাৰে।' এনড্ৰিউহ নামৰ মানুহজন আছিল নিভীক আৰু সাহসীও। এনাড্ৰিউৱে কোনো কথাতেই হতাশ অনুভৱ নকৰে।

এনড্ৰিউহ নামৰ মানুহজনে নিজৰ অপৰিসীম কষ্টেৰে গঢ়ি তোলা নিজৰ ব্যক্তিত্ব আৰু গুণসমূহৰ বিষয়ে সদায় সচেতন। সেয়ে তেওঁ কেৱল যাৰ হাতখন ধৰি আছে অথবা যেয়ে তেওঁৰ হাতখন ধৰি আছে তেওঁক বচাবলৈ আগ্ৰহ কৰিলে। যিমানেই তেওঁলোক আগুৱাই গৈছিল সিমানেই ইজনে সিজনক সজোৰে ধৰিছিল। ইতিমধ্যে স্বৰ্গৰ দুৱাৰ দলিত দুয়ো উপস্থিত হৈ এনড্ৰিউৱে " মই সোমাব পাৰোনে "বুলি কোৱাতকৈ "তেওঁ সোমাব নোৱাৰিবনে" বুলি চিঞৰি উঠিল।

একে সময়তে তুৰ্কীজনেও একেধৰণেৰেই কৈ উঠিল, কাৰণ দুয়ো একে ধৰণৰ কথাকে ভাবি আছিল।

এনেতে এটা কণ্ঠস্বৰ তেওঁলোকে শুনিবলৈ পালে "দুয়োজনে সোমাব পাৰা"। তেওঁলোক দুয়ো বৰ আনন্দ মনেৰে আগবাঢ়ি গল।

এনেতে আকৌ এটা কণ্ঠস্বৰ শুনিবলৈ পালে -“তোমালোকে কি সাজ পিন্ধি প্ৰৱেশ কৰিব বিচাৰিছা ?”

তুৰ্কীজনে -“মোৰ আটাইতকৈ ভাল কাপোৰজোৰ যি জোৰ মই চুৰি কৰি লৈছিলো ”বুলি কৈয়েই মূৰত পাগুৰী,সোণালী সূতাৰে ফুলবচা ৱেষ্টকোট,ৰেশী লংপেণ্ট ,পিস্তল আৰু চুৰী কটাৰী লগোৱা বেল্ট ভাল পিন্ধি ললে।

এইবাৰ এনড্ৰিউছলৈ লক্ষ্য কৰি কোনোবাই প্ৰশ্ন কৰিলে “আৰু তুমি পিছে কি কাপোৰ পিন্ধি প্ৰৱেশ কৰিব খুজিছা - এনড্ৰিউছ ?”

কথাষাৰ শুনি এনড্ৰিউছে তেওঁৰ আটাইতকৈ ভাল সাজজোৰৰ কথা ভাবিলে। কিন্তু সেইবোৰ তেওঁ পুনৰ পিন্ধিবলৈ মন নকৰিলে। শেষত ভাবি তেওঁ মনত পেলালে আৰু উত্তৰ দিলে “ৰাজপোচাক !”

আকৌ প্ৰশ্ন এটি শুনা গল -“কাপোৰ জোৰৰ ৰঙ কি আৰু ইয়াৰ নমুনা কেনে ?”

এনড্ৰিউছৰ নিজৰ সাজযোৰৰ বিষয়ে ইমান একো ভবা নাছিল। গতিকে ঠেৰগেৰোকৈ কৈ উঠিল - “বগা কোমল বস্তুৰে তৈয়াৰী কৰা ” আৰু তেওঁ বৰ্ণনা দিয়াৰ দৰেই তৎক্ষণাত কাপোৰ এসাজ তেওঁক দিলে। তেওঁ সুধিলে -“এতিয়াই ইয়াক পিন্ধিমনে ?”“তোমাৰ যেতিয়াই মন যায় ” আকৌ এটা কণ্ঠস্বৰে উত্তৰ দিলে। “আৰু কিবা বিচাৰা নেকি !”

“এখন সৰু বীণ।”

এখন সোণালী বীণ তেওঁৰ হাতত দিলে। “আৰু এজোপা তাল গছ,অ ’নহয়,মই তাল পাবৰ যোগ্য নহয়। কাৰণ এই পুৰস্কাৰ সেই সকলক দিয়া হয় যি সকলে সত্যৰ কাৰণে নিজৰ জীৱন উছৰ্গা দিয়ে।”
“তুমি তাল এজোপা পাব পাৰা যদি তুমি ইচ্ছা কৰা।”

কিন্তু এনড্ৰিউছে লবলৈ অস্বীকাৰ কৰিলে। তেওঁ দেখিলে যে তুৰ্কী জনে ইতিমধ্যে স্বৰ্গৰ ভিতৰলৈ প্ৰৱেশ কৰিলে। সেয়ে তেওঁ সেই বগা সাজযোৰ পিন্ধিয়েই স্বৰ্গৰ ভিতৰলৈ সোমাবলৈ উদ্যত হল। আৰু দুৱাৰ দলি পাৰ হৈ যাওঁতে দেখিবলৈ পালে যে তেওঁৰ দৰে সাজ পিন্ধা মানুহ এজন হতাশাৰে আগবাঢ়ি আহিছে। এনড্ৰিউছে প্ৰশ্ন কৰিলে - “তেওঁক কিয় সুখী যেন লগা নাই ?”তেওঁ তেওঁৰ প্ৰশ্নৰ উত্তৰ নাপালে -“তেওঁ

-লোক কোনলো যিসকলে পাহাৰৰ দৰে ওখ ওখ আসনত বহি আছে ? তাৰে ভিতৰত দেখোন কোনোজন ভয়ানক কোনোজন দুখী কোনোবাজন আকৌ আপচু ?”

এইবাৰো কোনো উত্তৰ এনড্ৰিউৱে নাপালে। যেতিয়া এনড্ৰিউৱে স্বৰ্গৰ কক্ষৰ ভিতৰত প্ৰৱেশ কৰি দেখিলে যে সকল আসনত বহি আছে সেইসকল আটায়ে দেৱতা, সেইসকলক আজিও মৰ্ত্তত ভগবান বুলি পূজা কৰে। বহুত আত্মাই তেওঁলোকৰ গুণ গান গাই চাৰিওফালে ঘূৰি ফুৰা তেওঁ দেখিবলৈ পালে। সেই দেৱতা সকলে আত্মাবিলাকৰ কথাত অলপো মন দিয়া নাই। দেৱতা সকলে মৰ্ত্তত থকা জীৱিত লোকসকলৰ প্ৰাৰ্থনা হে মনযোগ দি শুনিছিল আৰু সেইযোৰে তেওঁলোকৰ মন সন্তোষেৰে পুষ্ট কৰিছিল। কেতিয়াবা কেতিয়াবা দেৱতাৰ প্ৰতি মানুহৰ ভক্তি কমি যায় আৰু সেইসকল দেৱতাইও যেন দুৰ্ব্বল হৈ ক্ষয়প্ৰাপ্ত হয় আৰু ধূপ দীপ পাবলৈও যেন যোগ্যতা হেৰুৱাই পেলায় আৰু কেতিয়াবা কেতিয়াবা ভক্ত সকলৰ মাজত পুনৰ অভ্যুত্থানৰ জাগৰণ হয় , স্মৃতি উৎসৱ পতা হয় অথবা বিশেষ কিবা কাৰণত ভগবান বিশ্বাস বৃদ্ধি হয় আৰু কেতিয়াবা গভীৰ দেখা যায় যে খুব সঘনাই মানুহৰ বিশ্বাসৰ ইমানেই সলনি হয় যে - দেৱতাৰ অৱয়ৱ পৰ্য্যন্ত সলনি কৰি দিয়া হয়, লগতে এক বিৰুদ্ধ মনোভাব পোষণ কৰা হয়,গতিকে আনন্দ উল্লাসৰ ঠাইত ই হৈ পৰে এক গধুৰ বাদ্যি ; কাৰণ মধুৰ অথবা বিশ্বজনীন ভাবৰ সলনি নিষ্ঠুৰ যুদ্ধৰ অৱতাৰণা হয়। সেই দিনি সমস্ত দেৱতাকো দুই বা তিনি বা ততোধিক ভাগত বিভক্ত কৰা হয় আৰু প্ৰত্যেকেই নিজ নিজ অনুষ্ঠান পদ্ধতি আৰু অনিশ্চিত প্ৰাৰ্থনাৰ বাবে অধিষ্ঠিত হয়।

মিঃ এনড্ৰিউৱে বুদ্ধ, বিষ্ণু ,আল্লাহ,জোহোবাহ, আৰু এলোহিমক দেখিবলৈ পাইছিল। তেওঁ লগতে আৰু দেখিছিল কুৎসিত আৰু স্থিৰ সিদ্ধান্ত উপনীত একবাৰী দেৱতাক - যাক কিছুমান অসভ্য বনবীয়া লোকে একেৰাহেৰে পূজা কৰিছিল। তেওঁ নিওপাথান বিভিন্ন বহুল অন্ধকাৰময় নতুন এটাও দেখিবলৈ পাইছিল। তাত আছিল খঙাল, নিষ্ঠুৰ মনোবৃত্তিৰ দেৱতা, অত্যাচাৰী দেৱতা,আৰু ততোধিক বেয়া-যে তাত পিৰথিৱীয়া দেৱতা, প্ৰৱঞ্চক দেৱতা ,বা অনিষ্ট আচৰণ কৰা দেৱতা। তেওঁলোকৰ ওপৰত মানুহৰ কোনো আকাংক্ষাই

অপূৰ্ণ হৈ থাকে। তাত এনেকৈ ইচ্ছুক সকলৰ মধ্যবৰ্ত্তী অৱস্থা এটাও আছে অৰ্থাৎ খৃষ্টান বিজ্ঞানী সকলৰ মতে এনে এখন ঠাই আছে যত তেওঁলোকে দেখুৱাব পাৰে যে তেওঁলোকৰ মৃত্যু হোৱা নাই।

এনড্ৰিউহে বীণখন সবহ সময়ৰ বাবে বজোৱা নাছিল -তেওঁ এজন মৃত বন্ধুক নিষ্ফল ভাবে বিচাৰি ফুৰিছিল। স্বৰ্গৰ ভিতৰলৈ যদিও আত্মাবোৰ প্ৰবেশ কৰি আছিল তথাপিও তাত যেন এক বিশেষ শূন্যতা বিৰাজ কৰিছিল। তেওঁ যি আশা কৰিছিল তাকে পাইছিল যদিও সুখৰ অনুভূতি লাভ কৰা নাছিল, দেখা নাছিল অবোধ্য সৌন্দৰ্য্যৰ অনুশীলন, অথবা পোৱা নাছিল আন্তৰিক ভাল পোৱাৰ আলিঙ্গন। স্বৰ্গৰ দুৱাৰ দলিত লাভ কৰা মুহূৰ্ত্তবোৰৰ লগত ইয়াৰ কোনো তুলনাই কৰিব নোৱাৰি।, যিটো মুহূৰ্ত্তত তেওঁ তুকীজনৰ স্বৰ্গৰ ভিতৰলৈ প্ৰবেশৰ কামনাৰে প্ৰাৰ্থনা জনাইছিল - আৰু তুকীজনেও তেওঁৰ বাবে সেই একে প্ৰাৰ্থনাকে কৰিছিল আৰু যেতিয়া তেওঁ তেওঁৰ বন্ধুসকলক দেখিছিল তেতিয়াই তেওঁ মানবীয় আনন্দত উথলি উঠি তেওঁলোকক সম্ভাষন জনাইছিল।

তুকীজন চিন্তান্বিত হৈ বহি আছিল -তেওঁৰ চাৰিওফালে আছিল কোৰাণত প্ৰতিশ্ৰুতিবদ্ধ হোৱা অপ্সৰা সকল।-"হে মোৰ বন্ধু সকল"- তেওঁ মাতিলে "ইয়ালৈ আহক - আৰু আমি যেন কেতিয়াও এৰা এৰি নহও আৰু মোৰ সেই আনন্দ যেন আপোনালোকৰো হয়। মোৰ অইন বন্ধুসকল কত ? মই ভালপোৱা বন্ধু সকল অথবা মই যাক হত্যা কৰিছিলো -তেওঁ লোকেই বা কত ?" -"মইও অকল তোমাকেহে পাইছো"- মিষ্টাৰ এনড্ৰিউহে এইদৰে কৈ তেওঁৰ ওচৰতে বহি পৰিল, যত দেখিবলৈ একে অপ্সৰা সকলে তেওঁলোকৰ এক্কাৰ কলা চকুযুৰিৰে লোভনীয় দৃষ্টিৰে লক্ষ্য কৰি আছিল।

"যদিও মই আশা কৰা সকলো বস্তুকেই লাভ কৰিছো" তুকীজনে কৈছিল-"মই সুখৰ অভাব অনুভব কৰিছো।স্বৰ্গৰ দুৱাৰ দলিত থকা মুহূৰ্ত্তবোৰৰ লগত একোকে তুলনা কৰিব নোৱাৰি -অৰ্থাৎ যেতিয়াই মই তুমি যাতে স্বৰ্গৰ ভিতৰলৈ প্ৰবেশ কৰিব পাৰা তাৰ বাবে প্ৰাৰ্থনা জনাইছিলো - আৰু মনোযোগ দিয়া শুনিছিলো তুমিও মোৰ বাবে সেই একে প্ৰাৰ্থনা কৰিছিলা -। এই অপ্সৰা সকল ধুনীয়া আৰু ভাল, কিন্তু মই তথাপিও ভাবিছো যে তেওঁলোক যদি আৰু ভাল হলহেতেন!"

তেওঁ এনেদৰে কোৱাৰ লগে লগে অজনা সকলৰ মুখকেইখন আগতকৈ যেন আৰু অলপ ধুনীয়া হল - চকুকেইজোৰ যেন আৰু অলপ ডাঙৰ আৰু কলা হল। আৰু মিঠাৰ এনড্ৰিউৱে -একেধৰণৰ ইচ্ছা প্ৰকাশ কৰা ধৰনেৰে তেওঁৰ নিজৰ পোছাকজোৰৰ পবিত্ৰতা আৰু কোমলতা বৃদ্ধি পাইছিল আৰু বীণখনৰ উজ্বলতাও বৃদ্ধি পাইছিল। এইদৰে তাত তেওঁলোকৰ আকাংক্ষা পূৰণ হৈছিল - কিন্তু আশাবোৰ অপূৰ্ণ হৈয়ে ৰল।

"মই যাওঁ"- অৱশেষত এনড্ৰিউৱে কলে -আমাৰ ইচ্ছা অপৰিসীম যি অসীমতাৰ কথা আমি কল্পনাও কৰিব নোৱাৰো। আমি কেনেকৈ আমাৰ সকলো ইচ্ছা পূৰ্ণ হোৱাটো কামনা কৰিব পাৰো ? মই মোৰ সপোনক বাদ দি কেতিয়াও কোনো বস্তুকে অসীম তাল বা অনন্ত সৌন্দৰ্য্য হিচাপে লাভ কৰিম বুলি কল্পনা কৰা নাই -"

"মইও তোমাৰ লগত যাম" আনজনেও কৈ উঠিল -।

দুয়ো একেলগে স্বৰ্গৰ প্ৰস্থান দ্বাৰ বিচাৰিলে ,তৃকীজনে তেওঁৰ অজনা সকলৰ পৰা আঁতৰি আহিল,আৰু তেওঁৰ আটাইতকৈ ভাল সাজজোৰ খুলি থলে, এনড্ৰিউৱেও তেওঁৰ পোচাক খুলি পেলালে আৰু বীণখন থৈ দিলে।

"আমি এতিয়া এৰা এৰি হব পাৰোনে ?" তেওঁ লোকে দুয়ো দুয়োকো সুধিলে। "তোমালোক ইচ্ছা কৰিলেই এৰা এৰি হব পাৰা" বুলি অদৃশ্য কণ্ঠস্বৰ এটি প্ৰতিধ্বনিত হল -"কিন্তু বাহিৰত কি আছে সেই কথাটো মনত ৰাখিবা।"

স্বৰ্গৰ প্ৰস্থান দ্বাৰ পাৰ হোৱাৰ লগে লগে তেওঁলোকে পৃথিবীৰ আৱালমূহৰ হেঁটা অনুভৱ কৰিলে। কিন্তু কমৰ বাবে দুয়ো দুয়োকো হাতত ধৰি সেই হেঁতাক বাধা দিবলৈ থিয় হৈ ৰল। আৰু সেই হেঁতা প্ৰতিৰোধ কৰিবলৈ কষ্ট অনুভৱ কৰিলে - কিন্তু যেতিয়া সেই হেঁতাক বাধা দিব পাৰিলে -বিষাদ বোৰ অভিজ্ঞতা তেওঁলোকে লাভ কৰিছিল - বিবোৰ মৰম আৰু জ্ঞান আহৰণ কৰিছিল -সেই সকলো তাতে বিলাই দিছিল আৰু ইয়াক অধিকতৰ সুন্দৰ কৰি তুলিছিল।

# * *অনাহুত অতিথি * *

মূল ৰচনা : এলবাৰ্টো মোৰাভিয়া
অনুবাদ : সুনীতি সোণোৱাল

এলবাৰ্টো মেৰিভিয়া ৰোম নগৰীত ১৯০৭ চনত এজন আৰ্কিটেক্টৰ পুত্ৰ হিচাবে জন্ম গ্ৰহণ কৰে। শিশু কালত তেওঁ সুস্থ স্বাস্থ্যৰ গৰাকী নাছিল। শিশু অৱস্থাতেই তেওঁ ফৰাচী, ইংৰাজী আৰু জাৰ্মানী ভাষা আয়ত্ব কৰিছিল। ১৯২৫ চনত তেওঁৰ প্ৰথম উপন্যাস প্ৰকাশৰ পিছতে ইটালীৰ সমাজতন্ত্ৰবাদ আৰু সাম্য-বাদ বিৰোধী নীতিৰ বাবে তেওঁৰ লিখনি নিষিদ্ধ কৰিছিল। সেয়ে তেওঁ ছদ্ম নামত প্ৰবন্ধাদি প্ৰকাশ কৰিছিল। ইটালী জাৰ্মানৰ অধীনত থকা সময়ত তেওঁ পাহাৰে কন্দৰে লুকৰ লগীয়া হৈছিল ১৯৪৪ চনলৈ - ইটালী স্বাধীন নোহোৱালৈকে। তেখেত ইটালীৰ আগশাৰীৰ লেখকসকলৰ এগৰাকী। তেখেতৰ প্ৰসিদ্ধ উপন্যাসৰ ভিতৰত Women of Rome অন্যতম।

শিশু কল্যাণ অনুষ্ঠান এটিৰ পৰা এগৰাকী মহিলা বিষয়া পৰিদৰ্শনৰ বাবে আমাৰ ঘৰলৈ আহিছিল আৰু আন আন লোকক সোধাৰ দৰেই মোৰ পত্নীকো ঠিক একেটা প্ৰশ্নকে সুধিছিল যে কেলেইনো আমি পৃথিৱীত ইমানবোৰ সন্তানৰ জন্ম দিছো। মোৰ পত্নীয়ে সেইদিনা নিৰুদ্বেগ চিত্তেৰে উত্তৰ দিছিল আমাৰ যদি -যথেষ্ট ধন সম্পদ থাকিলহেতেন তেন্তে আমি আমোদ প্ৰমোদৰ বাবে চিনেমা চাবলৈ গলোহেতেন, ৰেষ্টোৰাত খালোহেতেন, তেনে খৰচ বহুল কৰিব নোৱাৰো বাবেই আমি শোৱনি কোঠালৈহে যাওঁ আৰু এই পৃথিৱীত আমাৰ সন্তানে জন্ম লয়।”

মহিলা বিষয়া গৰাকীয়ে মোৰ পত্নীৰ মুখত তেনে কথা শুনি অস্বস্তি অনুভৱ কৰি একো নোকোৱাকৈয়ে আঁতৰি গল। বিষয়া গৰাকীক তেনেদৰে কোৱাৰ বাবে মই মোৰ পত্নীক কিছু পিছত খুব গালি পাৰিছিলো; আৰু কৈছিলো যে কিছুমান কথা সঁচা হলেও কোৱা উচিত নহয় আৰু কোৱাৰ আগতে কাৰ আগত কি বিষয়ে কৈছে সেইটো ভালদৰে মন কৰা উচিত।

মই মোৰ ডেকা বয়সত যেতিয়া বিয়াও কৰোৱা নাছিলো তেতিয়া মই প্ৰায়েই স্থানীয় বাতৰি কাকতৰ কিছুমান বাতৰি পঢ়ি আনন্দ লাভ কৰিছিলো, বিশেষকৈ তেনে বাতৰি যিবোৰত সম্ভাব্য বিপদে দেখা দিব পাৰে - যেনে -চুৰি, হত্যা, আত্মহত্যা, আৰু বাটে ঘাটে ঘটা দুৰ্ঘটনা সমূহ; আৰু এই দুৰ্ভগীয়া বোৰৰ প্ৰায়েই [illegible] বাতৰিত "পুতৌৰ পাত্ৰ" অৰ্থাৎ 'বেচেৰা' বুলি কোৱা হৈছিল তেনে কথা মোৰ ভাল লাগিছিল, কাৰণ এজন মানুহ পুতৌৰ পাত্ৰ হব লগীয়া হোৱাটোও যে কিমান দুৰ্ভাগ্যজনক!

আগতে কোনোমতে মই যেতিয়া ডেকা আছিলো তেতিয়া বুজা নাছিলো যে এটা অভাৱ পৰিয়ালৰ ভৰণ পোষণৰ বোজা কিমান গধুৰ! কিন্তু এতিয়া মইয়েই সেই তেতিয়াৰ বাতৰি কাগজত পঢ়া পুতৌ কৰিবলগীয়া ব্যক্তি সকলৰ এজন হৈ পৰিছো। তেতিয়া পঢ়া মনত পৰে - উদাহৰণ স্বৰূপে মই পঢ়িছিলো যে -" তেওঁ লোক অতি দৰিদ্ৰতাৰ মাজত দিন কটাইছিল।" আৰু আজি মই তেনে এটা পৰিবেশৰ মাজত জীৱন যাপন কৰিছো। অথবা -"তেওঁ লোকে তেনে এটা ঘৰত বাস কৰিছিল - যিটোৰ মাজটোহে ঘৰ" -আৰু এতিয়া মই 'অসমাধান চিত্ৰ'ত মোৰ পত্নী আৰু দুটা লৰা ছোৱালীৰে সৈতে যিটো ঘৰত বাস কৰিছো তাত মাত্ৰ এটা কোঠালী, আচবাব বুলিবলৈ মাথো মাটিত বিচনা পাৰি শুব পৰাকৈ কেইখনমান ঢুলী; আৰু যেতিয়া বৰষুণ দিয়ে বাহিৰৰ দৰে ভিতৰতো কলহৰ কাণে পানী ঢালি পৰে। আৰু তেনে সময়তে মোৰ সেই দুৰ্ভগীয়া পত্নীয়ে যেতিয়া আবিষ্কাৰ কৰে যে তেওঁ আকৌ গৰ্ভধাৰণ কৰিছে তেওঁ তেতিয়া মনতে কঠোৰ সিদ্ধান্ত এটি গ্ৰহণ কৰে। কিন্তু সেই সিদ্ধান্তৰ সফল ৰূপায়ন কেতিয়াও হোৱা নাই। যেতিয়া তেওঁ সন্তান ধাৰণৰ বাবে গৰ্ভধাৰণ কৰিছিল তেতিয়া আমি দুয়ো কথা পাতি এই সিদ্ধান্ত লৈছিলো যে, শিশুটোৰ জন্মহোৱাৰ পিছত [illegible] অলপ ডাঙৰ হলেই আৰু আমি

কোনো এক গীৰ্জা ঘৰত এৰি থৈ আহিম। কাৰণ আমি ধাৰণা এটা কৰি লৈছিলো যে, গীৰ্জাঘৰলৈ অহা মানুহবোৰৰ ভিতৰত প্ৰথমে দেখাজনেই এনে পৰিত্যক্ত শিশুটিক তুলি লৈ গৈ তাৰ তত্বাৱধান গ্ৰহণ কৰিব। মোৰ পত্নীয়ে সন্তান প্ৰসৱৰ সময়ত সেই শিশুকল্যাণ বিভাগৰ মহিলা বিষয়া গৰাকীৰ জৰিয়তেই এখন হস্পিতাললৈ গৈছিল আৰু এটি শিশুৰ জন্ম দিছিল। মোৰ পত্নীয়ে হস্পিতালত কিছুদিন থকাৰ পিছত শাৰিৰীক ভাবে সুস্থতা লাভ কৰাৰ লগে লগেই ঘৰলৈ উভতি আহিছিল আৰু কোঠাটোত সোমায়েই তেওঁ কৈছিল ‘‘জানা, হস্পিটালত ইচ্ছা কৰা হলে আৰু দুদিন মান থাকিব পাৰিলোহেতেন।’’

মোৰ পত্নীয়ে এই কথাষাৰি কোৱাৰ লগে লগে নৱজাত শিশুটিয়ে যেন কিবা বুজিহে পাইছে তেনে ভাৱত কান্দিবলৈ ধৰিছিল। সি বেচ ধুনীয়া আৰু স্বাস্থ্যবান হৈছিল - এনেকি মাতটোও ডাঙৰ। মাতটো ডাঙৰ বাবে ৰাতি যেতিয়া সাৰ পাই কান্দিছিল তেতিয়া আৰু কোনোৱেই শুব নোৱাৰিছিল।

তেতিয়া মে মাহ আৰম্ভ হৈছিল আৰু বাহিৰত গৰম হবৰ উপক্ৰম কৰিছিল। সেয়ে আমি ওভাৰকোট নিপিন্ধাকৈয়ে ‘‘ভৰমাৰলঁত্তি’ৰ পৰা বোমলৈ বুলি যাত্ৰা কৰিছিলো। মোৰ পত্নীয়ে কণমানিটিক কিবু ভাৰ লাগিব বুলি ইমান মোৰ কাপোৰবে মেৰিয়াই বুকুত সাবটি লৈছিল যে আৱশ্যক হলে তাক ৰৰকতো এৰি থৈ আহিব পৰা হব। এইদৰে আমি চহৰ পালোগৈ, কিন্তু, চহৰ পোৱাগৈ পিছত মোৰ পত্নীয়ে আমি কি কাৰণে চহৰলৈ গৈছো সেই ভাবটো লুকুৱাই ৰাখিবলৈকে অনৰ্গল কথা কৈ গৈছিল। ফলত তেওঁ তাপৰ লগা যেন অনুভৱ কৰিছিল, উশাহ-নিশাহ ঘন হৈছিল, চুলি আউল বাউল, আৰু দৃষ্টিত আছিল শুন্যতা। কথাকে থাকোতে মাজে মাজে বিভিন্ন গীৰ্জাৰ কথা কৈছিল যত আমি আমাৰ সন্তানক এৰি থৈ যাব পাৰো। তেওঁ কৈছিল -‘‘আমি আমাৰ কণমানিক যতে ততে এৰি থৈ যাব নোৱাৰো। কাৰণ তাক আমাৰ দৰে কোনো ধুনীয়া মানুহে পাই লৈ যোৱাত কৈ আমি আমাৰ লগত যেনেকৈয়ে মাথাকো কিয় যেহি ভালদৰে ৰাখিব পাৰিম।’’ এনেদৰে কৈ পিছমুহূৰ্ত্তে আকৌ কবলৈ আৰম্ভ কৰে - যে যেতোনাৰ গীৰ্জাতহে

তাক এৰি থৈ অহাটো ভাল হ'ব। কাৰণ মেতোনা দেৱীৰো এটি পুত্ৰ আছিল, গতিকে মাতৃ হিচাবে মেতোনাই তেওঁৰ মনৰ ইচ্ছাৰ কথা বুজি পাব। মোৰ পত্নীৰ এনেধৰণৰ কথা শুনি মই মাজে মাজে বিৰক্ত বোধ কৰিছিলো, অপমানিতও বোধ কৰিছিলো, লগতে মই অনুভৱ কৰিছিলো যে আমি যি কাম কৰিবলৈ ওলাইছো সেইটো একেবাৰেই উচিত নহয়। কিন্তু তথাপি যি সিদ্ধান্ত লৈছিলো তাতে স্থিৰ থাকিবলৈ চেষ্টা কৰি তেওঁকো শান্ত কৰিবলৈ বিচাৰিছিলো আৰু তেওঁ এইদৰে অনৰ্গল কথা কৈ থকাটো বন্ধ কৰিবলৈ কিছুমান আপত্তিও প্ৰদৰ্শন কৰিছিলো। শেষত মই কৈছিলো "মই কথা এটা ভাবিছো, জানা, তাক আমি চেইণ্ট পিটাৰ্ছত থৈ আহোঁহে কেনেই বাৰু ?"

মোৰ পত্নীয়ে কথাষাৰ শুনি প্ৰথমতে যেন দ্বিধাগ্ৰস্ত অনুভৱ কৰিছিল, পিছত উত্তৰ দিছিল, 'নেলাগে, সেইখন বৰ ডাঙৰ আৰু জনবহুল ঠাই। তাত তাক কোনেও নেদেখিব। বৰং তাতকৈ সৰু চহৰ 'তিয়াকনভতি'ত থকা সৰু গীৰ্জাটোতে থৈ আহোঁগৈ। তাত সৰু সৰু লগা দোকান বোৰো আছে যাতে বহুতো ধনী মানুহ সাগে ভাগে আহে।

তেওঁৰ কথামতে আমি সেই সৰুঠাইলৈ যোৱা বাছখনত উঠিলো। তেওঁ মানুহৰ মাজত খুব মনে মনে বহি যাবে যাবে কণমানিটিৰ গাত কাপোৰ টানি দি থাকিল। তেনেদৰে গাত কাপোৰ দি থাকোতে মাজে মাজে তেওঁ তাৰ মুখৰ পৰা কাপোৰখন গুচাই ৰ লাগি চাই থাকিছিল। কণমানিটি তেতিয়া গভীৰ টোপনিত ; তাৰ বগা গুলপীয়া গাৰ বং কাপোৰৰ মাজত চাক থাই আছিল। আমাৰ গাৰ কাপোৰবোৰৰ দৰে তাৰ কাপোৰো অপৰিচ্ছন্ন, ভাল গাজ বুলিবলৈ হাতত এজোৰ নীলা বৰণ ধুনীয়া হাত মোজা, কাপোৰৰ মাজৰ পৰা সি হাতখন উলিয়াই লৈছিল যেন সেই ধুনীয়া মোজাজোৰ সকলোকে দেখুৱাব খুজিছে।

আমি "নাৰ্ভো গলভনি"ত নামিলো আৰু নামিয়েই মোৰ পত্নীয়ে আকৌ কথা কবলৈ আৰম্ভ কৰিলে। এইদৰে বৈ থাকি এখন ঘোপাবীৰ দোকানৰ খিৰিকি মুখত বৈ আলমাৰীৰ থলপাত বহা তেজভেটাৰ কাপোৰৰ ওপৰত সজাই থোৱা গহনা বোৰলৈ আঙুলিয়াই কলে "চোৱা, কেনে ধুনীয়া অলঙ্কাৰ বোৰ ! এই ধুনীয়া বস্তুবোৰ কিনিবলৈকে নিশ্চয়

ধনী মানুহবোৰ এইখন চহৰলৈ আহে আৰু দুখীয়া মানুহবোৰে কিনিব নোৱাৰে বাবে নাহেও চাগে। এই দোকানবোৰ চাবলৈ অহা মানুহবোৰ হয়তো তাৰ মাজতে অলপ সময় উলিয়াই গীৰ্জালৈ গৈ অলপ সময়ৰ বাবে প্ৰাৰ্থনা জনায়, আৰু তেনেদৰে সময় পালে, মন ভালে থাকিলে ইফালে সিফালে চাওঁতে আমাৰ কণমানিক দেখিব চাগে আৰু তাকলৈ যাব।"

এইকথাবোৰ দোকানৰ অলঙ্কাৰবোৰ চাই থকা সময়তে তেওঁ কণমানিক বুকুত জোৰেৰে সাৱটি লৈ চকু কেইটা বহলকৈ মেলি নিজকে নিজে কৈ গৈছিল। মই মাথো শুনি গৈছিলো, প্ৰতিবাদ কৰিবলৈ সাহ হোৱা নাছিল। এইদৰে আমি গীৰ্জাঘৰ পালোগৈ আৰু আমি ভিতৰলৈ সোমাই গলো। গীৰ্জাঘৰটো সৰু, ঘৰটোৰ ৰং হালধীয়া, কিন্তু দেখাত মাৰ্ব্বল পাথৰেৰে সজা যেন দেখাইছিল। গীৰ্জাঘৰটোৰ ভিতৰত ওখ বেদীত প্ৰৰ্থনাৰ বাবে ঠাই আছিল। মোৰ পত্নীয়ে কবলৈ আৰম্ভ কৰিলে যে "গীৰ্জাঘৰটো খুব ভাল হব বুলি ধাৰণা কৰিছিলো। কিন্তু ভৰা ধৰণে ভাল নহয় বাবে একেবাৰে ভাল লগা নাই।" যিয়ে নহওক বেদীৰ ওচৰত থকা পবিত্ৰ পানীখিনিত নিজৰ আঙুলিটো জুবুৰিয়াই লৈ হাতেৰে 'ক্ৰচ' চিন কৰি তেওঁ প্ৰাৰ্থনা জনালো। কণমানিক আৰু জোৰেৰে সাৱটি লৈ অবিশ্বাস আৰু অসন্তুষ্টিৰ মনোভাবেৰে ঠাইখনৰ পৰিবেশটো পৰীক্ষা কৰিবলৈ গীৰ্জা ঘৰটোৰ চাৰিওফালে প্ৰদক্ষিন কৰিবলৈ আৰম্ভ কৰিলে। এজাক মুকলি আৰু চেঁচা বতাহ গীৰ্জাৰ গম্বুজটোৰ ফাঁকেৰে বৈ আছিল। মোৰ পত্নীয়ে প্ৰাৰ্থনাৰ ঠাই, ইয়াৰ আচবাব, বহা ঠাই, বেদী, বেৰত আঁৰিথোৱা ছবি আদি চাই ফুৰিছিল কণমানিক থৈ সুবিধাজনক ঠাই এটা বিচাৰি। মই কিন্তু তেঁওক কিছু আঁতৰৰ পৰাহে অনুসৰণ কৰি আছিলো। কিন্তু সকলো সময়তে মোৰ দৃষ্টি আছিল দুৱাৰ খনলৈ। ঠিক তেনে সময়তে বগা ধুনীয়া সোণবৰণীয়া চুলিৰে এগৰাকী যুৱতী সোমাই আহিছিল। তেওঁ শাত লিপিষ্ট থাই যোৱাকৈ কাপোৰ পিন্ধিছিল, আৰু মাত্ৰ একমিনিট সময়ৰ বাবেহে 'ক্ৰচ' চিন কৰি প্ৰাৰ্থনা জনাই আমালৈ লক্ষ্য নকৰাকৈয়ে ওলাই গৈছিল।

মোৰ পত্নীয়ে মহিলা গৰাকীৰ গতিবিধি লক্ষ্য কৰি আছিল। সেয়ে হঠাতে কৈ উঠিল, " নাই ইয়াত একেবাৰেই ভাল নহয়, যি সকল মানুহ

ইয়াতে আছে তেওঁলোকো এই মহিলা গৰাকীৰ দৰেই হ'ব নিশ্চয়। তেওঁলোকে আমোদ প্ৰমোদৰ বাবে আছে, গীৰ্জাটো আহিলেও লৰালৰিকৈ ওলাই যায়, সময় নাই তেওঁলোকৰ ইফালে সিফালে চাবলৈ কাৰণ তেওঁলোকক দোকানত সোমাবলৈহে সময়ৰ বেছি আৱশ্যক। বলা যাওঁ।”

এইখিনি কৈয়েই তেওঁ গীৰ্জাৰ বাহিৰলৈ লৰা লৰিকৈ ওলাই আহিল।

ময়ো মোৰ পত্নীৰ পিছে পিছে খৰখেদাকৈ ওলাই গৈ থাকিলো। কিছুদূৰ গৈ ‘পিয়েজা ভেনেজিয়া’ৰ ওচৰত আন এটা গীৰ্জা পালোঁগৈ। এই গীৰ্জাটো আগৰটোতকৈ বহুত ডাঙৰ। আমি সেইখিনি গৈ পাওঁতে মানে প্ৰায় এঘাৰ বাজিছিল আৰু গীৰ্জা ঘৰটোৰ ভিতৰত কম পোহৰৰ ‘বাৰ’ এটা জ্বলি আছিল। এই কম পোহৰতে শ্ৰোতাবৰ্গৰ বাবে আলমাৰীত সজাই থোৱা বস্তুবোৰ, কিছুমান ওলোমাই থোৱা ধুনীয়া বস্তু, পৰ্দা আদি জিলিকি আছিল। তাত বহু মানুহৰ সমাগম ঘটিছিল। প্ৰথমে মই লক্ষ্য কৰি যিটো বুজিছিলো - তেওঁ লোক আছিল ভালদৰে খাই বই জীয়াই থাকিব পৰা মানুহ। মহিলা সকলৰ আটায়ে টুপী পিন্ধিছিল আৰু পুৰুষবোৰো সুন্দৰ পৰিচ্ছদ পৰিহিত আছিল। পাদুৰী চাহাব জনে বক্তৃতা মণ্ডপৰ পৰা ধৰ্মোপদেশ দিওঁতে হাতখনেৰে মাজে মাজে জোকাৰি দিছিল; আৰু প্ৰত্যেকেই তেওঁলৈ থিয়হৈ চাই আছিল। আমাক কোনেও লক্ষ্য কৰা নাছিল আৰু এই কথাটোৱেই মোৰ আটাইতকৈ ভাল লাগিছিল। মই মোৰ পত্নীক ফুচফুচাই কৈছিলো - “তাক আমি ইয়াতেই এৰি থৈ যাবলৈ চেষ্টা কৰো নেকি ?....”

তেওঁ মূৰ দুপিয়ালে আৰু অইন এডোখৰ এঘাৰ প্ৰাৰ্থনা ঠাইলৈ গ'ল। এঘাৰ বাবে কি আছে মনিবই লোৱাৰি আৰু তাত কোনোবা আছে বুলিও মনে ধৰা নাছিল। মোৰ পত্নীয়ে কণমানিৰ মূৰখন কঁকাল খনেৰে ভালদৰে ঢাকি দি চকী এখনৰ ওপৰত ভৰাই থলে যেন কিন্তু বহুলৈ থকা হাতমূৰৰ খন্তেক সময়ৰ বাবে আজৰি কৰিবলৈ কৌশলটো থৈছে; তাৰ পিছত আঠুলৈ বেছ কিছু সময় প্ৰাৰ্থনা কৰিলে হাত দুখনেৰে মূৰখন ঢাকি লৈ। মই কি কৰিম উপায়ন্তৰ হৈ গীৰ্জাৰ বেৰবোৰ সজাইলৈ

ৰখা ৰূপৰ অলঙ্কাৰবোৰ নিৰীক্ষণ কৰিবলৈ ধৰিলো। অৱশেষত তেওঁ প্ৰাৰ্থনা শেষ কৰি থিয় দিলে, তাৰ পিছত প্ৰাৰ্থনা শেষ কৰিবৰ বাবে ‘ক্ৰচ’ এটা হাতেৰে শূন্যতে আঁকিলে। তেওঁৰ মুখখন বৰ গহীন দেখাইছিল আৰু লাহে লাহে প্ৰাৰ্থনা কৰা ঠাইৰ পৰা ওলাই আহিছিল। অলপ দূৰত্ব ৰাখি ময়ো তেওঁক অনুসৰণ কৰিছিলো। ঠিক সেইখিনি সময়তেই পাদুৰী চাহাবে চিঞৰি কলে- “পিটাৰ তুমি কলৈ যোৱা ?......”

মই তেওঁৰ কথাত চক খাই উঠিলো। মই অনুভৱ কৰিছিলো যেন মোকেই লক্ষ্য কৰি তেওঁ এই প্ৰশ্নটো কৰিছিল। ঠিক সেই সময়তে মোৰ পত্নীয়ে যেতিয়া বাহিৰলৈ ওলাই যাবলৈ দুৱাৰৰ পৰ্দাখন গুচাইছিল তেনেতে আমাৰ পিছফালৰ পৰা অহা কথাষাৰিয়ে আমাক দুয়োকো সচকিত কৰিলে। “মহাশয় আপুনি চকীৰ ওপৰত থৈ দিয়া বস্তুটো নিব পাহৰিলে হবলা -----------?”

তেওঁ আছিল কলা পোছাক পৰিহিতা গীৰ্জাত নিজকে ঈশ্বৰৰ ওচৰত অৰ্পন কৰা মহিলা সকলৰ এগৰাকী।

“অ,হয়”মোৰ পৰিবাৰে কলে“মই পাহৰিছিলোৱেই। ধন্যবাদ-”

সেয়ে আমি আকৌ উভতি গৈ টোপোলাটো তুলি ললো। আৰু প্ৰায় মুমূৰ্ষু অৱস্থা এটা লৈ গীৰ্জাৰ বাহিৰলৈ ওলাই আহিলো।

বাহিৰলৈ ওলাই আহিয়েই মোৰ পত্নীয়ে কলে -“মোৰ এই দুৰ্ভগীয়া সন্তানটিক কোনেও নিবিচাৰে চাগে। ----- মোৰ নিজকে এনে লাগিছে যেন বস্তু এটা বিক্ৰি কৰি আমি তৎক্ষনাত লাভ কৰিব বিচাৰিছো অথচ বজাৰত তেনে ক্ৰেতা পোৱা নাই।”

কথাষোৰ কৈয়েই তেওঁ আকৌ আগৰদৰে খৰকৈ দৌৰিবলৈ ধৰিলে যেন ভৰি দুখন মাটিতেই নপৰিব। এইদৰে আমি “গিৰ্জা চাচি এণ্ডটজি ”লৈ আহিলো। তাত গীৰ্জাঘৰটোৰ দুৱাৰখন খোলা আছিল। ভিতৰলৈ সোমাই গৈ দেখিলো ই বেচ ডাঙৰ আহল বহল আৰু প্ৰায় এন্ধাৰৰ দৰে। মোৰ পত্নীয়ে মোৰ কাণে কাণে ফুচফুচাই “ঠিক এনেকুৱা পৰিবেশকেই মই বিচাৰিছিলো .....” বুলি কৈয়েই দৃঢ় পদক্ষেপেৰে কাষত থকা প্ৰাৰ্থনা থলীলৈ গৈ কণমানিক বেঞ্চ এখনত শুৱাই দিলে ; এইবাৰ তেওঁ প্ৰাৰ্থনা নজনালে ‘ক্ৰচ’ নকৰিলে, এনেকি কণমানিক

কপালত চুমা এটাও নাখালে - আৰু যাবলৈ বুলি নবা জৰিকৈ দুৱাৰ মুখলৈ ওলাই গৈছিল। তাইৰ তধিৰ তলৰ পকাখন জিলিকি আছিল। তেওঁ কেইখোজ মান গৈছেহে এনেতে, গোটেই গীৰ্জাঘৰটোত প্ৰতিধ্বনিত হল এটি নৈৰাশ্যজনক বিলাপ ; তেতিয়া শিশুটিৰ গাখীৰ খোৱাৰ সময় আছিল। ঘণ্টা মিনিটৰ ইকাল সিকাল নোহোৱাকৈ লগা তোকটোৰ বাবে সি চিঞৰি উঠিছিল। যোৰকৈবো কণমানিয়ে এনেদৰে প্ৰচণ্ড চিঞৰ মাৰি কন্দা বাবেই মোৰ পত্নীয়ে মুৰৰ ভাৰসাম্যতা হেৰুৱাই পেলাইছিল। আৰু দুৱাৰৰ কাষে ওলাই যাবলৈ দৌৰি থকা মোৰ পত্নীয়ে তৎক্ষণাত দৌৰি উভতি গৈ বেঞ্চখনত বহি লৈ তাক তুলি ললে আৰু ব্লাউজৰ বুটাম খুলি কণমানিৰ মুখত পিয়াহ গুজি দিলে। কণমানিয়ে তোকাতুৰ কুকুৰনেচীয়া বাঘটোৰ দৰে পিয়াহ মুখত পৰিবলৈহে পালে অকণি অকণি দুয়োখন হাতেৰে পিয়াহ আজুৰি লৈ কাপোন বন্ধ কৰি খাবলৈ আৰম্ভ কৰিলেহে মাথোন তেনেতে কোনোবাই কৰ্কশ মাতেৰে কবলৈ ধৰিলে - "তুমি এই ঈশ্বৰৰ ঘৰটোৰ ভিতৰত তেনে কাম কৰিব নোৱাৰা। যোৱা,যোৱা, বাটলৈ ওলাই যোৱা....."

এইদৰে কওঁতাজন আছিল গীৰ্জাঘৰত ঈশ্বৰৰ ওচৰত নিজকে উছৰ্গা কৰা এজন মানুহ। মানুহজন চুটি চাপৰ আৰু মুখখন পকা দাড়িৰে ঢাক খাই গৈছিল। মাতটো আছিল মানুহজনৰ তুলনাত ডাঙৰ। মোৰ পত্নীয়ে বহাৰ পৰা উঠি নিজৰ বুকখন আৰু কণমানিৰ মুখখন কাপোৰেৰে ঢাকিলৈ কলে "কিন্তু আপুনি জানে ছবিবোৰত মেডোনাৰ কোলাত সদায় এটি শিশু থাকে ----"

"তুমি নিজকে মেডোনাৰ লগত তুলনা কৰিব খুজিছা ? নহয় জানো ? -- "বুলি বুঢ়াজন গুজৰি উঠিল।

যিয়েই নহওক আমি গীৰ্জাঘৰ এৰিলো। আৰু 'পিয়েত্ৰা তেলেজিয়াৰ' ফুলৰ বাগিছাত বহিলোগৈ। তাত বহি মোৰ পত্নীয়ে কণমানিক আকৌ গাখীৰ খুৱাবলৈ ললে। শিশু তোক মুঞ্চলৈকে পিয়াহ খাই আকৌ টোপনি গল।

এনেদৰে গধূলি হলগৈ। গীৰ্জাঘৰবোৰ বন্ধ কৰিবলৈ আৰম্ভ কৰিলে আমাৰো ভাগৰ লাগিছিল আৰু কিং কৰ্তব্য বিমূঢ় হৈ পৰিছিলো।

মই কি কৰা উচিত বা অনুচিত আকৌ ভাবিবলৈ ধৰিলো। আৰু আচলতে মই মোৰ পত্নীক কলো -"শুনা এতিয়া যথেষ্ট পলম হল। এইদৰে আমি আৰু অনিশ্চয়তাৰ মাজত পৈ থাকিব নোৱাৰো। এতিয়া আমি কি কৰিম সেইটো সিদ্ধান্ত কৰিব লাগে।"

মোৰ পত্নীয়ে অসন্তুষ্টি প্ৰকাশ কৰি উত্তৰ দিলে "সি তোমাৰ নিজৰ তেজৰ সন্তান, যদুৰ টোপোলা এটাৰ দৰে মেকুৰীয়ে খাব পৰাকৈ যতে ততে যেনেকৈ তেনেকৈ এৰি থৈ যাব নোৱাৰো নহয়।"

" নহয়, তেনেদৰে নিশ্চয় নহয়।"মই উত্তৰ দিছিলো -"কিন্তু আমি যিয়েই নকৰো সোনকালে কৰি পেলাব লাগে। লগতে ফলাফল কি হব সেই বিষয়ে নতবাকেও তুমি একো কৰিব নোৱাৰা ....."

"এইটোহে সঁচা চাগে"-তেওঁ উত্তৰ দিলে -"তুমি বোধকৰো ভয় কৰিছা যে মই মোৰ মন সলনি কৰি তাক ঘৰলৈ ওভতাই লৈ যাম। নহয় জানো ? তোমালোক পুৰুষ মানুহবোৰ বৰ ভয়াতুৰ -।"

তেওঁৰ কথা শুনি সেই মুহূৰ্ত্ত তে কিবা এটা উত্তৰ দিয়াটো অনুচিত বুলি অনুভৱ কৰিছিলো। সেয়ে লাহেকৈ কলো 'ভয় নকৰিবা। তুমি কেনে অনুভৱ কৰিছা সেয়া মই ভালদৰে বুজিছো। কিন্তু তুমি নিশ্চয় মনত ৰাখিবা যে -এতিয়ালৈকে যিখনি ঘটি গল তাতকৈ সি আমাৰ লগতেই শৌচাগাৰ অথবা ৰান্ধনিশাল বিহীন ঘৰত,শীতকালৰ উৰহৰ কামোৰ খাই, গৰমত মাখিৰ প্ৰকোপত তাণ্ডৱ হোৱাটোৱেই বেচি ভাল হব।"

মোৰ এই কথাষাৰত তেওঁ কোনো উত্তৰ নিদিলে।

আমি কলৈ যাম একো নজনাকৈয়ে 'নাজিওনেলৰ' মাজেৰে টোৰে- ডি -নেৰোনে'ৰ ফালেলৈ গৈ থাকিলো। সেই ঠাইডোখৰ আছিল ওখ। গৈ থকা বাটটোৰ কাষেৰে নামি যোৱা সম্পূৰ্ণ জনশূন্য আলি এটা দেখিবলৈ পালো আৰু তাতে এটা ঘৰৰ পদুলি মুখত যোৱাবৰনীয়া বন্ধ মটৰ গাড়ী এখনো দেখিবলো। মোক যেন কোনোবাই গাড়ীখনৰ ওচৰলৈ যাবলৈ কলে আৰু মই যন্ত্ৰমুগ্ধৰ দৰে গাড়ীখনৰ ওচৰলৈ আগবাঢ়ি গলো। গাড়ীৰ দুৱাৰখন খুলিবলৈ চেষ্টা কৰাত খোল খালে। মই মোৰ পত্নীক কলো - "সোনকালে কৰা এই ঠাইতেই আমাৰ উত্তম সুযোগ - শিশুকালৰ টিটটোক তাক শুৱাই দিয়া।"

তেওঁক মই যেনেদৰে কৈছিলো তেনেদৰেই কৰিলে ; অৰ্থাৎ কণমানিক গাড়ীৰ পিছৰ চিটত শুৱাই দিলে। আৰু মইও লগে লগে দুৱাৰ খন বন্ধ কৰি দিছিলো। কোনেও নেদেখাকৈ খুব কম সময়ৰ ভিতৰতে এই কাম কেৰা কৰি মই মোৰ পত্নীৰ বাহুত ধৰিলে খৰকৈ 'পিয়েজাভেল কুইবিনেল'ৰ ফাললৈ আগবাঢ়িলো।

ঠাইডোখৰ এক্কাৰ আৰু জনশূন্য আছিল। মাথোন তাতৰ ওখ অট্টালিকা বোৰৰ পাদদেশত কেইটামান লাইট জ্বলি আছিল। এই ঠাইডোখৰবেই প্ৰাচীৰৰ সিপাৰৰ 'ৰোম'ত লাইটবোৰ ভিৰবিৰাই আছিল। মোৰ পত্নীয়ে বাটৰ কাষতে পোৱা পানীৰ নিজৰা এটাৰ কাষত বহিলেগৈ। আৰু হঠাতে মোৰ কান্ধলৈ পিঠি দি আঁঠু দুটাৰ ওপৰত হাতখনি লৈ আপ্ৰাণ উচুপিবলৈ ধৰিলে।

" এতিয়া আকৌ কি হল "বুলি মই সুধিলো। তেওঁ কলে -'মই তাক এৰি থৈ আহিলো; তাক মই হেৰুৱালো। তাক সাৱটি থকা আৰু সি পিয়াহ খাই থকা বুকুখন যেন মোৰ সুদা হৈ গল।"

মই যেন অৰ্থহীন ভাবে কলো 'সেইটোতো হবেই। কিন্তু সময়ত সকলো পাহৰি যাবা ..........।'

তেওঁ মূৰ জোকাৰি পুনৰ কান্দিবলৈ ধৰিলে আৰু কান্দিয়েই থাকিল। তাৰ পিছত বৰষুণৰ পিছত বতাহ এজাটি পালে যেনেকৈ বাটচোৰা শুকাই যায় তেনেদৰে তেওঁৰ চকুপানী যেন শুকাই গল আৰু হঠাতে জপিয়াই উঠিল আৰু সেই ঠাইতে থকা অট্টালিকাবোৰলৈ আঙুলিয়াই চিঞৰি কলে -" মই এতিয়া তালৈ যাওঁ আৰু তাত থকা ৰজাক এই বিষয়ে কওঁগৈ।...."

"মনে মনে থাকা" তেওঁৰ হাতখন টানকৈ ধৰি মইও চিঞৰি কলো "তুমি বলিয়া হৈছা নেকি ? নাজানা নেকি আজিকালি যে তাত কোনো ৰজা নাথাকে।"

"তাতে কি আহে যায় ! কোনোবাতো আছে। তাত যেয়ে নাথাকক তেওঁকেই কম যে,...."মোৰ পত্নীয়ে এইদৰে উত্তৰ দিলে। বাস্তৱতে তেওঁ অট্টালিকাৰ গেটখনৰ ফালৈ প্ৰায় দৌৰিয়ে যাবলৈ ধৰিছিল। ভগবানেহে জানে কি দৃশ্যৰ সৃষ্টি কৰিলোহেঁতেন। বহিৰে তেওঁ দৌৰি

যোৱাৰ সময়ত মই ধৰি ৰাখি নকলোহেঁতেন যে, ‘তোৱা মই আকৌ কিবা এটা ভাবিছো ; বলা, আমি গাড়ীখনৰ ওচৰলৈ আকৌ যাওঁ আৰু আমাৰ কণমানিক লৈ আনোগৈ। তেনে কৰিলে আজি এই ঘটি যোৱা কথাবোৰ আমাৰ মাজতেই থাকিব ; কোনোৱেই গম নাপাব। যিয়েই নহওঁক পৰিয়ালটোত এটা কম বা বেছি একো ----”

কথাষাৰ কোৱাৰ লগে লগেই তেওঁ বজাৰ কৰলৈ যাব খোজা পৰিবেশটোৰ সলনি হল। “কিন্তু সি জানো তাতে আছে”-বুলিয়েই তেওঁ গাড়ীথকা ঠাই ডোখৰলৈ খোজ ললে। ময়ো “নিশ্চয় আছে, কাৰণ পাঁচমিনিটো হোৱা নাই” বুলি উত্তৰ দিলো।

এৰি অহা ঠাইডোখৰলৈ গৈ দেখো যে গাড়ীখন সঁচাকৈয়ে তাতে আছিল। কিন্তু যি মুহূৰ্ত্ততে মোৰ পত্নীয়ে গাড়ীৰ দুৱাৰখন খুলিবলৈ লৈছিল তেতিয়াই এজন চুটি চাপৰ আদহীয়া মানুহ গাড়ীৰ দুৱাৰ খনৰ ওচৰলৈকে আহি আছিল আৰু মোৰ পত্নীক গাড়ীৰ দুৱাৰখন খুলিবলৈ ধৰা দেখি চিঞৰিছিল - “ ৰবা, ৰবা, মোৰ গাড়ীখনত কি কৰিব খুজিছা -?”

‘মোৰ বস্তুটো মই নিবলৈ বিচাৰিছো’ বুলি মোৰ পত্নীয়ে উত্তৰ দিলে আৰু গাড়ীৰ পিছৰ চিটত থকা টোপোলাটো লবলৈ হাউলি দিলে।

কিন্তু মানুহজনে বাৰে বাৰে কবলৈ ধৰিলে - “এইখন মোৰ গাড়ী, বুজিছানে ? এইখন মোৰ .....”

মোৰ পত্নীক তেতিয়া চাবলৈ পাৰ লাগিছিল ..... ! তেওঁ কবলৈ ধৰিলে “আপোনাৰ পৰা কোনেনো কি লব বিচাৰিছে ? ...কোনো চিন্তা কৰিব নালাগে ..... আপোনাৰ কোনো বস্তু কোনেও নুচুৱে। ... গাড়ীখনৰ কথা কৈছা ? ...এনে গাড়ীৰ ওপৰত মই থুই পেলাওঁ, চাওক ..........!” এই বুলি গাড়ীখনত সঁচাকৈ থুৱাই দিলে।

“কিন্তু সেই টোপোলাটো !” বুলি মানুহজনে আচৰিত হৈ সুধিলে।

“এইটো কোনো বস্তুৰ টোপোলা নহয়।” তেওঁ গুজৰি গুজৰি কলে “এইটো মোৰ কণমানি, মোৰ সন্তান, চাওঁক আপুনি যদি ইচ্ছা কৰে ..”

এইদৰে কৈ মোৰ পত্নীয়ে কণমানিৰ মুখখনৰ পৰা কাপোৰ গুচাই সি মানুহজনক দেখুৱাই কলে -“ আপুনি আৰু আপোনাৰ পত্নীয়ে নিশ্চয় ইমান ধুনীয়া শিশু এটিক জন্ম দিব নোৱাৰে। নতুবা আপুনিও ইমান

খুনীয়াহে জন্ম লোৱা নাছিল। ------তাৰ ..... আপুনি মোৰ ... হাতো দিবলৈ চেষ্টা নকৰিব। নহলে মই চিঞৰি পুলিচ মাতিম, ... কম যে আপুনি আমাৰ পোনাকণক চুৰ কৰিবলৈ চেষ্টা কৰিছিল।"

আচলতে তেওঁ গালি পাৰি মানুহজনক ভয় খুৱাব বিচাৰিছিল আৰু বেচেৰা মানুহজনেও ভয় খাই কথাবোৰৰ একো বুজি নাপাই বতা চিন্তা পৰি মুখ মেলি থৰ হৈ ৰল।

অৱশেষত মোৰ পত্নীয়ে কণমানিক লৈ লাহে ধীৰে খোজ পেলালে আৰু মই বাটৰ চুকত থিয়হৈ থকা ঠাইতোখৰলৈ আহি মোৰ লগ লগেহি।

সমাপ্ত